
DIET, DHEMAJI
ESTD-2014
দিগ্‌দৰ্শন
বাৰ্ষিক আলোচনী, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি
@rondeep_dotto
Randeep 2025
দ্বিতীয় সংখ্যা ঃ ২০২৪-২৫ বৰ্ষ
পৰশমণি গগৈ
সম্পাদিকা

# সম্পাদনা সমিতি



মৌচুমী বৰুৱা বৰদলৈ
মুখ্য উপদেষ্টা



মায়াশ্ৰী চেতিয়া ফুকন
উপদেষ্টা



ড° তনুজ টায়েং
উপদেষ্টা



দীপশিখা বড়া
উপদেষ্টা



উদ্দীপ্তা চক্ৰৱৰ্তী
উপদেষ্টা



মায়াৰাণী পাৰে
সভাপতি



ভুৱনেশ্বৰ ইংতি
তত্বাৱধায়ক



পৰশমণি গগৈ
সম্পাদিকা



চেনীৰাম গগৈ
সহঃ সম্পাদক



সীমান্ত বৰগোহাঁই
সহঃ সম্পাদক



বলীন বৰশইকীয়া
সদস্য



প্ৰশান্ত কুমাৰ চুতীয়া
সদস্য



জীতেন শইকীয়া
সদস্য



মনোৰমা বৰুৱা দিহিঙ্গীয়া
সদস্যা



বিনদ বসুমতাৰী
সদস্য



লিলি দেউৰী
সদস্যা



কাশ্মিৰী খনিকৰ
সদস্যা

# দিগ্‌দৰ্শন

বাৰ্ষিক আলোচনী

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি

২০২৪-২৫ বৰ্ষ

প্ৰতি,

শ্ৰীযুত/শ্ৰীযুতা/ড° ................................................................................ লৈ

আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছাৰে 'দিগ্‌দৰ্শন'খনি আগবঢ়োৱা হ'ল।

তত্ত্বাৱধায়ক<br>ভূবনেশ্বৰ ইংতি

সম্পাদিকা<br>পৰশমণি গগৈ

**DIGDARSHAN** : *An Annual Magazine of DIET, Dhemaji, Volume-II for the Session 2024-25. Edited by Mrs. Poroshmoni Gogoi and Published by DIET, Dhemaji & Printed at TriCom Prints, Dhemaji-787057*




# দিগ্‌দৰ্শন

**বাৰ্ষিক আলোচনী**

**জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি**

**২০২৪-২৫ বৰ্ষ**

**প্ৰকাশক**
**জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি**

**বেটুপাত অংকন**
ৰণদ্বীপ দত্ত

**অলংকৰণ**
সূৰ্য বৰুৱা

**স্কেচ অংকণ**
সীমান্ত বৰগোহাঁই

**অংগ সজ্জা**
পৰশমণি গগৈ

**অক্ষৰ বিন্যাস**
ভাইজান শইকীয়া

**মূল্য**
২০০/- টকা

**মুদ্ৰণ**
ত্ৰাইকম্ প্ৰিণ্টচ, ধেমাজি তিনিআলি
ধেমাজি-৭৮৭০৫৭

## সম্পাদনা সমিতি

**উপদেষ্টা** ঃ মৌচুমী বৰুৱা বৰদলৈ
মায়াশ্ৰী চেতিয়া ফুকন
ড° তনুজ টায়েং
দীপশিখা বড়া
উদীপ্তা চক্ৰৱতী

**সভানেত্ৰী** ঃ মায়াৰাণী পাৱে

**তত্বাৱধায়ক** ঃ ভুৱনেশ্বৰ ইংতি

**সম্পাদিকা** ঃ পৰশমণি গগৈ

**সহঃ সম্পাদক** ঃ চেনীৰাম গগৈ
সীমান্ত বৰগোহাঁই

**সদস্য-সদস্যা** ঃ প্ৰশান্ত কুমাৰ চুতীয়া
বলীন বৰশইকীয়া
জীতেন শইকীয়া
বিনোদ বসুমতাৰী
লিলি দেউৰী
মনোৰমা বৰুৱা দিহিঙ্গীয়া
কাশ্মিৰী খনিকৰ

# উছৰ্গা

যিসকল মহান মনীষীৰ
জ্ঞানৰ বন্তিৰে সমাজৰ ব্যক্তিক
আলোকিত কৰি তুলিলে
সেই মহান ব্যক্তিসকলৰ
হাতত
এই সংখ্যাটি
উছৰ্গা
কৰা হ'ল।

— *সম্পাদনা সমিতি*

# ধেমাজি জিলা শিক্ষা ও প্ৰশিক্ষণ প্ৰতিষ্ঠান
# শীৰ্ষক গীত

কথা ঃ ৰীমা গগৈ
সুৰ আৰু সংগীত ঃ মানসজ্যোতি বৰুৱা

বহু মনিষীয়ে গঢ়া বহু সাধনাৰে
জ্ঞানৰ আলয়খণি ৰাখোঁ যতনেৰে
আশীষ মাগো আমি শত মনিষীৰ
জোনাক জিলিকে আমাৰ হিয়াত
বহু মনিষীয়ে গঢ়া বহু সাধনাৰে
জ্ঞানৰ আলয়খনি ৰাখোঁ যতনেৰে
তুমি প্ৰজ্ঞাৰ সাধনাৰে জ্ঞানৰ অন্বেষণেৰে
কৰিলা দহকো মহীয়ান
তোমাক যাচিছোঁ ভকতি প্ৰনাম
শিক্ষাৰ অৰ্ঘৰে এগছি চাকি
জীৱন জিলিকাম জ্ঞানৰ জ্যোতিৰে
সজাম সমাজ নৱ চিন্তাৰে
জ্ঞানৰ আলয়খনি সজাঁও আমি
জিলিকাম জগতত তাৰেই জ্যোতি
সবাতো আশীষ লৈ শিৰে তুলি
যুগমীয়া কৰোঁ আমি এই ধৰণী
গঢ়ো আমি ডায়েট ধেমাজি
ডায়েট ধেমাজি
ডায়েট ধেমাজি

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in



## শুভেচ্ছা বাণী

আমি জানিবলৈ পাই সুখী হৈছোঁ যে, ২০১৪ চনতে প্ৰতিষ্ঠিত উজনি অসমৰ ধেমাজি জিলাৰ এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে বাৰ্ষিক আলোচনী 'দিগ্ দৰ্শন' প্ৰকাশ কৰিবলৈ যো-জা কৰিছে।

শিক্ষানুষ্ঠান এখনৰ আলোচনীয়ে শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাৰ উপৰিও অনুষ্ঠানখনৰ বিভিন্ন তথ্যপাতি লিপিবদ্ধ কৰে। মই আশা কৰিছো যে 'দিগ্ দৰ্শন'ত গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব।

ঐক্যবদ্ধ প্ৰয়াসটিৰ সৈতে জড়িত হৈ থকা সমূহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ অভিনন্দন যাচিছোঁ, আলোচনীখনৰ পাঠক-সমাজলৈ আমাৰ শুভেচ্ছা আৰু আগন্তুক ৰঙালী বিহুৰ ওলগ জানাইছোঁ।

দিনাংক: ০৩ এপ্ৰিল ২০২৫

(জিতেন হাজৰিকা)

**Ranoj Pegu**
**Minister**
Education & Tribal Affairs (P)

Block-I, (Old CM Block)
1st Floor, Janata Bhawan
Dispur, Guwahati -781006
Ph. No.: +91 99547-03825 (M)
0361-2237023 (O)
E-mail : ranojpegu@gmail.com

सत्यमेव जयते



## MESSAGE

I really feel good to hear that DIET, Dhemaji is gearing up for the publication of its annual magazine entitled "Dik-Darshan" for the session 2023-24.

The role of a teacher is both noble and impactful. Teachers hold the power to ignite minds, inspire ambition and guide the next generation towards success. As such, the responsibility of preparing teachers is one of the most crucial tasks our society undertakes.

DIET, Dhemaji is not merely a center for academic learning; it is a place where educators learn to cultivate creativity and empathy. By offering quality training, continuous professional development the institute is playing an essential role in building a brighter future for our children and our nation.

As we move forward, let us continue to invest in the professional development of teachers, support innovation in teaching methods and work to create a system where every teacher, student and community thrives.

With best regards.

(Dr. Ranoj Pegu)

প্ৰদান বৰুৱা
সাংসদ, ১২ নং লখিমপুৰ লোকসভা সমষ্টি (অসম)
PRADAN BARUAH
MEMBER OF PARLIAMENT
(LOK SABHA)
12- LAKHIMPUR HPC (ASSAM)

33-35, South Avenue
New Delhi -110011
Tel : 011-2307268, 23017068

Ward No. 6, Chinaichuk
Aradhol, P.O. 7 Dist. Dhemaji
Assam - 787 057
Mobile : +91 94350 48271, 70023 09513
Email : baruah.pradhan@gmail.com
mppradanbaruahoffice@gmail.com




## শুভেচ্ছাবাণী

ধেমাজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে বাৰ্ষিক আলোচনী "দিগ্ দৰ্শন" প্ৰকাশৰ দিহা কৰিছে বুলি জানি পৰম আহ্লাদিত হৈছোঁ। প্ৰতিষ্ঠা কালৰে পৰা শিক্ষানুষ্ঠানখনে শিক্ষাৰ্থীসকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ সম্পদ সৃষ্টি আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিৰে ধেমাজি জিলাখনক বিশেষভাৱে সমৃদ্ধ কৰি আহিছে। এই ক্ষণত প্ৰতিষ্ঠানখনৰ প্ৰত্যেকলৈ মোৰ শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে শিক্ষানুষ্ঠানখনৰ গৌৰৱময় শৈক্ষিক যাত্ৰাৰ এই শুভক্ষণত শিক্ষাসেৱীসকলৰ অৱদান শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু আশা ৰাখিছোঁ ঐতিহ্যবাহী প্ৰতিষ্ঠানখন অসমৰ শিক্ষা জগতত আৰু সমুজ্জ্বল হৈ উঠিব।

শেষত প্ৰকাশ পাবলগীয়া বাৰ্ষিক আলোচনী "দিগ্ দৰ্শন" এ পাঠকৰ পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(প্ৰদান বৰুৱা)

অসম চৰকাৰ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯



## শুভেচ্ছাবাণী

শিক্ষা হ'ল এখন সুস্থ সমাজৰ সৰ্বাংগীন উন্নতিৰ মূল আহিলা। সমাজৰ সাৰ্বিক উত্তৰণৰ বাবে সময়োপযোগী আৰু গুণগত মান সম্পন্ন শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষাদানৰ দৰে পবিত্ৰ স্মৃতিত জড়িত শিক্ষক সমাজৰ ভূমিকা অপৰিসীম। শিক্ষক-শিক্ষয়িত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰখনত উদ্ভাৱন হোৱা নতুন নতুন চিন্তাধাৰাৰ সৈতে পৰিচিত কৰোৱাতো অতি প্ৰয়োজন। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ লগত সংগতি ৰাখি পৰিবৰ্তন আৰু সংস্কাৰ সাধনৰ ক্ষেত্ৰত যি প্ৰত্যাহ্বান আহি পৰিছে, এনেক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ।

একোখন আলোচনী বা মুখপত্ৰই একোটা অনুষ্ঠানৰ সামগ্ৰিক উৎকৰ্ষৰ পৰিচায়ক হিচাপে এখনি প্ৰতিচ্ছবি জনমানসত দাঙি ধৰিবলৈ সক্ষম হয়। বিগত বৰ্ষসমূহৰ দৰে ধেমাজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে প্ৰকাশ কৰি অহা বাৰ্ষিক আলোচনী **'দিগ্ দৰ্শন'** প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ।

ভাষা সাহিত্য চৰ্চাৰ লগতে প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰ স্বকীয় প্ৰতিভা, সামাজিক দায়বদ্ধতা আৰু চিন্তা-চেতনা প্ৰকাশৰ ক্ষেত্ৰত **'দিগ্ দৰ্শন'**এ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰক তাৰেই কামনা কৰিলোঁ আৰু আলোচনীখনৰ লগত জড়িত সদৌটিলৈকে আন্তৰিক শুভেচ্ছা জনালোঁ।

Nirada Devi
(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

Dr. Sanjib Kumar Phukon
ACS, M.A, BEd, MPhil, PhD
ADC (Education), Dhemaji

सत्यमेव जयते

Office of the District Commissioner
Dhemaji



## শুভেচ্ছাবাণী

জানিবলৈ পাই সুখী হৈছোঁ যে, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিৰ আলোচনী 'দিগদৰ্শন' ৰ ২০২৩-২৫ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ যো-জা কৰা হৈছে । এটা অনুষ্ঠানৰ আলোচনী এখনত অনুষ্ঠানটিৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ প্ৰতিফলিত হয় । আলোচনীখনৰ পৰাই জন্মলগ্নৰ পৰা বৰ্তমানলৈ অনুষ্ঠানটিৰ পৰিক্ৰমাৰ বিষয়ে জানিব পৰা যায় । বৰ্তমান অৱস্থান আৰু ভৱিষ্যৎ পৰিকল্পনাৰো ই আভাস দাঙি ধৰে। আশা কৰিছোঁ "দিগদৰ্শন" ৰ সংখ্যাটি সৰ্বাংগসুন্দৰ হৈ উঠিব আৰু প্ৰকৃতাৰ্থত অনুষ্ঠানটিৰ দিগদৰ্শন কৰিব। এই চেগতে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

(ড০ সঞ্জীৱ কুমাৰ ফুকন)
অতিৰিক্ত জিলা আয়ুক্ত, (শিক্ষা), ধেমাজি

অসম চৰকাৰ

# বিদ্যালয় সমূহৰ পৰিদৰ্শক কাৰ্যালয়

## ধেমাজি জিলা সংমণ্ডল, ধেমাজি

প্ৰসঙ্গ নং ....... তাং .....................



## শুভেচ্ছা বাণী

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিৰ বাৰ্ষিক মুখপত্ৰ "দিগ্‌দৰ্শন"ৰ প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে বুলি জানি অতিশয় আনন্দিত হৈছো। শৈক্ষিক দিশ উত্তৰণৰ ক্ষেত্ৰত প্ৰতিষ্ঠানৰ মুখপত্ৰখনিয়ে প্ৰশিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা বিকাশ ঘটাত সহায় কৰিব। মুখপত্ৰখনিয়ে প্ৰশিক্ষাৰ্থীসকলক শৈক্ষিক, বৌদ্ধিক আৰু সামাজিক জ্ঞানৰ লগতে সংস্কৃতিবান ব্যক্তি হ'বলৈ অৰিহণা যোগাব।

প্ৰৱক্তা, প্ৰশিক্ষাৰ্থীৰ পূৰ্ণ সহযোগত প্ৰকাশৰ পথত থকা মুখপত্ৰ "দিগ্‌দৰ্শন"ৰ এক জ্ঞানমালিনীৰূপে জনমানসত বিবেচিত হওক লগতে মুখপত্ৰখনিৰ লগত জড়িত উদ্যোক্তা, প্ৰৱক্তাবৃন্দ আৰু প্ৰশিক্ষাৰ্থীসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

মুখপত্ৰখনিৰ উজ্জ্বল ভৱিষ্যত কামনাৰে.....।

(বিতুপন হাজৰিকা)
বিদ্যালয়সমূহৰ পৰিদৰ্শক
ধেমাজি সংমণ্ডল



# শুভেচ্ছাবাণী

ডায়েট ধেমাজিৰ বাৰ্ষিক মুখপত্ৰ "দিগ্‌দৰ্শন"ৰ দ্বিতীয় খণ্ড প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। এই আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি প্ৰকাশ কৰিবৰ বাবে সম্পাদনা সমিতি আৰু বিভিন্ন ব্যক্তিয়ে অশেষ কষ্ট কৰিছে। শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান এখনৰ আলোচনীখন হৈছে ভৱিষ্যতৰ আৰু বৰ্তমানৰ শিক্ষক সকলৰ মনৰ অনুভৱ, সৃষ্টিশীল লিখনি প্ৰকাশৰ এখন সুন্দৰ মঞ্চ। এই আলোচনীৰ যোগেদি প্ৰতিষ্ঠানৰ বিভিন্ন কৰ্মৰাজি বৃহত্তৰ সমাজলৈ এক বাৰ্তা হওক।

শেহতীয়াকৈ আমাৰ অসমীয়া ভাষাক ধ্ৰুপদী ভাষাসমূহৰ অন্যতম ভাষা হিচাপে কেন্দ্ৰই স্বীকৃতি প্ৰদান কৰাত 1±eÈÅäÂ1ßÁË1 ২০২৫ বৰ্ষটি "কিতাপৰ বৰ্ষ" হিচাবে পালন কৰিবলৈ নিৰ্দ্দেশ দিছে। এই উদ্দেশ্যৰ লগত ৰজিতা খুৱাই এই আলোচনীখনো এক আদৰ্শ হওক। আলোচনী এখনে এখন প্ৰতিষ্ঠানৰ ভাষিক কৰ্মৰাজিৰ প্ৰতিফলন ঘটায়। দিগ্‌দৰ্শন ধেমাজি অঞ্চলক এক ভাষিক অৰ্হতাৰ প্ৰতীক হোৱাৰ কামনা কৰিলো আৰু লগতে ই সকলোৰে মাজত জনপ্ৰিয় হোৱাৰ কামনাৰে .......

মৌচুমী বৰুৱা বৰদলৈ

(মৌচুমী বৰুৱা বৰদলৈ)
অধ্যক্ষা, ডায়েট ধেমাজি
অসম

## শ্ৰী সেৱক চন্দ্ৰ হাজৰিকা

অৱসৰ প্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ
ডায়েট, ধেমাজি,
প্ৰাক্তন ডি. আৰ. চি.চি. আৰু
এ.ডি.এম.চি. (সৰ্ব্ব শিক্ষা অভিযান), ধেমাজি জিলা।




# শুভেচ্ছা বাণী

জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET)ৰ যোগে বৰ্ত্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক ভবিষ্যৎ দ্ৰষ্টা ৰূপত গঢ় দিব বাবে প্ৰাথমিক পৰ্যায়ৰ পৰা তেওঁলোকৰ মনত এক নৱত্বম জাগৰণ সৃষ্টি কৰি শক্তি আৰু উদ্ভাৱনিমূলক চিন্তাৰ বিকাশ ঘটাবলৈ উদ্‌গণি দিয়াটো এটা মূল লক্ষ্য হ'ব লাগে। প্ৰতিজন শিক্ষক প্ৰশিক্ষণাৰ্থীয়ে পথ প্ৰদৰ্শক হিচাবে সততা, আত্মবিশ্বাস, আৰু শৈক্ষিক দক্ষতাৰে ছাত্ৰ-ছাত্ৰী আৰু শৈক্ষিক সমাজক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতিবদ্ধ হ'ব লাগিব। বৰ্তমান ভাৰতবৰ্ষৰ শিক্ষা, বিজ্ঞান প্ৰযুক্তি ক'লা-সংস্কৃতি, সাহিত্য, সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ লগত খাপ খাব পৰাকৈ ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰিবলৈ শিক্ষক প্ৰশিক্ষাৰ্থীসকলে উচ্চকাংক্ষী মনোভাৱ লৈ প্ৰশিক্ষণ গ্ৰহণ কৰাটো অতি প্ৰয়োজন।

ধেমাজি জিলা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে "দিগ্‌দৰ্শন" বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱাত আনন্দত অভিভূত হৈছো। "দিগ্‌দৰ্শন"ৰ দ্বাৰা সমগ্ৰ অসমতে ধেমাজি জিলাৰ শৈক্ষিক মানদণ্ড প্ৰসাৰৰ লগতে শিক্ষাৰ এক নতুন ইতিহাস ৰচনা কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰিলো।

আলোচনীখনৰ লগত জড়িত সকলো কৰ্মকৰ্তা তথা ধেমাজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰিয়ালবৰ্গলৈ হিয়া ভৰা ওলগ জনালোঁ।


(সেৱক চন্দ্ৰ হাজৰিকা)
চেতীয়া গাঁও, ৱাৰ্ড নং-৫
উত্তৰ লক্ষীমপুৰ
ফোন নং- ৯৪৩৫০৮৪৭৯৮

# তত্ত্বাৱধায়কৰ একাষাৰ....

শিক্ষাই মানৱ জীৱনক দিশ নিৰ্দেশ দিয়ে আৰু শিক্ষক সেই দিশ নিৰ্ধাৰণ কৰাৰ মূল কাৰিকৰ। শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান হিচাপে ধেমাজি ডায়েট সেই দিশেৰে কাম কৰি থকা জিলাখনৰ বাবে এখন গুৰুত্বপূৰ্ন আৰু সৃষ্টিশীল অভিযানৰ অংশস্বৰূপ।

"দিগ্‌দৰ্শন" এই শব্দটোৱে কেৱল এখন স্মৃতিগ্ৰন্থকেই সূচোৱা নাই, ই আমাৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানটিৰ এক গতিশীল যাত্ৰাৰ প্ৰতিচ্ছবি। ইয়াৰ মাজেৰে আমি আমাৰ শিক্ষাৰ্থী, প্ৰশিক্ষক আৰু কৰ্মচাৰীসকলৰ মিলনভূমিত ৰচনা হোৱা সৃজনশীলতা, জ্ঞান আৰু সাধনাৰ এক জীৱন্ত দলিল ৰূপে গঢ়ি তুলিব বিচাৰিছোঁ। আজি এই 'দিগদৰ্শনে' আমাক এনে এক সুযোগ দান কৰিছে য'ত আমি অতীতৰ সাফল্য, বৰ্তমানৰ প্ৰচেষ্টা আৰু ভৱিষ্যতৰ লক্ষ্যৰ মাজত এক সেতু নিৰ্মাণ কৰিব পাৰোঁ।

শিক্ষক প্ৰশিক্ষণৰ মূল উদ্দেশ্য হৈছে জ্ঞানৰ পোহৰ সমাজৰ প্ৰতিটো কোণলৈ বিয়পাই দিয়া। এজন সু-প্ৰশিক্ষিত শিক্ষকেই হ'ল সমাজ পৰিৱৰ্তনৰ মুখ্য সৈনিক। "দিগ্‌দৰ্শন"ৰ পৃষ্ঠাবোৰত যেতিয়া আমি আমাৰ শিক্ষাৰ্থীসকলৰ গৱেষণা, সৃষ্টিশীল ৰচনা, শৈক্ষিক অভিজ্ঞতা আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ আলোকচিত্ৰ চাওঁ, তেতিয়া আমাৰ বিশ্বাস দৃঢ় হয় যে এইসকল যুৱশিক্ষকেই ভৱিষ্যতৰ শিক্ষাব্যৱস্থাক নতুন দিশত লৈ যাব।

"দিগ্‌দৰ্শন"খন আমাৰ সেইযাত্ৰাৰ এক দলিল, য'ত সংৰক্ষিত কৰিব বিচৰা হৈছে ডি.এল.এড আৰু বি.এড প্ৰশিক্ষাৰ্থী সকলৰ লগতে প্ৰৱক্তা, জ্যেষ্ঠ প্ৰৱক্তা, আৰু শিক্ষাবিদসকলৰ কঠিন পৰিশ্ৰম, একাগ্ৰতা, আৰু অশেষ সম্ভাৱনাৰে ভৰা অধ্যায়সমূহ।

যোৱা বছৰবোৰ আমাৰ প্ৰতিষ্ঠানৰ বাবে এটা উৎসাহ ব্যঞ্জক অধ্যায় হৈ ৰৈছে। প্ৰশিক্ষণৰ গুণগত মান উন্নীত কৰাৰ ক্ষেত্ৰত যি ধৰণৰ অধ্যৱসায় আৰু একত্ৰিত প্ৰচেষ্টা আমাৰ প্ৰশিক্ষকবৃন্দ, প্ৰশিক্ষাৰ্থী আৰু সমগ্ৰ কৰ্মচাৰী বাহিনীয়ে দেখুৱালে, সেয়া প্ৰশংসনীয়। আমি গৰ্বৰে ক'ব পাৰো, যোৱা বছৰবোৰ প্ৰত্যেকটো ক্ষণ শিক্ষাৰ গুণগত বিকাশৰ এক প্ৰয়াস হিচাপে ধাৰিত হৈছিল।

আমাৰ প্ৰতিষ্ঠানত অনুষ্ঠিত বিভিন্ন হ্ৰস্বকালীন প্ৰশিক্ষণ, গৱেষণা কাৰ্য, নৱীন পদ্ধতিত পাঠদান প্ৰচেষ্টা, আৰু সমাজসেৱামূলক কাৰ্যসূচীসমূহে শিক্ষাৰ প্ৰকৃত অৰ্থ উদঘাটন কৰিবলৈ সহায় কৰিছে। বিশেষকৈ, প্ৰশিক্ষাৰ্থীসকলে গ্ৰহণ কৰা শাৰীৰিক, মানসিক আৰু নৈতিক বিকাশৰ ক্ষেত্ৰত আমি প্ৰচেষ্টা অব্যাহত ৰাখিছে। ডায়েটৰ বিভিন্নজনৰ দায়িত্ববোধ, নেতৃত্বগুণ, আৰু সমাজৰ প্ৰতি থকা আগ্ৰহ আৰু দায়বদ্ধতাই আমাক অধিক আগবাঢ়াই লৈ গৈছে।

স্মৃতিগ্ৰন্থ “দিগ্‌দৰ্শন” কেৱল এটা তথ্যপঞ্জী নহয়-ই আমাৰ প্ৰতিষ্ঠানৰ চিন্তা, কৰ্ম আৰু উদ্যমৰ এক সংগ্ৰহ। ইয়াৰ পাতত সংৰক্ষিত হৈ থাকিব প্ৰশিক্ষাৰ্থীসকলৰ সৃষ্টিশীল প্ৰচেষ্টা, প্ৰশিক্ষকসকলৰ উৎসৰ্গ আৰু শিক্ষাৰ ক্ষেত্ৰত হোৱা সন্মিলিত প্ৰচেষ্টাবোৰ।

তত্বাবধায়ক হিচাপে মই গৌৰৱ অনুভৱ কৰোঁ যে আমাৰ প্ৰতিষ্ঠানটি শিক্ষক তৈয়াৰ কৰাৰ ক্ষেত্ৰত মাত্ৰ পঢ়া-শিকাতেই সীমাবদ্ধ নাথাকে, বৰং তেওঁলোকক এক সুসম্পূৰ্ণ ব্যক্তি হিচাপে গঢ়ি তুলিবলৈ মনোনিৱেশ কৰে। আমি বিশ্বাস কৰো শিক্ষক সমাজৰ দীপশিখা, যাৰ জ্যোতিত উদ্ভাসিত হয় এক সভ্যতাৰ ভেঁটি। সেই দীপ্তি বজাই ৰখাটো আমাৰ দায়িত্ব।

যোৱা দিনবোৰত আমি যিবোৰ অনুষ্ঠান, শিবিৰ, গৱেষণা, আৰু প্ৰকল্পৰ আয়োজন কৰিলোঁ, সেয়া মাথোঁ আনুষ্ঠানিকতা নহয়; ই আছিল প্ৰশিক্ষাৰ্থীসকলৰ সক্ষমতা বিকাশৰ এক সুযোগ। তেওঁলোকৰ আন্তঃ-ব্যক্তিগত আৰু পেচাদাৰী গুণৰ বিকাশৰ ক্ষেত্ৰত সেই কাৰ্যসূচীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

“দিগ্‌দৰ্শন” প্ৰস্তুতকাৰী দল, সম্পাদকমণ্ডলী, লেখক, ছবি-সংগ্ৰাহক আৰু ডিজাইন-সম্পাদনাৰ সৈতে জড়িত সকলোকে মই আন্তৰিক ধন্যবাদ জনাইছোঁ। আপোনালোকৰ নিৰলস পৰিশ্ৰমে এই স্মৃতিগ্ৰন্থখন জীৱন্ত কৰি তোলাত বিশেষ ভূমিকা পালন কৰিছে।

শেষত, মই সকলো প্ৰশিক্ষক, কৰ্মচাৰী আৰু প্ৰশিক্ষাৰ্থীক আগন্তুক দিনতো একেটা উদ্যম, নিষ্ঠা আৰু একতাৰ সৈতে আগুৱাই যাবলৈ আহ্বান জনাইছোঁ। “দিগ্‌দৰ্শন” যেন আমাৰ দিশনিৰ্দেশক হয়, য'ৰ পৰা আগন্তুক প্ৰজন্মই উৎসাহ, অনুপ্ৰেৰণা আৰু জ্ঞানৰ পাথেয় লাভ কৰে।

শুভেচ্ছাৰে,

ভুৱনেশ্বৰ ইংতি
তত্বাৱধায়ক, “দিগ্‌দৰ্শন”

# সম্পাদকীয়....

আলোচনী এখন মাত্র কিছু লেখা, ছবি বা গল্প কবিতাৰ সংকলন নহয়, ই হৈছে এখন মঞ্চ য'ত চিন্তা-ভাৱনা আৰু সৃষ্টিশীলতাৰ নতুন দৃষ্টিভংগী প্ৰকাশ কৰা হয়। আমাৰ এই যাত্ৰা হৈছে এক অবিৰত পৰিবৰ্তনৰ, য'ত নতুন ভাৱনা চিৰস্থায়ী পৰ্যালোচনা আৰু সৃষ্টিশীল অভিব্যক্তি আমাৰ পাঠকক পঢ়িবলৈ আগবঢ়োৱা হয়।

ধেমাজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বাৰ্ষিক আলোচনী "দিগ্‌দৰ্শন"ৰ সম্পাদনা কৰাৰ যি গধুৰ দায়িত্ব পালন কৰিবলৈ আগবাঢ়িছো সেয়া মোৰ বাবে এক ইতিহাস হৈ ৰ'ব। কাৰণ ২০১৪ চনতে প্ৰতিষ্ঠা হোৱা এই প্ৰতিষ্ঠানৰ এইবাৰৰ সংখ্যাটো দ্বিতীয়বাৰৰ বাবে প্ৰকাশ হ'ব। এক দীঘলীয়া পৰিক্ৰমাৰে যথেষ্ট পৰিশ্ৰমেৰে আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হৈছোঁ। এই সংখ্যাত সমাজ, সাহিত্য, সংস্কৃতি আৰু শিক্ষাৰ বিভিন্ন দিশৰ আলোচনা আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সকলো বিষয়ৰ ওপৰত লেখকৰ চিন্তা-মতামত প্ৰকাশ পোৱা আমাৰ কাম্য। সমগ্ৰ আলোচনাই সমাজৰ সঠিক পথ নিৰ্দেশনা দিবলৈ সহায়ক হৈছে বুলি আশা কৰিব পাৰি।

প্ৰতিষ্ঠান এখনৰ বাৰ্ষিক আলোচনী এখন সৰ্বাঙ্গসুন্দৰ কৰি তুলিবলৈ হ'লে বাচকবনীয়া গল্প, প্ৰৱন্ধ, কবিতা আৰু চিন্তাগধুৰ মৌলিক প্ৰবন্ধ-পাতিৰে সমৃদ্ধ হোৱাটো সকলোৰে কামনা কৰে। কিন্তু দুখৰ বিষয় এইক্ষেত্ৰত যিমানখিনি সফলতা পাব লিগিছিল সেইয়া হৈ নুঠিল। সেইয়া মোৰ দুৰ্বলতা নহয়। কেবাইবাৰো জাননী যোগে প্ৰতিষ্ঠানৰ শিক্ষক কৰ্মচাৰী, প্ৰশিক্ষাৰ্থীসকলৰ পৰা লেখা বিচাৰিও সময়ৰ মূৰত হতাশ হ'বলগীয়া হৈছিলো। যিখিনি সংগ্ৰহ হৈছিল তাৰো কিছু সংখ্যক অবিবেচিত হ'ল। যিকি নহওক সেই কিঞ্চিত সংগ্ৰহেৰে যৎপৰোনাস্তি চেষ্টাৰ ফলত এই প্ৰয়াস সফল হ'ল।

আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত মই আমাৰ সম্পাদনা সমিতি, লেখক, ফটোগ্ৰাফাৰ, ডিজাইনাৰ আৰু যিকোনো ক্ষেত্ৰতে সহযোগিতা কৰা সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সৃষ্টিশীলতা, উদ্যম, প্ৰতিশ্ৰুতি আৰু পৰিশ্ৰমৰ বাবে উচ্চ গুণসম্পন্ন চিন্তাশক্তি সৃষ্টি কৰাৰ বাবে সক্ষম হৈছো। আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত মই প্ৰথমে মোৰ শ্ৰদ্ধাৰ মায়াৰাণী পাৰে বাইদেউৰ কথা ক'বই লাগিব। তেখেতে ডয়েটৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতে বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবই লাগিব বুলি উৎসাহ প্ৰদান কৰাত যথেষ্ট অনুপ্ৰাণিত হৈছিলো আৰু বহু কষ্টৰ ফলতে এই কাৰ্যটি সম্পাদন কৰিবৰ বাবে সক্ষম হ'লো। শেহতীয়াকৈ চৰকাৰী অনুমোদন সাপেক্ষে অধ্যক্ষাৰ পদত দায়িত্বভাৰ গ্ৰহণ কৰা শ্ৰদ্ধাৰ মৌচুমী বৰুৱা বৰদলৈ বাইদেউৰ কথাও নুই কৰিব নোৱাৰি। তেখেতেও যথেষ্টখিনি উৎসাহ প্ৰদান কৰিছিল।

'দিগ্‌দৰ্শন' প্ৰকাশৰ মুখ দেখাত মোৰ আন এগৰাকী শ্ৰদ্ধাৰ বাইদেউ যিগৰাকীয়ে শাৰীৰিক, মৌখিকভাৱে প্ৰতিটো কৰ্মতে বহুখিনি সহায় আগবঢ়াইছে সেইগৰাকী মায়াশ্ৰী চেতিয়া ফুকন বাইদেউলৈ মই শ্ৰদ্ধা জ্ঞাপন কৰিছো। এই আপাহতে ট্ৰাইকম্ প্ৰিণ্টচ্‌ৰ সকলো কৰ্মকৰ্তালৈ আন্তৰিক ধন্যবান জ্ঞাপন কৰিলোঁ।

আলোচনীখনৰ প্ৰকাশৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ ভুৱনেশ্বৰ ইংতি ছাৰ আৰু জুনিচ পাটিৰ ছাৰলৈও এই মুহূৰ্তত কৃতজ্ঞতা ভৰা ধন্যবাদ জনাইছোঁ। মোৰ প্ৰশিক্ষিত সহপাঠী সকললৈও শ্ৰদ্ধা জনাইছোঁ। শেষত 'দিগ্‌দৰ্শন' আলোচনীখন প্ৰতি বছৰে বিভিন্ন শিতানেৰে বিভূষিত হৈ উজ্বলি উঠক আৰু বসন্ত আগমনত সকলোৰে মন-প্ৰাণ ৰঙেৰে ভৰি পৰক।

"জয়তু জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি।"

ধন্যবাদেৰে

পৰশমণি গগৈ

(পৰশমণি গগৈ)

সম্পাদিকা, "দিগ্‌দৰ্শন"

# —ঃ সূচীপত্ৰ ঃ—

**প্ৰবন্ধ বীথিকা ঃ**


- Importance of Work Education **Mausumi Baruah Bordoloi**/১
- A Positive Attitude of a Teacher can Improve the Academic Environment of the Schools **Junish Patir**/৩
- Brainstorming : Steps Need for the Session **Mayashree Chetia Phukon**/৬
- The Changing Time and Some Felt Thoughts on The Assamese Identity **Jyotish Narah, Lecturer**/৮
- বিশ্বায়ন আৰু শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰভাৱ **ভুৱনেশ্বৰ ইংতি**/১০
- Adapted Physical Education **Dr. Deny Borah**/১৪
- অসমৰ বিলুপ্ত প্ৰায় কেইটামান "সবাহ" **প্ৰশান্ত কুমাৰ চুতীয়া**/১৬
- প্ৰসংগ ঃ জ্যোতিপ্ৰসাদৰ সাহিত্যিক বৈশিষ্টতা **পৰিমা দুৱৰা**/১৯
- সমাজ উত্তৰণত সংস্কৃতিৰ ভূমিকা **সীমামনি দত্ত**/২২
- সতী সাধনী অসমৰ চুতীয়া বংশৰ অখ্যাত এগৰাকী ভাৰতীয় ৰাণীৰ গাঁথা **বুদ্ধেশ্বৰ চুতীয়া**/২৩
- নাট্যকাৰ অবিনাশ শৰ্মাৰ জীৱন আৰু তেওঁৰ তিনিখন নাটক 'নহন্যতে', 'মায়া' আৰু 'জলছবি' ৰ সম্পৰ্কে এটি চমু আলোকপাত **জুৰি গগৈ**/২৫
- একৈশ শতিকাত আমাৰ সমাজখন বাৰু কোনদিশে ধাৱমান ! **শুক্লেশ্বৰ মালী**/৩১
- প্ৰচাৰ মাধ্যমত নাৰীৰ উপস্থাপন **মাধৱী উপাধ্যায়**/৩৪
- মাতৃভাষাৰ প্ৰয়োজনীয়তা আৰু শিকণ শিক্ষণত ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য **পিংকু সোনোৱাল**/৩৬
- DIET ঃ এক নতুন অনুভৱ **জেৰিনা ভূএঞা**/৩৯
- নাৰীৰ সুৰক্ষাৰ বাবে সমৰ কলা **নৃপেন বিকাশ দেউৰী**/৪০
- কৃত্ৰিম বুদ্ধিমত্তা **বুলন শইকীয়া**/৪১


**অতিথি চৰা ঃ**


- ধেমাজি ডায়েট প্ৰতিষ্ঠা কৰাৰ এক চমু অভাস **সেৱক চন্দ্ৰ হাজৰিকা**/৪৩
- মানসিক চাপ প্ৰতিৰোধত সময় ব্যৱস্থাপনা আৰু ইতিবাচক দৃষ্টিভংগীৰ ভূমিকা **ড° সঞ্জীৱ কুমাৰ ফুকন**/৪৭
- অসমীয়াতেই মেডিকেল, ইঞ্জিনিয়াৰিঙৰ শিক্ষা সম্ভৱ নিৰ্মাণ কৰা, তোলনীয়া আৰু নিজস্ব ভাষা **ৰিপুঞ্জয় গগৈ**/৪৯
- শিক্ষক সমাজৰ একনিষ্ঠ সেৱক **যতীন বুঢ়াগোহাঁই**/৫২
- শিশুৰ শিক্ষা গ্ৰহণত এগৰাকী মাতৃৰ ভূমিকা **ৰশ্মি দলে**/৫৪
- চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ সমস্যা আৰু সমাধানৰ পথ ! **বিপুল শৰ্মা**/৫৭


**গল্প ঃ**


- ফুটুকা ওলোৱা নেতা **দিব্যজ্যোতি গগৈ**/৫৯
- মৰমৰ চোতালখন **পল্লৱী হাজৰিকা**/৬১
- 'হাজৰিকা ছাৰৰ বুদ্ধি' **জীতেন শইকীয়া**/৬৪
- অনুৰাগৰ সন্ধানত **পৰশমনি গগৈ**/৬৬
- প্ৰীতিভোজ **বিদ্যুৎ কুমাৰ বাইলুং**/৬৯
- জীপাল ধৰণী **অঞ্জনা দত্ত**/৭১
- ক'ৰোণাই ধোৱা মৰম **মিনু দত্ত**/৭৩

**কাব্যকানন ঃ**


- নাৰী — **পৰিলিনা বৰুৱা**/৭৫
- ফাগুনৰ উন্মাদনা — **পুবালিমা বড়া**/৭৫
- নিসংগতা — **দিব্য দ্যুতি গগৈ**/৭৬
- কোলাহ'ল — **কমলা কছাৰী**/৭৬
- ব'হাগৰ ঠিকনা বিচাৰি — **নিজৰা বৰগোহাঞি**/৭৭
- তাই আকৌ গাভৰু হৈছে — **গিৰিণ কছাৰী**/৭৭
- ফাগুন যেন এক উৎসৱ — **নিৰঞ্জন গগৈ**/৭৮
- প্ৰহেলিকা — **চেনীৰাম গগৈ**/৭৮
- সমন্বয়ৰ ধেমাজি — **জগন্নাথ হাজৰিকা**/৭৯
- 'নাৰী' — **সোণিত দলে**/৭৯
- ক্ৰমশঃ — **বকুল গগৈ**/৮০
- অনুভৱ — **লখেশ্বৰ ফুকন**/৮০
- স্বদেশ সুৰক্ষা — **বাবুল গগৈ**/৮১
- "অনুনয়" — **বীৰেণ পেগু**/৮১
- কনজীটিভীত এপৰ — **পল্লৱী গগৈ**/৮২
- "গৌৰৱ" — **কৃষ্ণ কান্ত বৰা**/৮২
- কোনে জানে? — **লিলাম্বৰ পাইত**/৮৩
- বাইদেউ — **মেদিনী মোহন মিলি**/৮৪
- এৰি অহা দিনবোৰ — **মায়াশ্ৰী দত্ত**/৮৪
- নিস্তব্ধতাৰ শেষত — **বন্দনা দত্ত**/৮৫
- কলিজাৰ উচুপনি — **বন্তি বৰুৱা**/৮৫
- ক্ষোভ — **অনিল দত্ত**/৮৬
- মা — **মৌচুমী বৰা হাজৰীকা**/৮৭
- নাৰী মই স্ৰোতস্ৰিণী — **হিৰণময়ী দিহিঙ্গীয়া**/৮৮
- A Moonlit Night by the Abanari — **Lakhi Nath Pegu**/৮৮
- सोलोंमुला गोसो — **जुली बसुमथारी**/৮৯
- जीवन तत्व — समुद्र बरगोहाइ/৮৯
- ৰঙা স্কাৰ্ট — **কাকলি পেগু**/৯০
- এক মিনিটৰ গল্প — **লিলি দেউৰী**/৯১
- বিবাহ — **সপোন কুমাৰ ফুকন**/৯২
- অন্য এক পৃথিৱীলৈ — **ৰাহুল বৰবৰা**/৯২
- অতীতৰ পৰা ভৱিষ্যতলৈ — **মামনী শইকীয়া**/৯৩
- ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্যৰ বিশেষত্ব ঃ এক চমু আলোকপাত — **বসন্ত কুমাৰ ভৰালী**/৯৪
- খাদ্যৰ প্ৰয়োজনীয়তা — **অঞ্জু শইকীয়া**/৯৬
- আধুনিক ভাৰতীয় শিক্ষা ব্যৱস্থাত ইংৰাজসকলৰ অৱদান — **বলেন পেগু**/৯৭
- हर व्यक्ति को अपनी समस्या बड़ी लगती हैं — **कल्पना छेत्री**/৯৯
- বিভাগীয় সম্পাদকীয় প্ৰতিবেদন — /১০০-১০৬




মৌচুমী বৰুৱা বৰদলৈ

অধ্যক্ষা

# প্ৰৱন্ধ বীথিকা

"প্ৰৱন্ধ হ'ল ব্যক্তিগত দৃষ্টিকোণৰ পৰা কোনো বিষয়ৰ বিশ্লেষণাত্মক এক কলা।"

# Importance of Work Education

**Mausumi Baruah Bordoloi**
Principal, DIET. Dhemaji

Education has been accepted as a powerful and effective medium to increase productivity beside its other roles in any society. For all round development of children in early 1937, Wood and Abbott Committee stressed the inclusion of manual work in the school curriculum.

Zakir Hussain Committee on Basic Education, December (1937) recommended making spinning, weaving and other craft the core of curriculum and relating all subjects to the selected craft. The Committee emphasized the need of incorporating productive work (manual work) in regular curricular subjects for holistic development of the learners. It has disciplinary value for one's life and creates self Confidence, self-respect and self-reliance. It provides a varied opportunity for initiative, creativity, co-operation and social service.

Mudaliar Commission (1952-53) also recommended that inclusion vocational education in 7 years school curriculum to prepare students for work by providing them with Practical skills and knowledge.

The Indian Education Commission (1964-66) introduce Work Experience as an integral part of all education. According to the commission Work experience (Now Work Education) is a method of integrating education with work; which is essential for modern society that has adopted science-based technology. Work in such society has to be performed intelligently. Work education provides some corrective measures to the over academic and bookish character of education.

Ten-year school curriculum frame work (1976) stress the need of work experience and it should be central feature of school education at all levels. National Policy on Education (1986) accepted the concept of socially useful productive work (SUPW) considered it as purposeful, meaningful, physical work. From psychological view point the productive manual work is extremely desirable as it relives the children from the tyranny of purely academic and the critical instruction against which active nature is making a healthy protest. Manual word done intelligently and not mechanically helps to develop desired personality that is necessary for a democratic society, psychomotor skills thus developed provide the much-needed pre-vocational orientation for smoother transit to world of Work (NCERT 1991).

The National Policy on Education (1986) has conceived work experience as purposeful meaningful manual work, organized as an integral part of the learning process and resulting in either

goods or services useful to the community, both mental and as well as physical work are the integral part of life, because work is essential for fulfilling the necessities of life i.e. it is necessary for both physical and mental health. Pre-vocational programmes/activities provided at the lower secondary stage will help the learner to decide for taking up vocational courses at higher secondary stage according to their field of interest.

NCF (2005) emphasized the need and importance of work in the pedagogical process. NCF (2005) pointed out the pedagogical potential of work in knowledge acquisition, developing values and multiple skill development. As the child mature, a work centered pedagogy can be pursued with increasing complexity. A set of work-related generic competencies could be pursued at all stages of education i.e. basic, inter-personal and systematic along with critical thinking, transfer of learning, creativity, communication skills, aesthetics, work motivation, work ethics of collaborative functioning and entrepreneurship cum social accountability.

NEP (2020) focus on competency-based education, emphasizing developing skills and competency rather than more knowledge acquisition which could be possible through leaching learning active participation of the learner in learning process. Integration of work in the pedagogical process only could develop critical thinking, creativity, communication and problem solving skills which are necessary for 21st century global citizenship. It could help the learner to develop a broader understanding of world and prepare them for the complexities of upcoming society.

Thus, Work education will provide learner with opportunities of participating in social and economic activities inside and outside school. It will lead to development of desirable personal and social qualities and positive attitudes, abilities, potentialities, skills and understanding of the principles and process related to work in which learner engaged themselves. In addition, it will help to develop in learners a general awareness of the work environment. Work education has limitless educational importance and opportunities in the learner's life who might belong to any socio-economic and cultural background. ❐❐

*"Give the pupils something to do, not something to learn; and the doing is of such a nature as to demand thinking; learning naturally results."*

- John Dewey

# A Positive Attitude of a Teacher can Improve the Academic Environment of the Schools

**Junish Patir**
Senior Lecturer, DIET, Dhemaji

Attitude plays a crucial role in shaping the academic environment of schools, often more than knowledge or skills alone. A positive attitude fosters collaboration, resilience, and a growth mindset, which are essential for both students and educators to thrive. The education planners and other stakeholders of the education system are in confused state of mind how to improve and rejuvenate the academic scenario of the schools. It has been observed that in spite of possessing requisite qualification by the teachers and available resources and sufficient infrastructures some of the teachers are reluctant to deliver their services in the schools. Following are some of the examples illustrating how positive attitude impacts the academic scenario in the schools.

**1. Growth Mindset in Students:-**

**Example:-** A student who struggles with math but maintains a positive attitude and believes in their ability to improve is more likely to seek help, practice consistently, and eventually master the subject. In contrast, a student with a fixed mindset (negative attitude) may give up easily, believing they are "just bad at math."

**Impact:** A growth mindset encourages perseverance and learning from mistakes, leading to better academic outcomes.

**2. Teacher Enthusiasm and Motivation:-**

**Example:-** A teacher who approaches their lessons with enthusiasm and a positive attitude can inspire students to engage more deeply with the material. For instance, a science teacher who demonstrates excitement about experiments can spark curiosity and a love for learning in students.

**Impact:** Positive teacher attitudes create a more dynamic and engaging classroom environment, which enhances student participation and understanding.

**3. Collaboration among Educators:-**

**Example:-** When teachers and administrators adopt a collaborative attitude, they share resources, strategies, and feedback to improve teaching methods. For instance, a school where teachers regularly meet to discuss student progress and brainstorm solutions will likely see better academic results.

**Impact:** A cooperative attitude among staff fosters a supportive and innovative academic culture, benefiting both teachers and students.

**4. Resilience in the Face of Challenges:-**

**Example:-** A school facing budget cuts or resource shortages can still thrive if the staff and students maintain a positive attitude. For instance, teachers might creatively use free online resources or community partnerships to continue providing quality education

Impact: A resilient attitude helps schools overcome obstacles and maintain high academic standards

despite external challenges.

**5. Student-Teacher Relationships**

**Example:-** A teacher, who approaches students with empathy and encouragement, rather than criticism, can build trust and motivation. For instance, a teacher who praises a student's effort rather than just their grades can boost the student's confidence and willingness to learn.

**Impact:** Positive relationships between students and teacher can create a safe and supportive learning environment, which is essential for academic success.

**6. Parental Involvement:-**

**Example:-** Parents with a positive attitude towards education can significantly influence their children's academic performance. For instance, parents who actively participate in school activities, help with homework, and encourage a love for learning will set a strong example for their children.

**Impact:** A supportive home environment reinforces the importance of education and motivates students to excel.

**7. School Leadership:-**

**Example:-** A principal with a visionary and positive attitude can transform a school's academic culture. For instance, a principal who encourages innovation, recognizes teacher efforts, and involves the community in school activities can create a thriving academic environment.

**Impact:-** Leadership with a positive attitude inspires both staff and students to strive for excellence.

**8. Peer Influence:-**

**Example:-** In a classroom where students encourage each other and celebrate academic achievements, everyone benefits. For instance, a group of students forming a study group to help each other prepare for exams demonstrates a positive attitude toward learning.

**Impact:** A supportive peer culture promotes collective academic improvement and reduces stress.

The National Education Policy (NEP) 2020 emphasizes the significance of teachers' attitudes in enhancing the academic environment of schools. According to the policy, teachers' attitudes and mindsets play a crucial role in shaping students' learning experiences and outcomes. The NEP 2020 highlights the importance of teachers' attitudes in the following ways:

1. Creating a supportive learning environment: Teachers' positive attitudes can foster a supportive and inclusive learning environment, encouraging students to participate, ask questions, and explore ideas.
2. Promoting student motivation and engagement:- Teachers' enthusiasm, passion, and love for teaching can inspire students to develop a love for learning, leading to increased motivation and engagement.
3. Addressing diversity and inclusivity:- Teachers' attitudes towards diversity, equity, and inclusion can significantly impact students' sense of belonging and academic success.
4. Fostering a growth mindset:- Teachers' attitudes towards failure, mistakes, and challenges can influence students' mindset, encouraging them to view failures as opportunities for growth and learning.
5. Encouraging critical thinking and creativity:- Teachers' attitudes towards inquiry-based learning, critical thinking, and creativity can inspire students to think outside the box, question assumptions, and develop innovative solutions.

**To promote positive teacher attitudes, the NEP 2020 recommends:**

1. Teacher training and professional development:- Providing teachers with ongoing training, support, and resources to enhance their skills, knowledge, and attitudes.
2. Teacher mentoring and coaching:- Pairing teachers with experienced mentors or coaches who can offer guidance, feedback, and support.
3. Teacher well-being and self-care:- Encouraging

teachers to prioritize their own well-being, mental health, and self-care to maintain a positive attitude and overall quality of life.

4. Positive school culture:- Fostering a positive school culture that values collaboration, mutual respect, and open communication among teachers, students, and administrator. By focusing on teachers' attitudes and providing supportive environments, the NEP 2020 aims to improve the academic scenario in schools, leading to better learning outcomes, increased student motivation, and enhanced overall educational experiences.

Teachers plays a pivotal role in transforming the academic scenario of schools, and Assam has several inspiring stories of educators who have made a significant impact. These teachers have gone beyond their regular duties to innovate, motivate, and create a positive learning environment. Here are some examples:-

1. Ranjit Kumar Das: The Science Innovator

**School:-** Rupahihat High School, Nagaon District

Achievement:- Ranjit Kumar Das, a science teacher, introduced low-cost, innovative teaching aids to make science education more engaging and accessible. He used everyday materials to create models and experiments that helped students understand complex concepts.

Impact:- His methods not only improved students' performance in science but also sparked their curiosity and interest in STEM subjects. Many of his students have gone on to participate in state and national-level science exhibitions.

Recognition:- He has received multiple awards, including the National Award for Teachers in 2019.

**2. Mamoni Rajkumari:**

The Rural Education Champion

School:- Kakojan High School, Jorhat District

Achievement:- Mamoni Rajkumari focused on improving literacy and numeracy skills among students in a rural area with limited resources. She organized after-school tutoring sessions and used storytelling and local cultural references to make lessons relatable.

Impact:- Her efforts led to a significant improvement in the school's academic performance, with many students achieving top ranks in district-level exams.

Recognition:- She was honored with the State Award for Teachers in 2020.

**3. Dilip Kumar Nath:**

The Environmental Educator

School:- Dhalpur Higher Secondary School, Lakhimpur District

Achievement:- Dilip Kumar Nath integrated environmental education into the school curriculum. He initiated tree plantation drives, waste management programs, and eco-clubs to teach students about sustainability.

Impact: His initiatives not only improved students' academic knowledge but also instilled a sense of environmental responsibility. The school became a model for eco-friendly practices in the region.

Recognition: He was awarded the Green Teacher Award by the Assam government in 2022

These teachers exemplify how dedication, innovation, and a student-centric approach can transform the academic scenario in schools. Their stories highlight the importance of going beyond traditional teaching methods to address the unique challenges faced by the students in Assam. By inspiring their students and communities, these educators have set a benchmark for excellence in education.

**Conclusion:**

While knowledge and skills are essential, attitude determines how effectively they are applied. A positive attitude creates a ripple effect, improving the academic scenario by fostering resilience, collaboration, and a love for learning. Schools that prioritize cultivating positive attitudes among students, teachers, and parents are more likely to achieve long-term academic success. ❐❐

# BRAINSTORMING : STEPS NEED FOR THE Session

**Mayashree Chetia Phukon**
Sr. Lecturer, DIET, Dhemaji

Brainstorming is a widely recognized creativity technique designed to generate creative ideas for solving problems, developing new products or improving innovative thinking processes. It is a fundamental tool for achieving success in various fields, from business to education to the arts and is a group activity where participants are encouraged to share ideas freely without immediate criticism and evaluation. This non judgmental environment fosters creativity by allowing participants to think outside the box and unconventional solution. Brainstorming is a powerful technique that drives innovation, enhances collaboration and improves problem-solving capabilities within teams and organizations. The essence of brainstorming lies in its ability to break free from conventional thinking and explore new possibilities.

Brainstorming with students can be a highly effective way to generate ideas, encourage creativity and foster collaborative thinking. Some steps to operate the session are mentioned below:

**PREPARATION**

1. **Define the Purpose:**

Purpose or objective of the session carried on should be clearly defined.

2. **Setting of Rules:**

Setting of some rules for the session should be important. Such as-

- Accept all ideas without criticism.
- Encourage participants to build on each other's ideas.
- Create a non-judgement zone to foster an open, safe and conductive environment.

3. **Necessary arrangement:**

- Selection of students for the session whether it will be done in groups or as a whole class.
- Selection of tools and materials need for the session.
- Time and duration.

**DURING THE SESSION:**

1**. Warm-up Exercise:** Should start with a fun and quick warm-up activity which stimulates creative thinking and to get students in the right mindset.

2. **Present the Problem:** Statement of the problem clearly.

3. **Ways to generate ideas:** Use of different ways to elicit ideas.

- Free writing: Students allowed to write down all ideas come to their mind.

- Round Robin: Each student around the room has to contribute one idea.
- Mind Mapping: Creating a visual map of ideas and their connections.
- Brain writing: Students should write their ideas on paper and then pass it to the next person to add more ideas.

4. **Encourage Participation:** Participants should continuously encourage or prompts to generate new ideas and accept all ideas without criticism.

5. **Record all Ideas:** Recording of all ideas in front of the participants is necessary.

**POST –SESSION:**

1. **Organize and Cluster Ideas:** Grouping of similar ideas to identify common themes.

2. **Review and Discuss:** Review of the ideas generated and discusses their feasibility and relevance.

3. **Evaluate and selection of best Ideas:** Selecting the best one using affinity diagram or voting method.

4. **Develop Actionable Steps:** Turn the best ideas into actionable tasks.

5. **Summarize the Session:** Recap the main ideas and decisions.

6. **Follow-up:** Distribution of the summary of the session to all participants. Designing of next follow-up actions to track progress on the action item.

**TIPS FOR SUCCESS:**

1. A positive environment is essential for creativity and generating ideas.
2. The person who carried out the session should active all the time to keep it on track.
3. Use of any kind of visuals like pictures, charts to stimulate creativity.
4. Keep a record of all ideas for future reference and action.

**CONCLUSION:**

Brainstorming session for students is essential for fostering creativity, collaboration and critical thinking. By incorporating regular brainstorming sessions, educators can create a dynamic and engaging learning environment that nurtures essential skills for students' academic and personal growth. Implementing brainstorming practices for learners are essential in various educational settings. It encourages creativity, critical thinking, collaboration and problem-solving skills. It is typically a method that encourages students to pool creative ideas and solutions to solve problems. From group activities to reading and learning, brainstorming encourages young ones to share ideas and socialise to figure out solutions for problems and lessons. Brainstorming is very important for students. By interacting with one another, listening to one another, and expanding on one another's ideas, brainstorming aims to maximize the group's collective thinking. By creating a creative and collaborative environment, it helps to generate new ideas, refine existing ones and solve complex problem. ❒❒

**REFERENCES:**


- Bhatia H.P—Elements of Educational Psychology
- Edward De Bono— Lateral Thinking
- https://www.creativityatwork.com/what-is-creativity/
- https://www.newworldencyclopedia.org/entry/Creativity
- https://en.wikipedia.org/wiki/Innovation

# The Changing Time and Some Felt Thoughts on The Assamese Identity

**Jyotish Narah, Lecturer,**
DIET, Dhemaji

When talking about Culture and the Assamese Culture, a simple sentence, or thought comes out that states "Loss of Culture, Loss of Identity." Herewith so relevant are some questions, like "What is Culture, where is Culture, why is a Culture, and how is a Culture, and, likewise, who is an Assamese, where is an Assamese, how is an Assamese and how is the Assamese culture and so on and so forth, and how is the Assamese culture so related to a School Culture etc.?"

Everyone born and living in Assam generally is proud of Assam. Though such a proudness is in everyone, some changes, firstly speaking, for instance in dresses and/or thoughts might have taken place, or going to take place at several important and unimportant places. Hence again arise there some questions, like "Is our Assamese Culture not followed everywhere now-a-days, why do some singers, or artists, when performing on a stage, not wear particular dresses of Assameseism, why does a particular kind of gentle men and women (not all) even prefer to wear Non- Assamese dresses and so on even in some Assamese cultural programmes?"

Is a dress, or thought, or composition of Art, Music, Literature etc., not pertained to a particular culture? Of course, it is pertained to. Then, now, the time comes to remember the thoughts of Bhupenda, singing "Ami Axomia nohou dookhiya, buli hantona lobhile nohobo, ajir Axomiyai nijok nisinile Axom rokhatole jabo", and, further, of Swami Vivekananda saying "Welcome only the Science and Technology from the West, never and never their Culture."

Hence is one more question, "If some dresses differ, do some thoughts too differ, or may differ?" Yes, or may be to some extent. Whatever be the case, can someone think he, or she can become a greater person by neglecting his, or her own culture and accepting a foreign, or emotionally loaned culture? Surely, not.

As an Assamese, proudness is there in the simple and the kind-hearted behaviour and thoughts and the kind hearted looks and the simple walks and identical dresses. Starting right from the very first teacher of a child's life, that is, own mother, nurturing a child to love his own culture and the nation as well is always so essential and urgent, as the more a child grows, the more he be culturally sound. No realisation, no education ; no culture,

no identity. This is already, or going to be so essential to be taught to the children right from the Primary Classes even, so that Materialism, or Materialistic Thoughts cannot misguide them in the coming days. Materialism is necessary for us, but should not hurt the soul of the Assamese culture.

Moreover, isn't there relevance between Assameseism and Patriotism ? The Assamese is known for its heroic bravery. Captain Jintu Gogoi, an Indian Army Officer of the 17 Garhwal Rifles, is an example, who was posthumously awarded the Vir Chakra, India's 3rd highest wartime military decoration, for his courage and bravery in a combat during operations in the Kargil war in 1999. Captain Gogoi was none other than Lachit Borphukan, who was an Army General commanding the Ahom Army and won the victory in the Battle of Saraighat (1671). Isn't it essential to cultivate in the heart and soul of a child "Boolile desh, nalage adesh, Dexotkoi Moomai dangor nohoi, Jai Ai Axom, Bharat Mata Ki Jai" ? If yes, who will take this responsibility to encourage and inspire a child towards Patriotism ? Of course, each and every Assamese is morally responsible for it. And, further, so long as Patriotism is concerned, School Culture, or the Culture of an Educational Institution, is wholeheartedly connected to the Assamese Culture and Thoughts. So, it may be referred to a saying of Dr. APJ Abdul Kalam, who says, "An educational institution is nobler than a religious institution even." If his noble thought is sincerely followed by the Assamese, it is sure, though may there be so many issues, or shortages in some schools, yet any issues could be more easily resolved. "Arise, Awake and stop not till the goal is reached (Swami Vivekananda)." But, who will inspire them, that is, the Assamese, to arise and awake to go to the schools, or any other educational institutions for spontaneous cooperation in the activities for all round development and improvement of the said institutions? Of course, the teachers primarily. An instance of enhancement may be taken that the Govt. School – College Teachers have admitted, or would admit their own children in Govt. Schools - Colleges to enhance the academic environment of an educational institution for its all round development.

After all, everything thus relevant for the good of the Assamese is primarily possible first, many believe, in the hands of the teacher community who should morally serve the Nation as exactly as the Military Heroes sacrifice for their own country and others. That is why, the teachers, being the leaders of Man-making and Nation building, are mighty enough to turn the colourful dreams of the Assamese absolutely into reality by accumulating the valuable efforts of each and every corner of Assam and abroad. "Jaga Axomia Jaga, Ootha Axomia Ootha."

JAI AI AXOM. BHARAT MATA KI JAI. ❐❐

# বিশ্বায়ন আৰু শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰভাৱ

**ভূৱনেশ্বৰ ইংতি**
জ্যেষ্ঠ প্ৰৱক্তা, ডায়েট ধেমাজি

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ লগে লগে পৃথিৱীৰ আকাৰ যেন সৰু হৈ আহিছে। দেশসমূহৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা বাঢ়িছে। এখন দেশৰ প্ৰযুক্তি, অৰ্থনীতি, জীৱন নিৰ্বাহৰ প্ৰণালী, সংস্কৃতি, শিক্ষা ব্যৱস্থা আদিয়ে সকলো ক্ষেত্ৰতে অন্য দেশৰ জনসাধাৰণকো প্ৰভাৱ পেলোৱা দেখা গৈছে। সেয়ে আজিৰ সময়ত বিশ্বায়নৰ ধাৰণাই সমগ্ৰ বিশ্বৰ লোকক চুই গৈছে। বিশ্বায়ন হৈছে এক আন্তঃসংযুক্ত প্ৰক্ৰিয়া, য'ত বিভিন্ন দেশৰ অৰ্থনীতি, সংস্কৃতি, আৰু সমাজৰ মাজত পাৰস্পৰিক সম্পৰ্ক বৃদ্ধি পায়। ইয়াৰ জৰিয়তে দেশসমূহৰ মাজত বাণিজ্য, প্ৰযুক্তি, সংস্কৃতি, আৰু ৰাজনীতিৰ আদান-প্ৰদান বৃদ্ধি পায়, যাৰ ফলত এক গোলকীয় সমাজ গঢ় লৈ উঠে। বিশ্বায়নে সাধাৰণতে মুক্ত বাণিজ্য, পুঁজিৰ মুক্ত প্ৰবাহ, আৰু তথ্যৰ দ্ৰুত বিনিময়ক সমৰ্থন কৰে।

বিশ্বায়নৰ কাৰকসমূহৰ ভিতৰত প্ৰযুক্তিগত উন্নতি বিশেষকৈ ইণ্টাৰনেট আৰু যোগাযোগ প্ৰযুক্তি, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য চুক্তি, আৰু বহুজাতিক কোম্পানীসমূহৰ ভূমিকা উল্লেখযোগ্য। ইয়াৰ ফলত পৃথিৱীখন সৰু হৈ পৰিছে বুলি কোৱা হয়, কিয়নো ইয়াৰ জৰিয়তে দূৰৱৰ্তী স্থানসমূহৰ মাজত সংযোগ স্থাপন সহজ হৈ পৰিছে।

কোনো সন্দেহ নাই যে বিশ্বায়নে বহুতো সুবিধা আগবঢ়াইছে, যেনে অৰ্থনৈতিক বৃদ্ধি, সংস্কৃতিৰ আদান-প্ৰদান, আৰু প্ৰযুক্তিৰ প্ৰসাৰ আদি। কিন্তু ইয়াৰ কিছুমান নেতিবাচক দিশো আছে, যেনে অৰ্থনৈতিক অসমতা, স্থানীয় সংস্কৃতিৰ হ্ৰাস, আৰু পৰিৱেশীয় সমস্যা আদি। সেয়েহে, বিশ্বায়ন হৈছে এক জটিল আৰু বহুমুখী প্ৰক্ৰিয়া, যাৰ প্ৰভাৱ পৃথিৱীৰ প্ৰায় প্ৰতিটো কোণতে পৰিলক্ষিত হয়। শিক্ষা ব্যৱস্থাতো বিশ্বায়নৰ বহুতো প্ৰভাৱ পৰিলক্ষিত হয়।

বিশ্বায়নে শিক্ষাক এক গোলকীয় পৰ্যায়লৈ লৈ গৈছে, য'ত বিভিন্ন দেশৰ মাজত জ্ঞান, প্ৰযুক্তি, আৰু সংস্কৃতিৰ আদান-প্ৰদান বৃদ্ধি পাইছে। পৃথিৱীৰ দেশসমূহৰ শিক্ষা ব্যৱস্থাত বিশ্বায়নৰ কেইটামান গুৰুত্বপূৰ্ণ প্ৰভাৱ উল্লেখ কৰা হ'ল —

প্ৰথমতে, বিশ্বায়নৰ জৰিয়তে শিক্ষাৰ্থীসকলে বিদেশত শিক্ষা গ্ৰহণৰ সুবিধা পাইছে। বহুতো শিক্ষাৰ্থীয়ে উচ্চশিক্ষাৰ বাবে উন্নত দেশসমূহলৈ যায়, যাৰ ফলত তেওঁলোকে বিভিন্ন সংস্কৃতি আৰু শিক্ষা পদ্ধতিৰ সৈতে পৰিচিত হ'ব পাৰিছে। বিভিন্ন দেশৰ মাজত শিক্ষা পদ্ধতি, কৌশল আৰু শিক্ষা প্ৰযুক্তিৰ আদান-প্ৰদান সম্ভৱ হৈ পৰিছে।

দ্বিতীয়তে, ইণ্টাৰনেট আৰু ডিজিটেল প্ৰযুক্তিৰ বিকাশে অনলাইন শিক্ষাক সহজলভ্য কৰি তুলিছে। বিশ্বায়নৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীয়ে অনলাইন কোৰ্ছ, ভিডিঅ' লেকচাৰ, আৰু ই-লাৰ্নিং প্লেটফৰ্মৰ জৰিয়তে জ্ঞান আহৰণ কৰিব পাৰিছে। উদাহৰণস্বৰূপে, কৌৰ্চেৰা, য়ুডেমি, আদি প্লেটফৰ্মসমূহে বিশ্বজুৰি শিক্ষা প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে বিশ্বৰ যি কোনো প্ৰান্তৰ শিক্ষাৰ্থীয়ে উন্নত ৰাষ্ট্ৰসমূহৰ শিক্ষা ব্যৱস্থাৰ সুবিধাও গ্ৰহণ কৰিব পাৰিছে।

তৃতীয়তে, বিশ্বায়নে শিক্ষা ব্যৱস্থাত বহুসংস্কৃতিৰ সমন্বয়

ঘটাইছে। বিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত বিভিন্ন দেশৰ শিক্ষাৰ্থী, শিক্ষক, আৰু পাঠ্যক্ৰমৰ সংমিশ্ৰণে এক বহুসংস্কৃতিৰ পৰিৱেশ সৃষ্টি কৰিছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলে বিভিন্ন সংস্কৃতিৰ প্ৰতি সহনশীলতা আৰু বুজাবুজি বৃদ্ধি পাইছে। ভাৰতীয় বহু শিক্ষাৰ্থী বিভিন্ন দেশত শিক্ষা গ্ৰহণৰ বাবে যোৱাৰ লগতে বহু দেশৰ শিক্ষাৰ্থীও ভাৰতলৈ শিক্ষা গ্ৰহণৰ বাবে আহিছে।

চতুৰ্থতে, বিশ্বায়নে শিক্ষাৰ গুণগত মান উন্নয়নত অৰিহণা যোগাইছে। বিভিন্ন দেশৰ মাজত শিক্ষা পদ্ধতি, পাঠ্যক্ৰম, আৰু গৱেষণাৰ আদান-প্ৰদানে শিক্ষাৰ মানদণ্ড উন্নত কৰিছে। ইয়াৰোপৰি, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষাৰ মানদণ্ড নিৰ্ধাৰণ কৰা সংস্থা যেনে UNESCO, OECD আদিয়ে শিক্ষাৰ গুণগত মান উন্নয়নত গুৰুত্ব দিছে। এনে সংস্থা সমূহে বিভিন্ন দেশৰ চৰকাৰৰ লগত সহযোগিতাৰে কাম কৰি আছে। ফলত শিশুৰ সকলো দিশৰ উন্নয়নত সহজ হৈছে।

পঞ্চমতে, বিশ্বায়নে বিশ্বজুৰি গৱেষণা আৰু উদ্ভাৱনৰ সহযোগিতা বৃদ্ধি কৰিছে। বিভিন্ন দেশৰ বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহে যুটীয়াভাৱে গৱেষণা প্ৰকল্প হাতত লৈছে, যাৰ ফলত বিজ্ঞান, প্ৰযুক্তি, আৰু চিকিৎসা আদি ক্ষেত্ৰত দ্ৰুত অগ্ৰগতি সম্ভৱ হৈছে।

ষষ্ঠতে, বিশ্বায়নে ইংৰাজী ভাষাক এক গোলকীয় ভাষা হিচাপে প্ৰতিষ্ঠিত কৰিছে, যাৰ ফলত বহুতো দেশত ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰোপৰি, ভাষা শিকাৰ সুবিধাও বৃদ্ধি পাইছে, কিয়নো বহুসংস্কৃতিৰ পৰিৱেশত ভাষা শিকাটো এক গুৰুত্বপূৰ্ণ দক্ষতা হৈ পৰিছে। পৃথিৱীৰ যি কোনো ভাষা শিকাতো সহজ হৈ পৰিছে। আজি ভাৰতীয় শিক্ষাৰ্থীয়ে পৃথিৱীৰ যিকোনো ভাষা শিকিব পৰা মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত সুযোগ লাভ কৰিছে।

সপ্তমতে, বিশ্বায়নে শিক্ষাৰ্থীৰ মাজত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতা বৃদ্ধি কৰিছে। শিক্ষাৰ্থীসকলে এতিয়া কেৱল স্থানীয় নহয়, বৰঞ্চ বিশ্বজুৰি প্ৰতিযোগিতাৰ সন্মুখীন হৈছে, যাৰ ফলত তেওঁলোকে নিজৰ দক্ষতা আৰু জ্ঞান বৃদ্ধিৰ প্ৰতি অধিক সচেতন হৈ পৰিছে।

অষ্টমতে, বিশ্বায়নে শিক্ষাৰ উদ্দেশ্যৰ পৰিৱৰ্তন আনিছে। এতিয়া শিক্ষা কেৱল জ্ঞান আহৰণৰ বাবেই নহয়, বৰঞ্চ এজন ব্যক্তিৰ কেৰিয়াৰ আৰু ব্যক্তিগত বিকাশৰ বাবে এক গুৰুত্বপূৰ্ণ সঁজুলি হৈ পৰিছে। ইয়াৰোপৰি, শিক্ষাৰ্থীসকলে এতিয়া বিশ্বজুৰি কাম কৰাৰ বাবে প্ৰস্তুত হৈছে।

যি কি নহওক ভাৰতীয় শিক্ষা ব্যৱস্থাতো বিশ্বায়নৰ প্ৰভাৱ বহুমুখী আৰু গুৰুত্বপূৰ্ণ। বিশ্বায়নে বিশ্বজুৰি অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ সৈতে ভাৰতীয় শিক্ষা ব্যৱস্থাকো প্ৰভাৱিত কৰিছে। বিশ্বজুৰি অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত পৰিৱৰ্তনৰ সৈতে ভাৰতীয় শিক্ষা ব্যৱস্থাকো প্ৰভাৱিত কৰিছে। ইয়াৰ কিছুমান মুখ্য প্ৰভাৱ হ'ল —

**১. শিক্ষাৰ আন্তৰ্জাতিকীকৰণ ঃ**

ভাৰতীয় শিক্ষানুষ্ঠানসমূহে আন্তৰ্জাতিক মানদণ্ডৰ সৈতে সংযুক্ত হৈছে। বহু ভাৰতীয় বিশ্ববিদ্যালয়ে বিদেশী বিশ্ববিদ্যালয়ৰ সৈতে যুটীয়া প্ৰগ্ৰাম আৰু গৱেষণা সহযোগিতা আৰম্ভ কৰিছে। বিদেশী শিক্ষাৰ্থী আৰু শিক্ষকৰ আগমন বৃদ্ধি পাইছে, যাৰ ফলত সাংস্কৃতিক বিনিময় আৰু বৈচিত্ৰ্যতা বৃদ্ধি পাইছে।

**২. শিক্ষাৰ গুণগত মান উন্নয়ন ঃ**

ভাৰতীয় শিক্ষা ব্যৱস্থাত গুণগত মান উন্নয়নৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিশ্বৰ অন্য দেশৰ সৈতে প্ৰতিযোগিতা কৰিবলৈ ভাৰতীয় শিক্ষানুষ্ঠানসমূহে আধুনিক পাঠ্যক্ৰম, গৱেষণা আৰু প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব দিছে। বিশ্ববিদ্যালয় শ্ৰেণীবিভাগ (যেনে — QS World University Rankings) আৰু আন্তৰ্জাতিক মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষানুষ্ঠানসমূহে নিজৰ মান উন্নয়নৰ চেষ্টা কৰিছে।

**৩. প্ৰযুক্তিৰ ব্যাপক প্ৰভাৱ ঃ**

প্ৰযুক্তিৰ দ্ৰুত বিকাশে ভাৰতীয় শিক্ষা ব্যৱস্থাত ডিজিটেল পদ্ধতিৰ প্ৰৱৰ্তন কৰিছে। অনলাইন শিক্ষা, ই-লাৰ্নিং প্লেটফৰ্ম, আৰু ভাৰ্চুৱেল ক্লাছৰুম শিক্ষাৰ প্ৰকাৰ সলনি কৰিছে। - MOOC (Massive Open Online Courses) যেনে Coursera, edX আদিৰ দ্বাৰা ভাৰতীয় শিক্ষাৰ্থীসকলে বিশ্বৰ শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ কোৰ্ছসমূহত অংশগ্ৰহণ কৰিব পাৰিছে।

**৪. শ্ৰম বজাৰৰ প্ৰয়োজনীয়তা ঃ**

গোলকীকৰণে শ্ৰম বজাৰৰ প্ৰয়োজনীয়তা সলনি কৰিছে, যাৰ ফলত শিক্ষা ব্যৱস্থাই ব্যৱসায়িক প্ৰশাসন, প্ৰযুক্তি, অভিযান্ত্ৰিক আদি ক্ষেত্ৰত বিশেষ দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব দিছে।

বহুজাতিক কোম্পানীসমূহৰ প্ৰয়োজনীয়তা অনুসৰি

শিক্ষাৰ্থীসকলক বিশ্বস্তৰেৰে প্ৰস্তুত কৰিবলৈ শিক্ষানুষ্ঠানসমূহে নতুন পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ প্ৰগ্ৰাম আৰম্ভ কৰিছে।

**৫. সাংস্কৃতিক বিনিময় ঃ**

বিশ্বায়নে ভাৰতীয় শিক্ষাৰ্থীসকলক বিদেশী সংস্কৃতিৰ সৈতে পৰিচয় কৰাইছে, যাৰ ফলত সাংস্কৃতিক সংবেদনশীলতা আৰু বৈশ্বিক দৃষ্টিভংগী বিকশিত হৈছে। একেদৰে, বিদেশী শিক্ষাৰ্থীসকলেও ভাৰতীয় সংস্কৃতি আৰু জ্ঞানৰ প্ৰতি আকৰ্ষিত হৈছে।

**৬. বাণিজ্যিকীকৰণ ঃ**

বিশ্বায়নে শিক্ষাক এক বাণিজ্যিক সেৱা হিচাপে প্ৰতিষ্ঠা কৰিছে। বহু বিদেশী শিক্ষানুষ্ঠান আৰু বাণিজ্যিক সংস্থাই ভাৰতত নিজৰ শাখা স্থাপন কৰিছে, যাৰ ফলত শিক্ষাৰ বাণিজ্যিকীকৰণ বৃদ্ধি পাইছে। দেশৰ ভিতৰতো ব্যক্তিগত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, কাৰিকৰী প্ৰতিষ্ঠান আদিয়ে গঢ় লৈ উঠিছে।

**৭. গৱেষণা আৰু উদ্ভাৱন ঃ**

বিশ্বায়নে ভাৰতত গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰিছে। ভাৰতীয় গৱেষকসকলে আন্তৰ্জাতিক প্ৰকল্পত অংশগ্ৰহণ কৰিবলৈ সুযোগ পাইছে, যাৰ ফলত গৱেষণাৰ মান উন্নত হৈছে।

**৮. নীতি আৰু পৰিকল্পনা ঃ**

ভাৰত চৰকাৰে গোলকীকৰণৰ প্ৰভাৱৰ সৈতে খাপ খুৱাবলৈ নতুন শিক্ষা নীতি (যেনে — NEP 2020) প্ৰণয়ন কৰিছে। ইয়াৰ লক্ষ্য হ'ল শিক্ষাৰ গুণগত মান উন্নয়ন, গৱেষণা আৰু উদ্ভাৱনত বিনিয়োগ বৃদ্ধি, আৰু আন্তৰ্জাতিক মানদণ্ডৰ সৈতে সংযুক্ত কৰা। বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিবৰ্তন আনিবলৈ প্ৰচেষ্টা কৰিছে। বিশ্বায়নে ভাৰতীয় শিক্ষা ব্যৱস্থাত ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে প্ৰভাৱ পেলাইছে। ইয়াৰ কেইবাটাও নেতিবাচক প্ৰভাৱো আছে। যেনে-

১। বিশ্বায়নৰ ফলত পশ্চিমীয়া শিক্ষাৰ আৰ্হিৰ প্ৰভাৱ বৃদ্ধি পাইছে, যিয়ে কেতিয়াবা ভাৰতৰ পৰম্পৰাগত জ্ঞান ব্যৱস্থা, ভাষা, আৰু মূল্যবোধক প্ৰভাৱ পেলাইছে। বহু ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিষ্ঠানে পশ্চিমীয়া ডিগ্ৰীক অগ্ৰাধিকাৰ দিয়ে, ইয়াৰ ফলত থলুৱা শৈক্ষিক কাঠামোক ক্ষতিগ্ৰস্ত কৰিছে।

২। প্ৰতিভাৱান ভাৰতীয় ছাত্ৰ-ছাত্ৰী আৰু পেছাদাৰীসকলে প্ৰায়ে উন্নত সুযোগৰ সন্ধানত উন্নত দেশলৈ প্ৰব্ৰজন কৰে, যাৰ ফলত বৌদ্ধিক পুঁজিৰ ক্ষতি হয়। মেধাসম্পন্ন যুৱক-যুৱতীসকল উন্নত শিক্ষা আৰু উন্নত সুযোগ-সুবিধাৰ সন্ধানত উন্নত দেশলৈ গুচি যোৱাৰ ফলত আৰু তাতে সংস্থাপিত হোৱাৰ ফলত দেশৰ শিক্ষা, গৱেষনা, উদ্ভাৱন, অৰ্থনৈতিক বিকাশ আদি দিশত প্ৰভাৱ পৰে। ইয়াৰ ফলত ঘৰুৱা শিক্ষা ব্যৱস্থা আৰু কৰ্মশক্তি দুৰ্বল হৈ পৰে।

৩। বিশ্বায়নে ইংৰাজীক শিক্ষাৰ প্ৰধান ভাষা হিচাপে প্ৰসাৰিত কৰাৰ ফলত আঞ্চলিক আৰু থলুৱা ভাষাভিত্তিক শিক্ষণৰ অৱনতি ঘটিছে। ইয়াৰ ফলত গ্ৰাম্য আৰু প্ৰান্তীয় সম্প্ৰদায়ৰ মাজত সাংস্কৃতিক পৰিচয় আৰু শিক্ষণত প্ৰভাৱ পৰিছে।

৪। বিশ্বায়নে নগৰীয়া আৰু গ্ৰাম্য শিক্ষাৰ মাজৰ ব্যৱধান বৃদ্ধি কৰিছে। চহৰসমূহে বিশ্বমানৰ প্ৰতিষ্ঠান আৰু ডিজিটেল শিক্ষাৰ দ্বাৰা লাভৱান হোৱাৰ বিপৰীতে গ্ৰাম্য অঞ্চলসমূহে দুৰ্বল আন্তঃগাঁথনি আৰু সম্পদৰ অভাৱৰ সৈতে যুঁজিছে।

৫। আন্তঃৰাষ্ট্ৰীয় পাঠ্যক্ৰমে ভাৰতীয় ঐতিহাসিক, সামাজিক, আৰু অৰ্থনৈতিক প্ৰেক্ষাপটক প্ৰায়ে অৱহেলা কৰে, যাৰ ফলত স্থানীয় প্ৰয়োজনীয়তাৰ সৈতে কিছু ক্ষেত্ৰত শিক্ষা কম প্ৰাসংগিক হৈ পৰিছে। ইয়াৰ ফলত সাধাৰণ শিক্ষা গ্ৰহণকাৰীসকল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আনহাতে গাঁও অঞ্চলত আধুনিক পাঠ্যক্ৰম গ্ৰহণকাৰী যুৱক-যুৱতীৰ বাবে উপযুক্ত কৰ্মসংস্থাপনৰ অভাৱত সমস্যাৰ সন্মুখীন হৈছে। বিশ্বায়নে দক্ষতাভিত্তিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, কিন্তু বহু ভাৰতীয় উচ্চ শিক্ষিত যুৱকে তেওঁলোকৰ শিক্ষা আৰু উদ্যোগৰ প্ৰয়োজনীয়তাৰ মাজত মিল নোহোৱাৰ বাবে নিবনুৱা হ'ব লগা হৈছে। আনহাতে নিয়োগযোগ্য দক্ষতা থকা ডিগ্ৰীধাৰীৰ অতিৰিক্ত উৎপাদন দেখা যায়। কিন্তু সেই অনুসাৰে নিয়োগৰ সুবিধা পৰিলক্ষিত হোৱা নাই।

৬। বিশ্বায়নৰ লগে লগে ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ প্ৰসাৰ ঘটিছে, যাৰ ফলত গুণগত শিক্ষা ব্যয়বহুল আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে দুৰ্গম হৈ পৰিছে। শিক্ষাক ক্ৰমান্বয়ে ৰাজহুৱা খণ্ডৰ পৰিবৰ্তে ব্যৱসায়িক সামগ্ৰী হিচাপেহে চোৱা হৈছে। ফলত শিক্ষা এক ব্যৱসায়িক ক্ষেত্ৰলৈ ৰূপান্তৰিত হৈছে। বহুতো বেচৰকাৰী শিক্ষানুষ্ঠানে উচ্চ মাচুল আদায় কৰি শিক্ষাৰ মানদণ্ডত আঘাত হানিছে।

ধনবান লোকে বিদ্যালয়, মহাবিদ্যালয়, কাৰিকৰী প্ৰতিষ্ঠান আনকি বিশ্ববিদ্যালয় খুলি শিক্ষাৰ ব্যৱসায় কৰিবলৈ লৈছে। যাৰ ফলত দুখীয়া পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে শিক্ষা গ্ৰহণ কৰাতো কঠিন হৈ আহিছে। ব্যক্তিগত খণ্ডৰ শিক্ষাৰ মান নিৰূপনৰ ক্ষেত্ৰতো এক সমস্যাৰ সৃষ্টি হৈছে। তাৰোপৰি গোলকীকৰণ বা বিশ্বায়নে শিক্ষাৰ ক্ষেত্ৰত অসমতা বৃদ্ধি কৰিছে। ধনী আৰু দুখীয়া শ্ৰেণীৰ মাজৰ পাৰ্থক্য বৃদ্ধি পাইছে, কাৰণ ধনী শ্ৰেণীয়ে উচ্চ মানদণ্ডৰ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে আনহাতে দুখীয়া শ্ৰেণীয়ে ইয়াক পাবলৈ অসুবিধাৰ সন্মুখীন হৈছে। উচ্চ মূল্যৰ বিনিময়ত ধনী ঘৰৰ ল'ৰা-ছোৱালীয়ে গুণগত শিক্ষা লাভ কৰিছে আনহাতে দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে গুণগত শিক্ষাৰ পৰা বঞ্চিত হৈছে। ধনী লোকৰ ল'ৰা-ছোৱালীৰ বাবে যেন ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰ গঢ়ি উঠিছে। আনহাতে কেৱল দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে পঢ়িবৰ কাৰণেহে চৰকাৰী বিদ্যালয়বোৰ কোনো মতে চলাই থকা হৈছে। শিক্ষাত যেন স্পষ্ট শ্ৰেণী বিভাজন পৰিলক্ষিত হৈ পৰিছে।

৭। বিশ্বায়নৰ ফলত শিক্ষা বেছিকৈ যেন ৰোজগাৰমুখী হৈ পৰিছে। ইয়াৰ ফলত মানৱীয় আৰু সামাজিক মূল্যবোধৰ শিক্ষা গৌণ হৈ পৰিছে। স্কুলীয়া পাঠ্যক্ৰমৰ পৰা মূল্যবোধৰ শিক্ষা ইতিমধ্যে যিহেতু উঠাই দিয়া হৈছে সেয়ে নতুন প্ৰজন্মৰ মাজত মূল্যবোধৰ অৱক্ষয় স্পষ্ট ৰূপত দেখা যেন বোধ হয়।

৮। বিশ্বায়নৰ ফলত বহুতো শিক্ষানুষ্ঠানে আন্তৰ্জাতিক মানদণ্ড মানি চলিবলৈ বাধ্য হৈছে, যাৰ ফলত স্থানীয় প্ৰয়োজন আৰু পৰম্পৰা উপেক্ষিত হৈছে। আন্তৰ্জাতিক মানদণ্ড নিৰূপনৰ নামত বহু প্ৰয়োজনীয় দিশ উপেক্ষা কৰা হৈছে। ফলত শিক্ষানুষ্ঠানত স্বায়ত্বশাসন হ্ৰাস পাইছে।

৯। বিশ্বায়নৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত প্ৰদৰ্শনৰ চাপ বৃদ্ধি পাইছে, যাৰ ফলত মানসিক চাপ আৰু উদ্বেগৰ সমস্যা বৃদ্ধি পাইছে। ছাত্ৰ-ছাত্ৰীৰ গুণগত বিকাশত গুৰুত্ব দিয়াতকৈ প্ৰদৰ্শনকামী ধ্যান-ধাৰণাৰ ওপৰত যেন বেচি গুৰুত্ব দিয়া হৈছে।

ভাৰতীয় শিক্ষা ব্যৱস্থাত সঠিক নীতি আৰু পৰিকল্পনাৰ প্ৰয়োজন, যাতে বিশ্বায়ন বা গোলকীকৰণৰ সুবিধাসমূহ লাভ কৰাৰ লগতে ইয়াৰ কুপ্ৰভাৱসমূহৰ পৰা মুক্ত হ'ব পৰা যায়। ❐❐



# Adapted Physical Education

**Dr. Deny Borah**
Lecturer, DIET, Dhemaji

**Introduction :**

The word Adapted physical education is derived from three seperate words “ADAPTED”, PHYSICAL and EDUCATION. The plain meaning of Adapted is make suitable for a new use or become adjusted to new conditions. And meaning of physical education is that systematic instructions or training which relate to physical activities, necessary for development and maintenance of human body, development of physical powers or cultivation of physical skills. A combined meaning of Adapted physical education is an instructions or programmes related to physical activities that is designed on an individual basis to meet the needs of a child with disability.

Adapted physical education means to adjust or to fit modifications to meet the needs of students.

**Aim** :

The main aim of Adapted physical education is wholesome and optimum development of a child with disability by fulfilling their special needs to live a healthy life.

Adapted Physical education aim to provide skills and adequate facilities,which will afford an opportunity for the individual with special needs to act in situations which are physically wholesome, mentally stimulating and satisfying and socially sound.

Adapted Physical education aim to make maximum contribution to the development of an individuals with disability potentialities in all phase of life.

**Why Adapted Physical Education is important ?**

Physical education is an integral part of our school education system. Research has also proven that physical education is necessary to develop motor skills and aid in a All rounded development of an individual. Physical education gives individuals a chance to learn to work as a team, develop interpersonal relations and it also helps them release any kind of stress that they may be holding on to.

For differently-abled students (mental/ physical), participating in a regular Physical Education class along with other students may become a challenge altogether. That is when the idea of adapted physical education comes into play. Adapted physical education (APE) is the art and

science of developing, implementing, and monitoring a carefully designed physical education instructional program for a learner with a disability, based on a comprehensive assessment, to give the learner the skills necessary for a lifetime of rich leisure, recreation, and sport experiences to enhance physical fitness and wellness.

A child with disability should be provided physical education in the school along with special education services that he/she receives. Any student who may have autism, Deaf – Blindness, hearing impairment, intellectual disability, multiple disabilities, orthopedic impairment, other health impairment, serious emotional disturbance, specific learning disability, speech or language impairment, traumatic brain injury or visual impairment including blindness needs to be provided adaptive physical education for their development.

A child must first be assessed by a doctor for his/her weaknesses and strengths. Accordingly a physical training programme must be customised to adapt and accommodate the weaknesses and strengths. Physical education can improve a child's confidence and skill. It is also a good way to make friends and prevent exclusion. ❐❐



# অসমৰ বিলুপ্ত প্ৰায় কেইটামান "সবাহ"

**প্ৰশান্ত কুমাৰ চুতীয়া**
বি.এড, চতুৰ্থ যান্মাসিক

সবাহ হৈছে অসমৰ লোক সমাজে জনবিশ্বাস অনুসৰি পালন কৰা এক অনুষ্ঠান। সবাহৰ সৈতে সাধাৰণতে জনসাধাৰণৰ কিছুমান ধৰ্মীয় লোকবিশ্বাস জড়িত হৈ আছে। অসমীয়া সমাজত পালন কৰা এই সবাহসমূহ থলুৱা ৰাতি-নীতি, ধৰ্মীয় আচাৰ-আচৰণ আদিৰে সংপৃক্ত হৈ আছে। গ্ৰাম্য চহা কৃষিজীৱি জনসাধাৰণে খেতি বাতিৰ শ্ৰীবৃদ্ধি মংগল কামনা কৰা, ৰোগ ব্যাধি, অপায়-অমংগল আদিৰ পৰা পৰিত্ৰাণ পোৱাৰ কামনাৰে বিভিন্ন দেৱ-দেৱীৰ অৰ্চনা বন্দনা কৰা দেখা যায়। উদাহৰণস্বৰূপে কৃষকৰ একমাত্ৰ সাহস গো-ধনৰ মংগল কামনাৰে "গৰখীয়া" সবাহ, খেতি-বাতিৰ সুস্থ মংগলতাৰ আৰু ৰোগ-ব্যাধিমুক্ত কামনাৰে (লখিমী সবাহ) ঠাই বিশেষে পথাৰৰ 'কালিকা সবাহ' বসন্তৰোগে দেখা দিলে "আই সবাহ" নিৰ্দিষ্ট বয়সত ছোৱালী ঋতুমতী নহ'লে নৱ দম্পতিৰ সন্তান সম্ভৱা নহ'লে "অপেশ্বৰী সবাহ", নতুনকৈ জগা গৰু পোৱালিৰ কুশলাৰ্থে 'গো-কালিকা' পূজা, গৃহলৈ ন-লখিমী আদৰা সবাহ (পথাৰৰ পৰা নতুন ধানৰ তিনি মুঠি আনি ভঁৰালত ৰখা) মুগা চুমনি সামৰণিত ডাঙৰীয়া বা কালকি সবাহ ইত্যাদি।

এই সবাহ সমূহৰে অসমীয়া জাতীয় জীৱনৰ লোকবিশ্বাসেই জড়িত নহয় লোক সাহিত্যৰো এক প্ৰধান উপজীব্য তথা ভেঁটি বুলি ক'ব পাৰি। কাৰণ এই সবাহ সমূহৰ লগত আৰাধ্য দেৱ-দেৱীৰ আৰ্শীষ পাবলৈ ভিন্ন ধৰণৰ গীত মাত গোৱা হয়। যাক স্তুতি বুলিও কোৱা হয়।

লোকবিশ্বাসৰ আধাৰত অসমীয়া সমাজত প্ৰচলিত, বৰ্তমান প্ৰায় বিলুপ্ত ৰূপ লোৱা কিছুমান সবাহ সম্পৰ্কে কিছু আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

**১। লখিমী সবাহ (পথাৰৰ কালিকা সবাহ) ঃ**

এই সবাহ ব'হাগ, জেঠ মাহত পথাৰতঅনুষ্ঠিত কৰা হয়। ব'হাগ, জেঠ মাহত যেতিয়া আহুধানৰ গেঁৰ ফাটি ধানৰ ঠোকবোৰ ওলাই তেতিয়া কৃষিজীৱি প্ৰতিটো পৰিয়ালে নিজ নিজ খেতি পথাৰত ৰোগ-ব্যাধি তথা হানি-বিঘিনি নোহোৱাৰ কামনাৰে পথাৰৰ (লখিমীৰ) কালিকাৰ আৰ্শীষ বিচাৰি পথাৰতে 'ভোগ' আৰু থুৰীয়া তামোলৰ শৰাই আগবঢ়াই কৃষক আৰু গৃহলক্ষ্মীয়ে (গৃহিনী) আঁঠু লয় সেৱা জনায়। পথাৰৰ আশে পাশে উপস্থিত লোক তথা গৰখীয়া ল'ৰাসকলক মাতি ভোগ বিতৰণ কৰে। এই সবাহ উজনি অসমৰ ভিন্ন প্ৰান্তত প্ৰচলিত আছিল। (ইয়াত লক্ষী পূজাৰ কথা কোৱা নাই)।

**২। গৰখীয়া সবাহ ঃ**

প্ৰধানকৈ উজনি অসমত প্ৰচলিত এটা অনুষ্ঠান। সাধাৰণতে ভাদ মাহত কৃষিজীৱি জনসাধাৰণে গো-ধনৰ কুশল-মংগল কামনাৰে এই সবাহ পাতে। হিন্দু ধৰ্মীয় দৰ্শনৰ আধাৰত গৰুক ভগৱান হিচাপে মান্যতা প্ৰদান কৰা হয়। প্ৰধানত গোপাল শ্ৰীকৃষ্ণৰ সন্তুষ্টি আৰু আৰ্শীষ কামনাৰে এই সবাহ পতা হয়। ইয়াৰ সৈতে

এটা কাহিনী সংযুক্ত হৈছে। ভগৱান শ্ৰীকৃষ্ণই ইন্দ্ৰৰজাক পূজা কৰিব নালাগে বুলি কোৱাত ইন্দ্ৰ ৰজাই গোবৰ্ধন পূজা পতা বৃন্দাবনবাসীৰ ওপৰত খৰ্গহস্ত হৈ বৃষ্টি নিক্ষেপ কৰে। তেতিয়া গোপ কৃষ্ণই গকুল বৃন্দবনবাসীক সুৰক্ষাৰ বাবে নিজ হাতে গোবৰ্ধন পৰ্বত দাঙি ধৰি সুৰক্ষা দিছিল। ইয়াৰ আধাৰতে গোবৰ্ধন পূজাৰ আৰ্হিয়ে পৰৱৰ্তী সময়ত হিন্দু ধৰ্মাৱলম্বী লোকে গৰখীয়া সবাহ পাতি শ্ৰীকৃষ্ণৰ কৃপা আৰু গো-ধনৰ সুৰক্ষাৰ কামনা কৰে।

এই সবাহত গাঁৱৰ গঞালোকে গৰখীয়া সকলক নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰে। সন্ধিয়া গৰু বান্ধি গৰখীয়াসকল গৃহস্থৰ ঘৰত উপস্থিত হয়। গৃহস্থই ধূপ-ধুনা চাকি বন্তি জ্বলাই



গৰখীয়াসকলক চোতালত আসন পাৰি বহোৱাই কল-কেঁচা পিঠা আদি দ্ৰব্য সামগ্ৰী আগবঢ়াই সেৱা ধৰে। গৰখীয়া সকলৰ মাজৰে দুই চাৰিজনে কল-কেঁচা পিঠাগুৰি সমূহ ভগাই দিয়ে। গৃহস্থই আশীৰ্বাদ বিচাৰি সেৱা গ্ৰহন কৰাৰ সময়ত মঙ্গলসূচক বাক্য উচ্চাৰণৰ লগতে সকলোৰে ডাঙৰকৈ জয়ধ্বনি দিয়ে। গৰখীয়া ভকত সকলে গৃহস্থৰ সেৱাৰ পাচত ভাগত দিয়া কেঁচা পিঠাগুৰি স্পৰ্শ কৰি নিজ নিজ কপালত ফোট আঁকি লয়। ইয়াৰ পাছতে বিলনীয়াসকলে সেৱা ধৰি দ্ৰব্য গ্ৰহণৰ আহ্বান জনায়। দ্ৰব্য বিতৰণৰ সময়ত বিলনীয়াসকলে ইচ্ছা কৰি গৰখীয়া (ভকত) সকল বহাৰ মাজৰ খালী অংশ সমূহত পিঠাগুৰি পৰাকৈ বিতৰণ কৰাটো নিয়ম। শেষত গৃহস্থই পুনৰ আঁঠু লৈ বিদায় জনায়। গৰখীয়া সবাহ বৰ্তমান প্ৰায় বিলুপ্ত।

**৩। আই সবাহ ঃ**

এই সবাহ সাধাৰণতে অসমীয়া লোক সমাজৰ বিশ্বাসৰ আধাৰত প্ৰচলিত এক ৰীতি। যিটো বসন্ত ৰোগ বেলিকা লোকবিশ্বাস পৰম্পৰাত আই ওলোৱা বুলি কোৱা হয়। এই সবাহত অৰ্চনা কৰা দেৱী গৰাকীক শীতলা বুলি কোৱা হয়। ইয়াক আকৌ বৰ আই, মাজু আই, সৰু আই বুলি বিভাজন কৰি অৰ্চনা কৰে। লোক বিশ্বাস অনুসৰি শীতলা দেৱী অসন্তুষ্ট হ'লে ঘৰত বিভিন্ন ৰোগ ব্যাধিয়ে দেখা দিয়ে, সেয়ে এই সবাহত ঘৰলৈ দেৱীক আমন্ত্ৰণ জনাই নৈবেদ্য ইত্যাদিৰে সন্তুষ্ট কৰা হয়। এই আহ্বান প্ৰক্ৰিয়াটোৰ সৈতে অসমীয়া লোক-সাহিত্যৰ বিভিন্ন গীত-মাত জড়িত হৈ আছে। গাঁৱৰ বয়স্ক পাঁচ-ছগৰাকী মহিলাক আই হিচাপে মাতি এই সবাহ পতা হয়, আইসকলে স্তুতি কৰে কাৰণে ইয়াক আইনাম বোলে। সম্প্ৰতিও আই সবাহ প্ৰচলিত আছে যদিও কিছু কিছু সময়ত ই বিভ্ৰান্তিৰ পৰিবেশ পৰিস্থিতিৰো সৃষ্টি কৰা দেখা গৈছে।

**৪। অপেশ্বৰী সবাহ ঃ**

আন এক লোকবিশ্বাসৰ আধাৰত প্ৰচলিত সবাহ হ'ল অপেশ্বৰী সবাহ। অসমীয়া লোক সমাজত প্ৰধানত ল'ৰা-ছোৱালী শুকাই-খীণাই গ'লে, বেমাৰ-আজাৰ হ'লে, বয়স অনুপাতে মাত নুফুটিলে বা ছোৱালীৰ পুষ্পিতাৰ সময়দেৰি হ'লে অপেশ্বৰী

কোপদৃষ্টি পৰা বুলি জনবিশ্বাস প্ৰচলিত। আনহাতে কোনো দম্পতী সন্তান সম্ভৱা নহ'লে আৰু গৰ্ভাৱতী মহিলাৰ সুৰক্ষাৰ বাবেও গাঁৱৰ মহিলাসকলৰ দ্বাৰা গৃহস্থৰ চোতালত আছুতীয়াকৈ এই সবাহ পালন কৰা হয়।

**৫। গো-কালিকা সবাহ ঃ**

এই সবাহ প্ৰধানকৈ নতুন গৰু পোৱালি জগাৰ কেইদিনমানৰ পাচত পতা হয়। গৰু-পোৱালি জগা দিনা ফেঁহু তৈয়াৰ কৰি গাই আৰু পোৱালিৰ কাণত খেৰ অথবা খৰিকাত ফেঁহু চিলাই আঁৰি দিয়া পৰম্পৰা আছিল। ইয়াৰ পাছতহে মানুহে ফেঁহু খাইছিল। পোৱালিৰ নাড়ি সৰাৰ পাছত নতুন পঘাৰে বান্ধি ৰাখি প্ৰথমদিনা গাখীৰ খিৰাই ৰাখি সন্ধিয়ালৈ সেই গাখীৰে পায়স প্ৰস্তুত কৰি প্ৰথমে চাকি আৰু ভোগ গাই ওচৰত বা গোহালিত দিয়াৰ পাছতহে গৃহস্থই গ্ৰহণ কৰে পাছ দিনাৰ পৰা দৈনিক খিৰুওৱা কাম আৰম্ভ কৰে। এই সবাহৰ জৰিয়তে নতুন গৰু পোৱালিটোৰ কুশল-মংগল আৰু শ্ৰীবৃদ্ধি কামনা কৰা হয়।

**৬। ন-লখিমী আদৰা সবাহ ঃ**

এই সবাহ গৃহস্থই পথাৰৰ পৰা নতুন ধানৰ মুঠি আনি ভঁৰালত ভৰোৱাৰ দিনা পাতে। ৰীতি অনুসৰি নিৰ্দিষ্ট দিন বাৰ ঠিক কৰি নতুন ধানত প্ৰথম কাঁচি লগাই গৃহিনীয়ে তিনি মুঠি ধান নতুন গামোচাত মেৰিয়াই আগলি কলপাতৰ সৈতে মূৰত তুলি ঘৰলৈ আনে। ঘৰলৈ আহি থকা সময়ত পাছলৈ চোৱা আৰু বাটত কোনো ব্যক্তিৰ সৈতে বাৰ্তালাপ নিষিদ্ধ বুলি মানি চলে। ভঁড়ালত ন-লখিমী ভৰোৱাৰ আগতে ভঁৰালৰ গাঁৰ্দ্ধে গোৱৰ মাটিৰে মুচি পৰিস্কাৰ কৰা হয়। পৰিস্কাৰ স্থানত ধানৰ মুঠিকেইটা ৰখা হয় আৰু সন্ধিয়ালৈ ভোগ প্ৰস্তুত কৰি ভঁড়ালত চাকি আৰু ভোগ আগবঢ়োৱা হয়। লগতে এঘটি পানী ৰখা হয়। ৰাতি শোৱাৰ আগতে চাকি গজ নুমুৱাৰ পাছত ভোগ আৰু পানীঘটি আনি ভাতৰ চৰু থালত ৰখা হয়। পিছদিনা পানী ঘটি দুপৰীয়া সাজৰ তৰকাৰীত ঢালি দিয়াৰ নিয়ম।

**৭। চুমনি কালিকা-ডাঙৰীয়া সবাহ) ঃ**

গ্ৰাম্য কৃষিজীৱি লোকৰ আন এক কৃষি হ'ল মুগা পালন। মুগাক দেও-দেৱতা থকা বুলি বিশ্বাস কৰে। মুগা পালনৰ পাচত যেতিয়া চুমনি সামৰে তেতিয়া চুমনি সকাম বা ডাঙৰীয়া সবাহ পাতে। এই সবাহ পাতি বয়বস্তুবোৰ ঘৰলৈ লৈ আনে। সবাহত ভোগ দিয়াৰ নিয়ম। কিছু কিছু সম্প্ৰদায়ে 'সাজ' (পানীয়) ব্যৱহাৰ কৰি সেৱা ধৰে। মুগা পালকে নখ-ডাড়ি, চুলি কটাৰ ক্ষেত্ৰত নিয়ম মানি চলে।

ওপৰৰ আলোচনাৰ সবাহ সমূহৰ একোখন বাস্তৱ ছবি দেখিছিলো আৰু অংশগ্ৰহণ কৰি অভিজ্ঞতা লাভ কৰিছিলো। য'ত গ্ৰাম্য চহা জীৱনৰ সহজ, সৰল, নিভাঁজ শ্ৰদ্ধা,অনুভূতি জড়িত হৈ আছে। খেতি পথাৰখন, ভঁড়ালটো, গাই-বলধ তথা অন্যান্য জীৱনৰ প্ৰতি আত্মাৰ নিভৃতকোণৰ নিভাঁজ ভালপোৱা শ্ৰদ্ধা এই লোকবিশ্বাস পৰম্পৰা ৰীতি-নীতিবোৰৰ প্ৰতিফলিত হোৱা পৰিলক্ষিত হয়।

সাম্প্ৰতিক সময়ৰ গতিত সমাজ, সংস্কৃতি-সাহিত্য, পৰম্পৰা, বিশ্বাসৰ পৰিৱৰ্তনৰ ফলত ক্ৰমাত গ্ৰাম্য চহা জীৱন এই অনুষ্ঠান তথা সবাহসমূহ বিলুপ্তি পথত আগবাঢ়িছে। প্ৰায় নোহোৱা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। ইয়াৰ অন্তৰালত সেই পৰম্পৰাৰ সহজ-সৰল জীৱন যাত্ৰাৰ মুখ্য উপজীব্য এই অনুষ্ঠানবোৰৰ বিলুপ্তিয়ে আজি সমাজত আন্তৰিকতা আৰু মৰম স্নেহ, বিশ্বাসক বহু দূৰ আঁতৰাই আনি এখন যান্ত্ৰিক সংকীৰ্ণ ব্যক্তিবাদী সমাজলৈ পৰ্যবসিত হোৱা বুলি ধাৰণা হয়। ❐❐

# প্ৰসংগ ঃ জ্যোতিপ্ৰসাদৰ সাহিত্যিক বৈশিষ্টতা

**পৰিমা দুৱৰা**
বি.এড. দ্বিতীয় ষান্মাসিক

অসমৰ জাতিসত্তাৰ মানসত জ্যোতিপ্ৰসাদৰ ব্যক্তিত্ব আৰু প্ৰতিভা একক আৰু অনন্য। ব্যক্তিত্ব আৰু প্ৰতিভাৰ স্ফূৰণৰ বাবে জ্যোতিপ্ৰসাদে যিবোৰ মাধ্যম গ্ৰহণ কৰিছিল তাৰ ভিতৰত সাহিত্য সৃষ্টিও অন্যতম। কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ- সাহিত্যৰ এই আটাইকেইটা শাখাতেই আপোন প্ৰতিভাৰ পৰিচয় দিলে। এই সকলোৰে ভিতৰত কবি, গীতিকাৰ আৰু নাট্যকাৰৰূপে তেওঁৰ অৱদান অনন্য। তেওঁৰ প্ৰবন্ধৰ ভাষা আৰু বিষয়বস্তুৱে অসমীয়া সাহিত্যলৈ এক নৱ উন্মেষ কঢ়িয়াই আনিলে। শিশু সাহিত্যৰ প্ৰতিও তেওঁৰ এক বিশেষ আকৰ্ষণ আছিল যাৰ বাবে শিশুসকলৰ বাবেও তেওঁ এক অনুপম সৃষ্টি সম্ভাৰ আগবঢ়াই গ'ল। সাহিত্যিক জ্যোতিপ্ৰসাদ এক আজীৱন কলা-প্ৰেমী লোক। সেয়েহে সাহিত্য-সাধনাৰ জৰিয়তে অসমীয়া সংগীত জগতলৈও তেওঁ বৰ্ণাঢ্য সম্ভাৰ কঢ়িয়াই আনিছিল।

জ্যোতিপ্ৰসাদৰ সৃষ্টিশীল প্ৰতিভাৰ পূৰ্ণ স্বাক্ষৰ হ'ল তেখেতৰ নাটক সমূহ। শোণিতকুঁৱৰী', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম', 'লভিতা', 'নিমাতী কইনা', 'খনিকৰ' জ্যোতিপ্ৰসাদৰ যুগজয়ী সৃষ্টি। 'সোণপখিলী', 'কণকলতা আৰু 'সুন্দৰ কোঁৱৰ' এই তিনিখন অসম্পূৰ্ণ নাটক। নাট্যশিল্পী জ্যোতিপ্ৰসাদৰ নাটকৰ বিষয়বস্তু, চৰিত্ৰ চিত্ৰন, আঙ্গিক আদি সকলো দিশতে বৈচিত্ৰ্য লক্ষ্য কৰা যায়।

জ্যোতিপ্ৰসাদৰ নাটকসমূহত বিষয়বস্তু গ্ৰহণত বৈচিত্ৰ পৰিলক্ষিত হয়। তেওঁৰ প্ৰথম নাটক 'শোনিতকুঁৱৰী' ৰ বিষয়বস্তু গ্ৰহণ কৰিছিল পৌৰাণিক কাহিনীৰ পৰা। 'কাৰেঙৰ লিগিৰী' আৰু 'ৰূপালীম' দুইখন কাল্পনিক নাটক যদিও প্ৰথমখনৰ বিষয়বস্তু আহোম ৰাজশাসনৰ পটভূমিৰ পৰা লোৱা আৰু আনখনৰ পটভূমি হ'ল অসমৰ সীমা মূৰীয়া পৰ্বতীয়া সমাজখন। 'লভিতা'নাটকখনৰ পটভূমি হ'ল বিয়াল্লিছৰ গণ আন্দোলন। গতিকে দেখা যায় যে বিষয়বস্তু গ্ৰহণৰ বিচিত্ৰতাই জ্যোতিপ্ৰসাদক নাট্যকাৰ হিচাপে সুকীয়া বিশেষত্ব প্ৰদান কৰিছে।

চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰতো বৈচিত্ৰ পৰিলক্ষিত হয়। 'খনিকৰ'ৰ বাহিৰে বাকী আটাইকেইখন নাটকতে নাৰী চৰিত্ৰৰ প্ৰাধান্য দেখা যায়। এই নাৰী চৰিত্ৰসমূহে অধিক উজ্জ্বল আৰু শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছে। এই নাৰী চৰিত্ৰসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। এটা ভাগ হ'ল প্ৰেম আৰু ত্যাগৰ আদৰ্শৰ মহত্বৰে মহীয়ান নাৰী চৰিত্ৰ। এইটো থুপত আছে চিত্ৰলেখা, শেৱালি আৰু ৰূপালীম। আনটো ভাগত আছে প্ৰেম আৰু প্ৰতিবাদৰ আদৰ্শৰে অনুপ্ৰাণিত নাৰী চৰিত্ৰ। এওঁলোক হ'ল কাঞ্চনমতী, ইতিভেন আৰু লভিতা। বিভিন্ন মানসিকতাৰ প্ৰতিনিধি চৰিত্ৰবোৰৰ মাজত পৰম্পৰা আৰু নতুন মূল্যবোধৰ দ্বন্দ্ব দেখা যায়।

জ্যোতিপ্ৰসাদে কৈশোৰৰ পৰাই নাটশালৰ সৈতে জড়িত হৈ আছিল বাবে মঞ্চসম্পৰ্কে তেওঁ যথেষ্ট জ্ঞান অৰ্জন কৰিছিল। সেয়েহে তেওঁৰ নাটকসমূহত কাব্যধৰ্ম আৰু নাট্যধৰ্মৰ সু-সমন্বয় দেখা যায়। পূৰ্বৱতী নাট্যকাৰ বেজবৰুৱা, গোহাঞিবৰুৱা আদিৰ

নাটকত সাহিত্যধৰ্মৰ উপাদানেৰে উপচি আছে, কিন্তু এইবোৰৰ মঞ্চত উপস্থাপন কৰিবলৈ যাওঁতে বহুখিনি অসুবিধা আছিল। যথাসম্ভৱ তেওঁলোকৰ মঞ্চ সম্পৰ্কে ধাৰণা কম আছিল। সেয়েহে তেওঁলোকৰ নাটকসমূহত নাট্যধৰ্ম আৰু কাব্যধৰ্মৰ সু-সমন্বয় ৰক্ষা কৰিব পৰা নাছিল। ফলত এই নাটকবোৰৰ অভিনয় কম হৈছিল। তাৰ পৰিৱৰ্তে বঙলা নাটকসমূহ অনুবাদ কৰি অভিনয় কৰাতহে গুৰুত্ব দিছিল। গতিকে জ্যোতিপ্ৰসাদে পাশ্চাত্য নাট্যকাৰ ইবচেন, শ্ব আদিৰ দৰে দীঘলীয়া নাট্য নিৰ্দেশনা দি অসমীয়া নাটকৰ আঙ্গিকৰ ক্ষেত্ৰত নতুনত্বৰ বীজ ৰোপণ কৰিলে।

গল্পকাৰ আৰু ঔপন্যাসিক হিচাপেও জ্যোতিপ্ৰসাদৰ পৰিচয় আছে। 'বগীতৰা', 'ৰূপহী', সোণচৰা', সোনটিৰ অভিমান', 'যুঁজাৰু', 'সতীৰ সোঁৱৰণি', 'নীলাচৰাই' আদি ৰূপকোঁৱৰৰ বিশেষ গল্পসম্ভাৰ। গল্পবোৰৰ নামকৰণতে অসমৰ মাটিৰ সম্পৰ্কত অনুভূত হয় আৰু মানৱীয় আবেদনে গল্পবোৰ সুখপাঠ্য কৰি তুলিছে। তেওঁৰ গল্পবোৰত প্ৰকৃতি চিত্ৰণ আৰু বৰ্ণনাৰ সাৱলীলতা পৰিলক্ষিত হয়। নাটকৰ দৰে গল্পবোৰতো নাৰী চৰিত্ৰ প্ৰাধান্য দেখা যায়।

ঔপন্যাসিক হিচাপে জ্যোতিপ্ৰসাদৰ একমাত্ৰ অসম্পূৰ্ণ উপন্যাসখনি হ'ল 'আমাৰ গাঁও' য'ত গ্ৰাম্য জীৱনৰ চিত্ৰ অঙ্কিত হৈছে। জ্যোতিপ্ৰসাদৰ সাহিত্যিক প্ৰতিভাৰ বিভিন্ন দিশৰ ভিতৰত শিশুৰ বাবে ৰচনা কৰা সাহিত্যৰাজি অন্যতম। 'কুম্পুৰ সপোন', 'ভূত-পোৱালি', 'ফুল-কুঁৱৰী', 'অকণমানিৰ সপোন' আদি শিশুৰ বাবে উপযোগ্য কবিতাৰ মাজেৰে ৰূপকোঁৱৰে শিশুৰ কল্পনা জগতৰ আন এক চিত্ৰ ফুটাই তুলিবলৈ সক্ষম হৈছে। শিশুৰ মনস্তত্ত্বৰ উপযোগী এই কবিতাবোৰত আছে হাস্যৰস, চিত্ৰধৰ্মিতা আৰু হৃদয়পৰশা নিভাঁজ অসমীয়া শব্দৰ প্ৰয়োগ। এই কবিতাবোৰৰ ছন্দস্পন্দনে শিশুৰ মানসিক জগতলৈ এক আনন্দৰ বতৰা কঢ়িয়াই আনে। সংখ্যাত কম হ'লেও অসমীয়া শিশু-সাহিত্যলৈ জ্যোতিপ্ৰসাদৰ অৱদান একক আৰু অনন্য। শিশুৰ উপযোগী কৰি তেওঁ এখন জ্যোতি-ৰামায়নো ৰচনা কৰিছে।

জ্যোতিপ্ৰসাদৰ সৃষ্টিশীল প্ৰতিভাৰ বিশেষ স্বাক্ষৰ প্ৰতিভাত হৈছে গীত আৰু কবিতাসমূহৰ মাজেৰে। তেওঁৰ কবিতাত জাতীয় সমস্যা, ৰোমাণ্টিক ভাবাদৰ্শ, ঐতিহ্যৰ প্ৰতি প্ৰখৰ চেতনাবোধ আৰু বিপ্লৱীসত্বা অধিক মূৰ্তমান হৈ ধৰা দিছে। তদুপৰি মানৱতাবাদী বৈপ্লৱিক চেতনাই কবিতাসমূহত ভূমুকি মাৰিছে আৰু আলোকৰ সন্ধানে ৰূপকোঁৱৰৰ শিল্পসত্বা জাগ্ৰত কৰি তুলিছে। তেওঁৰ 'অসমীয়া ডেকাৰ উক্তি', 'অসমীয়া ছোৱালীৰ উক্তি', 'লাচিতৰ আহ্বান' আদি কবিতাত জাতীয় চেতনাৰ সুন্দৰ প্ৰকাশ ঘটিছে। দুস্কৃতিনাশী ৰূপান্তৰৰ সুগভীৰ চেতনাৰে ৰূপকোঁৱৰৰ কবিতা পুষ্ট। কবি জ্যোতিপ্ৰসাদৰ কাব্যিক প্ৰতিভাই তেখেতৰ কবিতাসমূহৰ মাজেৰে পূৰ্ণ বিকাশ লাভ কৰিছে।

জ্যোতিপ্ৰসাদৰ প্ৰতিভাৰ অন্যতম এক স্বাক্ষৰ হ'ল তেওঁৰ গীতসমূহ। তেওঁৰ কেতবোৰ গীত নাটকৰ মাজত পোৱা যায় আৰু কেতবোৰ গীত ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত ৰচনা কৰা য'ত স্বদেশপ্ৰেমে ভুমুকি মাৰিছে। তেওঁৰ সংগীতৰ স্বকীয় বৈশিষ্ট্যই সকলোবোৰ গীতকে সৰ্বজন সমাদৃত আৰু জনপ্ৰিয় কৰি তুলিছে। কোমল শব্দসম্ভাৰ আৰু কিছু কিছু শব্দৰ অভিনৱ প্ৰয়োগ আৰু বিষয়বস্তুৰ গভীৰতাই সকলোৰে হৃদয় ৰোমাঞ্চিত কৰি তোলে। মাটিৰ পৰশেৰে সিক্ত, স্বদেশৰ অনুৰাগেৰে মুঞ্জৰিত তেওঁৰ গীতত আছে তেনে এক মাধুৰ্য য'ত নতুন আৰু পুৰণিৰ সংমিশ্ৰণ প্ৰতিফলিত হৈছে। ৰোমাণ্টিক ভাবোচ্ছাস তেওঁৰ গীতৰ অন্যতম আধাৰ। প্ৰকৃততে এই যুগান্তকাৰী স্ৰষ্টাজনৰ গীতৰ মাজেৰে থলুৱা লোকগীত, শাস্ত্ৰীয় সংগীত আৰু পশ্চিমীয়া সুৰৰ এক সমাহাৰ গঢ় লৈ উঠিছে। অসমীয়া সংগীতৰ মৌলিক ৰূপ অব্যাহত ৰাখি পাশ্চাত্য সংগীতৰ দুই এটা বৈশিষ্ট্য আমাৰ সংগীতৰ লগত সমন্বিত কৰি পথ প্ৰদৰ্শকৰূপে জ্যোতিপ্ৰসাদে অসমীয়া সংগীতক গতিদান কৰি গৈছে।

জ্যোতিপ্ৰসাদে গভীৰ চিন্তামূলক প্ৰবন্ধৰাজিৰ জৰিয়তে অসমৰ মানুহৰ সাংস্কৃতিক চেতনা জাগ্ৰত কৰিছিল। 'শিল্পীৰ পৃথিৱী', 'নতুন দিনৰ কৃষ্টি' আদি প্ৰবন্ধত শিল্পৰ সাধনা, সংস্কৃতিৰ সাধনা আদি বিষয়ত জ্যোতিপ্ৰসাদৰ প্ৰগতিশীল দৃষ্টিভংগী প্ৰকাশ পাইছে আৰু তাৰ যোগেদি তেওঁ জনতাক দিক দৰ্শন কৰাইছে। অসমীয়া মানুহক ভাৰতীয় মানসিকতাৰে আবদ্ধ কৰি বহল মনৰ অধিকাৰী কৰি বিদেশলৈ যোৱাৰ পথ সৃষ্টি কৰিছিল। জ্যোতিপ্ৰসাদ অসমত বৰ্তমান বিশ্বায়নৰ প্ৰবক্তা আছিল। জ্যোতিপ্ৰসাদৰ প্ৰবন্ধৰাজিৰ মাজত সংস্কৃতিৰ এক ব্যাপক আৰু সৰ্বতোপ্ৰসাৰী অৰ্থ দেখা যায়। তেওঁ কৃষ্ণৰূপী ধাৰণাটোক ভাৰতীয় তথা অসমীয়া সংস্কৃতিক প্ৰতীকৰূপে গ্ৰহণ কৰিছে আৰু কৃষ্ণতত্ব আৰু ধাৰণাৰ মাজেদি কেনেকৈ ভাৰতীয় মনীষাৰ শ্ৰেষ্ঠ সম্পদৰাজি আৰু সুকুমাৰ প্ৰকাশসমূহ বিকশিত হৈছে তাক বিশ্লেষণ কৰি

দেখুওৱাইছে। কৃষ্ণসংস্কৃতিৰ সম্পৰ্কত জ্যোতিপ্ৰসাদে দিয়া ব্যাখ্যা যেনেকৈ ব্যাপক, সৰ্বগ্ৰাহী আৰু সমন্বয়ক তেনেকৈ অভিনৱ, অন্তৰপ্ৰসাৰী আৰু সংশ্লেষাত্মক; ভাৰতীয় সংস্কৃতিৰ এনে ব্যাখ্যা আন কোনো পণ্ডিতে দিয়া দেখা নাযায়। প্ৰকৃততে জ্যোতিপ্ৰসাদৰ শিল্পকলা সম্বন্ধীয় ........কেইখন লেখকৰ সেই বিষয়ত সম্যক আৰু বিস্তৃত জ্ঞান, শিল্পকলা বিকাশৰ ঐতিহাসিক আৰু তাত্বিক ধাৰণা আৰু কলাৰ প্ৰকৃতি আৰু উদ্দেশ্য সম্পৰ্কে স্পষ্ট আভাস দাঙি ধৰিছে। তেওঁৰ পূৰ্বৱৰ্তী আৰু সমসাময়িক কোনো লেখকৰ ৰচনাতে কলা আৰু সংস্কৃতিৰ এনে তাৎপৰ্যপূৰ্ণ বিশদ আলোচনা আমি নাপাওঁ। এই বিষয়ত জ্যোতিপ্ৰসাদ কেৱল পথিকৃতহে নহয়, এগৰাকী কলা বিশেষজ্ঞৰূপে আজিলৈকে সুপ্ৰতিষ্ঠিত হৈ আছে।

জ্যোতিপ্ৰসাদৰ গদ্যৰীতিও গতিশীল, অলংকাৰৰ দ্বাৰা ভাৰাক্ৰান্ত নহয়। তেওঁৰ গদ্যত আবেগতকৈ যুক্তিৰ প্ৰাধান্য আশা কৰা যায়। জ্যোতিপ্ৰসাদৰ যি কবি ব্যক্তিত্ব তাক ওপৰলৈ উঠিবলৈ নিদি যুক্তিবাদী মনটোকহে গদ্যত মুকলিভাৱে বিচৰণ কৰিবলৈ সুবিধা দিছে। অৱেশ্য এই কথা নকৈ নোৱাৰি যে তেওঁ গদ্যশিল্পী নাছিল, চুঁচি মাজি নিখুঁত গদ্য ৰচনা কৰিবলৈ তেওঁ বৰ সচেষ্ট আছিল বুলি ধাৰণা নহয়। ভাবৰ স্ৰোত যথাযথভাৱেই ৰূপ দি গৈছে।

পৰিশেষত ক'ব পাৰি যে জ্যোতিপ্ৰসাদে তেওঁ সমগ্ৰ সাহিত্যৰাজিৰ মাজেৰে যি নতুনত্ব আনিলে তাৰ আধাৰতেই তেওঁৰ সাহিত্যিক জীৱনত এক স্বকীয় দৃষ্টিভংগী বা দৰ্শনে গঢ় লৈ উঠিলে। এই দৰ্শন হৈছে ৰূপান্তৰৰ দৰ্শন। সেয়েহে তেওঁ কব পাৰিছে—

"ৰূপান্তৰেহে জগত ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।"

যথাৰ্থতে জ্যোতিপ্ৰসাদ হৈছে প্ৰকৃত ৰূপকোঁৱৰ, চিৰসুন্দৰৰ মহান সাধক, জনচেতনাৰ মূৰ্ত প্ৰতীক যি ৰূপান্তৰৰ মাজেৰে বিশ্ববিজয়ী ৰূপকাৰ ভূমিকাত অৱতীৰ্ণ হ'ব পাৰে। ❑❑

# সমাজ উত্তৰণত সংস্কৃতিৰ ভূমিকা

**সীমামনি দত্ত**
বি. এড. দ্বিতীয় ষান্মাসিক

সংস্কৃতি হ'ল মানুহৰ সামগ্ৰিক চিন্তাৰ উৎকৰ্ষ সাধন। সংস্কৃতিয়ে মানৱৰ চৰিত্ৰ মধুৰ কৰে, মনলৈ শান্তি আনে আৰু আধ্যাত্মিকতা সবল কৰে। মানুহৰ জ্ঞান, বিশ্বাস, শিল্প, নৈতিকতা, নীতি-নিয়ম, আচাৰ-ৰীতি-নীতি আৰু মানুহে সমাজৰ পৰা আহৰণ কৰিব পৰা সকলো অৰ্হতা আৰু অভ্যাসকে সংস্কৃতি বোলা হয়। এখন দেশৰ শিক্ষা ব্যৱস্থাৰ এটা উদ্দেশ্য হ'ল সেই দেশৰ ঐতিহ্য বা পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি উত্তৰ পুৰুষৰ বাবে বিকাশৰ পটভূমি ৰচনা কৰি নিজৰ সামাজিক সাংস্কৃতিক আৰু আধ্যাত্মিক প্ৰমূল্য আৰু সাফল্য সমূহৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ ব্যৱস্থা কৰা।

সংস্কৃতিৰ উপাদানসমূহ পাৰ্থিৱ আৰু অপাৰ্থিৱ এই দুটা ভাগত বিভক্ত। মানুহৰ জীৱন-যাপনৰ বাবে উদ্ভাৱন কৰা আৰু ব্যৱহাৰ কৰা সকলো সা-সৰঞ্জামেই বস্তুবাদী সংস্কৃতিৰ ভিতৰুৱা। সেইবোৰ হ'ল- স্মৃতিসৌধ, কৃষি পদ্ধতি, সাজ-পোছাক, আহাৰ, বসবাসৰ ব্যৱস্থা, ঘৰ-দুৱাৰ, শিল্প-সম্ভাৰ, যান্ত্ৰিক আৰু বৈদ্যুতিক অনুষ্ঠান, যোগাযোগ ব্যৱস্থা ইত্যাদি। আনহাতে মানুহৰ বৌদ্ধিক, আধ্যাত্মিক, সৌন্দৰ্যবোধ আদি চিন্তা চৰ্চাৰ দ্বাৰা উন্মোচিত আৰু বিকাশত প্ৰজ্ঞা, দৰ্শন বিশ্বাস, প্ৰমূল্য আদৰ্শ আদি বস্তুবাদী সংস্কৃতিৰ উপাদান। নিঃসন্দেহে উল্লেখিত সংস্কৃতিৰ দুই ধৰণৰ উপাদান সমূহে সমাজলৈ পৰিৱৰ্তন আনে। কিন্তু দেখা যায় যে এই দুইটা সংস্কৃতিৰ উপাদানে সমাজলৈ সমানে পৰিৱৰ্তন আনিব নোৱাৰে। বস্তুবাদী সংস্কৃতিৰ উপাদান সমূহে সমাজত সিমান প্ৰভাৱ পেলাব পাৰে বা পৰিৱৰ্তন আনিব পাৰে অবস্তুবাদী উপাদানসমূহে সিমান প্ৰভাৱ পেলাব বা পৰিৱৰ্তন আনিব নোৱাৰে। বস্তুবাদী সংস্কৃতি আৰু অবস্তুবাদী সংস্কৃতি একেলগে সমানে আগবাঢ়িব নোৱাৰে। ফলস্বৰূপে অবস্তুবাদী সংস্কৃতি পিছ পৰি থাকে। এইদৰে পিছপৰি থকা অৱস্থাকে সাংস্কৃতিক পদশ্চাৎ বা সাংস্কৃতিক ব্যৱধান বোলা হয়। কথাখিনি স্পষ্ট কৰিবলৈ এটা সৰু উদাহৰণ লব পাৰো। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত আমি সকলো সময়তে বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ ওপৰত নিৰ্ভৰশীল। হ'লেও আমাৰ বৈজ্ঞানিক মানসিকতা এক গতিত আগবাঢ়িব পৰা নাই। বৈজ্ঞানিক সা-সৰঞ্জামৰ মাজত থাকিও আমাৰ মনতো অন্ধবিশ্বাস-কু-সংস্কাৰ আদিয়ে আৱৰি ৰাখিছে। এই ব্যৱধানকে আমি সংস্কৃতিৰ পশ্চাৎ বুলি কওঁ।

মানুহে প্ৰথমে দল বান্ধি বা সমাজপাতি থাকিবলৈ লোৱাৰ পৰাই সংস্কৃতি আৰম্ভ হৈছে। সেই সময়ৰ পৰাই বৰ্তমান সময়লৈকে সংস্কৃতি সমৃদ্ধিশালী হৈ আহিছে। ভাৰতীয় সংস্কৃতি এটা প্ৰধান বৈশিষ্ট্য হৈছে- ভাৰতীয় সংস্কৃতি সংমিশ্ৰনৰ সংস্কৃতি। ভাৰতলৈ অহা পাঠান, মোগল, শক, হুন, ইংৰাজ, ফৰাচী ওলন্দাজসকলে তেওঁলোকৰ নিজা ভাষা আৰু কৃষ্টিৰ লগতে ভাৰতীয় ভাষা সংস্কৃতিকো গ্ৰহণ কৰি লৈছে। ই প্ৰমান কৰে মানৱ জাতিৰ শান্তিৰ বাবে সহঅৱস্থান কৰিব জানে ভাৰতীয় সংস্কৃতিয়ে। ভাৰতীয় সংস্কৃতিৰ আন এটা বৈশিষ্ট্য হৈছে ইয়াৰ ধাৰাবাহিকতা। বিভিন্ন সময়ত আক্ৰমণকাৰীয়ে ভাৰতলৈ আক্ৰমন কৰিব আহিছে। কেতিয়াবা সাময়িকভাৱে ৰাজনৈতিক স্বাধীনতা হেৰুৱাইছে। তথাপি ভাৰতবৰ্ষই ঐতিহ্যৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। বিভিন্ন জাতি-জনগোষ্ঠীয় সাংস্কৃতিক উপাদান সমূহে, ইয়াৰ সাজপাৰ, খাদ্যাভাষ উৎসৱ-পাৰ্বন ইত্যাদিবোৰে ভাৰতীয় সংস্কৃতিৰ ঐশ্বৰ্যমযাদা বৈশিষ্ট্য ফুটাই তুলিছে। এই সকলো খিনি বিবেচনা কৰিলে দেখা যায় যে ভাৰতীয় সংস্কৃতিত সময়ৰ লগত খাপ খাব পৰা স্বভাৱ বিৰাজমান।

আমাৰ বৰ্তমানৰ সমাজখন অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা মুক্ত নহয়। তাৰপৰা আঁতৰি আহিবলৈ আমি বাস্তৱমুখী হ'ব লাগিব। সকলোবোৰ কথা বৈজ্ঞানিক দৃষ্টিভংগীৰে চাই বা পৰীক্ষা-নিৰীক্ষাৰ যোগেদি গ্ৰহণ কৰিব লাগিব। মুঠৰ ওপৰত এটা জাতি বা এখন দেশ প্ৰগতিৰ দিশত আগবাঢ়ি যাবলৈ হ'লে সংস্কৃতিৰ পশচাৎৰ পৰা সংস্কৃতিৰ সমৃদ্ধিকৰণৰ ফালে ধাৱমান হ'ব লাগিব। আমি সমাজৰ সকলোৱে সংস্কৃতিক সমৃদ্ধি কৰাৰ বাবে চেষ্টা কৰো আহক। ❐❐

# সতী সাধনী অসমৰ চুতীয়া বংশৰ অখ্যাত এগৰাকী ভাৰতীয় ৰাণীৰ গাঁথা

**বুদ্ধেশ্বৰ চুতীয়া**
বি.এড, চতুৰ্থ ষান্মাসিক

প্ৰত্যেক বছৰতে বহাগৰ সাতবিহু দিনাখন ২১ এপ্ৰিলত সতী সাধনীৰ মৃত্যু বাৰ্ষিকী স্মৰণেৰে সতী-সাধনী দিৱস পালন কৰা হয়। সতী-সাধনী আছিল চুতীয়া বংশৰ শেষৰ গৰাকী ৰাণী। আহোম বুৰঞ্জীত ১৫২৩ চনৰ চুতীয়া সকলৰ প্ৰধান ৰাণী। ৰাণী গৰাকীক নাং লুং বা বৰ কুঁৱৰী বুলি কোৱা হৈছিল।



সাধনী জন্ম হৈছিল চুতীয়া সাম্ৰাজ্যৰ ৰাজধানী শদিয়াত। তেখেতৰ পিতৃৰ নাম আছিল ৰজা ধীৰনাৰায়ণ (ধৰ্মধ্বজপাল) আৰু মাতৃৰ নাম আছিল ৰাণী শ্ৰীকান্তি। ৰাণী শ্ৰীকান্তি গৰ্ভত ঐতিহাসিক বিৱৰণত পোৱা মতে নানান নৈবেদ্যৰ উৎসৰ্গা আৰু বলিদানৰ পিছতহে সাধনীৰ জন্ম হোৱাৰ বাবে তেওঁৰ নাম সাধনী ৰখা হৈছিল।

সাধনীৰ বিবাহৰ বাবে ৰজা ধীৰনাৰায়ণে উপযুক্ত দৰাৰ সন্ধানত স্বয়ম্বৰ সভা আয়োজন কৰিছিল। স্বয়ম্বৰ সভাত সাধনীৰ যোগ্যতা নিৰূপক দৰা বাছনিৰ কাৰণে এটা চৰ্ত বান্ধি দিছিল যে যিজনে দৌৰি থকা কেৰ্কেটুৱা এটাক ধনু সৰেৰে শৰবিদ্ধ কৰি স্তব্ধ কৰিব পাৰিব তেওঁৱেঁই সাধনীক বিয়া কৰাবৰ বাবে যোগ্য বিবেচিত হ'ব। স্বয়ম্বৰত কোনো এজনেও দৌৰিফুৰা কেৰ্কেটুৱা শৰবিদ্ধ কৰিবলৈ সক্ষম নহ'ল। কিন্তু যিসকল যুৱকে স্বয়ম্বৰ সভাত অংশগ্ৰহণৰ সুবিধা পাইছিল সেইসকল কিন্তু বহুধনী ঘৰৰ বা সম্ভ্ৰান্ত ঘৰৰ হ'ব লাগিব বুলি চৰ্ত বান্ধি দিছিল। সয়ম্বৰত যেতিয়া কোনোজনেই সফল হ'ব নোৱাৰিলে তেতিয়া ৰজাই তেওঁৰ সভাত উপস্থিত থকা নিজৰ প্ৰজাবৰ্গৰ বাবে স্বয়ম্বৰ সভাখন মুকলি কৰাৰ সিদ্ধান্ত ল'লে। ৰজাৰ ঘোষণা শুনি ভিৰৰ মাজৰ পৰা এজন গো-পালকৰ ল'ৰা আগবাঢ়ি আহিল। ল'ৰাজন অনুষ্ঠানটোত অংশগ্ৰহণ কৰিব পৰাকৈ ধনুবিদ্যাত যথেষ্ট পাকৈত আছিল। ল'ৰাজনে দৌৰি থকা কেৰ্কেটুৱাটো শৰবিদ্ধ কৰি মাটিত পেলাই দিছিল। সেই ল'ৰাজনৰ নাম আছিল 'নিতাই'। অৱশ্যে ৰাণীক বিয়া কৰাই নীতিপাল নাম লৈছিল আৰু তেওঁৱেঁই চুতীয়া বংশৰ শেষৰজন ৰজা হৈছিল।

ৰজা নীতিপাল বৰ দক্ষ ৰজা হ'ব পৰা নাছিল। তেখেতৰ

শাসন ব্যৱস্থা বৰ ভাল নাছিল। তেখেতৰ শাসন কালত “ঘৰ বিভীষণ” সদৃশ শত্ৰুৰ প্ৰভাৱ বৃদ্ধি পাইছিল। তেওঁ অভিজ্ঞ মন্ত্ৰী সকলক ৰাজকাৰ্যৰ পৰা বখাস্ত কৰিছিল তাৰ পৰিবৰ্তে নিজৰ গাঁৱৰ সমনীয়াসকলক মন্ত্ৰী পদত নিযুক্তি দিছিল। ইয়াৰ ফলস্বৰূপে, চুতীয়া মুখীয়াল সকল আৰু আত্মীয়ৰ মাজত বিদ্ৰোহৰ সূচনা হৈছিল। ইয়াৰ লগে লগে চুতীয়া ৰাজ্য পতনৰ দিশে গতি কৰিছিল। ১৫২৪ খ্ৰীষ্টাব্দত আহোমসকলে তেওঁলোকক আক্ৰমণ কৰিছিল। আহোমৰ লগত যুদ্ধৰ অন্তত আহোম ৰজা চুহুংমুঙৰ লগত যুদ্ধবিৰতি বিচাৰিছিল। আহোম ৰজাই চুতীয়াসকলৰ লগত যুদ্ধবিৰতিৰ প্ৰস্তাৱ মানি লৈছিল আৰু চৰ্ত দিছিল যে চুতীয়াসকলে কুবেৰ দত্ত সম্পত্তি (বংশানুক্ৰমিকভাৱে প্ৰাপ্ত সম্পত্তি) পাট ৰাণী, এটা মাইকী হাতী আৰু দহটা মতা হাতী আহোমক দিব লাগিব। চুতীয়া ৰজাই পাট ৰাণীৰ বাহিৰে আন ৰাজকুমাৰী দহটা হাতী আৰু এটা মাইকী হাতী দিবলৈ মান্তি হ'ল, কিন্তু কুবেৰ দত্ত সম্পতি গতাই দিবলৈ অস্বীকাৰ কৰিলে। চুতীয়া ৰজাই পঠোৱা উপহাৰত আহোম ৰজা সন্তোষ নহ'ল সেয়েহে ১৫২৪ চনৰ ২৬ এপ্ৰিলত চুতীয়া ৰাজ্যৰ ৰাজধানী শদিয়া আক্ৰমণ কৰে। সেই সময়ত চুতীয়া সকল নিৰস্তৰ আছিল। দেউৰী পুৰোহিতৰ হাততহে অস্ত্ৰ আছিল আৰু আহোমৰ আক্ৰমণ সহ্য কৰিব নোৱাৰি চন্দ্ৰগিৰি পাহাৰত আশ্ৰয় ল'বলৈ বাধ্য হ'ল।

ৰাণী সাধনীয়ে এটা মহিলা যুঁজাৰুৰ দল গঠন কৰিছিল। তেওঁৰ দলটিত ১২০ গৰাকী যোদ্ধা আছিল আৰু তেওঁলোকে সেনাবাহিনীক সহায় কৰিছিল। পাহাৰৰ ওপৰৰ পৰা শিল বগৰাই তলত থকা শত্ৰু সেনাৰ ওপৰত পেলাইছিল যাৰ ফলত বহুতো আহোম সেনাৰ মৃত্যু হৈছিল। সেই সময়তে আহোমৰ সেনাধ্যক্ষ ফ্ৰাচেংমুং বৰগোহাঁয়ে বন্দী সৈন্যসকলক ঘিলা লতাবোৰেৰে বগাই ওপৰেৰে উঠি যাবলৈ ক'লে আৰু প্ৰাক্তন চুতীয়া সেনাপতি এজনৰ পৰামৰ্শমৰ্মে ঢোল বজাবলৈ নিৰ্দেশ দিলে। সেয়া আছিল বিহুৰ বতৰ, চুতীয়া সেনাই ঢোলৰ শব্দ শুনি নতুন শক্তিশালী সৈন্যবলৰ আগমনৰ খবৰ বুলি ধৰি ল'লে। ঢোলৰ শব্দকে বিজয়ৰ চিন বুলি গণ্য কৰিলে আৰু আহোম সকলক খেদি পঠোৱা হৈছে বুলি পতিয়ন গ'ল। ফলস্বৰূপে চুতীয়া সৈন্য সকল আহোম বাহিনীয়ে আত্মগোপন কৰি থকা পাহাৰৰ পাদদেশলৈ নামি আহিল। আৰু এনেদৰে অৱশেষত চুতীয়া ৰজা নীতিপালক বিচাৰি উলিয়াই হত্যা কৰা হ'ল। কিন্তু চুতীয়া ৰাণী সাধনীৰ শৌৰ্য আৰু বলিদানৰ বিষয়ে ইতিহাসবিদ সকলৰ ভিন ভিন ভাষ্য পোৱা যায়।

ছাৰ এডৱাৰ্ড গেইটে উল্লেখ কৰিছে, চুতীয়াসকল খৰধৰকৈ জংমুমগখাম (মথালং) লৈ গৈছিল আৰু সেই সময়তে আৰু এক যুদ্ধৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু ৰজাৰ মৃত্যুৰ প্ৰতিশোধ ল'বলৈ আগবাঢ়ি যোৱা তেওঁৰ ডাঙৰ পুত্ৰকো হত্যা কৰা হৈছিল। চুতীয়াসকলে তেতিয়া পলাই যাবলৈ বাধ্য হৈছিল, আহোম সেনাই প্ৰধান ৰাণী গৰাকীৰ বাহিৰে সমগ্ৰ ৰাজপৰিয়ালকে বন্দী কৰি লৈ যায়, ৰাণীয়ে বন্দীত্বক আকোঁৱালি লোৱাতকৈ নিজৰ মৃত্যুৱেই শ্ৰেয় বুলি যাঠিৰে নিজকে খুচি আত্মবলিদান দিছিল। বন্দী সৈন্য আৰু লুটি অনা চুতীয়া ৰাজপৰিয়ালৰ সম্পত্তি, চুতীয়া ৰজা আৰু তেওঁ পুত্ৰৰ কটা মূৰৰ সৈতে আহোম ৰজা চুহুংমুঙক উপহাৰ দিয়া হৈছিল।

এই কটা মূৰ চৰাইদেউৰ মন্দিৰৰ চিৰিৰ তলত পুতি থোৱা হৈছিল উদ্দেশ্য এইয়ে যে আহোম ৰজাই যেতিয়া মন্দিৰত প্ৰৱেশ কৰিব তেতিয়া হয়তু সেই পুতি থোৱা মূৰৰ ওপৰেদি খোজ কাঢ়ি যাব। পদ্মনাথ গোহাঁই বৰুৱাই অসম বুৰঞ্জীত উল্লেখ কৰিছে যে যিগৰাকী ৰাণী সাধনীয়ে আহোমৰ বিৰুদ্ধে যুজত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল, তেওঁক শদিয়াত শাসন চলোৱা আহোম সেনাপ্ৰধান শদিয়াখোৱা গোহাঁইৰ সৈতে বিয়াত বহিবলৈ কোৱা হৈছিল, কিন্তু সাধনীয়ে অপমানক স্বীকাৰ কৰি লোৱাতকৈ মৃত্যুৰ পথ বাচি লৈছিল আৰু ৰাজপৰিয়ালৰ উত্তৰাধিকাৰ সম্পত্তিৰ সৈতে চন্দনগিৰি পাহাৰৰ ওপৰৰ পৰা জপিয়াই নিজৰ প্ৰাণ ত্যাগ কৰিছিল। আনহাতে, সাতসৰী অসম বুৰঞ্জীত উল্লেখ আছে “ৰজাক হত্যা কৰা হ'ল, তেওঁৰ মৃতদেহ ওচৰৰ নৈত উটুৱাই দিয়া হ'ল তেওঁৰ মুখ্য ৰাণীক বন্দী কৰা হ'ল।”

দেওধাই বুৰঞ্জীৰ মতে আহোমসকলে স্বামী নীতিপালৰ দৰেই চুতীয়া ৰাণী সাধনীৰো শিৰচ্ছেদ কৰিছিল। অৱশ্যে চুতীয়া সমাজত থকা কিংবদন্তি আৰু লোকগাথাসমূহে ৰাণী সাধনীৰ মৃত্যু সম্পৰ্কে পদ্মনাথ গোহাঞি বৰুৱা আৰু এডৱাৰ্ড গেইটৰ বিৱৰণীৰ সমৰ্থনেই সাক্ষ্য বহন কৰিছে। ❑❑

# নাট্যকাৰ অবিনাশ শৰ্মাৰ জীৱন আৰু তেওঁৰ তিনিখন নাটক 'নহন্যতে', 'মায়া' আৰু 'জলছবি' ৰ সম্পৰ্কে এটি চমু আলোকপাত

**জুৰি গগৈ**
**ডি.এল.এড, প্ৰাক্তন প্ৰশিক্ষাৰ্থী**

নাটক এক পৰিবেশ্য কলা। নাট্যকাৰে পোনপটীয়াকৈ একো ক'ব নোৱাৰে, সকলো কথা চৰিত্ৰৰ মাজেদি ব্যক্ত কৰাব লাগে। সন্দেহ নাই আজিৰ তাৰিখত নাটকৰ চৰ্চা বিভিন্ন কাৰণত কমি আহিছে। অৱশ্যে কিছুমান আজন্ম নাট্যকাৰে নাটকবোৰ জীয়াই ৰাখিছে। সুখৰ কথা অসমীয়া নাট্য সাহিত্যও হেৰাই যোৱা নাই। আজিৰ তাৰিখতো বহু জ্ঞাত-অজ্ঞাত নাট্যকাৰে নাটক চৰ্চা কৰি আছে; তাৰে এগৰাকী হ'ল ফণী শৰ্মা বঁটা বিজয়ী নাট্যকাৰ অবিনাশ শৰ্মা।

বিশিষ্ট নাট্যকাৰ অবিনাশ শৰ্মাৰ জন্ম ০১ মে ১৯৫২ চনত। শৰ্মা ফাইন আৰ্ট আৰু () ত দক্ষতা থকা এজন বিখ্যাত পৰিচালক তথা নাট্যকাৰ। অসমৰ কেইজনমান নাট্য সাহিত্যৰ ব্যক্তিৰ ভিতৰত তেওঁ অন্যতম যাৰ অৱদান অসমীয়া থিয়েটাৰত অপৰিসীম আৰু আটাইতকৈ উল্লেখযোগ্য বুলি গণ্য কৰা হয়। তেওঁ সৰুৰে পৰাই নাট্যকলাৰ ক্ষেত্ৰখনত জড়িত আৰু নাট্য আয়োজক হিচাপে যথেষ্ট দক্ষতা প্ৰদৰ্শন কৰি আহিছে। নাট্য লেখা, চিত্ৰনাট্য আৰু সমসাময়িক কলা আদি সমগ্ৰ ক্ষেত্ৰখনৰ বাবে উদ্ভাৱন আৰু পৰীক্ষা-নিৰীক্ষাই হৈছে এইগৰাকী ব্যক্তিৰ সফলতাৰ চাবিকাঠি। কোনো আনুষ্ঠানিক প্ৰশিক্ষণ অবিহনে উদ্ভাৱনী কৌশল আৰু সৃজনীশীল কৌশলৰ বাবে বছৰ বছৰ ধৰি সৃষ্টিশীল আৰু পৰিবেশন শিল্পৰ ক্ষেত্ৰখনত এটা বিশাল ভলিউম হিচাপে বিবেচিত হৈ আহিছে।

অবিনাশ শৰ্মাদেৱে তেওঁৰ অনুগামী হোৱাতকৈ তেওঁৰ উদ্ভাৱনী পদ্ধতিৰ সদব্যৱহাৰে অসমীয়া থিয়েটাৰত মাল্টিমিডিয়াৰ সঠিক ব্যৱহাৰ কৰি অসমীয়া থিয়েটাৰত এটা নতুন ধাৰাৰ ঢৌ স্থাপন কৰাত সহায় কৰি আহিছে। অসমীয়া, হিন্দী আৰু ইংৰাজীত ৮০ খনতকৈ অধিক পৰিচালনা কৰা বহুকেইখন নাটক অসমৰ বিভিন্ন মঞ্চত মঞ্চস্থ কৰাৰ লগতে নতুন দিল্লী, কলকাতা, ঔৰংগবাদ, এলাহাবাদ, ডেৰাডুন আদি ৰাজ্যত বিভিন্ন পৰ্যায়ত নাট মঞ্চস্থ কৰিছে; তাৰোপৰি তেওঁৰ দ্বাৰা পৰিচালিত নাটক ত্ৰিপুৰা হায়দৰাবাদত অনুষ্ঠিত আন্ত-ৰাষ্ট্ৰীয় নাট্য মহোৎসৱত মঞ্চস্থ কৰা হয়। অবিনাশ শৰ্মা এগৰাকী প্ৰখ্যাত পৰিচালক হোৱাৰ উপৰিও অসমীয়া থিয়েটাৰৰ ইতিহাস, বিভিন্ন ধাৰা আৰু গতিবিধিৰ ওপৰত তেওঁৰ গভীৰ আৰু বিস্তৃত অধ্যয়ন আছে।

অনাতাঁৰ আৰু টেলিভিচনত নাট পৰিবেশন কৰি এজন উল্লেখযোগ্য নাট্যকাৰ হিচাপে বিশেষ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱা শমাই ২৮ খনতকৈও অধিক নাটক ৰচনা কৰিছে। শৰ্মাই জইনিং, ষ্টেজ ক্ৰাফ্টছ, () আদিৰ বাবে বিভিন্ন বঁটা যেনে- শংকৰদেৱ বঁটা, কমলা কুমাৰী বঁটা, অসম ৰত্ন বঁটা, ৰাজ্যিক ফিল্ম বঁটা আদি লাভ কৰিবলৈ সক্ষম হৈছে।

তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাবে নাট, দূৰদৰ্শন

কেন্দ্ৰ আৰু পি পি চি গুৱাহাটীৰ বাবে ধাৰাবাহিক পৰিচালনা কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বি-হাই নাট্যশিল্পী শৰ্মাই বহুতো নাটক, টি ভি ধাৰাবাহিকৰ আৰু বৈশিষ্ট্যপূৰ্ণ ছবিত অভিনয় কৰিছে. দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ প্ৰথমজন মেকআপ শিল্পী, () ডিজাইনাৰ আৰু টেলিফিল্ম পৰিচালক শৰ্মাই অসম চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সঞ্চালকৰ সেৱাৰ পৰা চুপাৰ এনুৱেট লাভ কৰিছে আৰু বৰ্তমান তেওঁ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সাধাৰণ পৰিষদৰ সদস্য।

অসমৰ নাট্য প্ৰকল্প সঞ্চালক পদ লাভ কৰা শৰ্মা ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আৰু প্ৰগ্ৰেম কমিটিৰো সদস্য। বিশিষ্ট নাট্যকাৰ-পৰিচালক-অভিনেতা অবিনাশ শৰ্মালৈ অসমৰ চৰকাৰৰ সাংস্কৃতিক বিভাগৰ পৰা আগবঢ়োৱা সৰ্বোচ্চ সন্মান ২০২১ চনৰ 'নট সূৰ্য ফণী শৰ্মা বঁটা' প্ৰদান কৰা হৈছে।

এই গৰাকী সফল নাট্যকাৰৰ তিনিখন উল্লেখযোগ্য নাটক — 'নহন্যতে', 'মায়া', আৰু 'জলছবি' ৰ সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হ'ল—

### নহন্যতে

এগৰাকী বৃদ্ধা-মাধৱী আৰু তেওঁৰ মৃত স্বামীৰ কথোপকথনৰ যোগেদি নিঃসংগ চেতনাৰ লগতে জীৱনৰ গভীৰ আত্মিক উপলব্ধিৰ প্ৰকাশ ঘটিছে 'নহন্যতে' নাটকখনত। গতিশীল জীৱনত লাভ কৰা সৰু-বৰ, তিতা-মিঠা সকলো অভিজ্ঞতাৰ হিচাপ নিকাচৰ বহীখন লৈ ঘৰৰ বাৰাণ্ডাতে গভীৰ নিঃসংগতাবোধে জুৰুলা কৰি তোলা বৃদ্ধা গৰাকী চকীত বহি আছে। স্বামী জীৱিতাৱস্থাত সকলো সময় দুয়ো একেলগে পাৰ কৰিছিল কিন্তু স্বামীৰ মৃত্যুৰ পাছত মাধু একেবাৰে অকলশৰীয়া হৈ পৰিল। সকলো সময়তে অতীতৰ পৃষ্ঠাবোৰকেই সোঁৱৰি থাকে। নিঃসংগতাবোধত জৰ্জৰিত বৃদ্ধাগৰাকীয়ে তেওঁৰ এৰি অহা দিনবোৰৰ স্মৃতিৰ লগত যেন খেলিবলৈ দৰে। প্ৰিয়তমৰ লগত কটোৱা মধুৰ সময়খিনি, মান অভিমানেৰে ভৰা তেওঁলোকৰ মৰমৰ সুখৰ সংসাৰখনৰ মধুৰ মুহূৰ্তবোৰে বৃদ্ধাগৰাকীক লৈ গ'ল অতীতৰ যুগ্ম জীৱনলৈ। সপোন আৰু বাস্তৱৰ দোমোজাই বৃদ্ধাক নচুৰাই থাকিল। বাস্তৱ সপোনৰ পাৰ্থক্যৰ সীমাৰেখাডাল বৃদ্ধাৰ চেতনাত যেন হেৰাই গ'ল। তেওঁৰ সমগ্ৰ মন প্ৰাণ যেন স্বামীৰ লগত একাকাৰ হৈ পৰিল। বৃদ্ধাৰ তিনিটা সন্তান থকাৰ পাছতো তেওঁ অকলশৰীয়া। তেওঁ যেন আজিৰ সংসাৰৰ অচল টকা। বৃদ্ধা পুৰণি পালেংখন, বৰপেৰাটো ৰাখিবলৈ ঠাইৰ অভাৱত সন্তানে বিক্ৰী কৰি দিলে। সিহঁতে বৃদ্ধাক অৱজ্ঞা কৰা নাই কিন্তু মন গ'লেই থকা ঠাইৰ সলনি কৰি থাকে মাধুৰ স্বামীৰ মৃত্যুৰ পাছত। সেইসমূহ কথা ভাবি বাবি বৃদ্ধা গৰাকী বহি থাকোঁতেই সপোন বাস্তৱৰ দোমোজাত তেওঁৰ চেতনাত মৃতক স্বামীৰ অস্তিত্বই উপলব্ধি হ'ল- বৃদ্ধই তেওঁৰ উপলব্ধি অনুভৱ কৰি বৃদ্ধাক সংগ দিছে, তেওঁৰ মৰমৰ স্বপ্নালী (মাধু) ক সান্ত্বনা দিছে, জীৱন বা মৃত্যু সম্পৰ্কে বুজাই দিছে। দুয়ো অতীতৰ স্মৃতি ৰোমন্থন কৰিছে, প্ৰেম-ভালপোৱা, বিবাহ-সংসাৰ-সন্তানৰ মায়াত আপ্লুত হৈ বৃদ্ধক এবাৰ স্পৰ্শ কৰি চাবলৈ বৃদ্ধা ব্যাকুল হৈ উচুপি উঠিছে। বৃদ্ধাই প্ৰতি মুহূৰ্ততে তেওঁৰ প্ৰাণৰ স্বামীৰ লগত কটাব বিচাৰে। তেওঁৰ লগত পাৰ কৰা পুৰণি স্মৃতিবোৰেই ৰোমন্থন কৰি থাকে। তেওঁ অনুভৱ কৰে দুয়োৱে সত্বা কোনোবা এটা বিন্দুত যেন বিলীন হৈ গৈছে। পৃথিৱীৰ প্ৰত্যেকজন মানুহৰে একোটা সুকীয়া সত্বা থকাটোহে বৃদ্ধই স্বীকাৰ কৰে, ভগৱানে কেতিয়াও কাকো যেনে একেবাৰে বিলীন হৈ যাবলৈ নিদিয়ে। প্ৰত্যেক মানুহৰে স্বাভিমান বুলি কথা এষাৰ আছে। ইমান দীঘলীয়া জীৱন পৰিক্ৰমাত বৃদ্ধই বৃদ্ধাক লগ পাইছে এবাৰ স্বামী হিচাপে, এবাৰ পিতৃ হিচাপে আকৌ বোৱাৰীহঁতৰ শহুৰ, নাতিহঁতৰ ককাক -এনেদৰে সলনি হৈও মাধু আৰু তেওঁৰ মাজৰ অৰ্থাৎ স্বামী-স্ত্ৰীৰ পুৰণা সম্বন্ধটোও নাইকীয়া কৰিব পৰা নাই। সদায় স্বামী-স্ত্ৰী ৰূপেই আত্মীয়তাৰে বান্ধ খাই আছে। সেইসমূহ কথাৰ মাজতে সন্তানৰ বিষয়ে ওলালত বৃদ্ধাক প্ৰতিপালন কৰে নে, তেওঁৰ মাধু-পুত্ৰ বোৱাৰী, নাতি পুত্ৰৰ লগতে আছেনে বুলি খবৰ লোৱাত কৈছে, তেওঁ যেন সিহঁতৰ আচৰণত সন্তুষ্ট নহয়, কাৰণ তেওঁৰ সংবাদ ল'বলৈ কাৰোৰে আহৰি নাই, তেওঁ যেন বৰ অকলশৰীয়া। বৃদ্ধই কিন্তু সকলোবোৰ বাস্তৱিক ৰূপত চাই, আনৰ অনুভৱেৰে অনুভূত হ'ব পাৰে। বাস্তৱকতাক সহজে আকোঁৱালি ল'ব পাৰে, মৃত্যুকো তেওঁ সহজ দৃষ্টিৰে গ্ৰহণ কৰিব পাৰিছে। বৃদ্ধা অৰ্থাৎ মাধু যেন অভিমানী অবুজন। স্বামীৰ মৃত্যুক সহজৰূপত গ্ৰহণ কৰিবলৈ কষ্ট অনুভৱ হয় চেওঁৰ। বৃদ্ধই মাধুক বুজাবলৈ চেষ্টা কৰে- সকলো যেনে সময়ৰ হাতত, সময়ে হাঁহিবলৈ কান্দিবলৈ শিকায়। সময়ৰ তাগিদাক প্ৰত্যাখ্যান কৰাৰ যেনে কাৰোৰে ক্ষমতা নাই। এদিন নিজৰ শৰীৰটোকো সময়ৰ সোঁতত এৰি থৈ মেলানী

মাগিব লাগিব। এয়াই ধ্ৰুৱ সত্য। নিসংগ চেনতাক উপজীব্য হিচাপে লৈ ৰচনা কৰা ‘নহন্যতে’ নাটক খনৰ ইয়াতেই যৱনিকা পৰিছে।

নাটকখনৰ আংগিক বিশ্লেষণ কৰিলে দেখা যায় যে দুজন বৃদ্ধ-বৃদ্ধা (মাধৱী আৰু তেওঁৰ মৃতু স্বামী) কথোপকথনৰ জৰিয়তে নিসংগ চেতনাক স্পুস্পষ্ট ৰূপত ফুটাই তুলিছে। মাধৱীয়ে তেওঁৰ স্বামীক হেৰুৱাই অনুভৱ কৰা উপলব্ধিক সজীৱ ৰূপত চিত্ৰিত কৰা হৈছে।

নাট্যকাৰে মাধৱী আৰু স্বামীৰ দাম্পত্য জীৱনৰ এখন সজীৱ চিত্ৰ দাঙি ধৰিবলৈ কেইবাটাও কবিতা আৰু গীতক প্ৰয়োগ কৰিছে—

বৰষুণ পৰিছিল সেইদিনা
আৰু বতাহৰ সুহুৰি
তিতিছিলা তুমি
আৰু মই?
মইও তিতিছিলোঁ।
হয়তোবা ঘামত, হয়তোবা প্ৰেমত। (শৰ্মা, অ.পৃ.১২)

নাটকখনত প্ৰতীকৰ প্ৰয়োগ লক্ষণীয়। স্বামীৰ মৃত্যুৰ পাছত মাধৱীৰ দুখ অৱস্থাটো উপস্থাপন কৰিবলৈ ক'লা ৰঙৰ ছবি আৰু সুখ দুখ মানৱীয় অনুভূতিৰ উৰ্ধত শান্তিৰ অৱস্থানত থকা মাধৱীৰ মৃত স্বামীক বগা চকীখনত বহোৱা হৈছে।

উল্লেখযোগ্য যে নাটকখনত এটা ৰঙা ছাতিৰ ব্যৱহাৰ হৈছে যিয়ে তেওঁলোকৰ যৌৱনৰ মধুৰ সময়ক দেখুৱাইছে।

নাটকখনত আংশিকভাৱে অলৌকিকতাৰ প্ৰভাৱ পৰিছে বুলি ক'ব পৰা যায়। কাৰণ এজন মৃত ব্যক্তিৰ সৈতে কথোপকথন কৰা বাস্তৱ সত্য হ'ব নোৱাৰে। নাটকখনত ৰোমাণ্টিক ভাৱধাৰাও বিৰাজমান।

‘নহন্যতে’ নাটকৰ মঞ্চ নিৰ্দেশনাৰ সূক্ষ্ম আৰু নিখুঁত ৰূপটো মনকৰিবলগীয়া—

(মঞ্চত দুখন চকী। এখন ক'লা আৰু আনখন বগা ৰঙৰ। চকী দুখন আৰ্মচেয়াৰ। ক'লা ৰঙৰ চকীখন মঞ্চৰ সোঁফালে আৰু বগা ৰঙৰ চকীখন বাওঁফালে থাকিব। দুয়োখন চকীয়ে প্লেটফৰ্মৰ ওপৰত থাকিলে ভাল হয়। মঞ্চৰ পিছফালে সোঁমাজত আন এখন প্লেটফৰ্ম থাকিব। বৃদ্ধাই ক'লা চকীখনতে বহি আছে আৰু বহুসময় ধৰি কপালত হাত দি কিবা ভাবি আছে। সময় আবেলি)।

(গাজনিৰ শব্দ। বতাহ। মেঘমল্লাৰ আলাপ। মঞ্চৰ সোঁমাজত পাৰি থোৱা প্লেটফৰ্মৰ অংশত পোহৰৰ মায়াজাল। বৰষুণৰ শব্দ। আৰম্ভ হ'ব কবিতাৰ আবৃত্তি। ৰঙা ৰঙৰ ছাতি এটা লৈ এহাল ডেকা গাভৰু। বতাহে ছাতি উৰুৱাই নিছে।

**মায়া**

সময়ৰ সোঁতত সমাজৰ প্ৰায় সকলোস্তৰৰে সকলো মানুহৰ ৰুচিবোধ, স্বাভৱ চৰিত্ৰ, ৰীতি-নীতিলৈ কিচুমান পৰিৱৰ্তন আহি থাকে। সেই পৰিৱৰ্তনবোৰ কেতিয়াবা হ'বলগা উচিত দিশত আৰু কেতিয়াবা নহ'বলগা অনুচিত দিশত হয়। আধুনিক ভোগবাদী সমাজত বহুসংখ্যক লোক আত্মকেন্দ্ৰিক হৈ পৰাৰ বাবে মানুহৰ মাজৰ সম্বন্ধৰ এনাজৰীডাল লাহে লাহে শিথিল হৈ আহিছে। সমাজত অধিক সংখ্যক লোকেই ধন প্ৰাচুৰ্য আৰু বিলাসিতা প্ৰদৰ্শন কৰি নিজৰ প্ৰতিপত্তি দেখুৱাবলৈগৈ ধনৰ পিছে পিছে দৌৰি ফুঁৰোতে পৰিয়ালৰ মাজত মৰম-চেনেহ, আদৰ-সাদৰ প্ৰায় নোহোৱা হৈ গৈছে। ভোগবাদী চিন্তাই মানুহৰ মানসিকতালৈ অনা পৰিৱৰ্তন পাৰিবাৰিক সম্বন্ধলৈও জটিলতা আনিছে। এনেধৰণৰ যান্ত্ৰিকতাৰ মাজত এধানিমান মৰম আৰু ভালপোৱা বিচাৰি হাবাথুৰি খাইছে মায়াই। কৰপ'ৰেট খণ্ডত কৰ্মৰত শান্তনু আৰু পূজাৰ একমাত্ৰ সন্তান মায়া। গৃহকৰ্মী যশোদা বাইৰ হাততে কৰ্মব্যস্ততাৰ বাবে শান্তনু আৰু পূজাই সকলো দায়িত্ব গতাই আজৰি হৈ থাকিব খোজে। কৰ্মব্যস্ত পিতৃ-মাতৃ শান্তনু আৰু পূজাই সময় দিব নোৱাৰাৰ বাবে নিসংগতা আৰু একাকীত্বই জুৰুলা কৰা মায়াই এখোজ দুখোজকৈ যৌৱনত খোজ পেলাইছে। কিন্তু পিতৃ-মাতৃৰ আহৰি নাই অতি ভাবুক, অভিমানী মায়াৰ এই নিসংগতাৰ বুজ ল'বলৈ। হঠাতে এদিন ঘটনাৰ ক্ৰম অনুসৰি ওচৰৰে গীৰ্জাঘৰত কৰ্মৰত ছান্তাক্লজ আৰু মায়া পৰস্পৰৰ াসন্নিধ্যলৈ আহে। শান্তনু আৰু পূজাই যশোদা বাইৰ মুখেৰে মায়া আৰু ছান্টাক্লজৰ সান্নিধ্যৰ খবৰ পাই দুয়ো চিন্তিত হয়। শৈশৱৰে পৰা নিঃসংগতাবোধৰ সৈতে পৰিচিত হোৱা মায়াই পুতলাবোৰৰ সৈতে বালিঘৰ সাজে। সিহঁতৰ সৈতে মনৰ সকলো কথা পাতে, হাঁহে, নাচে আৰু গান গায়। শান্তনু আৰু পূজাই মায়াৰ এনে আচৰণত শকাত ভুগিছে। মায়াৰ সেই অস্বাভাৱিক আচৰণৰ প্ৰতিকাৰৰ বিধান বিচাৰি দুয়ো মানসিক ৰোগৰ চিকিৎসক ডাঃ ভূঞাৰ ওচৰ চাপে আৰু মায়াৰ আচৰণ সম্পৰ্কে সকলোবোৰ কথা বিৱৰি কয়। ডাঃ ভূঞাই মনোবৈজ্ঞানিক যুক্তিৰে শান্তনু আৰু

পূজাক তেনে আচৰণৰ কাৰণ কাৰক ইত্যাদি বিতংকৈ বুজাই দুয়োকে প্ৰবোধ দিবলৈ চেষ্টা কৰে। ঘটনাই ইয়াৰ পাছতো বেলেগ এটা ৰূপ লয়। এদিন মায়া বিদ্যালয়ৰ পৰা ঘূৰি নাহিল। যশোদা বাই শান্তনু আৰু পূজাক সেই খবৰটোৱে অত্যন্ত আতংকিত কৰি তুলিলে। বহুতো বিচাৰ কোচাৰৰ শেষত মায়াক উদ্ধাৰ কৰি ঘৰলৈ লৈ আহে। ইয়াতেই এটা নতুন পৰিস্থিতিৰ উদ্ভৱ হয়। যশোদাবাই আৰু মাৰ্টিন ছেণ্টাক্লজৰ পুৰণি সম্পৰ্কৰ আৱিস্কাৰ হয়। পুনৰ যশোদা বাই আৰু মাৰ্টিনৰ মিলনৰ জৰিয়তে মায়াৰ বান্ধোনৰ এই শিকলিডাল এৰাব নোৱাৰা সম্বন্ধৰ কথাকে হয়তো নাট্যকাৰে ইংগিত বহন কৰিছে। ইয়াতেই নাটকৰ বিষয়বস্তু পৰিসমাপ্তি ঘটিছে।

অবিনাশ শৰ্মাৰ 'মায়া' নাটকখন এখন সাফল্যমণ্ডিত নাটক। নাট্যকাৰে নাটকখনৰ দুটা চৰিত্ৰ, মায়া, বাই (যশোদা), পূজা, শান্তনু, শান্তাক্ল'জ (মাৰ্টিন), ডাঃ ভুএগ্ৰাৰ মাজেদি নাট্যকাৰে নাটকখনৰ কাহিনীভাগ অতি সুন্দৰভাৱে আগবঢ়াই নিবলৈ সক্ষম হৈছে। নটা দৃশ্যৰ জৰিয়তে নাটকখনি ৰূপায়িত কৰিছে। ভোগবাদী সমাজৰ আধুনিক পিতৃ-মাতৃৰ কৰ্মব্যস্ততাই সন্তানক সময় দিব নোৱাৰাৰ বাবে, সন্তানে যে কিমান দুখ অনুভৱ কৰে, অকলশৰীয়া অনুভৱ কৰে সেই বিষয়ে মায়া নাটকখনত অতি সংবেদনশীল ৰূপত উস্থাপন কৰিছে। নাট্যকাৰ শৰ্মাই পিতৃ-মাতৃ আৰু সন্তান দুয়োপক্ষৰ দৃষ্টিকোণৰ যোগেদি নিঃসংগ চেতনাক সুন্দৰৰূপত ফুটাই তুলিবলৈ সক্ষম হৈছে। নাটকখনৰ মায়া চৰিত্ৰটোৰ সংলাপৰ জৰিয়তেও নাট্যকাৰে এই নিসংগ চেতনাক সুন্দৰ ৰূপত উপস্থাপন কৰিছে—

মায়া ঃ এতিয়া তোমালোক সকলোৱে ইয়াৰ পৰা আঁতৰি গ'লেই ভাল পাম। প্লিজ। (শৰ্মা, অ.পৃ.৩৪)

ভোগবাদী সমাজে কামৰ অজুহাতত অৰ্থাত অত্যন্ত কৰ্মব্যস্ততাৰ বাবে সন্তানক সময় দিব নোৱাৰাৰ ফলশ্ৰুতিত সন্তানে পিতৃ-মাতৃৰ মৰম স্নেহ আদৰ যত্ন বিচাৰি হাঁহাকাৰ কৰি উঠে; সেই বাৰ্তাৰেই প্ৰতীকী ৰূপ মায়া।

নাটকখনিত সন্নিবিষ্ট গীত দুটিয়ে চৰিত্ৰৰ মানসিক অৱস্থা ফুটাই তুলি দৰ্শক পাঠকৰ হৃদয়ত গভীৰ অনুভূতিৰ সঞ্চাৰ কৰি চকু সেমেকাই তুলিবলৈ সক্ষম হৈছে—

মৰহা ফুলৰে কালৰ
ল'ৰালি পৰিলে সৰি
সেমেকা শীতৰ বননিত
কোমল দূৱৰি কোলা
হ'ব পাৰে আলসুৱা

কিদৰে পাহৰোঁ বা ফুলাৰে সপোন। হ'ব খোজো বুকুৰ আপোন (গীতৰ কথা আৰু সুৰ-চাৰুকমল হাজৰিকা) নাটখনত আধুনিক চিকিৎসা বিজ্ঞান ব্যৱস্থাক প্ৰাধান্য দিয়া দেখা গৈছে। মায়াৰ অস্বাভাৱিক আচৰণৰ বাবে শান্তনু আৰু পূজাই মনোৰোগ বিশেষজ্ঞৰ কাষ চাৰি প্ৰতিকাৰৰ উপায় বিচাৰিছে।

নাটকখনিৰ চৰিত্ৰ সমূহৰ ভাষাত আধুনিক ভাৱধাৰাৰ প্ৰভাৱ সুস্পষ্ট। বিশেষকৈ ইংৰাজী বাক্যৰ প্ৰয়ো লক্ষ্যণীয়—

মায়া ঃ (শৰ্মা অ.পৃ. ৪৬)

শান্তনু ঃ জানি থ'বা। (শৰ্মা, অ.পৃ.৪৮)

মঞ্চ নিৰ্দেশনা দিশটোও লক্ষণীয়। অতি সফলভাৱে নাট্যকাৰে এই দিশটোক উপস্থাপন কৰিববলৈ সক্ষম হৈছে। প্ৰথম দৃশ্যতে (মায়াৰ বেডৰুম, ষ্টাডি টেবুলৰ ওচৰত বহি মায়াই টেবুল লেম্পটো অন-অফ কৰি আছে। ময়াৰ বিছনাতে পৰি থকা ম'বাইল ফোনটো কেবাবাৰো ৰিং হৈ বন্ধ হ'ব। এনেদৰে দুবাৰ তিনিবাৰ বাজিব। মায়াই মুখখন ঘূৰাই চাব আকৌ মুড এটা লৈ বহি থাকিব)

যশোদা সোমাই আহি মায়াক লক্ষ্য কৰে। আগবাঢ়ি গৈ বিছনাত পৰি থকা ফোনটো ধৰি কথা পাতে।)

- পাঠক, দৰ্শকে সংলাপবিহীনভাৱেই এই মঞ্চ নিৰ্দেশনাটোৰ জৰিয়তে বহু কথা উপলব্ধি কৰিববলৈ সক্ষম হ'ব পাৰে। দৰ্শকে চৰিত্ৰটোৰ নিঃসংগতাবোধৰ ছবিখন নাট্যকাৰে মঞ্চ নিৰ্দেশনাটোৰ জৰিয়তে সফলভাৱে জীৱন্ত ৰূপত উপস্থাপন কৰিববলৈ সক্ষম হৈছে।

**জলছবি**

নিসংগতা হৈছে এক অসন্তোষজনক আবেগজনিত প্ৰতিক্ৰিয়া। নিঃসংগতাক সামাজিক ব্যথা হিচাপেও বৰ্ণনা কৰা হয়- ই হৈছে এটা মনোগত প্ৰক্ৰিয়া। অন্তৰঙ্গতাৰে অন্যান্য ব্যক্তিৰ আবেষ্টনীৰ মাজত থাকিও ব্যক্তিবিশেষে নিঃসংঙ্গতা অনুভৱ কৰিব পাৰে; সাধাৰণতে কবলৈ হ'লে নিসংগতাৰ কাৰকসমূহ ব্যক্তিৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন হ'ব পাৰে—সামাজিক, মানসিক, আবেগিক, পাৰিবাৰিক ইত্যাদি। বেছিভাগ মানুহেই জীৱনৰে কানো এক সময়ত নিসংগতাৰ সন্মুখীন হয়। বৃদ্ধসময়চোৱাত

সকেলা মানুহৰেই অকলশৰীয়া ভাবটো বেছিকৈ অনুভূত হয়। জন্ম আৰু মৃত্যু একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। জন্ম আৰু মৃত্যু সাধাৰণ লোকৰ বাবে জীৱনৰ গভীৰ ৰহস্য।

জীৱন প্ৰীতি প্ৰতিজন বৃদ্ধলোকৰ মনৰ এক বৈশিষ্ট্য। জীৱনৰ প্ৰতি থকা মোহৰ বাবে কোনেও জীৱনটোক হেৰুৱাব নোখোজে; অৰ্থাৎ মৃত্যু কামনা নকৰে। বাৰ্দ্ধক্যত মৃত্যু ভয় পদে পদে। জীৱনক ঘূৰাই নোপোৱাৰ হতাশাত বৃদ্ধ লোকৰ জীৱনৰ প্ৰতি মোহ বাঢ়ি আহে, ফলস্বৰূপে জীৱন অতি পীড়াদায়ক হৈ পৰে। কোনো কোনো লোকে জীৱনৰ মায়া মোহ আৰু জীৱন প্ৰীতিৰ বাবে বৃদ্ধ হ'ব নোখোজে। চিন্তা মগ্ন বৃদ্ধসকলে অত্যাধিক মানসিক চাপৰ বাবে কোনো কোনো সময়ত মানসিক জটিলতাৰে জীৱন অতিবাহিত কৰে।

অবিনাশ শৰ্মাৰ জলছবি নাটকখনিও যেন ওপৰত উল্লিখিত বিষয়বস্তুখিনিকে সামৰি ল'ব খোজে। এসময়ত স্বামী, সন্তানৰ সৈতে এখন সুখৰ সংসাৰৰ লগতে এখন সৰ্বাংগসুন্দৰ সমাজৰ সৈতে বাস কৰা এটি চৰিত্ৰ হৈছে সুৱৰ্ণ অৰ্থাৎ সুৱৰ্ণজ্যোতি। সময়ৰ সোঁতত পুত্ৰ জী সকলোৱে জীৱন জীৱিকাৰ বাবে বা বিয়া বাৰু আদিৰ বাবে ভিন্ন ঠাইত বাস কৰিবলগীয়া হোৱাত তেওঁৰ একমাত্ৰ জী মানিয়ে বৃদ্ধ সময়চোৱাত মাকক তাইৰ সৈতে ঘৰত ৰাখিছে। দুই পুত্ৰ সন্তানৰ ডাঙৰজন ঢুকাল, সৰু পুত্ৰই জীৱিকাৰ খাতিৰত ঘৰৰ পৰা আঁতৰত থাকিবলগীয়া হোৱা ত মাকে পুৰণাঘৰতে অকলশৰে থাকে নিঃসংগতাৰে ভৰা জীৱনটোক লৈ অত্যাধিক মানসিক চাপৰ ফলত হয়তো একপ্ৰকাৰৰ মানসিক ৰোগ ডিমেনচিয়াত ভুগিব লগীয়াত পৰিল। অকালতে এটা দুৰ্ঘটনাত পতিত হৈ মৃত্যুবৰণ কৰা স্বামীৰ অস্তত্ব বৃদ্ধাৰ চেতনাত অনুভূত হয়। জীৱনত লাভ কৰা হাঁহি-কান্দোন, তিতা-মিঠা, সৰু বৰ সকলো অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰিব খোজে জী-জোঁৱাই মানি আৰু ৰিদীপৰ আগত। জীৱন আৰু মৃত্যুৰ ক্ষীণ আৰু অস্পষ্ট সীমাৰেখাত যেন তেওঁ উপবিষ্ট। নিঃসংগতাই হৃদয়খন জৰ্জৰিত কৰি তোলা বৃদ্ধাই লাহে লাহে তেওঁৰ অতীতৰ স্মৃতিৰ লগত যেন খেলিবলৈ ধৰিলে। নিঃসংগতাৰে মহাসাগৰত কক্‌বকাই ফুঁৰোতেই সুৱৰ্ণজ্যোতিৰ মৃত্যুৰেই নাটকখনৰ বিষয়বস্তুৰ যৱনিকা পৰিছে।

মূলতঃ নিসংগ চেতনাৰে প্ৰকাশ পাইছে নাটকখনত। উদাহৰণস্বৰূপে চতুৰ্থ দৃশ্যত সন্নিবিষ্ট সুৱৰ্ণজ্যোতিৰ এটা সংলাপ সংযোগ কৰা হ'ল—

সুৱৰ্ণ ঃ মানুহ ইমান নিঃসংগ হ'ব পাৰে এই পৃথিৱীত। নিজৰ ঘৰখনলৈ গুচি যাওঁ নেকি? কিন্তু তাতো মই অকলশৰীয়া। সোনমইনা তাত নাই এতিয়া মোৰ কথাবোৰ মন দি সুনিবলৈ। বোৱাৰীজনী এতিয় আগৰ দৰে নহয়। একমাত্ৰ ছোৱালীজনী লৈ অকলে অকলে সংসাৰখন চালব লাগে। সময় ক'ত? ওচৰ চুবুৰীয়া মানুহবোৰো আজিকালি আগৰ দৰে আহিবলৈ সময় নাই। আগতে চুবুৰীয়াবোৰ ককাই-ভাই-বাই-ভনীৰ দৰে আছিল। এৰি অহা মানুহবোৰ আকৌ লগ পাব নোৱাৰিনে বাৰু। পুৰণি দিনবোৰ আকৌ ঘূৰাই পাবলৈ মন যায়। তহঁতে মোৰ কথা নুশুন কেলেই? আহ-আহ-আহ। (শৰ্মা, অ.পৃ.১৬৫)

নাটকখনত মৃত্যু চেতনা দিশটোও প্ৰতিফলিত হৈছে— মানি এনেদৰে জীয়াই থকাৰ অৰ্থ কি থাকিব পাৰে।

তেওঁৰ মৃত্যুৰেই শ্ৰেয়। (শৰ্মা, অ.পৃ. ১৯৮)

বৃদ্ধ মনস্তাত্বিক দিশটোৰো প্ৰতিফলন ঘটা দেখা গৈছে সুৱৰ্ণজ্যোতি চৰিত্ৰৰ জৰিয়তে। বাৰ্ধক্যই দেখা দিয়াৰ পাছত সুৱৰ্ণক্ষ মনৰ অৱস্থা একেবাৰে সলনি হৈ গ'ল স্নেহ কথা প্ৰতিপলে যেন অনুভৱ কৰিছে তেওঁৰ জীয়ৰী মানিয়ে—

মান ঃ সেইগৰাকী সুৱৰ্ণজ্যোতিৰ সৈতে এই কান্দি থকা বৃদ্ধাগৰাকীৰ কোনো সাদৃশ্য নাই। অতীতৰ জেদী, বিদুষী সুৱৰ্ণজ্যোতি ইমান পছেছিভ আছিল যে নিজৰ ল'ৰা ছোৱালীকো শিকাইছিল, নিজক বিশ্বাস কৰিবা, নিজেই নিজৰ বন্ধু, নিজেই নিজৰ শত্ৰু। ক'লৈ গ'ল সেই আত্মবিশ্বাস থকা সুৱৰ্ণজ্যোতি? মোৰ মা। যাক লৈ এদিন অহংকাৰ কৰিছিলোঁ। যাৰ ছাঁৰ তলত জিৰাই নিৰাপত্তা পাইছিলো, শান্তি পাইছিলোঁ। ক'ত হেৰাল মোৰ মা?

আধুনিক চিকিৎসা বিজ্ঞানৰ প্ৰভাৱ, গুৰুত্ব নাটকখনত দেখিবলৈ পোৱা যায় অৰ্থাৎ মানিৰ মাক মানসিক ভাৱে অসুস্থ হোৱাত মনোৰোগ বিশেষজ্ঞ ডাঃ শৰ্মাৰ ওচৰত চিকিৎসা কৰোৱাৰ পদক্ষেপ দেখিবলৈ পোৱাৰ লগতে বৰ্তমান সমাজত সৰহসংখ্যক মানুহেই মানসিক ৰোগৰ চিকাৰ হ'বলগীয়া হৈছে সেই কথাৰ উল্লেখ পাওঁ। ইয়াৰ লগত চিকিৎসা বিজ্ঞানৰ উন্নতিৰ দিশটোও সম্পৃক্ত হৈ আছে। প্ৰাচীন কালত কোনো লোকে মানসিক ভাৰসাম্য হেৰুৱালে কিছুমান অন্ধবিশ্বাস তাৰ কাৰণৰূপে মানি লোৱা হয়। কিন্তু বৰ্তমান সময়ত সেইটো এটা বিশেষ ৰোগ

হিচাপে গণ্য কৰি তাৰ কাৰণ কাৰক, প্ৰতিকাৰৰ উপায় বিচাৰি মনোৰোগ বিশেষজ্ঞৰ কাষ চপা হয়-

ডাঃ শৰ্মা - ডাক্তৰ আৰু বেমাৰী সম্বন্ধটোৰ কোনো নাম নাই। অথচ চাবলৈ গ'লে ভীষণ গভীৰ আৰু এটা কথা জানি থোৱা ভাল মনোৰোগৰ বেমাৰীক অকল ডাক্তৰে নিৰোগী কৰিব নোৱাৰে। পৰিচৰ্যা কৰা মানুহৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ। ()

নাটকখনত প্ৰতীকৰ ব্যৱহাৰো লক্ষণীয়। মানিয়ে পৰিধান কৰা নীলা শাড়ীখনৰ উল্লেখনেৰে নীলা ৰংটোক দুখৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। সুৱৰ্ণৰ এটা সংলাপৰ জৰিয়তে সেই বিষয়ে জানিব পৰা যায়—

সুৱৰ্ণ - মই সহিব নোৱাঁৰো। এই নীলাবৰণৰ সাগৰৰ বুকুৰেদি আৰম্ভ হৈছিল মোৰ সেই সতীবেউলাৰ যাত্ৰা। অৰ্ধমৃত স্বামীক লৈ অচিন সমুদ্ৰৰ ঢৌৰ মাজে মাজে, কিমান দিন যে ভ্ৰমি ফুৰিলোঁ। (শৰ্মা অ.পৃ. ১৬৬)

নাট্যকাৰে মঞ্চ নিৰ্দেশনাৰ জৰিয়তে নাটকৰ কাহিনীটোক এক সবল ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। সপ্তম দৃশ্যৰ আৰম্ভণিতেই (সুৱৰ্ণজ্যোতিয়ে কোঠাটোত ইফালৰ পৰা সিফালে ঘূৰি ফুৰিছে। ৰিদীপ সোমাই আহে)

- ইয়াৰ দ্বাৰাই পাঠক দৰ্শকে চৰিত্ৰটোৰ মানসিক অৱস্থিতিৰ বিষয়ে ধাৰণা কৰিব পৰা যায় যে তেওঁ কোনো এক সমস্যাত ভুগি আছে।

- এইদৰেই নাট্যকাৰে সকলো কলাকৌশল প্ৰয়োগ কৰি অতি কলাসন্মতভাৱে এখন উচ্চমানদণ্ডৰ নাটক হিচাপে স্থান দিবলৈ সক্ষম হৈছে।

সন্দেহ নাই; বিশিষ্ট নাট্যকাৰ নটসূৰ্য ফণী শৰ্মা বঁটা বিজয়ী অবিনাশ শৰ্মাই নাট্যকাৰ হিচাপে অসমীয়া নাট্য সাহিত্যলৈ আগবঢ়োৱা অৱদান অসমীয়া নাট্য সাহিত্যত প্ৰাতঃস্মৰণীয় হৈ ৰ'ব। আমি আলোচনাৰ বাবে নিৰ্বাচিত কৰি লোৱা তিনিখন নাটক - 'নহন্যতে', 'মায়া' আৰু 'জলছবি' একো একোখন সফল শক্তিশালী আৰু সমাজৰ বাবে প্ৰয়োজনীয় নাটক। ❒❒

গ্ৰন্থপঞ্জী ঃ

শৰ্মা, অবিনাশ. সপ্ত নাটক। বাণী মন্দিৰ, গুৱাহাটী, ২০১৭।

# এৰৈকশ শতিকাত আমাৰ সমাজখন বাৰু কোনদিশে ধাৱমান!

**শুক্লেশ্বৰ মালী**
উচ্চবৰ্গৰ সহায়ক
ডায়েট, ধেমাজি

মানুহ সমাজ প্ৰিয়। কোনো মানুহ সমাজক বাদ দি অকলে বসবাস কৰিব নোৱাৰে। আমি সমাজ পাতিয়ে বাস কৰোঁ। এখন সমাজত থাকিবলৈ হ'লে সেই সমাজৰ সকলো ৰীতি-নীতি, নিয়ম মানি চলা আৰু সমাজৰ দায়বদ্ধতা বজায় ৰাখি চলিব লাগিব। সমাজৰ সকলো মানুহৰ মাজত একতাবদ্ধ নাথাকিলে, সেই সমাজ অতি কম দিনৰ ভিতৰতে অধঃপতনে যাব। আজিৰ এই এৰৈকশ শতিকাৰ আমাৰ সমাজখন সঠিক দিশত চলি আছে নে - নাই সন্দেহ হয়, কিয়নো আজি সমাজত অস্বাভাৱিক ঘটনা ঘটা দেখিবলৈ পাওঁ। বহুত মানুহ দেখিলোঁ। বহুতৰ মনো, বৃত্তি গম পালো। কিছুমান মানুহৰ অকণমানো মানৱীয় গুণসমূহ নাই, কেৱল নিজক লৈ ব্যস্ত। নিজকে নিজে বহুত জ্ঞানী বুলি ভাৱে। সমাজ বা দেশৰ মঙ্গলৰ কাম নকৰে তথাপিওঁ সমাজত ডাঙৰ ডাঙৰ কথা কৈ ফুৰে। সেই শ্ৰেণীৰ মানুহে নিজেও সমাজৰ ভাল কাম নকৰে, আনে কৰিলেও বেয়া পায়।

আগৰ দিনত সমাজত ইজনে সিজনক, আপদে-বিপদে যি ধৰণেৰে সহায় সহাযোগ কৰা দেখা গৈছিল আজিকালি সেই সহানুভূতি নোহোৱা হৈছে। আনকি কোনো মানুহ বিপদত পৰিলেওঁ সহায় কৰিবলৈ আগবাঢ়ি নাহে। কাৰোবাক সহায় কৰিলেওঁ কিবা এটা স্বাৰ্থ সিদ্ধিৰ বাবেহে কৰে ।

আগৰ দিনত পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ যি ভক্তিভাৱ আৰু দায়িত্ববোধ আছিল, আজিৰ সন্তানৰ সেই সহানুভূতি দেখিবলৈ পোৱা নাযায়। ল'ৰাটোৱে তিনি মহলাৰ ঘৰ সাজি তাৰ কুকুৰটোৰ কাৰণে এ চি ৰুম সাজে। কুকুৰটোৰ বাবদ মাহে পাঁচ-দহ হাজাৰ টকা খৰচ কৰে কিন্তু মাক বাপেকৰ বাবে এটা ৰুম নাই, এসাঁজ ভালকৈ খাবলৈ নাপায়, পিন্ধিবলৈ এযোৰ ভাল কাপোৰ নাই। যি মাক-দেউতাকে নিজৰ সন্তানক সৰুৰে পৰা ক'ত কষ্ট কৰি ডাঙৰ-দীঘল কৰি, শিক্ষা-দীক্ষা দি মানুহ কৰে, সেই সন্তানে অতি বিলাসিতা জীৱন-যাপন কৰি, ৰজাৰ দৰে থাকি, নিজৰ বৃদ্ধ মাক বাপেকক গছৰ তলত, ৰাস্তা-ঘাট বা বৃদ্ধা আশ্ৰমত ৰাখিবলৈ অকনো চিন্তা নকৰে। আনকি কিছুসংখ্যক মানুহে মাদক দ্ৰব্য সেৱন কৰি, মদৰ নিচাত মতলীয়া হৈ নে মতলৰত নিজৰ মাক-দেউতাকক মাৰপিত কৰাৰ লগতে কেতিয়াবা হত্যা কৰাও দেখা যায়। এয়াই আজিৰ সমাজৰ বাস্তৱ চিত্ৰ। আজিৰ ল'ৰাই অকণমান কথাতে মাক বাপেকক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰে ।

আজি কালি চাৰিওঁফালে কেৱল হত্যা, লুণ্ঠন, অপহৰণ, বলাৎকাৰ, ঠগ প্ৰৱঞ্চক কৰা ঘটনাবোৰহে সঘনাই ঘটা দেখিবলৈ পাওঁ। অকনমান মাটিৰ বাবে ভাই ভাই কাজিয়া কৰা, প্ৰয়োজন হ'লে হত্যা কৰা, সীমাৰ মাটিৰ বাবে ইঘৰে-সিঘৰে কাজিয়া কৰা আদি ঘটনাবোৰ আজিৰ দিনত ঘটা দেখিবলৈ পাওঁ । আজিৰ সমাজত শিক্ষাৰ মানদণ্ড আগৰ দৰে নাই বুলি ক'ব পাৰি, কাৰণ চাকৰিৰ বজাৰখনত এজন উচ্চ শিক্ষিত ব্যক্তিতক কৈ নিম্ন মানৰ শিক্ষা থকা জনেও চাকৰি লাভ কৰা দেখা যায়। আজিৰ দিনত

সকলোৱে জানে যে যাৰ টকা-পইচা, ধান-ধন, ক্ষমতা আছে তাৰ সকলো ক্ষেত্ৰত জয় জয়, ময় ময়। টকা-পইচা থাকিলে সমাজত সদায় আগস্থান আৰু সন্মান পায়। এজন দুখীয়া মানুহ শিক্ষিত হ'লেও অশিক্ষিত ধনী মানুহজনৰ সমান গুৰুত্ব আজিৰ সমাজত নাপাই।

আজিৰ সমাজত বৃদ্ধি পায় আহিছে ড্ৰাগছ আসক্ত ব্যাক্তিৰ সংখ্যা। সুৰা পান নকৰাকৈ কিছুমান মানুহ এদিনো থাকিব নোৱাৰে। এদিন ভাত নোখোৱা কৈ থাকিব পাৰে কিন্তু এদিন সুৰা পান নকৰাকৈ থাকিব নোৱাৰে। কিছুমান উৎসৱত প্ৰধানকৈ বিহু, বিয়া-সভা, দুৰ্গা পূজা, ৰাস আৰু বিভিন্ন মেলা আদিত সুৰাৰ ৰাগীত মাতাল হৈ বিভিন্ন অপকৰ্ম কৰা আৰু মাৰপিত কৰা ঘটনা বোৰ বৃদ্ধি পায় আহিছে। আজিৰ যুৱ সমাজ যি পথত ধাৱমান হৈছে, সেই পথত থাকিলে সমাজ কেতিয়াও সম্পূৰ্ণভাৱে পৰিস্কাৰ হ'ব নোৱাৰে। আজিকালি কিছুমান মানুহক দেখিবলৈ পাওঁ যে জধে-মধে হাবিৰ গছ-গছনিবোৰ কাটি, ঘৰ সাজে। লাহে লাহে বনাঞ্চল সমুহ ধ্বংস হ'বলৈ ধৰিছে।


বনাঞ্চল ধ্বংসৰ বাবে বৰষুণ কমি খৰাং বেছি হৈ অহাৰ বাবে মানুহৰ জীৱন ধাৰণত বহুত কষ্ট কৰিবলগীয়া হৈছে। আজিৰ সমাজত দেখিবলৈ পাওঁ যে সৎ মানুহৰ সংখ্যাত কৈ অসৎ মানুহৰ সংখ্যা বৃদ্ধি পাইছে। চুৰ-ডকাইট, ঠগ-প্ৰৱঞ্চক, মিছলীয়া, বিভিন্ন অপকৰ্মৰ ব্যক্তিয়ে সমাজ ভৰি পৰিছে। আজিৰ সমাজত দেখিবলৈ পাওঁ যে কিছুমান মানুহে টকা ধাৰ লৈ পৰিশোধ নকৰে। আনকি টকা ধাৰে দিয়া মানুহজনে টকা বিচাৰি হাবাথুৰি খাব লগীয়া হয় আৰু টকা ঘূৰাই বিচাৰিলে অনেক কথা শুনিব লগা হয়। আনকি টকা ধাৰ দিয়া মানুহজনে টকা বিচাৰি যোৱাৰ বাবে কেতিয়াবা টকা ধাৰে লোৱা মানুহজনৰ মাৰ খোৱা দেখিবলৈ পাওঁ। আজিৰ সমাজত সৎ মানুহৰ সংখ্যা কমি আহিছে যদিও তাৰ মাজতো কিছু সৎ মানুহ দেখিবলৈ পাওঁ। কিছুমান মানুহে নিজৰ লাভ-লোকচানৰ কথা নাভাবি সমাজ তথা দেশৰ মঙ্গলৰ হকে নিস্বাৰ্থ ভাৱে কাম কৰে। কিন্তু অতি দুখৰ কথা আজিৰ সমাজত আমি দেখিবলৈ পাওঁ যে কিছুমান মানুহে মানৱীয় কৰ্তব্য পালন কৰিবলৈ গৈ সামাজিক ৰোষৰহে বলি হ'বলগীয়া হয়, তেন্তে আমাৰ ভৱিষ্যত কি হ'ব? কোনো ধৰ্মই সংকীৰ্ণতাক প্ৰশ্চয় নিদিয়ে। কিন্তু ধৰ্ম চৰ্চাৰ নামত আমিবোৰে পদে পদে প্ৰদৰ্শন কৰো সংকীৰ্ণ মানসিকতা। বৰ্বৰতা। ধৰ্মৰ নামত সমাজখন শ্ৰেণীবিভাজন কৰাৰ আমাৰ অধিকাৰ নাই কিন্তু, আজি আমি দেখিবলৈ পাওঁ মানুহে নিজৰ সুবিধা বা লাভৰ বাবে ধৰ্মৰ নামত সমাজখন শ্ৰেণীবিভাজন কৰা দেখা যায়। এয়ে কলিযুগৰ কিছুমান মানুহৰ প্ৰবৃত্তি। আজিৰ সমাজত ভাল কাম কৰাৰ ফলত পুৰস্কৃত কৰাৰ সলনি তাৰ বিপৰীতে কেতিয়াবা শাস্তিহে বিহা দেখিবলৈ পাওঁ। আজিৰ সমাজ ব্যৱস্থাৰ কাৰুকাৰ্য দেখি-শুনি বহুত ভাল মানুহে ভাল কাম কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। তথাপিও সমাজত আজিও কিছু লোকে নিজৰ আদৰ্শৰ পৰা বিচলিত নহয়। নিজৰ অনেক লোকচান বা বিপদ আহিলেওঁ একোটা মহৎ কামে তেওঁৰ মনত শক্তিৰ সৃষ্টি কৰে। ভাল কাম কৰাৰ বাবে সাহস আৰু এটা ভাল মনৰ প্ৰয়োজন। সাহসৰ উন্মেষ এটাই। এই মৃত্যুঞ্জয়ী সাহসেই মানুহৰ আটাইতকৈ ডাঙৰ গৌৰৱ।

আমাৰ সমাজখন অপৰাধীৰে ভৰি পৰিছে। অপৰাধ কৰা আৰু অপৰাধীক ৰক্ষণাবেক্ষণ দিয়া — এই দুয়োটাই ভয়ানক কথা। অন্যায়, অপৰাধ দেখি-শুনি মৌনতা অৱলম্বন কৰা তথাকথিত উচ্চ শিক্ষিত লোকসকল সমাজৰ বাবে অভিশাপ। এনে লোকৰ সংখ্যা আজিৰ সমাজত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ন্যায় ব্যৱস্থা সাধাৰণ জনতাৰ পৰা ক্ৰমাৎ আতৰি গৈছে।

যিটোৱে শ্ৰেণী বৈষম্যৰ সৃষ্টিতো অৰিহণা যোগাইছে। আজিৰ সমাজত অপৰাধীক সহায় কৰাৰ প্ৰৱণতাহে দেখিবলৈ পাও। অপৰাধীক শাস্তি বিহাৰ সলনি ৰক্ষণাবেক্ষণ দিয়াৰ হেতুকে দিনক দিনে আমাৰ সমাজখন অধঃপতনৰ দিশে গতি কৰিছে। অপৰাধীয়ে অপৰাধ কৰিও মুক্তভাৱে সমাজত ফিটাহী মাৰি, টিঘিল-ঘিলাই ঘূৰি ফুৰিবলৈ সক্ষম হৈছে। মানুহ হত্যা কৰা, ধৰ্ষণ কৰি হত্যা কৰা, নানা ধৰণৰ অপৰাধ কৰা কিছুমান মানুহৰ একো শাস্তি লাভ কৰা দেখা পোৱা নাই। কিছুমান মানুহক দেখিবলৈ পাও টকাৰ বলত নে ক্ষমতাৰ বলত অপৰাধ কৰিও অতি কম দিনৰ ভিতৰতে কাৰাগাৰৰ পৰা মুক্ত হৈ আহে। সেই শ্ৰেণীৰ মানুহে অপৰাধ কৰিবলৈ অকণমানো ভয় নকৰে, কাৰণ আমাৰ সমাজত অপৰাধ কৰিলেও অপৰাধ অনুযায়ী তেনেকুৱা শাস্তি বিহা নহয় যাৰ ফলত আমাৰ সমাজত দিনক-দিনে - ধৰ্ষণ, নৰহত্যাৰ দৰে জঘন্য কাৰ্যত লিপ্ত অপৰাধীৰ সংখ্যা বৃদ্ধি পাই আহিছে। সমাজত অপৰাধ প্ৰৱণ মানুহৰ সংখ্যা বৃদ্ধি পালে হত্যা, ধৰ্ষণৰ দৰে ঘটনাবোৰ বাঢ়ি যোৱাটো স্বাভাৱিক। যদি আমাৰ সমাজত বা আমাৰ দেশৰ ন্যায় ব্যৱস্থাত যিকোনো অপৰাধীক

ৰক্ষণাবেক্ষণ দিয়াৰ সলনি উচিত শাস্তি বিহালেহেঁতেন, তেনেহলে কোনো ব্যক্তিয়ে অপৰাধ কৰিবলৈ এশ বাৰ ভাবিব লাগিলেহেঁতেন। যিকোনো অপৰাধীয়ে উচিত শাস্তি নোপোৱাকৈ আইনৰ সুৰুঙাৰে যদি পাৰহৈ যাবলৈ ৰাস্তা নাপালে হয় - তেনেহলে আমাৰ সমাজত বা দেশত অপৰাধীৰ ৰম্যভূমি নহ'ল হয় আৰু তেতিয়া আমাৰ সমাজ বা দেশ সমৃদ্ধিশালী হ'লহেঁতেন। আহক আমি আটাইয়ে প্ৰতিজ্ঞা কৰো — "আমি আমাৰ সমাজখন অপৰাধ মুক্ত কৰিম, আমি কেতিয়াও অপৰাধীক ৰক্ষণাবেক্ষণ নিদিও, আমাৰ সমাজখন শ্ৰেণীবিভাজন নকৰো। সমাজ আৰু দেশৰ মঙ্গলৰ হকে কাম কৰিম। আমি সকলোৱে মিলি-জুলি থাকিম। ইজনে সিজনক আপদে-বিপদে সহায় সহাযোগ কৰিম। আমি সকলোৱে ভাল ধৰণেৰে মিলি-জুলি ঐক্যবদ্ধ হৈ শান্তিৰে সমাজত বসবাস কৰি সমাজ আৰু দেশৰ মঙ্গলৰ হকে কাম কৰিম। আমাৰ ধৰ্ম হ'ব — "মানৱ বন্দনা" কবিৰ ভাষাত —

মানুহেই দেৱ মানুহেই সেৱ  
মানুহ বিনে নাই কেৰ,  
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই  
জয় জয় মানৱ দেৱ। ❒❒



# প্ৰচাৰ মাধ্যমত নাৰীৰ উপস্থাপন

**মাধবী উপাধ্যায়**
বি.এড. চতুৰ্থ ষাণ্মাসিক

সংবাদ মাধ্যম কি আৰু এখন সমাজক সুপৰিচালিত কৰিবলৈ ইয়াৰ গুৰুত্ব কিমান? এই সম্পৰ্কে আমি সকলোৱে জ্ঞাত। বৰ্তমান সময়ত সংবাদ মাধ্যম কেৱল আলোচনী, বাতৰি-কাকত, ৰেডিঅ', টিভি আদিতে সীমাবদ্ধ হৈ থকা নাই। সংবাদ মাধ্যমৰ লক্ষ্য, উদ্দেশ্য, প্ৰকৃতিৰ লগতে পৰিসৰৰ সলনি হোৱা ÎõÃ±Î Ã±»±û±ûb/Ã Ã±ò1 ò»-› ¶eÃj ü ÑÃõÃ±ñÉ (Media)ত অতি গভীৰ ভাৱে জড়িত হৈ আছে। সেয়েহে সংবাদ মাধ্যমে বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ মনত নেতিবাচক চিন্তাধাৰৰ বীজ ৰোপন নকৰাকৈ সুস্থ জনমত তৈয়াৰ কৰা অতি প্ৰয়োজন। সংবাদ মাধ্যমক আমি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে আখ্যা দি আহিছো, কিন্তু গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা সংবাদ মাধ্যমত নাৰীক কিদৰে উপস্থাপন কৰা হয়?

সংবাদ মাধ্যমত নাৰীৰ প্ৰতিচ্ছবিক নেতিবাচক ৰূপে দৃশ্যমান কৰা ধাৰণাটো নতুন নহয়। বিভিন্ন ধাৰাবাহিক সমূহৰ পৰা আৰম্ভ কৰি বিজ্ঞাপন, চিত্ৰ, গীত ইত্যাদি সকলোতে মহিলাক পণ্য সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি আহিছে। বৰ্তমান সময়ত ধাৰাবাহিক সমূহে আমাৰ দৈনন্দিন জীৱনৰ এক অতি আৱশ্যকীয় অংশ হিচাপে স্থান লাভ কৰি আহিছে। এই ধাৰাবাহিক সমূহত নাৰীক দুটা ভাগত বিভক্ত কৰিছে —

১। ভাল আৰু

২। বেয়া

ধাৰাবাহিকসমূহত সুন্দৰ, আকৰ্ষণীয়, বিনম্ৰ, ঘৰৰ দায়িত্ব পালন কৰিব পৰা, নিজে নিৰ্ণয় লোৱাৰ ক্ষমতা নথকা, আত্ম বলিদান ইত্যাদি গুণ থকা মহিলাক 'ভাল নাৰী'ৰ চৰিত্ৰত উপস্থাপন কৰা হয় আৰু খঙাল, স্বাধীন ভাৱে থকা, নিজৰ বাবে নিজে সিদ্ধান্ত লোৱাৰ ক্ষমতা থকা মহিলাক 'বেয়া নাৰী' হিচাপে উপস্থাপন কৰা হয়।

টিভি, বাতৰকাকত ইত্যাদিত প্ৰকাশিত হোৱা বিজ্ঞাপন সমূহতো মহিলাক বস্তু আৰু যৌন প্ৰতীক হিচাপে ব্যৱহাৰ কৰি আহিছে। যদি আমি 'সুগন্ধি বিজ্ঞাপনত (Perfume ads) লক্ষ্য কৰোঁ, আমি দেখিবলৈ পাওঁ, তাত কিদৰে মহিলাৰ নগ্ন শৰীৰৰ ওপৰত গুৰুত্ব দিয়া হয়। এই বিজ্ঞাপনবোৰত দেখুৱাই যে, মহিলাৰ জীৱনৰ একমাত্ৰ লক্ষ্য হৈছে কেৱল পুৰুষক আকৰ্ষণ কৰা। কিছুমান এনে বিজ্ঞাপনো আছে যত মহিলাক কেৱল তেওঁলোকৰ শৰীৰৰ অংগ দেখুৱাবলৈ ব্যৱহাৰ কৰা হয়।


সংবাদ মাধ্যমত নাৰীৰ প্ৰতিচ্ছবি উপস্থাপনৰ বিষয়টো আমি বলীউডৰ পৰা পৃথক কৰি আলোচনা কৰিব নোৱাৰো। বলীউডত বিশেষকৈ গানবোৰত যিবোৰক আমি "item song" বুলি জানো তাত নাৰীক কিদৰে ব্যৱহাৰ কৰা হয় আৰু তাৰ বাবে কি কি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়, এই বিষয়টো আমাৰ বাবে নতুন নহয়। বলীউডৰ বেছিভাগ গানতে মহিলাৰ প্ৰতিচ্ছবিক দুৰ্বল, নিৰ্ভৰশীল, অশ্লীল আৰু লাঞ্চনাজনক হিচাপে দৃশ্যমান কৰা হয়। বলীউডৰ আইটেম গীতবোৰ যেনে - Mungra ৰ পৰা আৰম্ভ কৰি favical se, chikni chameli, oo antava

mawa আদি সকলোতে মহিলাৰ বাবে কিছুমান সস্তিয়া ভাষা ব্যবহাৰ কৰা হৈছে, যত তেওঁলোকক কৰবাত "butter chicken" ৰ লগত তুলনা কৰা হৈছে আকৌ কৰবাত মহিলাৰ অবজেক্টিফিকেচনৰ ওপৰত গুৰুত্ব দিছে।

সংবাদ মাধ্যমত নাৰী সদায়ে পুৰুষতান্ত্ৰিক শাসনৰ বলি হবলগীয়া হয়। ভাৰত চৰকাৰে সংবাদ মাধ্যমত মহিলাৰ নেতিবাচক প্ৰতিচ্ছবি, মহিলাৰ বিৰুদ্ধে হোৱা হিংসা আঁতৰাবলৈ বিভিন্ন ধৰণে চেষ্টা কৰিছে। ১৯৭৫ চনত প্ৰচাৰ মাধ্যমত মহিলাৰ উপস্থাপনৰ বিষয়টো অতি চিন্তনীয় বিষয়ে হৈ পাৰিছিল, সেয়েহে ১৯৮৬ চনত "Indecent Represention of Women Act" ৰ প্ৰৱৰ্তন কৰা হয়। ইয়াৰ মুখ্য লক্ষ্য আছিল বিজ্ঞাপন, চিত্ৰ, বাতৰি ইত্যাদিত নাৰীৰ অশালীন প্ৰতিনিধিত্ব নিষিদ্ধ কৰা আৰু যদি কেনেবাকৈ এই আইন অমান্য কৰা হয় তেন্তে ৩-৭ বছৰলৈকে জেল আৰু ১-৫ লাখ টকা পৰ্যন্ত জৰিমনাৰে দণ্ডিত হ'ব।

বৰ্তমান সময়ত যুৱচামৰ পৰা আৰম্ভ কৰি বয়সস্থ লোকসকলৰ মাজত Social media অতি জনপ্ৰিয়। তাত দেখা প্ৰতেকটো বিষয়ে বৰ্তমান উঠি অহা যুৱকসকলৰ আচৰণত প্ৰভাৱিত আৰু নিয়ন্ত্ৰণ কৰা দেখা যায়। তেওঁলোকে তাত দেখা কিছুমান দৃশ্য অনুকৰণ কৰাৰ চেষ্টা কৰে যিটো সমাজৰ বাবে অতি ক্ষতিকাৰক। আমাৰ ভাৰতবৰ্ষত "Women and Media" ৰ লগত সংগতি ৰাখি বহুতো আইন প্ৰণয়ন কৰা হৈছে যদিও সংবাদ মাধ্যমে দৰ্শকক আকৰ্ষণ কৰিবলৈ আৰু fan following বৃদ্ধি কৰিবলৈ মহিলাক যৌন পুতলা হিচাপে উপস্থাপন! ব্যৱহাৰ কৰে। যদি সংবাদ মাধ্যমে নাৰীক এনেদৰেই উপস্থাপন কৰি থাকে তেন্তে ভৱিষ্যত প্ৰজন্মই নাৰীক কি দৃষ্টিৰে চাব আৰু তেওঁলোকে নাৰীৰ পৰা কেনে ব্যবহাৰ আশা কৰিব সেয়া আমাৰ চিন্তাৰ বাহিৰত।

একবিংশ শতিকাত ভৰি দি নাৰীবাদৰ উত্থানৰ পাছতো কিদৰে পুৰুষতন্ত্ৰৰ শিকলিডালৰ ভৰ এতিয়াও বেছি, সেইয়া আমাৰ প্ৰজন্মৰ বাবে এক ডাঙৰ প্ৰশ্নবোধক ?...... ❐❐



# মাতৃভাষাৰ প্ৰয়োজনীয়তা আৰু শিকণ শিক্ষণত ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য

**পিংকু সোনোৱাল**
ডি.এল.এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী

সংস্কৃত 'ভাষ্' ধাতুৰ অৰ্থ হৈছে ব্যক্তবাণী। মানুহে মনৰ ভাৱ প্ৰকাশ কৰা একমাত্ৰ মাধ্যম হৈছে ভাষা। যিবোৰ বৈশিষ্ট্যৰ গুণত মানুহে পৃথিৱীৰ জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে পৰিগণিত হৈছে তাৰ ভিতৰত ভাষা হৈছে অন্যতম। মানুহ হৈছে এক সামাজিক প্ৰাণী। মানুহে সমাজত বসবাস কৰাৰ ফলত ইজনে সিজনক মনৰ ভাৱ প্ৰকাশৰ বাবে এক মাধ্যমৰ প্ৰয়োজন হয়। ভাষা হৈছে মনৰ ভাব প্ৰকাশৰ একমাত্ৰ মাধ্যম। এই ভাষা সমাজ, স্থান, সম্প্ৰদায়, জাতি বিশেষে বেলেগ বা ভিন্ন হয়। ভাষাৰ বিভিন্ন ধৰণৰ ৰূপ থাকিব পাৰে, যেনে- মাতৃভাষা, ৰাজ্য ভাষা, ব্যক্তিভাষা, উপভাষা ইত্যাদি। প্ৰতিটো ৰাজ্যিক ভাষা, ব্যক্তিভাষা, উপভাষা সমাজ, স্থান, সম্প্ৰদায় ভেদে মাতৃভাষা বেলেগ বেলেগ হ'ব পাৰে আৰু এই ভাষাৰ ৰূপসমূহৰ ভিতৰত মাতৃভাষা হৈছে গুৰুত্বপূৰ্ণ আৰু অন্যতম।

শিশুৱে বা শিশু এটাই জন্মৰ পিছত যিটো ভাষাৰ লগত পৰিচিত হয় বা যিটো ভাষাৰ জৰিয়তে কথা-বতৰা কৰলৈ আৰম্ভ কৰে সেইয়াই হৈছে মাতৃভাষা। মাতৃভাষাৰ মাজেদি শিশু এটাই বাহিৰৰ জগতখনৰ লগত মনৰ ভাৱ বিনিময় কৰিব পাৰে। সেয়েহে মানুহৰ বিৰহ বেদনা, হাঁহি-কান্দোন, আনন্দ-ফুৰ্তি, মান-অভিমান, খং-ক্ষোভ ইত্যাদি স্পষ্ট ৰূপত পৰিস্ফুট হয় মাতৃভাষাৰ মাধ্যমেৰে। সেয়েহে মাতৃভাষাক ঘৰ এখনৰ মাকৰ বাহিৰেও দেউতাক বা ঘৰখনৰ অন্য লোকৰ পৰাও শিকিব পাৰে। পাছলৈ অৱশ্যে শিশুৱে মাতৃভাষাৰ বাহিৰেও অন্য ভাষাটো কথা-বতৰা পাতিব পাৰে, মনৰ ভাৱ প্ৰকাশ কৰিব পাৰে বা শিক্ষাগ্ৰহণ কৰিব পাৰে। কিন্তু সমাজৰ সকলো লোকৰে নিজৰ মাতৃভাষাটো শুদ্ধকৈ ক'ব পৰা আৰু লিখিব পৰা বিশেষ প্ৰয়োজনীয়তা আছে।

**মাতৃভাষাৰ প্ৰয়োজনীয়তা ঃ**

যিকোনো এটা ভাষা ব্যক্তি বা সমাজৰ ক্ষেত্ৰত যথেষ্ট তাৎপৰ্য বহন কৰে। সেয়া লাগিলে মাতৃভাষাই হওক বা অন্য ভাষাই হওঁক। তথাপি মাতৃভাষাৰ শিকনে অন্য ভাষাতকৈ বিশেষ প্ৰয়োজনীয়তা কঢ়িয়াই আনে। তলত মাতৃভাষা প্ৰয়োজনীয়তাৰ কিছু দিশৰ সম্পৰ্কে আলোচনা কৰা হ'ল—

**১। মনৰ ভাব প্ৰকাশৰ মাধ্যম ঃ**

মাতৃভাষা হৈছে মনৰ ভাৱ প্ৰকাশৰ মাধ্যম। মাতৃভাষা নিয়াৰিকৈ শিকিলে শিশুৱে তেওঁলোকৰ মনৰ ভাব-আবেগবোৰ সুন্দৰভাৱে প্ৰকাশ কৰিবলৈ সক্ষম হয়। মাতৃভাষাৰ শিকনে শিশুৰ মনলৈ আত্মবিশ্বাসৰ ধাৰণা আনি দিয়ে। তদুপৰি মানুহৰ নিজৰ মনৰ ভাৱ-অনুভূতি, আৱেগ, চিন্তা ইত্যাদি প্ৰকাশ হয় মাতৃভাষাৰ মাধ্যমেৰে।

**২। শিশুৰ বৌদ্ধিক বিকাশৰ মূল কেন্দ্ৰ ঃ**

শিশুৰ বৌদ্ধিক তথা মানসিক বিকাশৰ মূল কেন্দ্ৰ হৈছে মাতৃভাষা। মাতৃভাষাৰ জৰিয়তে শিশুবোৰে তেওঁলোকৰ মনলৈ অহা ভাৱবোৰ প্ৰকাশ কৰিব পাৰে। মাতৃভাষাৰ জৰিয়তে শিশুৱে চৌপাশ আৰু সমাজৰ লগত সহজে আত্মীয়তা গঢ়ি তোলাৰ লগতে প্ৰীতিভাৱো গঢ়ি তুলিব পাৰে। লগতে শিশুৰ মৌলিকত্ব,

সৃজনী প্ৰতিভা, বাসনাশক্তি, সৌন্দৰ্যচেতনা আদিৰ বিকাশ সম্ভৱ হয় ঘাইকৈ মাতৃভাষাৰ জৰিয়তে।

**৩। শিক্ষাৰ সহজ মাধ্যম ঃ**

শিশুৰ বাবে মাতৃভাষাই হৈছে শিক্ষাগ্ৰহণৰ সহজ মাধ্যম। ঘৰত ব্যৱহাৰ কৰা মাতৃভাষাৰ যোগেদিয়েই বিদ্যালয়তো পাঠ্যপুথিৰ জ্ঞান ল'লে কম সময়তে আৰু সহজে বুজি পোৱাত সহায় হয়। শিশু শিক্ষা পাঠ্যক্ৰমৰ বিষয়বস্তু মাতৃভাষাত উপস্থাপন কৰাৰ বাবে শিশুৱে নিজ প্ৰচেষ্টাৰেও অধ্যয়ন কৰিব পাৰে আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে। মাতৃভাষাৰ জৰিয়তে শিক্ষাগ্ৰহণ কৰিলে শিশুৰ কল্পনা আৰু বৌদ্ধিক শক্তি বিকাশ হয়। ইয়াৰ লগতে সৃষ্টিশীল ক্ষমতাৰো বিকাশ হয়।

**৪। সামাজিক দায়বদ্ধতা ঃ**

সামাজিক প্ৰাণী হিচাপে মানুহৰ এক নিৰ্দিষ্ট পৰিচয়, সমাজৰ নিৰ্দিষ্ট ব্যক্তি হিচাপে পৰিচয় আৰু অৱস্থিতি সম্ভৱ হয় মাতৃভাষা আহৰণৰ যোগেদি। মাতৃভাষা মাধ্যমৰ জৰিয়তে ভাৱৰ আদান-প্ৰদান কৰি সামাজিক সম্পৰ্ক ৰক্ষা কৰি সমাজৰ ঐক্য আৰু সংহতিত বৰঙণি যোগাব পাৰি। নিজৰ দেশৰ, ঠাইৰ মানুহৰ ভাষা শিকি লোৱাটো প্ৰতিজন মানুহৰে সামাজিক দায়িত্ব। সমাজৰ বেছিভাগ মানুহে যদি দৈনন্দিন জীৱনত বেলেগ ভাষা ক'বলৈ লয়, তেতিয়া হ'লে মাতৃভাষা কোৱা লোকৰ সংখ্যা আৰু এটা সময়ত সেই ভাষাটো মৃতপ্ৰায় অৱস্থাত পৰিণত হয়। লগতে সেই ভাষাটোত ৰচিত সকলোবোৰ সাহিত্যৰো চিন-মোকাম নোহোৱা হ'ব।

**৫। সাহিত্য সংস্কৃতিৰ বাহক ঃ**

সাহিত্য আৰু সংস্কৃতিৰ লগত মাতৃভাষা ওতঃপ্ৰোতঃভাৱে জড়িত। এই সংস্কৃতি পূৰ্বপুৰুষৰ পৰা বৰ্তমান পুৰুষলৈ চলি আহিছে মাতৃভাষাৰ মাধ্যমত। এখন সমাজৰ ভাৱ-চিন্তা, বিশ্বাস, কল্পনা, কিম্বদন্তি, প্ৰবচন, ধৰ্ম-নীতি কথা সংৰক্ষিত কৰি পিছৰ পুৰুষলৈ কঢ়িয়াই নি সংস্কৃতিৰ ধাৰাবাহিকতা আৰু ঐতিহ্য ৰক্ষাত সহায় কৰে মাতৃভাষাই। দেশৰ সংস্কৃতিক ঐতিহ্য অধ্যয়ন আৰু চৰ্চা কৰি সংস্কৃতিক ক্ষেত্ৰখনক পৰিচালনা কৰি সঠিক দিশত উপনীত কৰাৰ যোগ্যতা মাতৃভাষাৰ দ্বাৰাহে সম্ভৱ। গতিকে এনে দিশবোৰৰ উন্নতি তথা সংৰক্ষণৰ বাবে মাতৃভাষাৰ বহল জ্ঞানে মানুহক বিভিন্ন তথ্য পোহৰলৈ অনাৰ বাট মুকলি কৰি দিয়ে। গতিকে জাতি এটাৰ সাহিত্য-সংস্কৃতিৰ ঐতিহ্য ৰক্ষাৰ বাবে মাতৃভাষা জনাটো অতি গুৰুত্বপূৰ্ণ কথা।

**৬। সমাযোজন ক্ষমতা বৃদ্ধি কৰায় ঃ**

মাতৃভাষাৰ যোগেদি যিকোনো পৰিস্থিতিতে বা যিকোনো স্থানতে নিজকে খাপ খুৱাই ল'ব পাৰি। ইয়াৰ যোগেদি নানা ব্যক্তিৰ মাজত পাৰস্পৰিক বুজাপৰা আৰু আন্তৰিকতা বৃদ্ধি হয়। সমাযোজন ক্ষমতা বৃদ্ধি কৰি ব্যক্তিক সুখী জীৱন-যাপন কৰাতো সহায় আগবঢ়ায়।

**৭। দেশপ্ৰেমৰ ধাৰণা ঃ**

মাতৃভাষাৰ শিক্ষাই দেশপ্ৰেমৰ ধাৰণা জন্মায়। ভাষাৰ লগত মানুহৰ বিভিন্ন আৱেগ জড়িত হৈ থাকে ভাষাৰ প্ৰতি থকা আৱেগে মানুহৰ অন্তৰত দেশপ্ৰেমৰ চেতনা জাগ্ৰত কৰিব পাৰে। দেশৰ ঐতিহ্যৰ জ্ঞান লাভ কৰি মানুহে মাতৃভাষাৰ জৰিয়তে দেশ এখনক নতুন দিশত আগুৱাই নিয়াৰ যত্ন কৰিব পাৰে। তদুপৰি ভাষিক একতাই মানুহৰ মনত জাতীয় সংহতিৰ ভাৱ বৃদ্ধি কৰে। গতিকে দেখা যায় যে মাতৃভাষাই দেশৰ ভাষা, সাহিত্য, সংস্কৃতি আদি সকলো দিশৰ উন্নতিতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**মাতৃভাষা শিকনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা ঃ**

বহুতো মাতৃভাষা ঘৰুৱা পৰিৱেশত শিকাৰ উপৰিও বিদ্যালয়তো সেই ভাষাটোক শিকোৱা হয়। কিন্তু ঘৰুৱা বা ঘৰত শিকা মাতৃভাষাটো ব্যাকৰণগত দিশকে আদি বহুতো দিশত শুদ্ধ নহবও পাৰে। সেইবাবে শিক্ষানুষ্ঠানত এক নিৰ্দিষ্ট নিয়মাৱলীৰ মতে সেই ভাষাটো শিকা উচিত। যি নহওক শিক্ষানুষ্ঠানৰ শ্ৰেণীকোঠাত মাতৃভাষা শিকণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী অৰ্থাৎ মাতৃভাষা শিকাৰু এজনে কেইটামান দিশৰ ওপৰত গুৰুত্ব দিব লগা হয়। তেতিয়াহে শিকন প্ৰক্ৰিয়া সহজ আৰু সম্ভৱ হৈ উঠে। তলত সেই দিশসমূহৰ ওপৰত কিছু আলোচনা হ'ল—

**১। আগ্ৰহশীল ঃ**

মাতৃভাষাটো শিকিবৰ বাবে প্ৰথমে ছাত্ৰ-ছাত্ৰী বা শিকাৰু এজন ভাষাটোৰ প্ৰতি আগ্ৰহশীল মনোভাবৰ প্ৰয়োজন হয়। শিক্ষক বা সমাজৰ বয়োজ্যেষ্ঠ সকলেই কিন্তু ভাষাটোৰ প্ৰতি আগ্ৰহশীল মনোভাব জগায় তুলিব লাগিব।

**২। শুদ্ধ উচ্চাৰণৰ আৱশ্যকতা ঃ**

ভাষা এটা শিকাৰ সময়ত শিকাৰুজনে ভাষাটোৰ শুদ্ধ উচ্চাৰণত গুৰুত্ব দিব লাগে। শুদ্ধ উচ্চাৰণৰ যোগেদিয়েই

ভাষাটোৰ সঠিক শুদ্ধতা ৰূপটো প্ৰকাশ পাব আৰু অৰ্থপূৰ্ণ হ'ব। এই ক্ষেত্ৰত ভাষা শিক্ষকেও সহায় কৰাৰ লগতে উৎসাহ জনাব লাগে।

**৩। কথন আৰু লিখন ঃ**

ছাত্ৰ-ছাত্ৰী বা শিকাৰুসকলৰ মাতৃভাষাত জ্ঞান লাভ কৰাৰ এটা কৌশল হ'ল কথন আৰু লিখন। শুদ্ধকৈ কথা কোৱা আৰু লিখা কাৰ্যই মাতৃভাষাৰ সঠিক ৰূপত ব্যৱহাৰত শিকাৰুসকলক জ্ঞান প্ৰদান কৰে। এই মাতৃভাষাত লিখন আৰু কথন প্ৰক্ৰিয়াৰ ফলত তেওঁলোকক শুদ্ধ ৰূপত জনাত সহায় কৰে।

**৪। অভিধান, ব্যাকৰণৰ ব্যৱহাৰ ঃ**

ভাষা এটা শিকাৰ ক্ষেত্ৰত সেই ভাষাটোৰ অভিধান আৰু ব্যাকৰণ জনাটো নিতান্তই প্ৰয়োজনীয়। ব্যাকৰণে ভাষাৰ শুদ্ধ ৰূপ এটা দেখুওৱাৰ লগতে ভাষাটো শুদ্ধকৈ কোৱা আৰু লিখাত সহায় কৰে। তেনেদৰে অভিধান প্ৰয়োগে ভাষা শিকাৰু এজনক শব্দৰ ভঁৰাল চহকী কৰাৰ লগতে শব্দৰ অৰ্থ বুজাত সহায় হৈ পৰে। যাৰবাবে ভাষাটোৰ কঠিন শব্দবিলাক অনায়াসে শিকাৰু এজনে বুজিব পাৰে।

**৫। সাহিত্যৰ বুৰঞ্জী জনাটো আৱশ্যকীয় ঃ**

মাতৃভাষাৰ শিকণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে সেই ভাষাটোৰ সাহিত্যৰ বুৰঞ্জী জনাটো আৱশ্যকীয়। কাৰণ ভাষাটোৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ নিৰ্হিত হৈ থাকে সাহিত্যৰ বুৰঞ্জীত।

সামৰণিত, প্ৰাথমিক স্তৰৰ শিক্ষাৰ্থীৰ প্ৰকৃততে মৌলিক চিন্তাশক্তি মাতৃভাষাৰ যোগেদিহে উদ্বেগ ঘটে। মাতৃভাষাক ভাল পালেহে নিজৰ দেশক ভাল পাব পাৰি। মাতৃভাষাৰ যোগেদিয়েই শিক্ষাৰ্থীৰ ঐতিহ্য চেতনা, জাতীয় চেতনা, আত্মসন্মানবোধ আৰু সামাজিক চেতনা জাগ্ৰত কৰিব পাৰি। মাতৃভাষাতে শব্দৰ প্ৰয়োগ, জতুৱা-ঠাঁচ, ব্যাকৰণগত দিশসমূহ প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰ কৰিবলৈ দি স্পষ্ট, শুদ্ধতাৰে শিকাত গুৰুত্ব প্ৰদান কৰিব লাগে। লগতে কেৱল শিক্ষাগুৰুৰ ওপৰতেই নিৰ্ভৰ নকৰি ছাত্ৰ-ছাত্ৰীয়ে নিজস্বতাৰেও মাতৃভাষা শিকণত জোৰ দিয়া উচিত। ❐❐

**সহায়ক গ্ৰন্থ ঃ**

অসমীয়া ভাষা-বোধ ব্যাকৰণ আৰু ৰচনা সাৰথি (তৰুণ চন্দ্ৰ বৰপূজাৰী, লক্ষী হাজৰিকা)

# DIET ঃ এক নতুন অনুভৱ

**জেৰিনা ভূঞা**
ডি. এল.এড , তৃতীয় ষাণ্মাসিক

সৰু হৈ থাকোতে এবাৰ মোক এগৰাকী শিক্ষয়িত্ৰীয়ে ডাঙৰ হৈ কি হ'বা বুলি সোধা প্ৰশ্নৰ উত্তৰত মই মাষ্টৰণী হ'ম বুলি খুউব স্পষ্টকৈ কৈছিলো। আকৌ হাইস্কুলত গৈ 'মোৰ জীৱনৰ লক্ষ্য' ৰচনা লিখোতেও মই এগৰাকী শিক্ষয়িত্ৰী হ'ম বুলিয়েই লিখিছিলো। কিন্তু মই তেতিয়া ইমান গভীৰভাৱে চিন্তা কৰি এনেকৈ কোৱা নাছিলো, মাত্ৰ মই পঢ়া স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী সকলক মই খুউব ভাল পাইছিলো আৰু তেওঁলোকেও মোক বহুত মৰম কৰিছিল কাৰণেহে মই তেওঁলোকৰ দৰে হ'ব বিচাৰিছিলো। এগৰাকী শিক্ষক হোৱাৰ উদ্দেশ্য পাছত ডাঙৰ হোৱাৰ পিছতহে জানিব পাৰিছো আৰু DIET ত D.el.ed কৰিবলৈ অহাৰ পিছতহে ইয়াৰ সম্পূৰ্ণ ধাৰণা অনুভৱ কৰিব পাৰিছো। ভবাই নাছিলো যে এগৰাকী শিক্ষক হোৱাটোও যে ইমান কঠিন কাম হ'ব পাৰে। এগৰাকী দক্ষ শিক্ষক হে হ'বলৈ যথেষ্ট ধৈৰ্য আৰু বহুত গুণৰ অধিকাৰী হোৱাটো প্ৰয়োজন হয় যিহেতু শিক্ষাদান কৰাটো সুনিবলৈ তেনেই সাধাৰণ যেন লাগিলেও কৰ্মক্ষেত্ৰত ই যথেষ্ট কঠিন কাম। এটা জীৱন গঢ় দিয়াটো কেতিয়াও সহজ কাম হ'ব নোৱাৰে তাতে শিক্ষক এগৰাকীৰ তত্বাৱধানত এখন বিদ্যালয়ৰ হাজাৰটা জীৱন জড়িত হৈ থাকে। শিক্ষকৰ দায়িত্ব কেৱল বিদ্যালয়ৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। সমাজৰ দায়িত্বও বহুত। এই সকলো অনুভৱ DIET ত অহাৰ পাছৰ পৰাহে পাইছো। ইয়াত আহি বহুত ভাল লাগিছে, যদিও প্ৰথম অৱস্থাত অলপ শংকিত হৈছিলো। নিজকে খাপ খুওৱাৰ ক্ষেত্ৰত। এতিয়া কিন্তু আনৰ জীৱন গঢ় দিয়াত যাতে ভুল নকৰো তাৰ বাবেহে শংকিত হওঁ।

DIET ৰ পৰিৱেশ বুলি ক'বলৈ গ'লে এটা শব্দত খুউব সুন্দৰ। চৌদিশৰ সেউজীয়া গছ-গছনিবোৰে DIET খনক এক সুকীয়া সৌন্দৰ্যতা প্ৰদান কৰিছে। চাফ-চিকুণতা আৰু ফুলনি বাগিছাই ইয়াৰ মাধুৰ্যতা বঢ়াইছে। ইয়াৰ বাহিৰ-ভিতৰ, মুকলি আকাশ, বতাহ সকলোতে বিশুদ্ধতা মিলি এক মিঠা অনুভৱ উশাহ-নিশাহত প্ৰদান কৰিছে। সেইয়া কিম্বা শিক্ষায়েও হওঁক, মনৰ সতেজতাই হওঁক বা শৰীৰ শিথিলতা। DIET ৰ সকলো প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থী যথেষ্ট নম্ৰ আৰু সহজ-সৰল। তেওঁলোকৰ মৰম আৰু আদৰত যেন আমিবোৰ অতি সোনকালেই এক মৰমৰ বান্ধোনত সোমাই পৰিছো। ৰাতিপুৱা ৯-০০ মান বজাৰ পৰাই ইয়াত আমাৰ কাৰ্যকলাপ আৰম্ভ হয়। গোটেই দিনটো এই পৰিৱেশৰ মাজত থাকি আমনি অনুভৱ নহয়। ইটোৰ পিছত সিটো কৰ্ম খুউব আনন্দেৰে, উৎসাহেৰে আৰু হেঁপাহেৰে কৰিবলৈ পাওঁ। DIET ৰ নীতি-নিয়মসমূহ যথেষ্ট কঠোৰভাৱে অনুসৰণ কৰা হয় যাতে বিশৃংখলাই সুবিধা ল'ব নোৱাৰে।

সঁচা কথা ক'বলৈ গ'লে ভবাই নাছিলো আগন্তুক জীৱনত এনেকুৱা কিচুমান দিনো আহিব পাৰে য'ত ইমান আনন্দ, উৎসাহ আৰু মনোৰঞ্জনৰ মাজেৰে আমাৰ শিক্ষা প্ৰাপ্তি হ'ব। সকলো মানুহেই যেন এদিনৰ বাবে হ'লেও DIET ৰ পৰিৱেশত নিজকে খাপ খুৱাই চাই আৰু ইয়াৰ মাধুৰ্যতা অনুভৱ কৰিবলৈ পায়। DIET ৰ স্বকীয়তা আৰু মাধুৰ্যতা সদায়ে অটুট থাকক আৰু আমাৰ আহিব লগা দিনবোৰ এনেকৈ মনোৰঞ্জনৰ মাজেৰে পাৰ হওঁক তাৰে কামনা কৰিলোঁ। ❐❐

# নাৰীৰ সুৰক্ষাৰ বাবে সমৰ কলা

**নৃপেন বিকাশ দেউৰী**
বি.এড. চতুৰ্থ ষান্মাসিক

হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে নিজৰ দেহাটোৱেই এগৰাকী নাৰীৰ বাবে সময়ত বৈৰী হৈ পৰে। কিয়নো আধুনিকতাৰ নামত বহু যৌন-উদ্দীপক, অসংযত, অসামাজিক সাজপোছাক পৰিধানৰ নামত মাত্ৰ অল্পবস্ত্ৰ পৰিধান কৰি বহু নাৰী ঘূৰি ফুৰে। তেতিয়াই বিকৃত মানসিকতাৰ লোকে যৌন লালসা পূৰণ কৰিবলৈকে অসুস্থ বিকাৰগ্ৰস্ত পুৰুষে ঘৰে বাহিৰে নাৰীক নিৰ্যাতন কৰি আহিছে। এনেদৰেই বৰ্তমান কুৰি শতিকাৰ যুগত নাৰী-নিৰ্যাতন বৃদ্ধি পাইছে। পুৰুষৰ বিকৃত কামনাৰ বলি হৈ বহুতো নাৰীয়ে অপবাদেৰে পূৰ্ণ তিক্ত জীৱন-যাপন কৰিবলগা ঘটনা বৰ দুৰ্ভাগ্যজনক। অনাকাংক্ষিত মৃত্যুক আকোঁৱালি ল'ব লগা হোৱা ঘটনাও ঘটিয়ে আছে। কোনোগৰাকীয়ে এচিড আক্ৰমনৰ বলি হৈ ওৰেটো জীৱনৰ বাবে ঘৃনীয়া হৈ পৰিছে। কৰ্মক্ষেত্ৰত বৰ্তমান যুগত নাৰী-পুৰুষ সমান। সকলো ক্ষেত্ৰতে নাৰীসকলেও নিজৰ প্ৰতিভাৰ বিকাশৰ স্বাধীনতা লাভ কৰিছে। এয়া সমাজৰ বাবে শুভলক্ষণ। কিন্তু অসৎ মনোবৃত্তিৰ পুৰুষৰ হাতত কেতিয়াবা ৰূপ-স্বাস্থ্য কেতিয়াবা সতীত্ব বা কেতিয়াবা জীৱন হেৰুৱাবলগীয়া হোৱাটো বৰ চিন্তনীয়। বিদ্যালয়-মহাবিদ্যালয় পৰ্যায়ত ক্লাচ, টিউচন অথবা নিজৰ কৰ্মক্ষেত্ৰলৈ খোজ কাঢ়ি বা গাড়ী মটৰত অহা-যোৱা কৰাৰ বাটত নানা ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। বাতৰি কাকত, দূৰদৰ্শন, ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটচএপ আদিত বিয়পি থকা এনেধৰণৰ ঘটনাবোৰে নাৰী সমাজক বিশেষকৈ কন্যা সন্তানৰ অভিভাৱকক উদ্বিগ্নতা বৃদ্ধি কৰিছে। অনিশ্চয়তা, সুৰক্ষাহীনতাই ভয়াৰ্ত্ত কৰি তোলে।

আত্মৰক্ষাৰ দিশটোৱে প্ৰাধান্য লাভ কৰিছে যদিও সমৰ কলাৰ জৰিয়তে এগৰাকী নাৰীয়ে লাভ কৰা আন কিছুমান সুফলো পৰিলক্ষিত হৈছে। কিয়নো যিকোনো এবিধ কলাতে শৰীৰটোৰ সম্পূৰ্ণ ব্যায়াম হয় ইয়াৰ নিয়মিত চৰ্চাৰে নাৰীয়ে মেদহীন, আকৰ্ষণীয় তথা সক্ৰিয় এটা শৰীৰ লাভ কৰিব পাৰে। বয়স বাঢ়ি অহাৰ লগে লগে নাৰীৰ শৰীৰ বহুতো পৰিৱৰ্তন আহে, শৰীৰ জঠৰ হয়। কিন্তু সমৰ কলাৰ নিয়মিত চৰ্চাৰে শৰীৰ সক্ৰিয়তা অটুট ৰাখি এক সুস্থ-সবল জীৱন নিজে ভোগ কৰাৰ লগতে পাৰিবাৰিক জীৱনকো সমৃদ্ধ কৰিব পাৰে।

সমৰ কলা একপক্ষীয় কলা নহয়। সেয়ে প্ৰতিৰক্ষাৰ প্ৰতিটো আক্ৰমনৰ প্ৰতি মনক সজাগ কৰি মন তীক্ষ্ণ কৰি ৰখাত ই সহায় কৰে। ই ব্যক্তিত্বতো প্ৰভাৱ পেলায়। ক্ষনিকতে উদ্বিগ্ন নোহোৱাকৈ পৰিস্থিতি নিজৰ নিয়ন্ত্ৰণলৈ আনিব পৰা ধৰণৰ মানসিক শক্তি প্ৰদান কৰে। আনৰ পৰা মৰম, শ্ৰদ্ধা আৰু সন্মান লাভ কৰে।

সমৰ কলাৰ উচিত প্ৰশিক্ষণে নাৰীক অধিক আত্মবিশ্বাসী কৰি তোলে। নাৰীয়ে আত্মৰক্ষাৰ কৌশল নজনাৰ বাবেই সহজে শত্ৰুৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। কেৱল সমৰ কলাৰ জৰিয়তেই বিপদৰ সময়ত উচিত সিদ্ধান্ত ল'ব পৰাকৈ মন তীক্ষ্ণ আৰু শক্তিশালী কৰি তুলিব পাৰি।

আমাৰ জীৱনটোৰ মূল্য সবাতোকৈ বেছি। সেয়ে ইয়াৰ সুৰক্ষাৰ প্ৰতি সদায় সজাগ হৈ থাকিব লাগে। সমৰকলা আয়ত্বৰ যোগেদি পুৰুষ-নাৰী উভয়েই নিশ্চিতভাৱে নিজৰ লগতে আনকো সুৰক্ষিত কৰি তোলে সুস্থ-সবল জীৱন উপভোগ কৰিবলৈ সক্ষম হ'ব পাৰে। ❐❐

# কৃত্ৰিম বুদ্ধিমত্তা

**বুলন শইকীয়া**
বি.এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী


**কৃত্ৰিম বুদ্ধিমত্তা কি ?**

কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence) চমুকৈ (A.I.) হৈছে মানুহৰ দৰে চিন্তা কৰিব পৰা কাম কৰিব পৰা এটা যন্ত্ৰ, যিটো মেচিনবোৰত প্ৰগেম কৰি ইয়াক নিৰ্মাণ কৰা হয়। অথাৎ যন্ত্ৰৰ দ্বাৰা প্ৰদৰ্শিত বুদ্ধিমত্তাকে কৃত্ৰিম বুদ্ধিমত্তা চমুকৈ (A.I.) বুলিব পাৰি। ই কম্পিউটাৰ বিজ্ঞানৰ এক শাখা।

১৯৪২ চনতে বিশ্বৰ প্ৰথম ৰবট আই (I)ৰ উদ্ভাৱন কৰিছিল আইজাক আদিমভ। ১৯৪৩ চনত জে. মেককুল্লোচ আৰু ডব্লিউ পিওছৰ যুটীয়াকৈ কৃত্ৰিম নিৰ্ভৰণৰ আৰ্হি প্ৰস্তুত কৰাতোকেই কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনৰ মাইলৰ খুঁটি হিচাপে ধৰা হয়। ১৯৪৫ চনত বিশ্বৰ প্ৰথম ইলেকট্ৰনিক কম্পিউটাৰ ENIAC উদ্ভাৱন হোৱাত কৃত্ৰিম বুদ্ধিমত্তাৰ আৰু এখোজ আগুৱাই আহিল।

কিন্তু তেতিয়ালৈকে "কৃত্ৰিম বুদ্ধিমত্তা" শব্দটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা অভিধানত ঠাই পোৱা নাছিল। সমগ্ৰ বিষয়টোৰ ওপৰত আমেৰিকাৰ ডায়েমাউথ কলেজৰ এখন বিজ্ঞান সন্মিলনত ১০ জন বৈজ্ঞানিক আৰু গৱেষকে প্ৰায় ২ মাহ ধৰি আলোচনাৰ অন্তত এক নতুন প্ৰযুক্তিবিদ্যা কৃত্ৰিম বুদ্ধিমত্তা নামকৰণ কৰিলে। সেই অভিৱৰ্তনৰ এজন বিজ্ঞানী মেকাৰ্থীয়ে কৃত্ৰিম বুদ্ধিমত্তাক বুধিয়ক যন্ত্ৰ বনোৱা বিজ্ঞান ৰূপে অভিহিত কৰিলে। কৃত্ৰিম বুদ্ধিমত্তা চাৰিটা কাৰ্যপ্ৰণালীৰ ওপৰত ভিত্তি কৰি আগবাঢ়ে সেই কেইটা হৈছে —

১। মানুহৰ দৰে চিন্তা কৰা।
২। মানুহৰ দৰে কাৰ্য কৰা।
৩। যুক্তিৰে চিন্তা কৰা।
৪। যুক্তিৰে কাৰ্য কৰা।



এটা কেঁচুৱাৰ যেতিয়া জন্ম হয় তাক খোজ কঢ়া, লিখা-পঢ়া শিকোৱা আদি কামবোৰ যেনেদৰে শিকোৱা হয় যন্ত্ৰ এটাকো কৃত্ৰিমভাৱে বুদ্ধিমান বনাবলৈ তেনেদৰে বহু কথা মেছিন লাৰ্নিঙৰ দ্বাৰা শিকোৱা হয়। মেছিন লাৰ্নিঙ মানে কৃত্ৰিম বুদ্ধিমত্তা সম্পন্ন প্ৰ'গ্ৰাম এটা কেনেকৈ তৈয়াৰ হয় ইয়াৰ বাবে যি পদ্ধতি ব্যৱহাৰ কৰা হয় তাক মেছিন লাৰ্নিঙ বুলি কোৱা হয়। মেছিন লাৰ্নিঙৰ দ্বাৰা প্ৰ'গ্ৰেম এটাই হাজাৰ হাজাৰ উদাহৰণ নিজে নিজে অধ্যয়ন কৰি তাৰ পৰা এটা এলগৰথিম বনায়। আৰু ই সময়ৰ বঢ়াৰ লগে লগে অধিক বুদ্ধিমান হৈ গৈ থাকে। অৰ্থাৎ আমি যোগান ধৰা ডাটাৰ পৰা শিকি শিকি নিজৰ দক্ষতা বঢ়াবলৈ এলগৰথিম ব্যৱহাৰ কৰে। (কম্পিউটাৰ বিজ্ঞানত এলগৰথিম মানে গণনা কৰাৰ বা যিকোনো সমস্যা সমাধান কৰাৰ পদ্ধতি)। মানুহৰ বুদ্ধিমত্তাৰ বিকাশ অভিজ্ঞতাৰ পৰা হয়। আমি যেতিয়া কিবা নতুন অভিজ্ঞতা লাভ কৰোঁ মগজুৰ নিৰ্ভৰণৰ জালিকাখনৰ সালসলনি ঘটে আৰু ই নতুন অভিজ্ঞতাৰ স্মৃতি এক ধৰণৰ চানেকিৰ ৰূপত ধৰি ৰাখে। এনেদৰেই আমাৰ বুদ্ধিমত্তাৰ প্ৰাকৃতিক ভাৱে বাঢ়ি যায়। উদাহৰণ স্বৰূপে আমি গম নোপোৱাকৈ বেছি গৰম ঠাইত হাতখন পৰিলে তৎক্ষণাত আমি হাতখন আঁতৰাই আনো আৰু সেই অভিজ্ঞতাৰ পৰা আমাৰ মগজুৰ স্নায়ুকোষত এনে এটা স্মৃতি সঞ্চিত হৈ ৰয় যে পাছত সেই গৰম ঠাইডোখৰলৈ আমাৰ হাতখন নিজ ইচ্ছাই কেতিয়াও নাযায়। কাৰণ পূৰ্বৰ অভিজ্ঞতাই আমাৰ সেই নিৰ্ণায়ক কৌশলতো শিকাই থৈছে। কিন্তু যন্ত্ৰ এটাই সেই অভিজ্ঞতা কেনেদৰে লাভ কৰিব? আচলতে কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন যন্ত্ৰ এটাত সেই কথাবোৰ আগতেই কম্পিউটাৰৰ পৰিভাষাত কৃত্ৰিমভাৱে শিকাই থোৱা হয়। প্ৰথমতে কিছুমান এলপৰথিম বনোৱা হয়। যাৰ আধাৰত ই কাম কৰা আৰম্ভ কৰে। সময়ৰ লগে লগে যেতিয়া ইয়াৰ ডাটা সংগ্ৰহৰ পৰিমাণ বাঢ়ি যায়। উদাহৰণ হিচাপে আমি মানুহবোৰে যিদৰে অভিজ্ঞতাৰ পৰা কথাবোৰ শিকি যাওঁ। সেই ডাটাৰ বেলেগ বেলেগ পেটানৰ আধাৰত ভৱিষ্যৎ নিজেই সেই পেটানৰ পূৰ্বানুমান আৰু সিদ্ধান্ত লোৱাৰ দৰে কামবোৰ কৰিব লাগে।

**ব্যৱহাৰ ঃ**

আমি ব্যৱহাৰ কৰি থকা Goole Assistant ৰ পৰা কম্পিউটাৰ গেমবোৰলৈকে আৰু Amazon, Flipkart ৰ পৰা ফেচবুক, ইউটিউবলৈকে সকলোবোৰ কৃত্ৰিম বুদ্ধিমত্তাৰ স্বয়ংচালিত গাড়ী নিৰ্মাণ, কেন্সাৰ ডাইগনিছ, বিদেশী ভাষা শিকাৰ ক্ষেত্ৰত য'ত Voice Tra নামৰ এটা মেচিন অনুবাদক য'ত কৃত্ৰিম (Speech) বাৰ্তাসমূহ নিৰ্দিষ্ট ভাষালৈ আপোনা-আপুনি অনুবাদ হয়। তাৰ উপৰিও Space mission, Scientific Experiments ত ইয়াক ব্যৱহাৰ কৰা হয়।

**সামৰণি ঃ**

কৃত্ৰিম বুদ্ধিমত্তা কেৱল বিকাশৰ প্ৰথম স্তৰতেই আছে যাৰ বাবে মানুহৰ দৰে বুদ্ধিমান হ'ব পৰা নাই। কিন্তু যি ধৰণে ইয়াৰ বিকাশ হৈ গৈ আছে এটা সময়ত ইয়াৰ বুদ্ধিমত্তা মানুহৰ î ÂBÁò¡ÂÃBÁ¡1Â î ò±»±¡1¼ÂB ±òBÁ BÁ 1 ÷Ë ÂÕò±á î Â(○ বছৰত আমি এনেকুৱা ধৰণৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰ'গ্ৰাম বনাবলৈ সক্ষম হ'ব যি নিজৰ চ্‌ফটৱেৰ ক'ডিঙত সালসলনি ঘটাব পাৰিব। অৰ্থাৎ কৃত্ৰিম বুদ্ধিমত্তাৰ সম্পন্ন এই যন্ত্ৰবোৰ মানুহতকৈ অধিক বুদ্ধিমান হৈ পৰিব। নিজৰ প্ৰজাতিটো বুদ্ধি কৰিবলৈ হয়তো Self-replienting robot ত পৰিণত হ'ব। এনেধৰণৰ কৃত্ৰিম বুদ্ধিমত্তাসম্পন্ন প্ৰ'গ্ৰামবোৰক Artificial Sapar Intestigence বুলি কোৱা হ'ব। কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াক সহজ কৰি তুলিছে হয় কিন্তু কৃত্ৰিম বুদ্ধিমত্তাই মানৱ সভ্যতাক বিপদত পেলাব যে নোৱাৰিব তাৰ নিশ্চয়তা নাই। মুঠৰ ওপৰত অনাগত ভৱিষ্যতত কৃত্ৰিম বুদ্ধিমত্তাই আৰু মানুহৰ বুদ্ধিমত্তা মাজত এক অঘোষিত প্ৰতিযোগিতা হ'ব। ❐❐

# অতিথি চৰা

# ধেমাজি ডায়েট প্ৰতিষ্ঠা কৰাৰ এক চমু অভাস

**সেৱক চন্দ্ৰ হাজৰিকা**
অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ
ডায়েট, ধেমাজি
প্ৰাক্তন ডি.আৰ.চি.চি আৰু এ.ডি.এম.চি
(সৰ্বশিক্ষা অভিযান) ধেমাজি জিলা।

ধেমাজি জিলা বৰ্তমান অসমৰ এখন লেখত ল'বলগীয়া জিলা। ধেমাজি জিলা বৰ্তমান উন্নয়ণৰ সকলো দিশত দিনক দিনে আগবাঢ়ি গৈছে। শিক্ষা, সাহিত্য, কলা সংস্কৃতি, কৃষি, অৰ্থসামাজিক দিশত পিছপৰি থকা নাই। বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ জিলাখন অৰুণাচল প্ৰদেশৰ কাষতে অতি মনোমোহা প্ৰাকৃতিক সু শোভিত জিলা। এই জিলাতে মোৰ সুদীৰ্ঘ চাকৰি জীৱনৰ শেষছোৱা শিক্ষা প্ৰসাৰণ সেৱাত ব্ৰতী থাকি নিজকে ধন্য মানিছো।

মই মৰিগাঁও জিলাৰ ডায়েটৰ জ্যেষ্ঠ প্ৰবক্তা হিচাবে কৰ্মৰত অৱস্থাত ২০০১ চনৰ শেষৰ ভাগত ডায়েট বিহীন জিলা ধেমাজিত সৰ্বশিক্ষা অভিযান মিছন সফল ৰূপায়ণ কৰিবলৈ অতি জৰুৰীভাৱে যোগদান কৰিবলৈ শিক্ষা আয়ুক্ত মহোদয়ে আদেশ দিয়ে। যিহেতু মোৰ ঘৰ লখিমপুৰ জিলাত গতিকে আনন্দ মনে সেই আদেশ গ্ৰহণ কৰি ধেমাজি জিলাৰ প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ত যোগদান কৰো। মোৰ লক্ষ্য আছিল কেনেকৈ ধেমাজিত এখন ডায়েট প্ৰতিষ্ঠা কৰিব পাৰি। ২০০২ চনৰ পৰা সমগ্ৰ ভাৰতত সৰ্বশিক্ষা অভিযান আৰম্ভ হৈছিল। ফলত মই নিজে সকলো পাহৰি সৰ্বশিক্ষাৰ কামত ব্ৰতী হলো। সেই সময়তে শিৱসাগৰ ডায়েটৰ পৰা মুকুল দত্ত আৰু ঢকুৱাখানা নৰ্মালৰ পৰা জ্যেষ্ঠ প্ৰশিক্ষক স্বৰ্গীয় লোহিত শইকীয়াই যোগদান কৰে। আমি আটাই কেইজনকে জিলা প্ৰাথমিক শিক্ষা বিষয়া ড° তিলক চন্দ্ৰ শইকীয়াই সৰ্বশিক্ষাৰ বিভিন্ন কাৰ্যসূচীত আমাক ন্যস্ত কৰে কিন্তু তিনিমাহ মানৰ পিছত স্বৰ্গীয় লোহিত চন্দ্ৰ শইকীয়াদেৱে লখিমপুৰলৈ বদলি হৈ যায়।

সৰ্বশিক্ষা অভিযানৰ সফল ৰূপায়নৰ বাবে শিক্ষা আয়ুক্ত শ্ৰী জিংৰাং মহোদয়ে ব্যক্তিগতভাৱে চিলাপথাৰৰ স্বেচ্ছাসেৱী কেন্দ্ৰ (RVC)ৰ অনুষ্ঠানত লক্ষীমপুৰ আৰু ধেমাজিৰ প্ৰায় ৮০ জন সমল ব্যক্তি প্ৰশিক্ষণ দিয়ে। আয়ুক্ত মহোদয়ক সেই প্ৰশিক্ষণতে ধেমাজি ডায়েট প্ৰতিষ্ঠাৰ বিষয়ে সোধাত তেখেতে খুউব সোনকালে হ'ব বুলি মত প্ৰকাশ কৰে।

তেতিয়া মই অলপ সকাহ পালো আৰু ভাবিলো ধেমাজিলৈ অহাৰ লক্ষ্য নিশ্চয় পূৰণ হ'ব। ১৯৮৯ চনৰ পৰা পৰ্যায় ক্ৰমে অসমৰ প্ৰায়বোৰ জিলাতে ডায়েট প্ৰতিষ্ঠা হৈ আছে। গতিকে শেষৰ পৰ্যায়ত হ'লেও ধেমাজিত ডায়েট হ'ব বুলি ধাৰণা কৰিলো।

সৰ্বশিক্ষা অভিযানৰ শিক্ষক আৰু অন্যান্য ব্যক্তিৰ হ্ৰস্বকালীন প্ৰশিক্ষন দিয়াটো অতি প্ৰয়োজন গতিকে আয়ুক্ত মহোদয়ে ২০০৩ চনত মোৰ জিলা সমল কেন্দ্ৰৰ সমন্বয়ক (DRC) হিচাপে নিযুক্তি দি DRC (Mini DIET) স্থাপনৰ অধিসূচনা জাৰি কৰে। মই আৰু মুকুল দত্তই যুটীয়াভাৱে কাম কৰি থকা অৱস্থাত মুকুল দত্তক DPO (TT) হিচাপে অতিৰিক্ত দায়িত্ব দিয়ে, একে ধৰণে মোক DRCC ৰ উপৰিও ADMC সহকাৰী জিলা মিছন সমন্বয়ক হিচাবে দায়িত্ব দিয়ে। শিক্ষা বিস্তাৰৰ কামত ইমানেই ব্যস্ত হ'লো যে, লক্ষীমপুৰলৈ পৰিয়ালৰ খবৰ লবলৈ যাব নোৱাৰা




হলো।

সৰ্বশিক্ষা কামৰ মাজতে জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ ডায়েটৰ বাবে মাটি বিচাৰি আবেদন জনাবলৈ চিঠি আহিল। মাটি কেইবা ঠাইতো চোৱাৰ পিছত বিষ্ণুপুৰ মেপৰ মুঠ ২০ বিঘা চৰকাৰী মাটি আছে বুলি জানিব পাৰি সেই সময়ৰ জিলা উপায়ুক্ত বিশ্ব ৰঞ্জন চামালৰ অনুগ্ৰহ আৰু জিলা শিক্ষা বিষয়াৰ তৎপৰতাত ২০ বিঘা মাটি আৱণ্টন পাবলৈ সক্ষম হওঁ। মাটি চোৱাচিতা, জোখ-মাখ কৰি দিয়াৰ ক্ষেত্ৰত লাট মণ্ডল ললিত গগৈয়ে আমাক যথেষ্ট সহায় কৰিছিল।

মাটি চমজি ল'বলৈ যাওঁতে এক সাংঘাটিক পৰিস্থিতি সৃষ্টি হয়। উক্ত চৰকাৰী মাটি স্বৰ্গীয় লীলাকান্ত কলিতা আৰু অন্য এজন কলিতা উপাধিৰ লোকে খেতি কৰি দখল কৰি আছিল। চাৰিসীমাৰ খুঁটি পোতাৰ পাছতো দুস্কৃতি কাৰীলোকে খুঁটি উঘালি লৈ যোৱাত সমস্যাত পৰিছিলো। ইতিমধ্যে ২০০৫-০৬ বৰ্ষত ডায়েটৰ ঘৰ নিৰ্মাণ কৰা গৃহ নিৰ্মাণ বৰ্ডৰ ঠিকাদাৰ উপস্থিত হয়। জনামতে ১ কোটি, ১৩ লাখ টকাৰ গৃহ বনোৱাৰ টকা মঞ্জুৰ হৈছিল। ডায়েট গৃহৰ শুভাৰম্ভ কৰে সেই সময়ৰ উপায়ুক্ত স্বপ্নীল বৰুৱা ডাঙৰীয়াই। ২০০৮ চনত ডায়েটৰ গৃহ সম্পূৰ্ণ কৰি চমজাই দিয়ে যদিও উক্ত গৃহ চোৱাচিতা কৰিবলৈ কোনোলোক নাছিল, অৰ্থাৎ ডায়েটৰ ঘৰ হল কিন্তু ডায়েটৰ প্ৰশাসন পৰিচালনাৰ নিৰ্দেশনা নাহিল। মই নিজে চিন্তা কৰি শ্ৰী প্ৰহ্লাদ কলিতাক চোৱা-চিতা কৰাৰ দায়িত্ব অৰ্পন কৰিছিলো। প্ৰহ্লাদ নথকাত তেওঁৰ পিতৃ

যুগল কলিতাই ৰখীয়া হিচাপে দায়িত্ব পালন কৰিছিল।

সৰ্বশিক্ষা অভিযানে ডায়েটৰ আৱাস গৃহটি অধিগ্ৰহণ কৰি RSTC কেন্দ্ৰ আৰম্ভ কৰে। য'ত প্ৰায় ১০০ ৰো অধিক বিদ্যালয় এৰা আৰু বিদ্যালয়লৈ নোযোৱা শিশুক শিক্ষা দান কৰিছিল।

অন্যহাতে DRC বিভিন্ন প্ৰশিক্ষণ চলি থকাত ডায়েট সম্পৰ্কে চিন্তা চৰ্চা কৰিবলৈ সুবিধা নোপোৱা হলো। লক্ষীমপুৰ ডায়েটৰ পৰা সহায়ক হিচাপে নিযুক্তি পোৱা ৰুবুল বৰুৱা আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী স্বৰ্গীয় পৰমা দত্ত পুনৰ লখিমপুৰ ডায়েটলৈ ঘূৰি আহে।

DRC ৰ দ্বাৰা চৰকাৰী বিভিন্ন অনুষ্ঠান বিশেষকৈ AIDS সদৌ অসম শৈক্ষিক নৃত্য প্ৰতিযোগিতা, সাময়িক মূল্যায়ণ, DACG, পাঠ্যপুথি বিতৰণ, বিদ্যালয় পৰিদৰ্শন আদি কাৰ্যসমূহ সমাপন কৰা হৈছিল। এই কৰ্ম সমূহ সফল কৰাৰ ক্ষেত্ৰত মুকুল দত্তই যথেষ্ট সহায় আগবঢ়াইছিল।

২০০৯ চনত IGNOU দ্বাৰা DRC ত ৬০ জন শিক্ষকৰ CPE পাঠ্যক্ৰমৰ মঞ্জুৰ কৰে। DRC যিহেতু নগাখেলিয়াৰ ভাৰা ঘৰত চলি আছিল তাত কিছু অসুবিধাৰ হোৱাৰ বাবে DRC ৰ আচবাব আৰু অন্যান্য নথি পত্ৰ উপাযুক্ত আৰু DEO ৰ নিৰ্দেশ মৰ্মে নতুন ডায়েট গৃহলৈ স্থানান্তৰ কৰা হয়। ২০০৯-১০ বৰ্ষত DRC বা মিনি ডায়েটৰ সহযোগত এই প্ৰশিক্ষন নতুন গৃহত অনুষ্ঠিত হয়।

SCERT ৰ সঞ্চালকৰ ফালৰ পৰা ডায়েটৰ নতুন গৃহলৈ বিভিন্ন আচবাব আৰু সম্পত্তি ঠিকাদাৰে যোগান ধৰে। উক্ত সামগ্ৰী সমূহ তলা মাৰি ভৰাই থোৱা হয়। সেই সময়ৰ উপাযুক্ত M.S. Manibondhan ডাঙৰীয়াই ডায়েটৰ গৃহ সমূহ পৰিদৰ্শন কৰি ডায়েট সোনকালে হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

SCERT সঞ্চালক মহোদয়ে ১৬৭ জন OBB শিক্ষকক D.El.Ed প্ৰশিক্ষণৰ বাবে তালিকা প্ৰেৰণ কৰে। DRC-ৰ দুজন প্ৰবক্তাৰ বাহিৰে আৰু শৈক্ষিক বিষয়ৰ কোনো লোক নাছিল। এই বিষয়ে সঞ্চালকক জনোৱাত লক্ষীমপুৰ ডায়েটৰ পৰা মঃ তাজউদ্দিন লস্কৰ আৰু শিৱসাগৰ ডায়েটৰ পৰা জুনিচ পাটিৰক DRC-ত যোগদান কৰিবলৈ নিৰ্দেশ দিয়ে। এই দুইজন প্ৰবক্তা অহাৰ পাছত আমাৰ মিনি ডায়েট খন গজগজীয়া হয়। জুনিচ পাতিৰ অংক বিষয়ৰ হ'লেও সকলো বিষয়ত পাৰ্গত আছিল আৰু শাৰিৰীক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত অভিজ্ঞ আছিল।

২০১০-১১ বৰ্ষত OBB শিক্ষকসকলৰ প্ৰশিক্ষণ আৰম্ভ হয়। এই প্ৰশিক্ষণত প্ৰবক্তা মুকুল দত্তই যথেষ্ট খিনি অৰিহনা আগবঢ়াই। কাৰ্যালয়ৰ একমাত্ৰ সহকাৰী ও বিনা বেতনে কাম কৰা প্ৰহ্লাদ কলিতাই ডায়েটৰ সকলো দিশত সহায় কৰিছিল। প্ৰশিক্ষাৰ্থী সকলে ডায়েটৰ ভূমিত প্ৰায় দুশ জোপা উন্নত জাতৰ গছ ৰোপণ কৰিছিল। গছবিলাক লহ-পহকৈ বাঢ়ি অহা সময়তে কোনো দুস্কৃতিকাৰী লোকে গছবোৰ কাটি পেলাই আৰু ভাঙি পেলায়। তাৰ বাবে আমি বহুত মৰ্মাহত হৈছিলো।

প্ৰশিক্ষাৰ্থী সকলে সহ বিদ্যাতনিক কাৰ্য্যৰ ক্ষেত্ৰত বৰ্তমান ডায়েট খনলৈ এক নজিৰ বিহীন অৱদান আগবঢ়াই থৈ গৈছে।

উল্লেখযোগ্য যে ডায়েটৰ সন্মুখৰ ফালে বৰ্তমান সোঁৰে বাঁৱে ডাঙৰ খাল আছিল। ডায়েটলৈ অহা যোৱা কৰিবলৈ কোনো পথ নাছিল। প্ৰশিক্ষাৰ্থী সকলে ডায়েটৰ সন্মুখত লাচিত বৰফুকন আৰু জয়মতী নাটক পৰিবেশন কৰে, এই সুযোগতে মই নাটকত থকা গড়মৰা দৃশ্যৰ বাবে সকলো প্ৰশিক্ষাৰ্থীক কোৰ-পাচিলৈ বৰ্তমান সুন্দৰ তোৰণ দিয়া পথটি নিৰ্মাণৰ প্ৰাথমিক কাম আৰম্ভ কৰিছিলো।

আজিও মোৰ মোমাই ভাওত অভিনয় কৰা বদন গগৈ আৰু লাচিত ভাও কৰা শইকীয়ালৈ তথা জয়মতী লোৱা শ্ৰীমতী গগৈলৈ মনত পৰে। তেখেতলোকে উক্ত পথটি কষ্ট কৰি নিৰ্মাণ নকৰা হ'লে কি অসুবিধা হ'লহেঁতেন, ভাবি কিবা লাগে। মই এই আপাহতে সমূহ OBB শিক্ষক প্ৰশিক্ষাৰ্থীক ধন্যবাদ জনাইছো।

এই DRC তে প্ৰথম টেট পৰীক্ষাত উত্তীৰ্ণ শিক্ষকসকলক ADC ঘনকান্ত পেগুৰ তত্বাবধানত Induction ট্ৰেনিং দিয়া হৈছিল। এইদৰে বিভিন্ন কাম-কাজ কৰি কৰি ধেমাজিৰ ডায়েটৰ অধ্যক্ষ হোৱাৰ আশা প্ৰায় নাইকীয়া হ'ব ধৰিলে। ২০১২-১৩ বৰ্ষত মোক অধ্যক্ষ হিচাপে মৰিগাঁও, শিলচৰ আৰু ধুবুৰীত নিযুক্তি দিয়াৰ জো-যা চলিছিল। কিন্তু মই ধেমাজি বাদে অন্য ঠাইলৈ নাযাও বুলি শিক্ষা বিভাগক জনাই দিছিলো। প্ৰকৃততে ধেমাজি ডায়েট ২০০৬-০৭ বৰ্ষতে অনুমোদন হৈছিল কিন্তু কাৰ্যক্ষম কৰা নাছিল। এইদৰে হাইলাকান্দি, তিনিচুকীয়া, বঙাইগাঁও আদিৰো একে অৱস্থা হৈছিল।

২০১৪ চনত অসম চৰকাৰৰ আদেশ নং AEE211/203/277/A dt. 7/7/2014 মৰ্মে ধেমাজি ডায়েটক পূৰ্ণাঙ্গ ৰূপ দিয়ে আৰু অধ্যক্ষ হিচাপে অভাজনক নিযুক্তি দিয়ে। ইয়াৰ পিছৰ পৰা ডায়েট হিচাবে কাৰ্যক্ষম হয়। বি.টি.চি ৰাওনাপুৰৰ পৰা স্বৰ্গীয়

ৰেৰত শইকীয়া, লক্ষীমপুৰ ডায়েটৰ পৰা ইন্দেশ্বৰ সোনোৱাল আৰু পৰেশ ফুকনে কাৰ্যালয়ৰ সহায়ক হিচাপে যোগদান কৰে। নয়ন ডেকাই দলগাঁও ডায়েটৰ পৰা শেহতীয়াকৈ যোগদান কৰে।

শৈক্ষিক দিশত কেইবাজনো জ্যেষ্ঠ প্ৰবক্তাই যোদগান কৰে এই সকলৰ ভিতৰত মৰিগাঁও ডায়েটৰ পৰা সেৰিকা শইকীয়া, মিনতি শৰ্মা গগৈ আদিয়ে ধেমাজি ডায়েটত যোগদান কৰে। ইয়াৰ উপৰিও লক্ষীমপুৰ ডায়েটৰ পৰা জ্যোৎস্না মেদক, দুলামী হেৰেঞ্জ, অচ্যুত ভূএগ্ৰা আৰু পৰাশ ভাগৱতীয়ে জ্যেষ্ঠ প্ৰবক্তা হিচাপে যোগদান কৰিছিল।

এই সকলক লৈ ডায়েটৰ বিভিন্ন কাৰ্যাৱলী আৰু সৰ্বশিক্ষাৰ কাম-কাজসমূহ নিয়াৰিকৈ চলাই নিছিলো। ২০১৪-১৫ বৰ্ষত SCERT সঞ্চালক স্বৰ্গীয় লোকনাথ শৰ্মাদেৱৰ নিৰ্দেশ মৰ্মে ধেমাজি ডায়েটৰ সৌজন্যত আড়ম্বৰ পূৰ্ণভাৱে বিজ্ঞান বিষয়ৰ সজাগতা দৃষ্টিভংগী গঢ়ি তুলিবৰ বাবে বিজ্ঞান প্ৰদৰ্শনী পতা হৈছিল। এই প্ৰদৰ্শনীত ডায়েটৰ সকলো কৰ্মকতাই সহযোগ আগবঢ়াইছিল।

ওপৰৰ যি চমু আভাস দিয়া হৈছে তাত বহু কথা উল্লেখ কৰিব পৰা নগ'ল। কিছুমান তথ্য আৰু কোনো সদিচ্ছা থকা লোকৰ নাম আদি বয়সৰ চাপ আৰু স্বাস্থ্যজনিত কাৰণত থাকি গৈছে ইয়াৰ বাবে ক্ষমা প্ৰাৰ্থনীয়। এইদৰে ধেমাজিত প্ৰায় ১৫ বছৰ অতিবাহিত কৰি শিক্ষা বিভাগত সেৱা আগবঢ়াই ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৯ তাৰিখে জ্যেষ্ঠ প্ৰবক্তা জ্যোৎস্না মেদকৰ হাতত দায়িত্ব অৰ্পণ কৰি শৈক্ষিক জগতৰ পৰা বিদায় ললো।

**কৃতজ্ঞতা জ্ঞাপন ঃ**

সৰ্বপ্ৰথমে মোৰ পূৰ্ণ সহযোগী জ্যেষ্ঠ প্ৰবক্তা মুকুল দত্ত, জুনিচ পাতিৰ, মঃতাজ উদ্দিন লস্কৰ আৰু প্ৰতিটো ক্ষেত্ৰতে দিনে ৰাতিয়ে সহায়ক হিচাপে সৰ্বশিক্ষাৰ বিষয়া কৰ্মচাৰী বিশেষকৈ স্বৰ্গীয় জীতেন বৰুৱা, সেই সময়ৰ ডায়েটত চাহ দোকান দিয়া হলিয়া বৰুৱা (নাৰায়ণপুৰীয়া) শিল আলি মাজগাঁৱৰ সমূহ 1±ýÃeÃù ßÂÔÂ î Â: ±Âò ßÁ∫ÉÜ ±⁄❒❒

# মানসিক চাপ প্ৰতিৰোধত সময় ব্যৱস্থাপনা আৰু ইতিবাচক দৃষ্টিভংগীৰ ভূমিকা

**ড° সঞ্জীৱ কুমাৰ ফুকন**
অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা)
ধেমাজি

ব্যক্তি মাত্ৰেই মানসিক চাপৰ সন্মুখীন হয়। শিক্ষক, ছাত্ৰ-ছাত্ৰী, বিষয়া-কৰ্মচাৰী, কৃষক, ব্যৱসায়ী, চিকিৎসক, অভিযন্তা, আইনজীৱি, খেলুৱৈ, শিল্পী-সাহিত্যিক, ৰাজনীতিবিদ আদি কৰি যিকোনো ক্ষেত্ৰৰ লগত জড়িত ব্যক্তিয়ে মানসিক চাপত ভোগে। ইয়াৰ পৰা দিন হাজিৰা কৰা ব্যক্তি বা গৃহিণী গৰাকী বা কোনেও সাৰি নাযায়। কোনো নতুন পৰিস্থিতি আহি পৰিলে আমি চাপ অনুভৱ কৰোঁ। কামৰ চাহিদা আৰু দ্ৰুত গতিৰ লগত কোনো ব্যক্তিয়ে নিজকে খাপ খোৱাব নোৱাৰিলেও চাপ সৃষ্টি হ'ব পাৰে। এনে ক্ষেত্ৰত বৃত্তিগত জীৱন আৰু ব্যক্তিগত জীৱনৰ মাজত ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰতো অসুবিধা আহি পৰে।

সম্প্ৰতি মানসিক চাপ এক প্ৰকাৰৰ ব্যাধিলৈ পৰিণত হৈছে। প্ৰতিটো কৰ্মক্ষেত্ৰতে আহি পৰা প্ৰতিযোগিতামূলক পৰিবেশে আমাৰ মনত কম-বেছি পৰিমাণে চাপ সৃষ্টি কৰে। ছাত্ৰ-ছাত্ৰীয়ে মাক-দেউতাকৰ বা শিক্ষানুষ্ঠানৰ প্ৰত্যাশা পূৰণ কৰিবলৈ যাওঁতে মানসিক চাপৰ চিকাৰ হয় আৰু কেতিয়াবা আত্মহত্যাৰ দৰে চূড়ান্ত পথ বাচি লয়। শিল্পী-সাহিত্যিক, অভিনেতা, ৰাজনীতিবিদ আদি যাৰ বাবে জনপ্ৰিয়তা বা গ্ৰহণযোগ্যতা বৰ্তাই ৰখাটোৱে মূল। তেখেত সকলৰ মানসিক চাপ সহজে অনুমেয়। আমি আমাৰ কামৰ ক্ষেত্ৰত যদি এক প্ৰকাৰৰ সামাজিক অনুমোদনৰ আশা কৰোঁ তেতিয়াও আমাৰ মনত হেঁচা আহিব পাৰে।

মানসিক চাপৰ প্ৰভাৱ অৱশ্যে ব্যক্তিভেদে বেলেগ বেলেগ হয়। পৰিস্থিতি একে হ'লেও ব্যক্তিভেদে প্ৰতিক্ৰিয়া বেলেগ বেলেগ হ'ব পাৰে। কোনো ব্যক্তিয়ে হেলাৰঙে পৰিস্থিতিৰ সন্মুখীন হয়, প্ৰত্যাহ্বান সমূহ গ্ৰহণ কৰে, আনহাতে অন্য ব্যক্তি হয়তু মানসিকভাবে ভাগি পৰে বা পলাব বিচাৰে। ব্যক্তিজনৰ ব্যক্তিত্ব, দক্ষতা আৰু ব্যক্তিজনৰ দৃষ্টিভংগী ইতিবাচক নে নেতিবাচক তাৰ ওপৰতে ব্যক্তিজনৰ প্ৰতিক্ৰিয়া নিৰ্ভৰ কৰে। চাপৰ মাজতো নিজৰ ইতিবাচক দৃষ্টিভংগী বৰ্তাই ৰখাতো, বৃত্তিগত জীৱন আৰু ব্যক্তিগত বা সমাজ জীৱনৰ মাজত ভাৰসাম্য ৰক্ষা কৰাতো একপ্ৰকাৰ প্ৰত্যাহ্বান ।

চাপ নিৰাময়ৰ বাবে সঠিক সময় ব্যৱস্থাপনা অতিশয় গুৰুত্বপূৰ্ণ। নিয়াৰিকৈ কাম সমাধা কৰিবলৈ আমাক পৰিকল্পনাৰ প্ৰয়োজন। কি কি কাম কৰিম তাৰ তালিকা এখন আগতীয়াকৈ কৰি লোৱাৰ অভ্যাস কৰা উচিত। ই দিনটোৰ কামকাজসমূহ নিয়াৰিকৈ, সু-সংগঠিতভাৱে আৰু আত্মবিশ্বাসেৰে আগবঢ়াই নিয়াত সহায় কৰে। ইয়াৰ অন্যথা কামৰ আঁত হেৰাই যাব পাৰে বা সময়মতে হৈ নুঠিবও পাৰে। আমাৰ মাজত বহুতৰে কাম পিছুৱাই ৰখাৰ এক প্ৰৱণতা দেখা যায় যাৰ ফলত কামবোৰ সময়মতে হৈ নুঠে আৰু মানসিক চাপৰ ইও এটা মূল কাৰণ। আগতীয়া পৰিকল্পনাই পিছুৱাই ৰখাৰ প্ৰৱণতা ৰোধ কৰাত সহায় কৰে। ডাঙৰ কাম এটা কৰিবলৈ যাওঁতে আমি বহুতেই চাপ অনুভৱ কৰোঁ, আত্মবিশ্বাস হেৰুৱাই পেলাওঁ। এনে ক্ষেত্ৰত কামটোক কেইবাটাও ভাগত ভাগ কৰি এটা সময়ত এটা ভাগৰ ওপৰত মনোনিবেশ কৰিব লাগে। এনেদৰে কৰি গ'লেই এটা

সময়ত গোটেই কামটো সম্পূৰ্ণ হৈ উঠিব। আমি আমাৰ কামসমূহৰ ক্ৰম জৰুৰী আৰু গুৰুত্বপূৰ্ণ — এই দুটা দিশৰ পৰা নিৰ্ণয় কৰিব পাৰোঁ। প্ৰথমে জৰুৰী আৰু গুৰুত্বপূৰ্ণ কাম, দ্বিতীয়তে গুৰুত্বপূৰ্ণ কিন্তু কম জৰুৰী, তাৰপাছত জৰুৰী আৰু কম গুৰুত্বপূৰ্ণ কাম আৰু শেষত সেইবিলাক কাম যিবিলাক জৰুৰীও নহয় গুৰুত্বপূৰ্ণও নহয় তেনে কাম কৰিব লাগে। বেলেগ বেলেগ ব্যক্তিয়ে বেলেগ বেলেগ সময়ত কাম কৰি ভাল পায় বা সক্ৰিয় অনুভৱ কৰে। উদাহৰণ স্বৰূপে কোনোবা ছাত্ৰ-ছাত্ৰীয়ে ৰাতিপুৱা সোনকালে উঠি পঢ়াশুনা কৰি ভাল পায় আৰু আন কোনোবাই ৰাতি দেৰিলৈকে পঢ়ি ভাল পায়। কোন সময়ত আমি সৰ্বাধিক সক্ৰিয় হৈ কাম কৰিব পাৰোঁ তাক চিনাক্ত কৰি সেইমতে কামসমূহ কৰাৰ প্ৰয়াস কৰিব লাগে। কামসমূহৰ ক্ৰম নিৰ্ণয়ৰ লগতে কামৰ গুৰুত্ব আৰু দৈৰ্ঘ অনুযায়ী সময় ধাৰ্য কৰাটো প্ৰয়োজন। নিৰ্দ্ধাৰিত সময় অনুসৰি কামবোৰ হৈছে নাই তাৰ প্ৰতি চকু দিয়াটোও সমানেই প্ৰয়োজন।

নেতিবাচক ধ্যান-ধাৰণাই যাতে আমাক গ্ৰাস কৰিব নোৱাৰে তাৰ বাবে যত্নপৰ হ'ব লাগিব। ইতিবাচক দৃষ্টিভংগীৰ লগতে এক যুঁজাৰু মানসিকতাৰ বাবে আমি প্ৰকৃতিৰ লগত একাত্ম হ'বলৈ প্ৰয়াস কৰিব লাগে। মানৱ জাতি প্ৰকৃতিৰ সন্তান। হতাশাত ভোগা এজন ব্যক্তিয়েও পিতৃ-মাতৃৰ সান্নিধ্যত এক বিমল প্ৰশান্তি অনুভৱ কৰে। সেইদৰে প্ৰকৃতিৰ সান্নিধ্যয়ো ব্যক্তি এজনক জীপাল কৰি তুলিব পাৰে আৰু সাময়িক উদাসীনতাৰ পৰা সকাহ দিব পাৰে। আমি নদ-নদী, জান-জুৰি, অৰণ্য, ধাননি, চাহ-বাগিচা, নাৰ্ছাৰী আদি লৈ গ'লে প্ৰকৃতিৰ লগত আমি জড়িত হ'ব পাৰিম। কামৰ মাজে মাজে জিৰণি লোৱাৰ অভ্যাসে চাপ নিয়ন্ত্ৰণত সহায় কৰে। দৈনন্দিন জীৱনত প্ৰিয় কামৰ বাবে, ৰুচি-অভিৰুচিৰ বাবে সময় ৰাখিব লাগে। খেলাধূলা, শাৰীৰিক ব্যায়াম আদিয়ে চাপ আঁতৰোৱাত সহায় কৰে। সংগীতে আমাৰ মনতো জীপাল কৰি তোলে।

জীৱিকা আৰু জীৱনৰ মাজত এক সমতা ৰক্ষাৰ বাবেও আমি যত্নপৰ হ'ব লাগে। আমাৰ সম্পৰ্কবোৰৰ বাবে সময় দিয়াটো আমি নিশ্চিত কৰিব লাগে। ইয়াৰ হীন-দেঢ়ি হ'লে সম্পৰ্কৰ ক্ষেত্ৰত জটিলতা অহাৰ লগতে কৰ্মক্ষেত্ৰতো প্ৰভাৱ পৰে। প্ৰিয় ব্যক্তিৰ লগত সময় কটোৱা, নতুন কাম হাতত লোৱা আদিয়েও চাপ নিৰাময় কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰে। প্ৰাত্যহিকতাৰ একঘেয়ামিয়েও মানুহৰ মনত বিৰক্তিৰ লগতে উদাসীন ভাব জগাই তুলিব পাৰে। সেয়েহে আমি মাজে মাজে দৈনন্দিন জীৱনৰ সূচীখন ভংগ কৰি হঠাতে নতুন কাম এটা হাতত ল'ব লাগে। নতুনত্বই এক নতুন তাড়নাৰ সৃষ্টি কৰে, আমাৰ মনটো ফৰকাল কৰি তোলে, ন-উদ্যমেৰে আগবাঢ়ি যোৱাত সহায় কৰে। নিয়মিত ধ্যান, প্ৰাণায়মে অন্তৰ্নিহিত শক্তিক সংহত কৰে, আচৰণ সংযত কৰাৰ লগতে মানসিক চাপ বাহিৰ কৰাত সহায় কৰে। নেতিবাচক ধাৰণাবোৰ পৰিহাৰ কৰিব লাগে বা নেতিবাচক দিশসমূহৰ মাজতো এক ইতিবাচক দিশ সন্ধান কৰিবলৈ শিকিব লাগে। নেতিবাচক ঘটনাই আন একো নিদিলেও আমাক জীৱনৰ এটা পাঠ দি যায়, অভিজ্ঞতা দি যায় বুলি গণ্য কৰিব লাগে। ইতিবাচক লোকৰ লগত সময় কটাব লাগে। আগতে এই কাম কেতিয়াও কৰা নাই বুলি ভবাৰ পৰিবৰ্তে নতুন কিবা এটা সুযোগ লাভ কৰা বুলি ভাবিব লাগে। কামটো কৰিবলৈ সময় আৰু সম্পদৰ অভাৱ বুলি নাভাবি প্ৰয়োজনীয়তাই হৈছে উদ্ভাৱনৰ মূল এনে দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব দিব লাগে। জীৱিত ব্যক্তিৰহে সমস্যা থাকে আৰু সমস্যা সমাধানৰ একমাত্ৰ পথ হৈছে সমস্যাৰ সন্মুখীন হোৱা, তেনে মনোভাব গঢ়াৰ বাবে যত্নপৰ হ'ব লাগে। জীৱনত আগবাঢ়ি যাবলৈ পৰীক্ষা-নিৰীক্ষাৰ সন্মুখীন হ'বই লাগিব বুলি ভাবিব লাগে।

আমি সমালোচনাক ইতিবাচকভাৱে ল'বলৈ শিকিব লাগিব। অৱশ্যে কোনো নেতিবাচক দৃষ্টিভংগীৰ ব্যক্তিয়ে হওঁ বুলিয়ে আশাবাদী হৈ উঠিব নোৱাৰে। ইয়াৰ বাবে দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব। অনুশীলনৰ জৰিয়তে আমি ইতিবাচক দৃষ্টিভংগী বৰ্তাই ৰাখি মানসিক চাপ নিয়ন্ত্ৰণ কৰিব পাৰিম। তেনে অৱস্থাত নিজৰ দায়িত্ব সুকলমে সম্পন্ন কৰাৰ লগতে ব্যক্তিগত জীৱন আৰু বৃত্তিগত জীৱনৰ মাজত তথা জীৱন আৰু জীৱিকাৰ মাজত এক সমতা বজাই ৰাখিব জীৱনটো উদ্‌যাপন কৰিব পৰা যায়। ❐❐

# অসমীয়াতেই মেডিকেল, ইঞ্জিনিয়াৰিঙৰ শিক্ষা সম্ভৱ নির্মাণ কৰা, তোলনীয়া আৰু নিজস্ব ভাষা

**ৰিপুঞ্জয় গগৈ**
বিশিষ্ট প্ৰবন্ধকাৰ
গুৱাহাটী

শলাগৰ শৰাই, ডাক পখিলী, সুপ্ৰভাত আদি যিবোৰ শব্দ আমি আজি সঘনে সণ্টালনিকৈ ব্যৱহাৰ কৰি আছো সেইবোৰ শব্দক আমাৰ বহুতেই জাতে পাতে অসমীয়া নিজা শব্দ বুলিয়েই জানে। পিছে আমাৰ অসমীয়া ভাষাই বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰা শংকৰদেৱৰ আগৰ মাধৱ কন্দলীৰ সময়ত বা তাৰ পৰৱৰ্তী চাৰিশ বছৰ মানৰ পাছলৈকে আমাৰ অসমীয়া ভাষাত এই উল্লেখ কৰা শব্দবোৰ নাছিল। বৃটিছ আগমণৰ পাছত ঊনৈশ আৰু কুৰি শতিকাতহে এইবোৰ শব্দই আমাৰ ভাষাত ভুমুকি মাৰে। আগৰ অব্যৱহৃত শব্দবোৰ কোনোবা শক্তিশালী লেখকে ব্যৱহাৰ কৰাৰ পৰিণতি এইবোৰ শব্দ নহয় কিন্তু। বৰঞ্চ ইংৰাজী শব্দৰ আৰ্হিত এইবোৰ শব্দ সাজি লোৱা হৈছে।

আমাৰ বেণুধৰ শৰ্মাই কেতবোৰ শব্দৰ আঁতিগুৰিৰ কথা লিখোতে আমাৰ এনেকৈ সাজি লোৱা শব্দবোৰৰ কথা লিখিছে।

আজি দুবছৰৰ পূৰ্বে দৰং জিলাৰ এজন ইছলাম ধৰ্মী গৱেষকে তেওঁৰ গৱেষণাৰ দ্বাৰা স্বয়ং শংকৰদেৱৰ কীৰ্ত্তন আৰু মাধৱদেৱৰ নামঘোষাত কিমানটা পাৰ্চী আৰবী শব্দ আছে তাক অধ্যয়ন গৱেষণাৰে দেখুৱাইছে। মুঠ কুৰিটাতকৈ অধিক আৰবী পাৰ্চী শব্দ ব্যৱহাৰ কৰিছিল শংকৰ মাধৱে কীৰ্ত্তন ঘোষাত।

চৈয়দ আব্দুল মালিকে প্ৰণয়ন কৰা অসমীয়া ভাষাত পাৰ্চী আৰবী ভাষাৰ তালিকাখনৰ কথা ক'বয়েই নালাগে। শংকৰ মাধৱৰ কালত অসমীয়া ভাষাত পাৰ্চী আৰবী ভাষাৰ শব্দ কেইটামানহে পোৱা গৈছিল। কিন্তু পৰৱৰ্তী সময়ত দেশ, দুনীয়াৰ দস্তুৰ অনুসৰি আমাৰ ভাষাত মাটি বাৰী, আইন আদালতৰ ক্ষেত্ৰখনলৈ ইমানেই আৰবী পাৰ্চী শব্দৰ প্ৰৱেশ ঘটিল যে সেইবোৰ সঘন সণ্টালনি হোৱাত সেইবোৰ অসমীয়াৰ নিজা শব্দ হৈ পৰিল। এইয়ে আমি অকণমান আগতে দুনীয়া আৰু দস্তুৰমত এই শব্দ দুটা লিখিলো এই শব্দ দুটাও আৰবী শব্দ। আনকি আমাৰ খাচ অসমীয়া বুলি ভবা জান! কলিজা এই শব্দবোৰ আৰবী মূলৰ। আমোদজনক ভাবে স্বয়ং খাচ শব্দটোও আৰবী! কলম, কাগজ, আদালত, হাকিম, বদমাছ আদি শ শ আমাৰ খাচ অসমীয়া যেন লগা শব্দবোৰ আগৰ আৰবী শব্দ। কিতাপ, হিচাপ আদি শব্দবোৰ আৰবী ৰূপত কিতাব, হিচাব আছিল যদিও আমাৰ ভাষাই তাক তুলি লওঁতে আমাৰ ভাষাৰ চৰিত্ৰৰে তাক শেষৰ ব গুচাই প কৰি ললে। এইদৰে আন ভাষাৰ শব্দ আমাৰ ভাষাত তুলি লওতে আমাৰ ভাষাত সি তোলনীয়া ৰূপ পালে। সি তোলনীয়া চৰিত্ৰ গ্ৰহণ কৰিলে।

চীনৰ মাণ্ডাৰীণ ভাষী বা ইংলেণ্ডৰ ইংৰাজী ভাষী সন্তান দুটা আমাৰ অসমত কোনো অসমীয়া ভাষী মাক-দেউতাকে তোলনীয়া পো-জী কৰি ডাঙৰ-দীঘল কৰি ললে সন্তান দুটাৰ চিৰি চেহেৰাত ক্ৰমে পূৰ্বৰ চীন আৰু ইংৰাজৰ প্ৰভাৱ জীনত থাকিলেও সেই চীনা আৰু বৃটিছ সন্তান দুটাই অসমীয়াৰ পালক পিতৃ মাতৃৰ সান্নিধ্যত তেনেই অসমীয়া পিতৃ মাতৃৰ চৰিত্ৰ গ্ৰহণ

কৰিব। ইংৰাজৰ গ্লাচ নামৰ ল'ৰাটো অসমীয়াত গিলাচ হ'ব। অথবা অসমলৈ, অসমীয়ালৈ কলেজ আহি অসমীয়া ব্যাকৰণ মানি কলেজীয়া ছাত্ৰ ছাত্ৰী হ'বগৈ।

আমাৰ ভাষাচাৰ্য ডঃ ৰমেশ পাঠকে ভাষাৰ এই তোলনীয়া গোষ্ঠীৰ স্বভাৱ, বৈশিষ্ট্যৰ কথাটো বিভিন্ন ধৰণে উল্লেখ কৰিছে।

তোলনীয়া পো জীয়ে বাস্তৱিকতে জন্মদাত্ৰী মাক-দেউতাকৰ ভাষা ব্যৱহাৰ নকৰে। জন্মদাতা পিতৃৰ আচৰণ নকৰে। বৰঞ্চ তোলনীয়া সন্তানে পালক পিতৃ-মাতৃৰ আচৰণ চৰিত্ৰ গ্ৰহণ কৰে। ইয়াত কোনোবা অমখ, অজ্ঞই তোলনীয়া সন্তানে জন্মদাত্ৰী পিতৃ-মাতৃৰ মুখৰ মাত অবিকল কৈ তাৰ আচাৰ-আচৰণ কৰিবয়েই লাগে বুলি ক'বলৈ হ'লে সকলোৰে প্ৰতি অবিচাৰ কৰা হ'ব। তোলনীয়া সন্তানে আগৰ পিতৃ-মাতৃৰ আচৰণ কৰিবলৈ গ'লে সন্তানৰ আচৰণ বিকৃতহে হ'ব। ক'বলৈ গ'লে পালক পিতা মাতাৰ পাৰিৱেশিক চৰিত্ৰই ল'ব তোলনীয়া সন্তানে।

যেনে — কলেজৰ ছাত্ৰ হ'ব কলেজীয়া ছাত্ৰ। ফোন এটা - ফোনটো। ইয়াতটো প্ৰত্যয় সহজভাৱেই আমাৰ নিয়মেৰে লাগিছে। ফোনখন বা ফোনজনী নহয় কেতিয়াও।

কোনোবাই এই তোলনীয়া চৰিত্ৰ পাহৰি ল'ৰাক ঘৰলৈ ফৌন কৰি জেনুৱৰী মাহত আহিবলৈ ক'ব পাৰে। কিন্তু তোলনীয়া সন্তানৰ পিতৃ-মাতৃয়ে গৰমত পানী এগিলাচ খাই ইউনিভাৰ্চিটি আৰু মেডিকেলত পঢ়ি থকা ল'ৰাটোক আৰু ছোৱালীজনীক ফোন কৰিহে জানুৱাৰীতহে ঘৰলৈ আহিবলৈ ক'ব।

এইয়ে আমি ফোন, জানুৱাৰী, মেডিকেল, ইউনিভাৰ্চিটি আদি শব্দবোৰ আমাৰ বাক্যত সহজ, অনায়স ব্যৱহাৰ কৰিছো — সি আমাৰ ব্যৱহৃত ভাষাৰ স্বাভাৱিক ছন্দৰ ভাষা, কথাই হ'ব। ফোন জানুৱাৰী আদিক কোনোবাই মূৰ্খামি কৰি তাক তাৰ আদি মাক-দেউতাকৰ আচৰণ উচ্চাৰণেৰে ফৌন বা জেনুৱৰী নকৰেগৈ। আনকি এই ইংৰাজী জানুৱাৰী শব্দটো ইংৰাজ সন্তানেই নহয়। বৰঞ্চ বৃটিছ মেমনীয়ে ছাৰাগেটেড মাদাৰ (গৰ্ভ ভাৰা দিয়া মাতৃ)হৈ জানুৱাৰীক ফুকাইছিল। গ্ৰীক দেৱতা জানুছৰ পৰা সেই জানুৱাৰী জন্ম হৈ বৃটিছৰ জৰিয়তে আমাৰ মুলুকলৈ আহিল।

ফোন, জানুৱাৰী আদি আমাৰ মাজত সঘনে সঞ্চালনিকৈ ব্যৱহাৰ হোৱাৰ শব্দৰ কথা ক'বয়েই নালাগে। আমাৰ দৈনন্দিন সহজ ব্যৱহৃত ভাষাত আৰক্ষী, মহাবিদ্যালয় আদিতকৈ পুলিচ, কলেজহে ব্যৱহাৰ হয় বেছি। আমাৰ বৰ পঢ়াশালি (ডঃ মহেন্দ্ৰ বৰাই লিখা) বিশ্ববিদ্যালয় বা ডিব্ৰুগড়ৰ বৰবাৰী চিকিৎসা মহাবিদ্যালয়তকৈ গাঁৱৰ নিৰক্ষৰ মানুহেও ডিব্ৰুগড়! গুৱাহাটী ইউনিভাৰ্চিটি বা মেডিকেল কলেজকহে সহজে চিনি পাব আৰু এই শব্দ কেইটাও তেনেকৈ উচ্চাৰণ কৰে।

এছ ডি চি বুলিলে আমাৰ গাঁৱৰ নিৰক্ষৰ মানুহে যিমান সহজে বুজিব, জানিব উপ প্ৰতি সমাহৰ্তা বুলিলে তাক অনেকেই নাজানিব, নিচিনিব।

ঔষধালয়ৰ পৰা দৰৱ, ঔষধ আনিবলৈ নিৰক্ষৰা আইতাজনীয়ে নাতিক কোৱাৰ সলনি ফাৰ্মাচীৰ পৰা মেডিচিন আনিবলৈহে ক'ব সহজে, অকৃত্ৰিমভাৱে।

মেডিকেল নপঢ়িলেও বা নাজানিলেও আমাৰ মানুহে অগ্নাশয়, বৃক্ক, পিত্তকোষ আদি বেমাৰৰ কথা পাতি সহজেই এইবোৰক ক্ৰমে প্ৰেংকিয়াচ, কিডনি আৰু গ'ব্লাডাৰ বুলিহে ক'ব। তেজৰ প্লাজমাৰ পৰিমাণতকৈ প্লেটিলেটৰ কথাহে অধিক বুজিব। এইবোৰ বেমাৰৰ পৰীক্ষাত ব্যৱহৃত হোৱা এক্স-ৰে, আলট্ৰা চাউণ্ড, এণ্ড্ৰেক্সস্কপী আদি কথাবোৰ ভাষাৰ মাধ্যম, উৎস ব্যতিৰেকে বুজিব আমাৰ সাধাৰণ ৰোগী, অভিভাৱকে।

আমাৰ মানুহে অভিযন্তাৰ প্ৰাককলনতকৈ ইঞ্জিনিয়াৰৰ এষ্টিমেট বেছি বুজে। আৰ্হিতকৈ মডেলক সোনকালে চিনিব, বুজিব।

সেই তাহানিৰ স্থানীয়, সংস্কৃত, অষ্ট্ৰিক, মংগোলিয়, মুণ্ডা, চাওতালী আদি ভাষাৰ শব্দ ভাণ্ডাৰৰ পৰা পাৰ্চী আৰবী, ইংৰাজী, পৰ্তুগীজ ফৰাচী আদিলৈকে কিমান ভাষাৰ কিমান শব্দ আমাৰ ভাষাত সোমাই লীন গৈ আমাৰ ভাষাৰ নিজা শব্দ হৈ গ'ল তাৰ ঠিক নাই।

চাবলৈ গ'লে আজি আমাৰ ভাষাত আধুনিক কাৰিকৰী সজুঁলি আদি ব্যৱহাৰক কেন্দ্ৰ কৰি যি হাজাৰ হাজাৰ তথাকথিত ইংৰাজী শব্দ সোমাই পৰিল সেই ইংৰাজী যেন লগা শব্দবোৰৰ মাজৰ অসংখ্য শব্দ ইংৰাজ পিতৃৰ ঔৰসজাত আৰু ইংৰাজ মাতৃৰ গৰ্ভজাত শব্দ নহয়। ইয়াৰ অনেক শব্দ ইংৰাজীৰো তোলনীয়া সন্তানহে।

যেনে — শক্তিৰ একক (পাৱাৰ) ডাইন, জোলবোৰ ফৰাচী শব্দ। মেডিকেল বা চিকিৎসা বিজ্ঞানৰ অথবা মনোবিজ্ঞান আদিৰ অনেক শব্দ গ্ৰীক ফৰাচী, জাৰ্মান আদি ভাষাৰ পৰা আহৰিত। আনকি ইয়াত ভাৰতীয় ভাষাৰ শব্দও সোমাই পৰিছে।

দৰাচলতে মানুহে জ্ঞান শিক্ষাৰ প্ৰয়োজনতেই নিজৰ গৰজত মানুহে নিজৰ নথকা ভাষা, শব্দ আনৰ পৰা আনি নিজৰ তোলনীয়া পো-জী কৰি লয়। লোৱাটোও অত্যাৱশ্যক।


আমাৰ ১৯০০ চনত প্ৰথম প্ৰকাশ পোৱা হেমকোষৰ ২২, ৩৮২ টা অসমীয়া শব্দ গৈ আজি এটা শতিকাৰ পাছত ডেৰলাখ দুইলাখ হোৱাৰ বাস্তৱতাই আমাক নিৰৱে বহু কথাই কয়।

আমি অনৰ্থক, ভুৱা স্বাভিমান বাদ দি স্বীকাৰ কৰিবই লাগিব যে আধুনিক জ্ঞান-বিজ্ঞানবোৰৰ সৰহভাগ অৱদানেই আমাক ইউৰোপৰ দেশবোৰে দিছে। এই জলন্ত বাস্তৱতাত যি ভাষাত এইবোৰ জ্ঞান উপলব্ধ সেই ভাষাই তাৰ প্ৰভাৱ বিস্তাৰ কৰিবয়েই। আমাৰ নিজৰ প্ৰয়োজনত আমাৰ বোধগম্য হোৱাকৈ বা ব্যৱহাৰ উপযোগীকৈ সেইবোৰ শব্দ ভাষা আমি ব্যৱহাৰ কৰিবই লাগিব। ভিত্তিহীন অহমিকাৰে, ফোপোলা স্বাভিমানেৰে আমি বাস্তৱতাক অস্বীকাৰ কৰিব নোৱাৰো।

আজি আমাৰ নিজস্ব মত — আমাৰ দেশত, আমাৰ ভাষাত নথকা শব্দ, ধাৰণাবোৰ কোনো কৃত্ৰিম পৰিভাষা সাজি লোৱাৰ কোনো দৰকাৰ নাই। এনে কৃত্ৰিমভাবে সজা শব্দ সময়ত ক'ৰবাত কৰ্ফাল খাই পৰেগৈ।

ফোন, টিভি, কিডনি, গ'লব্লাডাৰ, এষ্টিমেট, প্ৰেংকিয়াচ, প্ৰেছক্ৰিপশ্বন, ৰিক্স, প্ৰেচাৰ, প্ৰেচাৰ কুকাৰ, ম'বাইল, কমিউনিষ্ট, কম্পিউটাৰ, আদি আমাৰ ভাষাত সহজ আৰু সঞ্চালনিকৈ ব্যৱহাৰ কৰা শব্দবোৰৰ কোনো অনুবাদ কৰা বা প্ৰতিশব্দ সজাৰ দৰকাৰ নাই। এইবোৰ আজি সময় প্ৰবাহত আমাৰ ভাষাত তোলনীয়া শব্দ হৈ প্ৰৱেশ কৰিছে।

এই অপৰিত্যাজ্য বাস্তৱতাত আমি ব্যৱহাৰবাদী, বাস্তৱমুখী (প্ৰেক্টিকেল) হৈ আমাৰ ভাষাতো সকলো উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব পাৰো। আজি ব্যৱহাৰিক বহু শব্দই বিশ্ব ভাষাৰ অন্তৰ্ভুক্ত। এইবোৰ আজি কাৰো এদনীয়া, একচেতিয়া সম্পত্তি হৈ থকা নাই। আমি আমাৰ উচ্চ শিক্ষাত এইবোৰ আন্তৰ্জাতিক বিশ্বজনীন ভাষা শব্দ নিজা কৰি, নিজা ভাবি অসংকোচে ব্যৱহাৰ কৰিব পাৰো। ❑❑



## ধেমাজি জিলা শিক্ষা-প্ৰশিক্ষণ প্ৰতিষ্ঠানত মনোজ্ঞ আলোচনা-চক্ৰ

**নিয়মীয়া বাৰ্তা, জোনাই, ৪ এপ্ৰিল** ঃ শিকুপুৰপাঁচআলিস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিত আজি 'লিংগ সংবেদনশীলতা আৰু বিদ্যালয় শিক্ষাত ইয়াৰ প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰখনৰ মুখ্য সমল ব্যক্তি হিচাপে উপস্থিত থাকে আকাশ ফাউণ্ডেচনৰ প্ৰতিষ্ঠাপক আৰু 'নেচনেল কাউন্সিল ফৰ ট্ৰান্সজেণ্ডাৰ পাৰ্ছন'ৰ (National Council For Transgender Person) উত্তৰ-পূবৰ সদস্য ঋতুপৰ্ণা নেওগ। তেওঁ লিংগ বৈষম্যতা আৰু অন্তৰ্ভুক্তিকৃত শিক্ষাৰ ওপৰত সমাজ আৰু বিদ্যালয়ৰ দৃষ্টিভংগীৰ লগতে ভৱিষ্যতে ল'বলগীয়া ইতিবাচক পদক্ষেপসমূহৰ ওপৰত আলোকপাত কৰে। উক্ত সভাত সভাপতিত্ব কৰে প্ৰতিষ্ঠানৰ অধ্যক্ষা মৌচুমী বৰুৱা বৰদলৈয়ে। প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰৱক্তা কাকলি পেগু আৰু মায়াশ্ৰী চেতিয়া ফুকনে আঁত ধৰা অনুষ্ঠানটিত অতিথি হিচাপে উপস্থিত থাকে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰৰ জ্যেষ্ঠ প্ৰৱক্তা ড° তনুজ টায়েং, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিৰ জ্যেষ্ঠ প্ৰৱক্তা মায়াৰাণী পাৱে, ইন্দ্ৰজিৎ গাম, দীপামণি ফুকন প্ৰমুখ্যে প্ৰতিষ্ঠানৰ সমূহ প্ৰৱক্তা আৰু কৰ্মচাৰীবৃন্দ। বিএড আৰু ডিএলএড পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি আয়োজন কৰা উক্ত আলোচনা-চক্ৰখনত প্ৰতিটো ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থী উপস্থিত থাকি আলোচনা-চক্ৰখন সাফল্যমণ্ডিত কৰি তোলে।

# শিক্ষক সমাজৰ একনিষ্ঠ সেৱক

**যতীন বুঢ়াগোহাঁই**
অৱসৰপ্ৰাপ্ত জিলা শাৰীৰিক শিক্ষা পৰিদৰ্শক
অসম চৰকাৰ

শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ জীৱনত চাৰিটা প্ৰধান কাম সমাধান কৰে। (ক) মস্তিস্ক কৰ্ষণৰ যোগেদি জ্ঞানৰ পথ মুকলি কৰে, (খ) জীৱিকাৰ বৃত্তি ল'ব পৰাকৈ উপযুক্ত কৰে, (গ) মানৱীয় অনুভূতি আৰু মূল্যবোধৰ বিকাশৰ পথ প্ৰশস্ত কৰি তোলে, (ঘ) আত্ম উপলব্ধিৰ দুৱাৰ মুকলি হয়। শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত মধুৰ সম্পৰ্ক গঢ় দি শিক্ষা আৰু ৰাষ্ট্ৰ উত্তৰণৰ কাৰ্যত শিক্ষকৰ লগত সবে সহযোগিতা কৰো আহক।

সুস্থ-সৱল এখন ৰাষ্ট্ৰৰ সৈতে জড়িত হৈ আছে সুস্থ-সৱল নাগৰিকৰ প্ৰসংগ। সুস্থ-সৱল নাগৰিক অবিহনে এখন সৱল ৰাষ্ট্ৰ গঢ়ি তোলা সম্ভৱ নহয়। ৰাষ্ট্ৰৰ উন্নয়নৰ বুনিয়াদ বুলিলে সেই ৰাষ্ট্ৰৰ মানৱ শক্তিকে বুজায়। বিশ্লেষণ কৰি দেখা যায় যে দেশৰ সামগ্ৰিক উন্নয়নৰ বুনিয়াদ ৰাষ্ট্ৰৰ মানৱ শক্তি। সুস্থ-সৱল নাগৰিক গঢ়িবলৈ শাৰীৰিক শিক্ষা বিষয়ত গুৰুত্ব দিব লাগিব। শাৰীৰিক শিক্ষা বিষয়টো বিদ্যালয়ৰ পাঠ্যক্ৰমত অৰ্ন্তভুক্তিৰ প্ৰয়োজন। বুনিয়াদি বিদ্যালয়ৰ পৰা বিশ্ব বিদ্যালয়ৰ পৰ্যায়ৰ শিক্ষানুষ্ঠানত একোজনকৈ শাৰীৰিক শিক্ষা বিষয়ক শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা উচিত। কেন্দ্ৰীয় চৰকাৰে শিক্ষানীতি প্ৰস্তুত কৰি শাৰীৰিক শিক্ষা বিষয়টোক প্ৰাথমিক স্তৰৰ পৰাই অৰ্ন্তভুক্ত কৰিছে। ছাত্ৰ-ছাত্ৰীক শাৰীৰিক শিক্ষা প্ৰদান কৰি সুস্থ-সৱল নাগৰিক ৰূপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। মন মগজুক যিদৰে পৃথক কৰিব নোৱাৰি সেইদৰে সুস্থ-সৱল ৰাষ্ট্ৰ এখন গঢ়িবলৈ শাৰীৰিক শিক্ষা পৃথককে ৰাখিব নোৱাৰি। এটি শিশুৰ সুস্থ-সৱল শাৰীৰিক আৰু মানসিক বিকাশৰ হেতু সন্তুলিত পুষ্টিকৰ আহাৰৰ প্ৰয়োজন। সন্তুলিত পুষ্টিকৰ আহাৰে এটি শিশুক এজন ব্যক্তিক স্বাস্থ্যৱান আৰু নিৰোগী কৰি ৰাখে। সুস্বাস্থ্যৰ সতে এটি সুস্থ মনৰ অধিকাৰী হ'বলৈ সন্তুলিত পুষ্টিকৰ আহাৰ সৈতে শাৰীৰিক ব্যায়াম আৰু খেলৰ অতীব প্ৰয়োজন। সুস্থ শৰীৰতহে সুস্থ মন থকাটো সম্ভৱ। প্ৰাচীন ভাৰতৰ গুৰুকূল শিক্ষা ব্যৱস্থাত শিষ্যসকলক নিয়মিত শাৰীৰিক অনুশীলনৰ সহিতে যোগ্য ভাগ্যৰ প্ৰশিক্ষণ ব্যৱস্থা হৈছিল। আধুনিক অসমৰ শিক্ষা ব্যৱস্থাত এই ছবিখন দেখিবলৈ পোৱা নাযায়। অসমৰ শিক্ষা ব্যৱস্থাত বিশেষকৈ স্কুল পৰ্যায়ত শাৰীৰিক শিক্ষা বিষয়টো ব্যৱহাৰ দেখা নাযায়। বেছি সংখ্যক বিদ্যালয়ত শাৰীৰিক শিক্ষা বা খেলা-ধূলা যে বিদ্যায়তনিক দিশত অপৰিহাৰ্য অংগ, কথাটো উপলব্ধি কৰিবলৈ প্ৰয়োজন। শাৰীৰিক শিক্ষাৰ উপকাৰ অপৰিসীম। কম সংখ্যক বিদ্যালয় কৰ্তৃপক্ষইহে শাৰীৰিক শিক্ষা আৰু শাৰীৰিক সক্ষমতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব পাৰিছে।

"শাৰীৰিক শিক্ষা" এটি শিশুৱে প্ৰাকৃতিকগতভাৱে মাতৃৰ গৰ্ভাৱস্থাতে লাভ কৰে। মাতৃৰ গৰ্ভত শিশুটিৰ লৰচৰ অৱস্থান পৰিৱৰ্তন (মুভমেণ্ট) মাতৃগৰাকীয়ে সহজেই অনুধাৱন কৰিব পাৰে। হাত-ভৰি জোকাৰি শিশুটিয়ে মাতৃৰ গৰ্ভত থকা অৱস্থাতে এক প্ৰকাৰ শাৰীৰিক শিক্ষা আহৰণ কৰে। প্ৰকৃতিগত শিক্ষা আহৰণ কৰা শিশুটিক সুস্থ-সৱল ৰূপত গঢ়ি তোলাৰ বাবে যিখিনি কৰণীয় সেইখিনিৰ পৰাই শাৰীৰিক শিক্ষাৰ আৰম্ভণি বুলিব পাৰি। সকলোৰেই মাতৃৰ গৰ্ভত থাকোতেই শাৰীৰিক শিক্ষাৰে পৰিচিত শিক্ষাৰ গুৰুত্ব সহজেই বুজিব পাৰি।

বৰ্তমান সময়ত দ্ৰুতভাৱে সামাজিক সমস্যাৰূপে পৰিগণিত হ'বলৈ ধৰা শিশুৰ মেদ, বহু বদ অভ্যাস ইত্যাদি এই শাৰীৰিক

শিক্ষাৰ অভাৱৰ ফলতেই হোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। শাৰীৰিক ব্যায়াম আৰু খেলা-ধূলাই শিশুৰ সঠিক শাৰীৰিক গঠন আৰু বৃদ্ধিত অভুতপূৰ্ব অৰিহণা যোগায়। বৰ্তমানৰ ল'ৰা-ছোৱালী স্কুল আৰু টিউচনৰ পঢ়া-শুনাৰ মাজতেই আৱদ্ধ। যি অলপ সময় পায়; সেই সময়কণো অধিকাৰ কৰি লয় টিভি আৰু কম্পিউটাৰে। শাৰীৰিক শিক্ষা বা শৰীৰ সুস্থ কৰাৰ কোনো ব্যৱস্থা নাই লগতে সুবিধাও নাই। স্কুলসমূহেই এই যান্ত্রিক ৰুটিনখনৰ পৰা ছাত্র-ছাত্ৰীক আঁতৰাই আনি পূৰ্ণ জীৱনক প্ৰভাৱিত কৰিব পাৰে।

শাৰীৰিক শিক্ষাই একেটা সময়ত বহু কেইটা উদ্দেশ্য সাধন কৰিব পাৰে। শাৰীৰিক শিক্ষাক বহুমুখী শিক্ষাৰূপেও স্বীকৃতি দিব পাৰি। শাৰীৰিক শিক্ষা নতুন প্ৰজন্মক শাৰীৰিক সুৰক্ষিত কৰি নিৰোগী সুন্দৰ জীৱন সামূহিক শক্তিত বিশ্বাসী হৈ সমাজপ্ৰিয় একোজন নাগৰিকৰ আশা কৰিব পাৰি। চিকিৎসাজনিত দিশত শাৰীৰিক শিক্ষাৰে শিশু অৱস্থাৰ পৰাই সুস্থ-সৱল হৈ উঠিলে বহু মাৰাত্মক ৰোগৰ পৰা মুক্ত হৈ থাকিব পাৰি। শিক্ষানুষ্ঠানত প্ৰাথমিক স্তৰৰ পৰা শাৰীৰিক শিক্ষাক পাঠ্যক্ৰমত মূল বিষয়ত অৰ্ন্তভুক্ত হ'লে হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ পথ মুকলি হ'ব।

১। নিজকে এজন সুদক্ষ খেলুৱৈ ৰূপে গঢ়ি ব্যক্তিগত স্পনছৰ বা চৰকাৰি চাকৰিত নিয়োজিত হৈ জীৱন গঢ় দিব পাৰি।

২। খেলৰ প্ৰশিক্ষক হিচাপে নিয়োজিত।

৩। ক্ৰীড়া সাংবাদিকতা।

৪। ক্ৰীড়া সামগ্ৰী নিৰ্মাণ প্ৰতিষ্ঠান ব্যৱসায়।

৫। খেল পৰিচালক, আম্পায়াৰ, ৰেফাৰী।

৬। প্ৰচাৰ মাধ্যমত নিয়োজিত (Advartizement)।

শাৰীৰিক শিক্ষাৰ দ্বাৰা ক্ৰীড়াৰ এশ শতাংশ উন্নতি কৰিব পাৰি এই উন্নতি দ্বাৰা ব্যক্তিগত উন্নতি আৰু সংস্থাপন আহৰণ হোৱাৰ লগতে সমাজ গঢ় দি নিজ জিলা, ৰাজ্যক সন্মানিত কৰাৰ লগতে বৰ্তমান সময়ত Sports Tourisim সৃষ্টি কৰি একোটা অঞ্চলক আৰ্থিক উন্নতিৰ লগতে সমাজ গঢ় দিব পাৰি।

একমাত্ৰ ক্ৰীড়া আৰু শাৰীৰিক শিক্ষাৰ জৰিয়তে কঠোৰ অনুশাসনৰ পৰা মুক্তি পোৱাটো সহজসাধ্য হয়। কিয়নো শাৰীৰিক শিক্ষা আৰু ক্ৰীড়াৰ জৰিয়তে শিশুৰ শাৰীৰিক সক্ষমতা বাঢ়ে আৰু শাৰীৰিক সক্ষমতাই তেওঁলোকৰ আত্মবিশ্বাস বঢ়াই তোলে। আত্মবিশ্বাস বাঢ়িলেই শিশুৱে নিজে ভবা কথাবোৰ আনৰ আগত ব্যক্ত কৰিবলৈ সংকোচ নকৰে আৰু ভবিষ্যৎ জীৱনত তেওঁলোকৰ সহায়ক হৈ পৰে। সুস্থ-সৱল শৰীৰৰ মানৱ সম্পদেই এটা জাতিক, এখন ৰাষ্ট্ৰক উন্নতি শিখৰলৈ আগবঢ়ায় নিয়াত বিভিন্ন ক্ৰীড়া আৰু শাৰীৰিক শিক্ষা দুয়োটাই সমৰ্থক হৈ পৰিছে। যন্ত্ৰনিৰ্ভৰ যুগত একধেয়ামি আৰু ভোগ সৰ্বস্ব জীৱনৰ পৰা আঁতৰত থাকি এটা সুস্থ-সৱল জীৱন-যাপন কৰাৰ সাহস আৰু সক্ষমতা কেৱল শাৰীৰিক শিক্ষাইহে দিব পাৰে। শাৰীৰিক শিক্ষাৰ জৰিয়তেই ছাত্র-ছাত্রীয়ে সুস্থ জীৱন-যাপনৰ কৌশল আৰু জ্ঞানৰ লগতে সৰুচিপূৰ্ণ ব্যৱহাৰ আৰু আচৰণ আয়ত্ব কৰে। ছাত্র-ছাত্রীসকলৰ সামাজিক সচেতনতাৰ লগতে সামাজিক দায়বদ্ধতাও বৃদ্ধি কৰে। সুস্থ-সৱল ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে চৰকাৰে শাৰীৰিক শিক্ষাক পাঠ্যক্ৰমত মূল বিষয় ৰূপে অৰ্ন্তভুক্ত কৰি উঠি অহা প্ৰজন্মক সকলো দিশৰ পৰা সুস্থ সৱল কৰি তোলাৰ বাবে বুনিয়াদ গঢ়ি তোলাৰ প্ৰয়োজন, কিয়নো স্বাস্থ্যই মূলধন। ❒❒

# শিশুৰ শিক্ষা গ্ৰহণত এগৰাকী মাতৃৰ ভূমিকা

**ৰশ্মি দলে**
জিলা প্ৰালোচক, নিপুণ অসম
সমগ্ৰ শিক্ষা, ধেমাজি
কোলাপথাৰ পানীগাওঁ, ধেমাজি

শিক্ষা হৈছে মানৱ জীৱনৰ চালিকা শক্তি। শিক্ষা ই মানুহক জ্ঞানৰ পোহৰ বিলাই প্ৰগতিৰ পথ দেখুৱায়। প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শিক্ষাই মানৱ সভ্যতাৰ বোৱতী সুঁতি বুলি ক'ব পাৰি। শিক্ষাই এখন সমাজক সভ্যতাৰ পোহৰ বিলাই মানুহ হিচাপে স্বীকৃতি প্ৰদান কৰে। আমাৰ দেশৰ ধৰণী স্বৰূপ কণ কণ শিশুসকলৰ এই শিক্ষাৰ মূল ভেটি গ্ৰহণৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ ভূমিকা তথা অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ। এখন সমাজৰ ভৱিষ্যত হ'ল আমাৰ কণ কণ শিশুসকল। শিশুসকলেই হৈছে দেশৰ ভৱিষ্যতৰ নাগৰিক। এটি শিশুৰ জীৱনত গৰ্ভাৱস্থাৰ পৰা শেষ মুহূৰ্তলৈকে আটাইতকৈ বেছি প্ৰভাৱ পেলোৱা আৰু আটাইতকৈ বেছি সময় অতিবাহিত কৰা ব্যক্তিগৰাকীয়েই হৈছে মাতৃ। গতিকে আজি আমি এগৰাকী মাতৃয়ে সন্তানৰ জীৱন গঢ়োতা খনিকৰ হিচাপে ল'বলগীয়া ভূমিকা সম্পৰ্কে আলোচনা কৰিবলৈ আগবাঢ়িছো। এটি শিশুৰ জীৱনৰ প্ৰাৰম্ভিক সময়ছোৱা খুব গুৰুত্বপূৰ্ণ। শিশুৰ সামগ্ৰীক বৃদ্ধি আৰু বিকাশৰ কাৰণে এক উপযুক্ত পৰিৱেশৰ প্ৰয়োজন।

ঘৰখনেই হৈছে এটি শিশুৰ জীৱনৰ চৰিত্ৰ গঠনৰ প্ৰথম অনানুষ্ঠানিক শিক্ষানুষ্ঠান। এই ঘৰখনৰ এটি শিশুৰ প্ৰধান আৰু প্ৰথম শিক্ষয়িত্ৰী হৈছে মাতৃ। এটি শিশুৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত মাতৃৰ দায়িত্ব, কৰ্তব্য আৰু ভূমিকা অতুলনীয়। জন্মগত ভাৱে কোনো শিশুৱে নিজৰ চৰিত্ৰ গঢ় লৈ নাহে। পিতৃ মাতৃ, পৰিয়াল আৰু চাৰিওফালৰ পৰিৱেশৰ সংস্পৰ্শত এটি শিশুৰ সৰ্বাংগীন বিকাশ সাধন ঘটে। কুমাৰসকলে কোমল আলতীয়া মাটি পিটি পিটি চাকত ঘূৰাই পুৰি যিদৰে নানা মাটিৰ শিল্প গঢ়ি তোলে ঠিক সেইদৰে এটি শিশুৰ জন্মগত সুপ্ত গুণৰাজি সমূহ বিকাশৰ ক্ষেত্ৰত মাতৃ গৰাকীৰ এক সুস্থিৰ, শুদ্ধ আৰু সু-নিৰ্দেশনাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিয়নো এটি শিশুৰ জীৱনত মাতৃ গৰাকীয়ে এনে এজন ব্যক্তি, যিজনে শিশুৰ অন্তৰৰ প্ৰতিটো স্পন্দন অনুভৱ কৰিব পাৰে। যিহেতু প্ৰত্যেক শিশুৱে অনুকৰণৰ জৰিয়তে প্ৰথমে জ্ঞান আহৰণ কৰে। গতিকে ঘৰখনৰ মাতৃ গৰাকীৰ লগতে পিতৃ তথা আন সদস্য সকলৰ মাৰ্জিত আচাৰ-ব্যৱহাৰে শিশুৰ সুস্থ মানসিক তথা বৌদ্ধিক বিকাশত অৰিহণা যোগায়। প্ৰতিজন অভিভাৱকে নিজৰ শিশুটিক সুস্থ-সবল, চৰিত্ৰৱান, আদৰ্শনিষ্ঠ, নৈতিকতা পূৰ্ণ ব্যক্তি ৰূপে গঢ়ি তোলাৰ কামনা কৰে। গতিকে সাম্প্ৰতিক পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত শিশু এটিক জীৱনৰ মূল লক্ষ্যত উপনীত হ'বলৈ বা সঠিক দিশে আগবঢ়াই নিবলৈ বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিবলগীয়া চৰিত্ৰ গৰাকীয়ে হ'ল মাতৃ। সেয়েহে মাতৃ গৰাকীয়ে হ'ব লাগিব সম্পূৰ্ণ দায়িত্বশীল, কৰ্তব্যশীল আৰু সদা সচেতন ব্যক্তি। ঘৰখনত সদায় এক অনুকূল পৰিৱেশ সৃষ্টি কৰি ৰাখিব লাগিব। সজ চিন্তা, সজ আচৰণ, সজ গুণ, সজ অভ্যাস আদিবোৰ ঘৰখনতে গঢ়ি তুলিব লাগিব।

সকলো শিশুৰ আচৰণ তথা গুণগত মানদণ্ড সমান নহয়। কাৰোবাৰ যদি স্মৃতি শক্তি কম, কাৰোবাৰ বেছি, কোনোবা শান্ত প্ৰকৃতিৰ, কোনোবা খিংখিঙীয়া, কোনোবাই সহজে অনুকৰণ কৰিব পাৰে, কোনোবাই নোৱাৰে। আনহাতে কোনোবা অংকত চোকা, কোনোবা বৰ কেঁচা কিন্তু সি খুব সুন্দৰ গীত গাব পাৰে। কোনোবাই

খুব ভাল নৃত্য কৰে, আন কোনোবাই খুব ভাল ছবি আঁকে, কোনোবাই খুব ভাল খেলে তেন্তে আন কোনোবাই ৰুমালত খুব ধুনীয়া ফুল বাচে। মুঠতে প্ৰত্যেকজন শিশু একো একোটা একক প্ৰতিভাৰে পৰিপূৰ্ণ। কেৱল সময়ৰ লগে লগে প্ৰত্যেক শিশুৰ নিজৰ নিজৰ যোগ্যতা অনুসৰি বিকাশ সাধন ঘটে। গতিকে এগৰাকী মাতৃয়ে নিজৰ সন্তানক ভালদৰে নিৰীক্ষণ কৰি সিহঁতৰ সুস্থ বিকাশত সহযোগিতা তথা অৰিহণা যোগায় সিহঁতক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাই হৈছে এগৰাকী মাতৃৰ জীৱনৰ আটাইতকৈ গুৰু দায়িত্ব আৰু কৰ্তব্য।

সামূহিকভাৱে সকলো মাতৃয়ে নিজৰ সন্তানৰ ক্ষেত্ৰত লবলগীয়া যত্ন সমূহৰ কেইটিমান দিশ হৈছে —

১। সাধাৰণতে প্ৰত্যেক শিশুৱে শিশু সুলভ চঞ্চলতাৰে কিছুমান দুষ্টামি কৰে। তেনে ক্ষেত্ৰত কেৱল খং বা মাৰপিট নকৰি সেই কামটোৰ পৰা তাৰ কি ক্ষতি হ'ব পাৰে বা সি কি দুখ পাব সেয়াহে বুজাবলৈ যত্ন কৰিব লাগে। সকলো সময়তে খং বা মাৰপিট কৰিলে শিশুৰ জেদ ভাব বাঢ়ি যায় আৰু লাহে লাহে খঙীয়াল হৈ পৰে।

২। সন্তানক কেতিয়াও আন শিশুৰ লগত তুলনা কৰিব নালাগে। আলহী বা পৰিয়ালৰ আন সদস্যসকলৰ আগত বেয়াকৈ ক'ব বা গালি দিব নালাগে। এনে কাৰ্যই শিশুৰ আত্মসন্মানত আঘাত দিয়ে আৰু সেই আঘাতে তাৰ জীৱনত নেতিবাচক প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। এগৰাকী মাতৃয়ে এনে কথাবোৰ নজৰ ৰাখিব লাগে।

৩। সন্তানক ভাল কথা বা ভাল আচৰণৰ উপদেশ দিয়াতকৈ নিজে কৰি দেখুৱাব লাগিব। শিশুসকল হৈছে অনুকৰণ প্ৰিয়। শিশুৱে আমি যি কৰিবলৈ কওঁ সেইটো কেতিয়াও নকৰে কিন্তু আমি যি কৰোঁ সেইটো ১০০% কৰে। আমি যদি সন্তানৰ পৰা ভদ্ৰ আচৰণ, ডাঙৰক সন্মান কৰা, বা অনুশাসন মানি চলাটো বিচাৰো তেন্তে আমি ঘৰখনত থকা সদস্যসকলে প্ৰথমে ইজনে-সিজনক ভদ্ৰ আচৰণ আৰু সন্মান প্ৰদৰ্শন কৰিব লাগিব। অন্যথা আমি আমাৰ সন্তানক কেতিয়াও এইবোৰ শিক্ষা দিব নোৱাৰিম।

৪। সন্তানক কেতিয়াও আনৰ আগত সমালোচনা কৰিব নালাগে। আনৰ আগত কৰা সমালোচনাই শিশুটিৰ আত্মবিশ্বাস হেৰুৱাই পেলায় আৰু তাক সকলো কামৰ প্ৰতি আগ্ৰহ নাইকীয়া কৰি তোলে।

৫। সন্তানক সি কৰা সৰু সৰু ভাল কামৰ বাবে প্ৰশংসা কৰিবলৈ অভ্যাস কৰিব লাগে। এই প্ৰশংসাই তাক অনাগত দিনত ভাল কাম কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে সদায় শুদ্ধ পথত আগবঢ়াই নি জীৱনত এক ইতিবাচক দিশত আগবাঢ়ি যোৱাত সহায় কৰে।

৬। শিশুৰ প্ৰতিটো কামৰ সময়সূচী থকাৰ প্ৰয়োজনীয়তা আছে যদিও দিনটোৰ অলপ সময় শিশুটিক সি কৰি ভালপোৱা ধৰণে কাম কৰিবলৈ দিয়া উচিত। এনে কাৰ্যই শিশুৰ মানসিক চাহিদা পূৰণ কৰাৰ লগে লগে তাক বাকীবোৰ কাম সময়সূচী মতে কৰাৰ বাবে মন প্ৰফুল্লিত কৰি তুলিব।

৭। অকণমান ডাঙৰ হোৱাৰ লগে লগে শিশুটিক তাৰ নিজৰ কামবোৰ নিজে কৰিবলৈ দিয়া উচিত। যেনে - খেলা সামগ্ৰীবোৰ নিজে আগৰ স্থানত থোৱা, নিজ হাতেৰে ভাত খোৱা, নিজে নিজৰ কাপোৰ পিন্ধা ইত্যাদি। এনে কামসমূহে শিশুটিক আত্মনিৰ্ভৰ মনোভাৱৰ গঢ় দি ভৱিষ্যতে স্ব-নিৰ্ভৰশীল হ'ব পৰাকৈ সাজু কৰি তুলিব।

৮। মাতৃসকলে সদায় সন্তানৰ লগত এক বন্ধুত্বসুলভ সম্পৰ্ক গঢ়ি তুলিব লাগে। ভৱিষ্যতে সন্তানটিয়ে যিকোনো ধৰণৰ বেয়া কাম বা বেয়া সংগত পৰিলেও সেই বন্ধুত্ব সুলভ সম্পৰ্কৰ এনাজৰীডালে মাকৰ ওচৰত সকলো কথা নিৰ্ভয়ে ব্যক্ত কৰাৰ এক নিৰাপত্তামূলক আৰু অনুকূল পৰিৱেশ গঢ় দিব। অন্যথা সদায় খং বা মাৰপিট কৰি থাকিলে আমাৰ সন্তান কোন ফালে গতি কৰি আছে আমি একোকে গম নাপাম।

৯। সন্তানৰ সৰু-বৰ সকলো চিন্তাধাৰাক সন্মান দিবলৈ যত্ন কৰিব লাগে। সন্তানে যেতিয়া ভুল কৰে তেতিয়া আমি বিচাৰোঁ সিহঁতে আমাক ক্ষমা খোজক বা ভুল স্বীকাৰ কৰক। ঠিক সেইদৰে আমি যেতিয়া ভুল কৰোঁ তেতিয়া সিহঁতৰ ওচৰত আমি 'SORRY' খোজাৰ সংস্কৃতি আৰম্ভ কৰা প্ৰয়োজন। কিয়নো আমি সকলোৱে জানো সদায় ভুল সন্তানৰ নহয় কেতিয়াবা ভুল আমি অভিভাৱকসকলেও কৰোঁ। যিদিনাখন আমি সন্তানৰ আগত নিজে কৰা ভুলৰ বাবে তাৰ ওচৰত ক্ষমা খুজিব আৰম্ভ কৰিম সেইদিনাখনৰ পৰা আমাৰ সন্তানে সি কৰা ভুলৰ বাবে আমি বিচৰাতকৈ

আগতে ক্ষমা খুজিব। এই কাৰ্য ই অভিভাৱক আৰু সন্তানৰ মাজত এক আজীৱনীয়া আবেগিক সম্পৰ্ক গঢ়ি তোলাৰ লগতে ভৱিষ্যত নিজৰ ভুল স্বীকাৰ কৰাৰ এক মানসিকতা গঢ় দিব।

১০। শেষত বৰ্তমান প্ৰযুক্তি বিদ্যাৰ অৱদানসমূহে যিদৰে আমাৰ জীৱনত ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে তাৰ সমান্তৰালভাৱে যথেষ্ট নেতিবাচক প্ৰভাৱ পেলাইছে। বৰ্তমান প্ৰায় দেখা যায় প্ৰত্যেক গৰাকী মাতৃয়ে সন্তানটিক ভাত খোৱাবলৈ ম'বাইলটো খুলি লয়। ম'বাইলৰ অবিহনে সন্তানে ভাত নাখায়। ম'বাইল আৱিষ্কাৰ নহওঁতেই শিশুৱে নিশ্চয় ভাত খাইছিল। এতিয়া কেৱল আমি মাকসকলে সৰুৱে পৰা এটা বদ অভ্যাস শিশুসকলক গঢ় দিছো। পাছত এই সন্তান যেতিয়া ডাঙৰ হৈ পঢ়া-শুনা নকৰি বা খেলা-ধূলা নকৰি কেৱল ম'বাইলত সময় অতিবাহিত কৰে তেতিয়া আমি হাবাথুৰি খায় ফুৰো বা বিপদত পৰো। তাক মাৰপিট কৰিবলৈ আৰম্ভ কৰোঁ। অথচ সেই ম'বাইলটো আপুনি মইয়ে প্ৰথম তাৰ হাতত তুলি দিছিলোঁ।

গতিকে সৰুতে ভাত খোৱাবলৈ ম'বাইলটো নিদি তাক খেলিবলৈ শিলগুটি কেইটামান বা গছৰ পাত কেইখিলামান তাৰ ওচৰত আনি খেলিবলৈ দিলেও সকলো শিশুয়ে নিশ্চয় ভাত খাব। কেৱল মাত্ৰ প্ৰয়োজন সঠিক অভিভাৱকত্বৰ আৰু অকণমান সচেতনতাৰ।

নেপোলিয়ন বোনাপাৰ্টে মাতৃসকলক উদেশ্যে কৈছিল — "তোমালোকে সু-সন্তান দিয়া, মই তোমালোকক এটা উন্নত জাতি দিম।" এগৰাকী নাৰীৰ বাবে মাতৃ হ'ব পৰাটো গৌৰৱৰ কথা কিন্তু প্ৰকৃত অৰ্থত মাতৃত্বৰ গৌৰৱ অৰ্জন কৰাটো সহজ কথা নহয়। এগৰাকী আদৰ্শ মাতৃ বুলি তেতিয়া ক'ব পাৰি যেতিয়া সন্তান সৎ, আদৰ্শবান, সু- নাগৰিক হিচাপে গঢ়ি তুলিব পাৰি। সন্তানক সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ "মাতৃত্ব" শব্দৰ আঁৰত থকা সাৰমৰ্মৰ যি গধূৰ দায়িত্ব আৰু কৰ্তব্য সেয়া প্ৰত্যেক গৰাকী মাতৃয়ে অনুভৱ কৰিব লাগিব। এই সাৰমৰ্মৰ অনুভৱ কৰিব পাৰিলেই আমি সন্তানক ভৱিষ্যত সু-যোগ্য নাগৰিক হিচাপে গঢ়ি তুলি মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিব পাৰিম। ❒❒



# চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ সমস্যা আৰু সমাধানৰ পথ!

**বিপুল শৰ্মা**
প্ৰাক্তন প্ৰশিক্ষাৰ্থী, ডি.এল.এড.

শিক্ষাৰ মূল ভেটি ঘৰখন বুলি ক'লেও কিন্তু প্ৰাথমিক বিদ্যালয়তে শিশুৰ শিক্ষাৰ ব্যৱহাৰিক দিশটো আৰম্ভ হয়। শিশু এটিৰ ব্যৱহাৰিক দিশত অৰ্থাৎ পাঠ্যপুথি ভিত্তিক শিক্ষা প্ৰাক প্ৰাথমিকত চিনাক্ত হ'লেও প্ৰথম শ্ৰেণীৰ পৰাহে পাঠ্যপুথি ভিত্তিক শিক্ষা আৰম্ভ হয়। অৰ্থাৎ ছয়বছৰ বয়সৰ শিশুৰ পাঠ্যপুথি ভিত্তিক শিক্ষা দিয়া প্ৰক্ৰিয়াত শিক্ষকৰ প্ৰধান সহায়কাৰী ভূমিকা গ্ৰহণ কৰে। অসমত চৰকাৰী খণ্ডৰ আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয় আছে। প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাী খণ্ডৰ বিদ্যালয়ৰ সংখ্যা যথেষ্ট বেছি। বৰ্তমান অসমত প্ৰায় ৩৩৮৭৫ খন চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয় প্ৰায় ১০০৬২৮ জন শিক্ষকে কৰ্মৰত হৈ আছে। এই বিদ্যালয় সমূহত ক শ্ৰেণীত ২৪৫৮৮৭ জন আৰু প্ৰাথমিকত প্ৰায় ২০৭২১১৬ জন ছাত্ৰ-ছাত্ৰী আছে অৰ্থাৎ প্ৰাথমিক শাখাত শিক্ষক ছাত্ৰ অনুপাত ২১ঃ১। চৰকাৰী তথ্য মতে শিক্ষক বিহীন বিদ্যালয় আৰু এজন শিক্ষকৰ বিদ্যালয় সংখ্যা বহু কেইখন আছে। যদিও চৰকাৰী পৰিসংখ্যা মতে শিক্ষক ছাত্ৰৰ যি সংখ্যা ৩০ঃ১ তাতকৈ অসমৰ সংখ্যা বহুত ভাল।

অসমৰ চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত 'ক' মানকে ধৰি পঞ্চম মানলৈ মুঠ ছটা শ্ৰেণী। সেইদৰে 'ক' মানত তিনিটা, প্ৰথম আৰু দ্বিতীয় মানত তিনিটাকৈ তৃতীয়ৰ পৰা পঞ্চমলৈ চাৰিটাকৈ মুখ্য বিষয় অৰ্থাৎ ২১ টা মুখ্য বিষয়ৰ লগতে অন্য বিষয় আৰু সহ বিদ্যায়তনিক বিষয় আছে. অসমৰ প্ৰায় ৮০ শতাংশৰ ওপৰৰ বিদ্যালয় শিক্ষক দুজন বা তাতকৈ কম। এতিয়া দুজন শিক্ষকে ছয়টা শ্ৰেণীত পাঠদান কৰিব লাগিব ২১ টা মুখ্য বিষয়। এজনীয়া বিদ্যালয়সমূহৰ কথা বাদ দিলো। ইয়াৰ লগে লগে শিক্ষা সেতু এপত উপস্থিতি দিয়া (নেট নাথাকিলে সমস্যা), মধ্যাহ্ন ভোজনৰ দায়িত্ব, পি.এম. পোষণত মেছেজ দিয়া, পাঠদানৰ ফটো দিয়া, মধ্যাহ্ন ভোজনৰ ফটো দিয়াৰ লগতে ডাইচকে দৰি বিভিন্ন তথ্য আপলোড কৰা, বিভাগীয় কৰ্তৃপক্ষৰ পৰা বিভিন্ন বস্তু আনিবলৈ যোৱা আদি কাম আছে, এনেক্ষেত্ৰত চৰকাৰী খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পৰিবেশ কিমান বাস্তৱ সন্মত সেয়া চিন্তাৰ বিষয়।

শিক্ষাৰ মান উন্নত কৰা ক্ষেত্ৰত চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনি সমূহৰ পৰা শিশুসকল লাভবান হৈছে আৰু বিদ্যালয়লৈ শিশুৰ আগমন হৈছে, নামভৰ্তি হাৰ বৃদ্ধি হৈছে, আধাতে বিদ্যালয় ত্যাগ কৰা শিশু কমি গৈছে। অৰ্থনৈতিক সমীক্ষাৰ মতে নিম্ন প্ৰাথমিকত আধাতে বিদ্যালয় ত্যাগ কৰা শিশুৰ হাৰ ৬.২।

ইয়াৰ প্ৰধান কাৰণ হৈছে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, বিনামুলীয়া পাঠ্যপুথি যোগান, ঐক্য সাজ, মধ্যাহ্ন ভোজন আদি। তাৰ লগতে মেধা আৰু যোগ্যতা ভিত্তি দুৰ্নীতি আৰু স্বজন তোৰণ মুক্ত ভাৱে হোৱা শিক্ষক নিযুক্তিও অন্যতম প্ৰধান কাৰণৰূপে বিবেচিত হৈছে। যদিও প্ৰাথমিক বিদ্যালয়ত শ্ৰেণী অনুপাতে আৰু বিষয় অনুসৰি শিক্ষক নাই, তথাপিও পূৰ্বৰ তুলনাতকৈ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি হাৰ বৃদ্ধি হৈছে। এয়া চৰকাৰী খণ্ডৰ বাবে শুভ লক্ষণ যদিও বহু বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ অভাৱত বন্ধ হৈছে বা বন্ধ হ'বলৈ গৈ আছে।

চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ সমস্যা সমূহ মুখ্যত প্ৰাথমিক বিদ্যালয়ত। যিহেতু ৩৩৮৭৫ খন বিদ্যালয়ৰ মাত্ৰ ১০৭৭ খন বিদ্যালয়হে নগৰ অঞ্চলত অৱস্থিত। এই বিদ্যালয়সমূহত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীক গৰিষ্ঠ সংখ্যকৰ অভিভাৱক অসচেতন আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় মুখী কৰি তোলা বা বিদ্যালয়ত ধৰি ৰখা যথেষ্ট কষ্টকৰ। তাতে শিক্ষকৰ সংখ্যা শ্ৰেণী অনুপাতে নহ'লে এই ক্ষেত্ৰত আৰু সমস্যা সৃষ্টি হয়। বিদ্যালয়সমূহৰ বহু পৰিচালিনা সমিতি কাৰ্যত কাৰ্যক্ষম নহয়। মাথো কাগজে কলমে হে পৰিচালনা সমিতিসমূহ কাৰ্যক্ষম দেখুওৱা হয়। এনেকোৰণত বহু বিদ্যালয়ত পাঠদান গুণগত দিশত হোৱাটো আশা কৰা ধৰণে নহয়। একেদৰে দুজন বা এজন শিক্ষকৰ বিদ্যালয়ৰ কাৰ্যালয়ৰ কাম আদি কৰাৰ ক্ষেত্ৰত প্ৰায় জড়িত হৈ থাকিব লগা হোৱাত পাঠদানত সমস্যা হয়। যদিও চি.আৰ.চি.চি. বা একাউণ্টেণ্ট আছে, তথাপিও মুখ্যত বিদ্যালয়ৰ শিক্ষকে এই কাম কৰিব লাগে। তাতে বিদ্যালয়ত নেটৱৰ্কৰ অসুবিধা আছে। সেইদৰে আৰ্থিক লেনদেনৰ স্বচ্চৰ্তা অনাৰ ক্ষেত্ৰত যি ব্যৱস্থা গ্ৰহণ কৰিছে, সেয়াই এক প্ৰকাৰৰ অলিখিত দুৰ্নীতি হ'বলৈ বেছি দিন নাই। গতিকে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ পৰিবেশ গঢ়াৰ ক্ষেত্ৰত চৰকাৰৰ এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগে। যিহেতু মণ্ডল সমন্বয়ক আৰু একাউণ্টেণ্ট আছে, তেখেতসকলক অধিক দায়িত্ব দিয়াৰ লগতে, মধ্যাহ্ন ভোজন আৰু বিভাগীয় কৰ্তৃপক্ষৰ পৰা যোগান ধৰা সামগ্ৰীসমূহ তেখেতসকলৰ যোগেদি বিদ্যালয়ত নিৰ্দিষ্ট সময়ত যোগান ধৰিলে, শিক্ষকসকলৰ পাঠদানত সহায় হ'ব আৰু শৈক্ষিক পৰিবেশ উন্নত হ'ব যেন ধাৰণা হয়।


শেহতীয়াকৈ ২০১৭ চনৰ পৰা আৰম্ভ কৰা গুণোৎসৱে এক পৰিবেশ সৃষ্টি কৰিছে, কিন্তু দেখা গৈছে যে বিদ্যালয়সমূহত গুণোৎসৱৰ যি গুৰুত্ব তাক যেন ক্ৰমে হেৰুৱাই পেলাইছে। কাৰণ গুণোৎসৱ এতিয়া নিয়ম মাত্ৰিক ব্যৱস্থালৈ পৰিবৰ্তন হ'ব ধৰিছে। কাৰণ বহিঃনিৰীক্ষকে দিয়া ব্যৱস্থাসমূহৰ বহু ক্ষেত্ৰত কাৰ্যকৰী কৰা ক্ষেত্ৰত যেন বিভাগীয় কতৃপক্ষই গুৰুত্ব নিদিয়ে। তেনেদৰে বহু সময়ত চৰকাৰৰ পৰা দিয়া ঘোষণা কাৰ্যকৰী কৰা দেখা নাযায়। ফলত গুণোৎসৱৰ উৎসাহ তেনেই কমি গৈছে।

প্ৰাথমিক শিক্ষা উন্নয়নত বিশেষকৈ শৈক্ষিক দিশত জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ যোগেদি মূল্যায়ন কৰা ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা প্ৰতি পোন্ধৰ দিন বা এমাহৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ যোগেদি প্ৰশ্ন তৈয়াৰ কৰি মণ্ডল সমল কেন্দ্ৰ যোগেদি ছাত্ৰ- ছাত্ৰীৰ মাজত মূল্যায়নৰ ব্যৱস্থা কৰা প্ৰক্ৰিয়া আৰম্ভ হ'ব লাগে আৰু মণ্ডল পৰ্যায়ত এই সমূহ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ঘোষণা হ'ব লাগে। একেদৰে ছাত্ৰ-ছাত্ৰীৰ বাবে অভ্যাসন বহীৰ লগতে প্ৰয়োজনীয় সকলো সামগ্ৰী শিক্ষাবৰ্ষৰ আৰম্ভণিতেই তাৰ ব্যৱস্থা ল'ব লাগে।

চৰকাৰৰ আন্তৰিকতা, শিক্ষকৰ সদিচ্ছা আদি বহু পৰিমাণে শৈক্ষিক পৰিবেশ গঢ়াৰ ক্ষেত্ৰত সহায় কৰে। শিক্ষকসকলৰ সা-সুবিধাসমূহৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা অতি জৰুৰী। শিক্ষাৰ পৰিবেশ গঢ়াৰ ক্ষেত্ৰত অভিভাৱকৰ গুৰুত্ব অতি বেছি যদিও চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ অভিভাৱক অসচেতনতা আৰু দৰিদ্ৰতাই বহু সময়ত তেওঁলোকক বিদ্যালয়ত জড়িত হ'ব নোৱাৰে। এই বাস্তৱ সত্যটো যেতিয়ালৈকে চৰকাৰে উপলব্ধি কৰিব নোৱাৰে, তেতিয়ালৈকে প্ৰাথমিক বিদ্যালয়ৰ সমস্যা থাকিব। ❐❐

# ফুটুকা ওলোৱা নেতা

**দিব্যজ্যোতি গগৈ**
প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজি



আজি বিহাৰৰ গড়কাপ্তানী মন্ত্ৰী যাদৱ ছাৰ আমাৰ শৰ্মা চাৰৰ ঘৰলৈ অহাৰ কথা। শৰ্মা ছাৰ হৈছে — অসমৰ এটা ভিতৰুৱা সমষ্টিৰ বিধায়ক তথা অসমৰ গড়কাপ্তানী মন্ত্ৰী। অৱশ্যে কোনো ৰাজনৈতিক উদ্দেশ্য নাই। দুয়োজন খুউব ঘনিষ্ঠ বন্ধু।

মই শৰ্মা ছাৰৰ ব্যক্তিগত সহায়ক। সেয়ে শৰ্মা চাৰৰ সকলো কাম কৰাৰ লগতে ছাৰৰ লগত ঘূৰি ফুৰিব লাগে। সভাত ছাৰে দিবলগীয়া ভাষণৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো কাম-কাজ ময়ে চাওঁ। তাৰোপৰি, চাৰৰ কাম-কাজত বিহাৰৰ যাদৱ ছাৰেও যথেষ্ট সহায় কৰে। শৰ্মা ছাৰে কয় — যাদৱ ছাৰ বোলে তেওঁতকৈ খুউব টেঙৰ আৰু পঢ়াটো চোকা। দুয়ো (Pune University) ত (M.A.) পঢ়াৰ পৰা চিনাকি। তেতিয়াৰ পৰা দুয়ো ভাল বন্ধু। সেয়ে আমাৰ শৰ্মা ছাৰে যিকোনো কথাতে যাদৱ ছাৰৰ

পৰামৰ্শ লয়। যোৱাবাৰ মঁাচাৰ আৰু মই দুয়ো যাদৱ ছাৰৰ ঘৰলৈ গৈছিলো। যাদৱ ছাৰৰ ঘৰ দেখি আমাৰ শৰ্মা ছাৰৰ চকু কপালতউঠিল। আমাৰ শৰ্মা ছাৰে কৌতূহল দমন কৰিব নোৱাৰি যাদৱ ছাৰক সুধিলে — ইমান টকা ক'ত পালি। ইমান ডাঙৰ অট্টালিকা কেতিয়া বনালি?

তেতিয়া যাদৱ ছাৰে শৰ্মা ছাৰ আৰু মোক একেবাৰে পাঁচ নং মহলাটোলৈকে চিৰিৰে লৈ গ'ল আৰু ওপৰৰ পৰা দূৰলৈ আঙুলিয়াই দেখুৱাই ক'লে — সৌ দলংখন দেখিছ?

শৰ্মা ছাৰ আৰু মই ক'লো — অ' দেখিছো।

তাৰ পাছত যাদৱ ছাৰে ক'লে — যোৱা বছৰ বনালো। ১০ কোটি টকাৰ বাজেট, তাৰে ২০ শতাংশ কমিচন মোৰ। দলং হ'ল আৰু মোৰ ঘৰটোও হ'ল। সেইয়াই আৰু ....।

যাদৱ ছাৰৰ বুদ্ধি দেখি দুয়ো তবধ মানিলো। সেইবাৰ যাওঁতে, শৰ্মা ছাৰে যাদৱ ছাৰক মাঘ বিহুত নিমন্ত্ৰণ কৰি থৈ আহিছিল। তাকে আজি যাদৱ ছাৰ আহিব।

যথা সময়ত যাদৱ ছাৰ আহি শৰ্মা ছাৰৰ ঘৰ পালেহি। যাদৱ ছাৰে গেটৰ ওচৰত ৰৈ শৰ্মা ছাৰৰ ঘৰৰ ইফালে-সিফালে চাই থকা দেখি শৰ্মা ছাৰ আৰু মই দুয়ো আগবাঢ়ি গ'লো।

মই আৰু শৰ্মা ছাৰে যাদৱ ছাৰক আথে-বেথে ভিতৰত সোমোৱালো। ঘৰৰ খবৰ-খাতি, ৰাজ্যৰ খবৰ-খাতি ইজনে সিজনক জনালে। যাদৱ ছাৰ, শৰ্মা ছাৰ আৰু মই অলপমান স্থানীয় পানীয় গ্ৰহণ কৰি থাকোঁতে হঠাৎ যাদৱ ছাৰে শৰ্মা ছাৰক ক'লে — বন্ধু যোৱাবাৰ তোমাৰ ঘৰলৈ আহোঁতে তোমাৰ ঘৰটো টা অসম আৰ্হিৰ ঘৰহে আছিল। কিন্তু দুবছৰৰ ভিতৰতে তোমাৰ ঘৰৰ ইমান পৰিবৰ্তন, এডাল বিয়াগোম অট্টালিকা! কথা কি?

হঠাৎ শৰ্মা ছাৰ বহাৰ পৰা উঠি যাদৱ ছাৰক ক'লে — আহ, তোক একেবাৰে (Top Floor) লৈ যাওঁ। তথ্য সহকাৰে তোক তাতে উত্তৰ দিম। এই বুলিকৈ শৰ্মা ছাৰে বাইণ'কুলাৰটোলৈ লিফ্‌টৰ ফালে খোজ ল'লে।

লিফ্‌টত উঠি শৰ্মা ছাৰে, যাদৱ ছাৰ আৰু মোক লিফ্‌টত উঠিবলৈ ক'লে। আমি দুয়ো লিফ্‌টত উঠাৰ লগে লগে শৰ্মা ছাৰে লিফ্‌টৰ বৈদ্যুতিক বৰ্ডখনত ১ আৰু ০ সংখ্যাটো টিপি দিলে। আমি (Top Floor) পালোঁগৈ।

শৰ্মা ছাৰে বাইণ'কুলাৰটো যাদৱ ছাৰৰ হাত দি দূৰলৈ আঙুলিয়াই দেখুৱাই ক'লে — সৌ পাহাৰটোৰ কাষত এখন নদী দেখিছনে?

যাদৱ ছাৰে বাইণ'কুলাৰেৰে চাই ক'লে — অ' দেখিছোঁ।

শৰ্মা ছাৰে ইফালে-সিফালে বাইণ'কুলাৰটো ঘূৰাই পকাই চাই ক'লে — ক'ত দলং আছে? নাই দেখা।

শৰ্মা ছাৰে ক'লে — নাই দেখা, ভালদৰে চা।

এই বুলি কোৱাৰ লগে লগে যাদৱ ছাৰে পুনৰ বাইণ'কুলাৰটোলৈ ঘূৰাই পকাই চাৰিওফালে ভালদৰে চালে। বাইণু'কুলাৰেৰে চাই চাই যাদৱ ছাৰে ক'লে — দলং নাই দেখা দেখোন; আধাৰশিলা এটাহে আছে।

শৰ্মা ছাৰৰ কথাযাৰ শুনাৰ লগে লগে যাদৱ ছাৰ অচেতন হৈ পৰি গ'ল। পানীয়ৰ নিচাই লাগিলনে ৰক্তচাপেই বাঢ়িল নাজানো আৰু .... ❐❐

# মৰমৰ চোতালখন

**পল্লৱী হাজৰিকা**
এল,ডি,এ, ডায়েট, ধেমাজি

"বৌৱে তোমালৈ এই টোপোলাটো দি পঠাইছে। লোৱা, বিকাশৰ পৰা টোপোলাটো লৈ আকাংক্ষায়ে উৎসুকতাৰে চালে। টোপোলাটোৰ ভিতৰত মধুৰীআম, আমলখি, জামু, আম আৰু নেমুটেঙা আছে। তাইৰ মনটো ভাল লাগি গ'ল। বিকাশ আজি অফিচৰ কলিগ এজনৰ ঘৰলৈ গৈছিল। কলিগজনৰ ঘৰ আকাংক্ষাৰ মাকৰ ঘৰৰ ফালে। আহোতে বিকাশে তাইৰ ঘৰতো পাক এটা মাৰিব বুলি কৈছিল। এয়া ছাগে বৌয়েকে তাইলৈ দি পঠাইছে। মধুৰীআমটো তাই শুঙি চালে ঘৰখনৰ গোন্ধটো যেন মধুৰীআমটোত লাগি আছে। আস!! কিমান এখন ভৰপুৰ ঘৰৰ ছোৱালী তাই। আটকধুনীয়া আছাম টাইপৰ ঘৰটোৰ আগফালে এখন প্ৰকাণ্ড চোতাল।

চোতালৰ চাৰিওকাষে বিভিন্ন ফলমূলৰ গছ। এখন চালে চকু জুৰ পৰা ফুলনি। চিনাকি মানুহৰ কথাটো বাদেই বাটৰুৱাও বৈ চাই প্ৰশংসা কৰি যায় সিহঁতৰ চোতালখন। আকাংক্ষাৰ শৈশৱ, কৈশোৰ আৰু যৌৱন আৱৰি আছে আগফালৰ চোতালখনে। দেউতাক থাকোতে বৰ আবদাৰ কৰি ৰাখিছিল ফুলনিখন আৰু গছগছনিবোৰ। চোতালত থকা মধুৰীআম জোপা তাইয়ে ৰুইছিল নবছৰীয়া জন্মদিনত। মধুৰীআম খাই ভালপোৱা তাইক দেউতাকে জন্মদিনৰ উপহাৰ হিচাপে হাতত তুলি দিছিল পুলিটো। দেউতাকৰ সহায়ত পুলিটো ৰুৱাৰ পাছত দেউতাকে তাইক কৈছিল- "মাজনী, আজিৰ পৰা গছপুলিটো প্ৰতিপালন কৰাৰ দায়িত্ব তোৰ।' সেই গছজোপাৰ মধুৰীআমটোতে তাই এতিয়া শুঙি বিচাৰি আছে ঘৰ গোন্ধ। বিয়াৰ পাছত যেতিয়া তাই বিকাশহঁতৰ আগফাল-পিছফালে মুকলি ঠাই অকন নোহোৱা ঘৰটোত সোমাইছিল নিজৰ ঘৰৰ চোতালখনৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিল।

বিকাশে বাথৰুমত হাত-মুখ ধুই আহি তাইক সুধিলে-

"কি হ'ল.. কি ভাবি আছা?"


"নাই নাই ... একো ভবা নাই। চাহ বনাও ৰ'বা।'

চাহকাপ বনাবলৈ তাই পাকঘৰলৈ সোমাই গ'ল। পিছে পিছে বিকাশো গ'ল। ঘৰৰ পৰা দিয়া ফলখিনি বেগটোৰ পৰা উলিয়াই থ'লে। চাহ বনাবলৈ তাই চছপেনটো উঠাই দি বিকাশক সুধিলে—"আজি মানুহ লগাইছিল নেকি গছৰ পৰা এইবোৰ পাৰিবলৈ?" বিকাশে তাইলৈ অলপ আচৰিত হৈ চালে। আকাংক্ষায়ে একো গম নাপায় নেকি এইবিষয়ে।

সি অলপ অপ্ৰস্তুত হ'ল। আকাংক্ষাক সি জোখতকৈ বেছি আৱেগিক বুলি ভাবে। সেই আৱেগিক মানুহজনীয়ে আকৌ তাৰপৰা হঠাতে এই কথাবোৰ শুনি কেনেকুৱা প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব বাৰু।

"আকাংক্ষা ... দাদায়ে আৰ.চি.চি বিল্ডিঙ বনাব হেনো। সেইবাবে চোতালৰ আশেপাশে থকা গছবোৰ কাটিব। গছবোৰ কটাৰ আগতে গছত লাগি থকা ফলমূলবোৰ পাৰি পেলাইছে।"

বিকাশৰ কথা শুনি আকাংক্ষাৰ বুকুখনত কিবা এটাই হেঁচা পাৰি ধৰাৰ দৰে কৰিলে। পাকঘৰটো হঠাতে শব্দহীন হৈ পৰিল।



মাত্ৰ চাহখিনি উতলি থকাৰ শব্দটোহে থাকিল। জীৱনৰ প্ৰথমখোজটো তাই দেউতাকৰ হাতত ধৰি এইখন চোতালতেই দিছিল। চোতালখনৰ আশে-পাশে শব্দ যে গছবোৰ আছে সেইবোৰৰ মাজতেই তাই দেউতাকৰ পৰশ বিচাৰি পায় আৰু ফুলনিৰ ফুলবোৰত বিচাৰি পায় দেউতাকৰ সুবাস। বেলেগৰ বাবে সেইখন এখন সাধাৰণ চোতাল হ'ব পাৰে কিন্তু তাইৰ বাবে সেয়া যে এক জীয়া স্মৃতি। তাই বুকুখনত হেঁচি ধৰিলে। উতলি উতলি চাহপানীখিনি পৰিবলৈ ধৰিলে। বিকাশে গেছটো অফ কৰি চাহ দুকাপ বাকি ডাইনিঙত থ'লে। সি আকাংক্ষাক লাহেকৈ ক'লে— "আহা...চাহকাপ খাই লোৱাহি।" সি বুজি পালে আকাংক্ষাৰ মনত এতিয়া কি চলি আছে। খোজকেইটা দিওঁ নিদিওকৈ আগবঢ়াই তাই ডাইনিঙত বহি ক'লে "চোতালখন মোৰ বহুত হেঁপাহৰ। চোতালখনৰ আশে পাশে দেউতায়ে ৰোৱা গছগছনিবোৰে দেউতাৰ স্মৃতিবোৰ ধৰি ৰাখিছে। দাদাৰ মনলৈ এইবোৰ কথা এবাৰো নাহিল নে?"

- "চোৱা আকাংক্ষা..... তোমাৰ দৰে সকলোয়ে একে নাভাবে। দাদায়ে এটা বিল্ডিঙ বনোৱাৰ কথা ভাবিছে সেয়ে চোতালখন মোকলাই লৈছে।" চাহকাপ হাতত লৈ বিকাশে আকাংক্ষাক ক'লে।

- "কিন্তু বিকাশ, সেইখন চোতালতে সিও দেউতাৰ ধৰি

জীৱনৰ প্ৰথম খোজ দিছিল ঠিক মোৰ দৰেই।"

- " কিন্তু আকাংক্ষা কথাবোৰ অলপ প্ৰেকটিকেলি ভাবাচোন। দাদায়ে হয়তো ঘৰটো আহল-বহলকৈ আৰু ডাঙৰকৈ বনোৱাৰ কথা ভাবিছে। হয়তো বৌয়েও কৈছে।"

- "ঘৰটো আহল-বহল মানে? বিকাশ, আমি দুটা ল'ৰা-ছোৱালী সেইটো ঘৰতে ডাঙৰ হৈছো। আমাৰ কাৰণেটো সেইটো কেতিয়াও সৰু হোৱা নাছিল। এতিয়া দাদা-বৌ আৰু জুমনৰ কাৰণে কি হিচাপত সৰু হ'ব? এনেকুৱাটো নহয় যে ঘৰটো জৰাজীৰ্ণ হৈ একেবাৰে থাকিব নোৱাৰা হ'ল। মই আজি দাদা আৰু বৌৰ লগত কথা পাতিম। মায়ে কিবা কৈছিল নেকি এইবিষয়ত তোমাক?"

-"আকাংক্ষা তুমি মাক এইবোৰৰ মাজত নোসোমোৱাই ভাল হ'ব নেকি। অনাহকত মনত কষ্টহে পাব। দাদা-বৌৰ লগত এবাৰ পাতি চাব পাৰা।"

চাহকাপ শেষ কৰি বিকাশে ভাবিলে আকাংক্ষায়ে যদি এবাৰ কথা পাতিব বিচাৰে পাতক। তাই মনৰ কথাবোৰ জনাওক ককায়েকহঁতক। চেঁচা হোৱা চাহকাপ সন্মুখত লৈ আকাংক্ষা বহুত সময় ডাইনিং টেবুলৰ চকীখনতে বহি থাকিল।

............................

"দাদা"

- "অ' কচোন মাজনী"

- বৌয়ে ভাত বনাইছে। মই জুমনক পঢ়াই আছো।'

- "দাদা.... ঘৰ বনোৱাৰ কথা ভাবিছ হেনো।"

- "অ মাজনী। প্ৰথমে চোতাখন মোকলাব লাগিব। তাৰপাছত আৰম্ভ কৰিম আৰু লাহে লাহে।"

'কিন্তু দাদা.. তই নতুনকৈ ঘৰ বনালে সেই ঘৰটোৱে যে আমাৰ গোটেই চোতালখনৰে চিন নোহোৱা কৰিব। দেউতাৰ স্মৃতি কঢ়িয়াই ফুৰা গছকেইজোপা নোহোৱা হৈ যাব। সেইকথাবোৰ ভাবিয়েই মনটোয়ে বহুত কষ্ট পাইছেচোন।"

- "মাজনী তোৰ মনৰ কথাখিনি বুজি পাইছো। চোতালখন, ফুলনিখন আৰু গছগছনিবোৰ দেউতাৰ বহুত হেঁপাহৰ আছিল। অতিকে যতনেৰে ৰাখিছিল দেউতায়ে।"

-"দেউতায়ে যে বন্ধৰ দিনবোৰত ৰাতিপুৱাই কোৰখন লৈ ব্যস্ত হৈ পৰিছিল।"

- "কিন্তু দাদা...."

- আকাংক্ষায়ে কথাখিনি শেষ কৰিবলৈ নাপালেই হঠাতে বৌয়েকৰ মাতষাৰ ভাঁহি আহিল ফোনত। হয়তো বৌয়েকে ফোনত হোৱা কথা বতৰাবোৰ শুনি আছিল।

- "মাজনী... ভালে আছা?"

- "অ' বৌ।"

- "মাজনী... ঘৰটো পুৰণা হৈ আহিছে। মেৰামতি কৰাতকৈ নতুন এটাকে বনোৱাটোয়ে ভাল হ'ব বুলি ভাবিলো। আৰু আজিকালি আছাম টাইপৰ ঘৰ প্ৰায় নোহোৱাৰ দৰেই হৈছেই। তোমালোকৰ নিজৰেই আৰ.চি.চি। গতিকে বুজিছাই চাগে....।"

তাই ভালকৈয়ে বুজি পালে বৌয়েকে আচলতে কি ক'ব বিচাৰিছে। তাই আৰু কথা আগনবঢ়ালে। বিকাশে তাইক বুজালে- "চোৱা আকাংক্ষা... তুমি কথাবোৰ মানি লোৱাটোৱে ভাল। নহ'লে আকৌ তোমাৰ একমাত্ৰ দাদা-বৌৰ লগত সম্পৰ্কটো বেয়া হৈ যাব। তেতিয়া তোমাৰ মনটোৱে আৰু বেছি কষ্ট পাব।"

এৰা বিকাশে ঠিকেই কৈছে। সময়ৰ পৰিবৰ্তন। আবেগতকৈ সম্পৰ্কক বেছি গুৰুত্ব দিয়াৰ প্ৰয়োজন আহি পৰে কেতিয়াবা। ককায়েকৰ আজি নতুন ঘৰৰ আৰম্ভণি অনুষ্ঠান আছে। বিকাশে তাইক পুৱাই বৌয়েকৰ ঘৰত থৈ অফিচলৈ গ'ল। তাই ঘৰৰ বাৰাণ্ডাতে বহি মাক আৰু বৌয়েকৰ কামত সহায় কৰি আছে। তেনেতে তাইৰ চকুত পৰিল কাম কৰা মানুহজনে গছৰ ডাল কিছুমান ৰাস্তাৰ সিটো পাৰে পেলাবলৈ নিছে। সেই গছৰ ডালবোৰৰ মাজত জিলিকি আছে মধুৰীআম জোপাৰ ডালটো। তাই মানুহটোৰ পৰা ডালটো লৈ আছুতীয়াকৈ থৈ দিলে। বিকাশে নিবলৈ আহোতে তাই আলফুলে মধুৰীআমৰ ডালটোৰ সৈতে গাড়ীত উঠিল। সি আচৰিত হৈ সুধিলে

-"ক'ত ৰুৱা এইজোপা?" তাইৰ ওঁঠত এটা হাঁহিয়ে টৌ খেলি উঠিল" ছাদৰ ওপৰত।।" আকাংক্ষাৰ হাঁহিটোৱে বিকাশৰ মনটোও জীপাল কৰি তুলিলে। ❐❐

# ‘হাজৰিকা ছাৰৰ বুদ্ধি’

**জীতেন শইকীয়া**
বি.এড. চতুৰ্থ ষাণ্মাসিক



‘সোণতলী প্ৰাথমিক বিদ্যালয়”। স্বাধীনতাৰ দোকমোকালি কালতে প্ৰতিষ্ঠা লাভ কৰা এখন প্ৰাথমিক বিদ্যালয়। কেৱল সোণতলী গাঁৱৰে নহয়, ওচৰ চুবুৰীয়া দুখন মান গাঁৱৰ ছাত্ৰ-ছাত্ৰীও আহি এই বিদ্যালয়ত অধ্যয়ন কৰেহি। এইখন বিদ্যালয়ে ধাৰাবাহিক ভাৱে নিজৰ খ্যাতি অৰ্জন কৰি আহিছে। কাৰণ এইখন বিদ্যালয়তে অ, আ, ক, খ আদি আখৰ কেইটা চিনিয়ে বহুতো লোকে নিজকে সু-প্ৰতিষ্ঠিত কৰি নিজৰ লগতে দেশৰ বাবেও সেৱা আগবঢ়াই আহিছে। ইয়াতে অধ্যয়ন কৰি কেইবাজনো বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত উচ্চ পদস্থ বিষয়া হিচাপে বৰ্তমাননেও কৰ্মৰত। সেয়ে গাঁৱৰ সকলো লোকেই বিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰে আৰু বহুলোকে বিদ্যালয়খনৰ আন্তঃগাঁঠনিৰ উন্নতিৰ হকে বিভিন্ন সময়ত বিভিন্ন সহায়-সহযোগিতা আগবঢ়াই আহিছে। যাতে বিদ্যালয়খনৰ মান-সন্মান অটুট থাকে।

বিদ্যালয়খনৰ শিক্ষকসকলেও তেওঁলোকৰ সাধ্যানুসৰি শিক্ষাদান কৰি আহিছে। কালক্ৰমত বৰ্তমান সোণতলী প্ৰাথমিক বিদ্যালয়ত এজনীয়া শিক্ষকে শিক্ষাদান কৰি আহিছে। সকলোৰে শ্ৰদ্ধাৰ বৰুৱা ছাৰৰ অৱসৰৰ পাছৰে পৰা এজনীয়া শিক্ষকেই পাঠদান কৰিব লগা হৈছে। বৰ্তমান বিদ্যালয়খনৰ শিক্ষক গৰাকীৰ নাম মাননীয় শ্ৰীযুত মহানন্দ হাজৰিকা। তেখেতৰো শিক্ষা, জ্ঞান, বুদ্ধি শলাগীবলগীয়া। তেখেতে অকলেই বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰি আহিছে। বৰ্তমান তেখেতৰ বয়স বাঢ়ি আহিছে। অৱসৰ গ্ৰহণ কৰিবলৈও বেছি বছৰ নাই। ঘৰৰ জঞ্জাল, এজনীয়া শিক্ষকৰ কৰ্মব্যস্ততা, বাধক্যজনিত আদি বিভিন্ন সমস্যাৰে জৰ্জৰিত তেখেত। সেয়েহে শ্ৰেণীত আগৰদৰে তৎপৰতাৰে পাঠদান কৰিব নোৱাৰাত পৰিছে। বিদ্যালয়ত দুটামান পাঠদান কৰাৰ পাছতে প্ৰায়ে গভীৰ টোপনিয়ে হেঁচা মাৰি ধৰে। এই টোপনিটোৱে তেখেতক বাৰুকৈয়ে ধৰিলে। ই তেখেতৰ অভ্যাসত পৰিণত হ’ব ধৰিলে। শ্ৰেণীত টোপনিয়াই থকা কথাটো গাঁৱৰ লোকসকলৰো দৃষ্টিগোচৰ হৈছে। ছাত্ৰ-ছাত্ৰীসকলেও ছাৰক টোপনিয়াই থকা দেখি হাঁহি উঠি যায়। ছাত্ৰ-ছাত্ৰীসকলৰ হাঁহিত হাজৰিকা ছাৰৰ টোপনি

ভাঙে। পুনৰ তেখেতে পাঠদান কৰাত ব্যস্ত হৈ পৰে। এইদৰেই দিনবিলাক অতিবাহিত হ'ব ধৰিছে।

বৰ্তমান চৰকাৰৰ কঠোৰ নিয়মৰ বাবে হাজৰিকা ছাৰ খুউব সোনকালেই বিদ্যালয়লৈ আহিবলগীয়া হয় আৰু পলমকৈ ঘৰলৈ যাব লগীয়া হয়। সেয়ে ঘৰত শাক-পাচলি এটা কৰিব নোৱাৰা অৱস্থাত পৰিল। এফালে বজাৰত শাক-পাচলিৰ যিহে জুই ছাই দাম, সীমিত দৰমহাটোৰে সকলো দিশ পৰিচালনা কৰাটো কঠিন হৈ পৰিছে। সেয়েহে তেখেতে ছাত্ৰ-ছাত্ৰীসকলক কৈয়ে দিয়ে, 'ঐ ল'ৰাহঁত/তহঁতৰ কাৰ কাৰ ঘৰত শাক-পাচলি আছে অ'? যাৰ যাৰ ঘৰত আছে, মোলৈ দুই এটা লৈ আহিবিচোন।' ল'ৰাহঁতে কথাটো শুনি ভালেই পালে। সিহঁতেও সিহঁতৰ ছাৰক দুই-এটা শাক-পাচলি দিবলৈ পায়। মনত আনন্দ। কিন্তু এই কথাটো গাঁৱৰ কিছুমান লোক ক্ষুণ্ণ হৈছে। এইদৰে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা শাক-পাচলি সংগ্ৰহ কৰা আৰু বিদ্যালয়ত পাঠদানৰ সলনি টোপনি মৰা আদি অভ্যাসৰ কাৰণে গাঁৱৰ এচাম লোকে মহানন্দ ছাৰক এই বিদ্যালয়ৰ পৰা বদলি কৰাৰ কথা চিন্তা কৰিবলৈ ধৰিলে। আনহাতে ছাৰেও তেখেতৰ অভ্যাস সলনি নকৰিলে। গাঁৱৰ দুজনমান লোকে হাজৰিকা ছাৰৰ অজ্ঞাতে এদিন গৈ বিদ্যালয়ৰ উৰ্দ্ধতম কতৃপক্ষক বিষয়টো অৱগত কৰায়। পৰিদৰ্শক মহোদয়ে বিষয়টো তদন্ত কৰা হ'ব বুলি আশ্বাস দি মানুহ কেইজনক পঠাই দিলে। সচাঁকৈয়ে এদিন পৰিদৰ্শক মহোদয়ে অতৰ্কিতে আহি সোণতলী প্ৰাথমিক বিদ্যালয়ত উপস্থিত হ'লহি তদন্তৰ খাতিৰতে। আমাৰ হাজৰিকা ছাৰেও স্বভাৱজাত অভ্যাসৰ বশৱৰ্তী হৈ সেইদিনাও দুজনমান ছাত্ৰক পিঠিৰ ঘামচি ভাঙিবলৈ দি নিজে নিদ্ৰামগ্ন হ'ল। এনেয়ে গৰম, তাতে আকৌ ছাত্ৰহঁতে পিঠিৰ ঘামচি ভাঙি দিয়াত আমাৰ ছাৰ নিদ্ৰাৰ কোলাত মগন হ'ল। ইতিমধ্যে পৰিদৰ্শক মহোদয় আহি প্ৰায় দুৱাৰদলিত উপস্থিত। কিন্তু, ছাৰৰ কি যে ভাগ্য। তেওঁ হঠাতে সাৰ পায় গ'ল আৰু পৰিদৰ্শক ছাৰক দেখি ছাত্ৰসকলক প্ৰশ্ন কৰিলে- অ', ল'ৰাহঁত, তহঁতে এতিয়া বুজি পালিনে? আমাৰ পিঠিত থকা এই হাড়ডালেই হ'ল মানুহৰ মেৰুদণ্ড। এই মেৰুদণ্ড ডালেই হৈছে মানৱদেহৰ আটাইতকৈ ডাঙৰ আৰু শক্তিশালী হাড়। বাৰু কোৱাচোন, মানুহৰ দেহত মুঠতে কিমান ডাল হাড় আছে? (হঠাতে পৰিদৰ্শকক দেখা যেন কৰি) অ' ছাৰ, কেতিয়া আহিল? আহক! আহক বহক, (তেখেতে চকীখন পৰিদৰ্শকলৈ আগবঢ়াই দিয়ে) চকীত বহি লৈ তেখেতে মনতে ভাৱিব ধৰিলে - ঠিকেই আছেতো, তেখেতে ব্যৱহাৰিকভাৱে অৰ্থাৎ হাতে-কামে বুজাই দিছে। আকৌ এখেতৰ বিৰুদ্ধে ৰাইজে আপত্তি দাখিল কৰে। তেখেতে মহানন্দ ছাৰক ক'লে, এইফালে আহিছিলো, ভাবিলো আপোনাৰ স্কুলতো এপাক মাৰি যাওঁ। হাজৰিকা ছাৰে ক'লে, ভাল কৰিলে ছাৰ, মাজে সময়ে এইদৰে আহি থাকিব। পৰিদৰ্শক মহোদয়ে হাজৰিকা ছাৰৰ পৰা বিদায় লৈ গুচি গ'ল। হাজৰিকা ছাৰে এইবাৰলৈ স্বস্তিৰ নিশ্বাস এৰিলে।

এনেদৰেই বেচ্ কিছুদিন অতিবাহিত হ'ল। কিন্তু আমাৰ ছাৰৰহে কোনো পৰিৱৰ্তন নহ'ল। দুমাহমানৰ পাছত গাঁৱৰ দুজনমান লোক পুনৰ পৰিদৰ্শকৰ কাৰ্যালয়ত উপস্থিত হ'লগৈ। তেখেতসকলে পৰিদৰ্শক মহোদয়ক অনুনয়-বিনয় কৰি মহানন্দ হাজৰিকা ছাৰক বদলি দিব লাগে বুলি আৰ্জি দাখিল কৰে। আগৰবাৰ তেখেতে বুদ্ধিৰেহে সাৰি গ'ল বুলি উল্লেখ কৰে। তেখেতে পাঠদান কৰাত কোনো গুৰুত্ব নিদিয়ে। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিস্তৰ ক্ষতি হৈছে। গতিকে তেখেতক যিকোনো প্ৰকাৰে বদলি কৰিব লাগে। এইটোৱে গাঁওবাসীৰ দাবী। পৰিদৰ্শক মহোদয়ে গাঁওবাসীক আশ্বাস দিলে যে তেওঁ নিজেই গৈ চৰজমিন তদন্ত কৰি বিষয়টো নিষ্পত্তি কৰিব।

কিছুদিনৰ পাছত পৰিদৰ্শক মহোদয় আহি সোণতলী প্ৰাথমিক বিদ্যালয়ত হাজিৰ হ'লহি। সেইদিনাও ছাত্ৰ-ছাত্ৰীসকলে আগৰ দৰে নানা প্ৰকাৰৰ শাক-পাচলি ছাৰৰ বাবে লৈ আনি বিদ্যালয়ৰ কোঠাত ৰাখিলহি। আমাৰ হাজৰিকা ছাৰে আঁতৰতে পৰিদৰ্শক মহোদয়ক দেখি ছাত্ৰ-ছাত্ৰীসকলক শাক-পাচলিবোৰ আনি এটা এটা কৈ দাঙি ধৰি বুজালে, ছাচোন ল'ৰাহঁত, এইটো জাতিলাও, এইটোক পাচলি বুলি কয়। এইবাৰ বেঙেনা দুটা দুখন হাতত ডাঙি ধৰি ক'লে, এই দুটা কি দেখিছ? ছাত্ৰ-ছাত্ৰীসকলে ক'লে, এইয়া বেঙেনা ছাৰ। হাজৰিকা ছাৰে ক'লে। ঠিকেই কৈছ। এইয়া বেঙেনা আৰু ইও পাচলি। যিবোৰ শস্যৰ কেৱল গুটিহে ৰান্ধি বা ভাজি খাওঁ সেইবোৰক পাচলি বোলে। এইবাৰ লাই এমুঠি ডাঙি ধৰি ক'লে, এই মুঠি লাই। আমি ইয়াৰ পাতহে ৰান্ধি বা ভাজি খাওঁ। গতিকে ইয়াক শাক বোলে।

পৰিদৰ্শক মহোদয়ে হাজৰিকা ছাৰৰ শিক্ষাদান প্ৰক্ৰিয়া দেখি সন্তুষ্ট হ'ল। তেখেতে হাজৰিকা ছাৰক ভূয়সী প্ৰশংসা কৰি গুচি গ'ল। তেখেতে আৰু কোনো দিনে গাওঁবাসীৰ আপত্তি নুশুনো বুলি মনস্থ কৰিলে। আমাৰ হাজৰিকা ছাৰেও নিজৰ বুদ্ধিমত্বাৰ পৰিচয় দাঙি ধৰি সমস্যা সমাধান কৰাৰ লগতে নিজৰ পথ মসৃন কৰি কৰ্তব্যত অগ্ৰসৰ হ'ল আৰু 'সোণতলী প্ৰাথমিক বিদ্যালয়ৰ পৰাই কিছু বছৰৰ পাছত অৱসৰ গ্ৰহণ কৰিলে। ❒❒

# অনুৰাগৰ সন্ধানত

**পৰশমনি গগৈ**
বি.এড., চতুৰ্থ যাণ্মাসিক

যোৰহাটৰ পৰা তিনিচুকীয়া অভিমুখী অভিযাত্ৰী চুপাৰখনত উঠি মুনমীয়ে যাত্ৰা কৰিলে ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ। পুৱা সাত বজাতেই উঠিছে ১০.১৫ বজাত বিশ্ববিদ্যালয় পাবগৈ। এঘাৰ বজাৰপৰা পৰীক্ষা, বাছত উঠি মুনমীয়ে দুজনীয়া চিটৰ সন্ধানত দৃষ্টি নিক্ষেপ কৰিলে আৰু পাই গ'ল। সাধাৰণতে তাই দুজনীয়া আসনত বহি ভাল পায়। খিৰিকীৰ কাষত বহি বাহিৰৰ প্ৰাকৃতিক দৃশ্য চাই চাই যাত্ৰা কৰি মুনমীয়ে এক মিঠা আমেজ অনুভৱ কৰে। চুপাৰখনৰ প্ৰায়বিলাক আসনতেই পৰীক্ষাৰ্থী। মুনমীৰ দুজনীমান চিনাকী ছোৱালী আছে যদিও তাই সিহঁতৰ ওচৰলৈ নগ'ল। তাই অকলেই বহিল। বেগৰপৰা বহী এখন উলিয়াই মুনমীয়ে চকু ফুৰাই গৈছে যদিও বাছখন য'তেই ৰখাই সেই ঠাইডোখৰলৈকো তাই নোচোৱাকৈ থকা নাই। জাঁজী বাচষ্টেণ্ডতো অলপ সময় বাছখন ৰখাইছে। তাতে এজন সুন্দৰ যুৱক বাছখনত উঠিল। সুন্দৰ মানে মুনমীৰ দৃষ্টিয়ে তেওঁক সুন্দৰ দেখিছে। ডাঙৰ গোল গোল চকু, সুন্দৰ একোছা ঘন ক'লা মোছ, গাৰ ৰং মাগুৰ বৰণীয়া, পিন্ধনত চকলেট টি চাৰ্ট, স্কাই ব্লু জিনচ্‌ৰ সৈতে তেওঁক বৰ সুন্দৰ দেখিছে মুনমীয়ে। তাই অলপ দেৰি ৰ' লাগি তেওঁলৈ চালে। বেছিকৈ চালে হয়তো তেওঁৰ ডিমাগু বাঢ়িব, সেয়েহে তাই আঁৰে আঁৰে তেওঁলৈ চালে। যুৱকজন তাইৰ চিটটোৰ অলপমান আগত থিয় হৈ আছে। তেওঁ কণ্ডাক্টৰজনৰ লগত নানা কথা পাতি আহিছে। সদায় কেইবজাত আহে, ডিব্ৰুগড় কেতিয়া পাবগৈ ইত্যাদি কথা। তেওঁ যে ডিব্ৰুগড়লৈ যাব কণ্ডাক্টৰজনে সুধিলত গম পালে মুনমীয়ে।

বাছখন গৌৰীসাগৰ পালেগৈ। তাত আকৌ কেইজনমান যাত্ৰী হুৰমূৰকৈ বাছখনত উঠিল। কিন্তু বাছখনত এখন আসনো খালী নাই মুনমীৰ কাষৰ আসনখনৰ বাহিৰে। যুৱকজনে বাৰে বাৰে মুনমীৰ কাষত আসনখনলৈ চাই আছে। কাৰণ তাই বহী-কিতাপপূৰ্ণ বেগটো থৈ দিছে আসনখনত। সৌজন্যতাৰ খাতিৰত তাই বেগটো আঁতৰাই যুৱকজনক সুধিলে, বহিব নেকি? তেওঁ ধন্যবাদসূচক ইঙ্গিতেৰে তাইৰ কাষতেই বহিল। কোনো কথা-বাৰ্তা নাই। ডিমৌ পালেগৈ। ডিমৌত চানাৱালাবিলাকে, তামোলৱালা বিলাকে যাত্ৰীক অতিষ্ঠ কৰি তোলে, চানা লওঁক দাদা, তামোল লাগিব নেকি বাইদেউ ইত্যাদি ইত্যাদি কথা কৈ।



যুৱকজনেও দুটামান বাদামৰ পেকেট কিনি মুনমীলৈ আগবঢ়াই দিলে, লওঁক, নাই নাখাওঁ মই "ভজা বাদাম নাখাওঁৱেই"। মুনমীয়ে উত্তৰ দিলে। এনেকৈয়ে দুয়োজনৰ মাজত কথাৰ আদান-প্ৰদান হ'ল, পৰিচয় বিনিময় হ'ল। যুৱকৰ নাম অনুৰাগ ফুকন। তেওঁও পৰীক্ষাৰ্থী একে বিভাগৰে (অসমীয়াৰ)। আনফালে অ. অন. জি. চি ৰ কৰ্মচাৰী। ঘৰৰ একমাত্ৰ পুত্ৰ। দ্বিতীয় সন্তান। চাকৰি কৰি আছে যদিও তেওঁ প্ৰাইভেটকৈ বি.এ. টোও পাছ কৰিলে আৰু এতিয়া এম. এ ফাইনেল পৰীক্ষা দিছে। আচলতে তেওঁৰ কৰ্মব্যস্ততাৰ মাজতো জ্ঞানপিপাসু মনটো হেৰাই যাবলৈ দিয়া নাই। দুয়োটাই পৰীক্ষাৰ কথাই পাতি পাতি কেতিয়া বিশ্ববিদ্যালয় পালেগৈ গমেই নাপালে। কণ্ডাক্টৰজনে ইউনিভাৰ্চিটি নামক, নামক বুলি চিঞৰিলতহে দুয়োটা বাছৰপৰা নামি আহিল। অনুৰাগে তাইক চাহ খাবৰ বাবে লগ ধৰিলে। খোৱাৰ ইচ্ছা নাছিল যদিও তাৰ অনুৰোধ প্ৰত্যাখ্যান কৰিবলৈ মন নোযোৱাৰ বাবে মুমনী অনুৰাগৰ লগত হোটেল লিজাত সোমালে। অনুৰাগে দুকাপ চাহ আৰু মিঠাইৰ অৰ্ডাৰ দিলে। 'মই মিঠাই নাখাওঁ, আপুনিয়েই খাওক, মোৰ চাহ কাপেই যথেষ্ট' তাইঅনুৰাগক ক'লে। চাহ খাই দুয়োটা ল'ৰালৰিকৈ ডিপাৰ্টমেন্ট অভিমুখে যাত্ৰা কৰিলে। অনুৰাগে শুভেচ্ছা জনাই ৰংঘৰত সোমাল আৰু মুনমী অসমীয়া বিভাগলৈ গ'ল। পৰীক্ষা শেষ হোৱাত হলৰপৰা ওলাই আহি গেটৰ ওচৰ নৌ পাওঁতেই ডাকঘৰৰ সন্মুখত অনুৰাগক ৰৈ থকা মুনমীয়ে দেখা পালে। তাই অনুৰাগৰ ওচৰ নৌপাওঁতেই সি তাই ওচৰলৈ আগবাঢ়ি আহি পৰীক্ষাৰ খবৰ ল'লে আৰু সি যে তাইৰ বাবে ৰৈ আছে তাকো জনালে। সিহঁত দুয়োটা আহি বাছ ৰখোৱা স্থানত ৰ'লহি। অনুৰাগেই প্ৰস্তাৱ আগবঢ়ালে মুনমী ব'লা আমি ইয়াত উঠিলে চিট নাপাওঁ। ষ্টেণ্ডলৈ যাওঁ। দুয়োটা বিক্ৰমত উঠি ষ্টেণ্ডলৈ ৰাওনা হ'ল। তাতে বাছত উঠিবৰ বাবে টিকট কাটিলে। অনুৰাগে বাছত উঠাৰ আগেয়ে কেইটামান আংকল চিপচ্‌ৰ পেকেট, অলপ কমলা-খাজুৰীৰ পেকেট আনি মুনমীৰ হাতত দিলেহি। ইমানখিনি বস্তু কিয় আনিলে? কেনেকৈ খাব? মুনমীয়ে প্ৰশ্ন কৰিলে। খাই গৈ থাকাচোন, দেখা যাওঁক কি হয়। কিবা হ'লে মই আছোতো। চিন্তা নকৰিবা। অভিভাৱকত্বৰ সুৰেৰে অনুৰাগে মুনমীক ক'লে।

শিৱসাগৰ বাছষ্টেণ্ডতে প্ৰায় যাত্ৰী বাছখনত নোহোৱাৰ দৰে হ'ল। চাৰিজনীমান ছোৱালী আৰু ছয়জনমান পুৰুষ। তেওঁলোকো যোৰহাটৰে। অনুৰাগ জাঁজীত নামিব। যাবৰ সময়ত তেওঁ পাছৰ পৰীক্ষাৰ দিনা লগপোৱাৰ প্ৰতিশ্ৰুতিৰে নামি গ'ল। দ্বিতীয় পৰীক্ষা দিনাৰ মুনমীয়ে অনুৰাগক লগ পালে। ঠিক একে কাৰ্য আগদিনাৰ দৰে। দ্বিতীয়দিনা কিন্তু অনুৰাগৰ সংস্পশই মুনমীৰ সত্বাক জোকাৰি গ'ল। অনুৰাগ জাঁজীত নমাৰ পাছত মুনমীৰ মন উৰুঙা উৰুঙা লাগিল। মনটো সেমেকি উঠিল। ইমান কম সময়ৰ ভিতৰতে মুনমীৰ সপোন হৈ পৰিল অনুৰাগ। ঘৰলৈ গৈ আজিও তাই অনুৰাগৰ কথাই ভাবি থাকিল। অনুৰাগে বাৰু মোৰ কথাই ভাবি আছে নেকি? তাৰ বাৰু মোলৈ ডাকঘৰৰ সন্মুখত ৰৈ থকাৰ কিহৰ প্ৰয়োজন। মোৰ দৰে তেওঁৰ বাৰু মনটো কিবা-কিবি লাগি আছে নেকি? মুনমী ডাৱৰ সাগৰত ডুব যায়। মাকে যতনাই দিয়া গৰম চাহকাপ মুখত দিওঁতেই ফোনটো বাজি উঠিল। ফোনৰ অনুৰাগৰ মাতটো শুনি মুনমী আচৰিত হ'ল। 'ভালকৈ ঘৰ পালাগৈ নাই এতিয়া কি কৰিছা, আজি পঢ়িব নালাগে ইত্যাদি নানা কথা থাওকতে অনুৰাগে কৈ পেলালে। সেইদিনা তাই অনুৰাগৰ কথাই চিন্তা কৰি থাকিল।

অনুৰাগ ফুকন কি সুন্দৰ নাম? কি মাৰ্জিত ৰুচিবোধ, ব্যৱহাৰ। তাৰ কথা-বাৰ্তাই মুনমীক বাৰুকৈয়ে আকৰ্ষণ কৰি পেলালে। অনুৰাগৰ নিচিনা এজন ল'ৰাক সদায় কাষত পোৱাহেঁতেন....? তাই নিজকে এবাৰ তাৰ লগত কল্পনা কৰি চালে। খুউব সুন্দৰ লাগিব দুয়োটা স্বামী-স্ত্ৰী হ'লে। মুনমীয়ে অনুৰাগৰ লগত কল্পনা কৰি কৰি বহু দূৰলৈ উৰি যায়। পিছমুহূৰ্ততে তাই ভীৰ্তিবিহ্বল হৈ নিজৰ বিবেকক ধিক্কাৰ দিয়ে। তাই বিদ্ৰোহ কৰিব। প্ৰীতমৰ সন্মুখত তাৰ ভদ্ৰতাৰ মুখা খুলি পেলাব। তাই প্ৰীতমৰ বাঘজৰীৰ পৰা ওলাই আহিব। দলিয়াই পেলাব তাৰ বান্ধোনৰ আঙঠিটো। নাই নাই তাই এইয়া কৰিব নোৱাৰে। কেতিয়াও তাই পৰিয়ালৰ মৰ্যদাক ভৰিৰে মোহাৰিব নোৱাৰে। লাগিলে তাই গোটেই জীৱন সহ্য কৰি যাব জীৱনৰ ধুমুহাবিলাকক, এই অনুৰাগ, অনুৰাগৰ পৰাও মই আঁতৰি থাকিম। নিষ্কলুষ অনুৰাগক মোৰ বেদনাৰে জৰ্জৰিত হৃদয়ত স্থান দিব নোৱাৰো। মোৰ পঁয়া লগা হৃদয়ত অনুৰাগৰ বিশাল সত্বাক বিলীন হ'বলৈ নিদিওঁ। মই যে প্ৰীতমৰ বাঘজৰীত বন্দী। এই জালৰপৰা ওলাই যোৱাৰ মোৰ কোনো পথ নাই।" মুনমীয়ে নিৰৱে উচুপি উঠে এক অবুজন শোকত।

মুনমীৰ প্ৰীতমৰ কথা মনলৈ অহাৰ লগে লগে তাৰ প্ৰতি

বিতৃষ্ণা উপজিল। কি অদ্ভুদ চৰিত্ৰ কি যে ঠেক মনোবৃত্তি। সি কেৱল টকাহে চিনি পায়। টকাৰ বাবে তাৰ ব্যক্তিত্বকো বিক্ৰী কৰিব পাৰে। সি মুনমীহঁতৰ বিশাল সম্পত্তিৰ কাৰণেহে যেন তাইক বিয়া কৰাব বিচাৰিছে। সেই কাৰণে প্ৰীতমে তাইৰ যৌৱনৰ সতীত্ব এদিন লম্পটৰ দৰে কাঢ়ি নিলে। সেই দিনটোৰ কথা ভাবিলে তাইৰ দেহ শিয়ঁৰি উঠে। কি যে অভিশপ্ত সেই দিনটো। ঠিক কি বাৰ আছিল তাইৰ মনত নাই। ঘৰত কোনো নাছিল। মাক-দেউতাক পুৱাতেই ওলাই গৈছিল আইতাকৰ ঘৰলৈ। কাম কৰা মানুহজনীও সেইদিনা সোনকালে উভতি গৈছিল। তাই আজৰি হৈ বাৰাণ্ডাত আলোচনী এখন লৈ বহি আছিল। ভৰ দুপৰীয়া। হঠাৎ বাইকখন ৰখাই প্ৰীতম সিহঁতৰ ঘৰলৈ আহিল। প্ৰীতমে তাইক হায়াৰ ছেকেণ্ডাৰী পঢ়ি থকাৰ পৰাই আমনি কৰি আহিছে প্ৰেমক লৈ। তাই তাক সঁহাৰি জনোৱা নাছিল। মুনমীহঁতৰ ঘৰখনৰ লগতো প্ৰীতমহঁতৰ আগৰেপৰা এটা ভাল সম্পৰ্ক। সেইদিনাও প্ৰীতম আহি তাইক একেটা প্ৰশ্নকে কৰিলে। কিন্তু মুনমীয়ে তাক প্ৰত্যুত্তৰ দিয়া নাছিল। হঠাতে সি উন্মাদ হৈ উঠিল আৰু মুনমীক...। যেতিয়া মুনমীয়ে সম্বিত ঘূৰাই পালে তেতিয়া প্ৰীতমে তাইক ক'লে- "এতিয়াতো তুমি মোক প্ৰতাৰণা কৰিব নোৱাৰা। এতিয়াৰপৰা তুমি মোৰ মাজতেই বন্দী। তোমালোকৰ এই বিশাল সম্পত্তি মোৰ হাতত।"সেইদিনা মুনমীয়ে হিয়া উজাৰি কান্দিছিল। তাই চিঞৰি চিঞৰি ক'বৰ মন গৈছিল প্ৰীতমৰ আচৰণৰ কথা। কিন্তু তাই ক'ব নোৱাৰিলে। সমাজৰ ভয়ত তাই তাৰ দাবীক মানি ল'লে। অলপ দিনৰ পাছতেই প্ৰীতম আৰু মুনমীৰ ঘৰুৱাভাৱে বিয়াৰ বন্দৱস্ত হ'ল আৰু বান্ধোনৰ এনাজৰী আঙঠি পিন্ধাই থৈ গ'ল। বলপূৰ্বকভাৱেই প্ৰীতমে মুনমীৰপৰা প্ৰেম আদায় কৰিলে। তেতিয়াৰপৰাই মুনমীয়ে ঘৃনাৰ চকুৰে চায়। মুনমীয়ে এইবিলাক ভাবি ভাবি কেতিয়া টোপনি গ'ল গমেই নাপালে। পুৱা শুই উঠি দেখিছে গাৰুটোৰ আধাখিনিয়েই তিতি আছে।

তৃতীয়দিনাও পৰীক্ষালৈ যাওঁতে সেই একেখন বাছতে মুনমীও উঠিল। জাঁজীত অনুৰাগো উঠিল। অনুৰাগৰ কাৰণে তাই বাছত উঠোতেই চিট এটা বুক কৰি নিছিল। সি উঠাত তাইৰ মনটো ভাল লাগি গ'ল। এক অবুজ আনন্দই হিয়া ভৰাই তুলিলে। তাইৰতো কাহানিও কাৰোবাৰ প্ৰতি এনে ভাব মনলৈ অহা নাছিল! কাৰোবাক দেখিলে ভাল লগা লগ পালে আনন্দ লগা। অনুৰাগক লগ পোৱাৰ পৰা তাই নিজে অনুমান কৰিছে যেন তাই অলপ সলনি হৈ গৈছে। প্ৰীতমৰ ক্ষেত্ৰতো তাইৰ এনেকুৱা কেতিয়াও হোৱা নাই। প্ৰীতম সিহঁতৰ ঘৰলৈ প্ৰায়ে আহে যদিও তাইৰ মনলৈ আনন্দ নাহে, ভাল নালাগে। এৰা, প্ৰেম এনেকুৱাই, গোপনে গোপনে সৃষ্টি হয়। হীৰেণ ভট্টৰ কবিতাটোলৈ মুনমীৰ মনত পৰি গ'ল- প্ৰেম এনেকুৱাই/আবৰণ খুলি হৃদয় জুৰায়। অনুৰাগৰ প্ৰতি মুনমীৰ এই আকৰ্ষণো এক নুবুজা সাথৰ হৈয়ে ৰ'ল।

পৰীক্ষাৰ শেষৰদিনা অনুৰাগে বাছত মুনমীৰ লগত বহুত কথাই পাতিলে। জীৱনৰ কথা, বাস্তৱৰ কথা, স্বপ্নৰ কথা, এইকেইদিন লগ পাই দুয়োটা যেন দুয়োটাৰে প্ৰেমত পৰিছে. ওৰে বাটটো কথা পাতিয়েই আহিছে। যতি নই, অন্ত নাই, অনুৰাগে যেন মুনমীৰ পৰা জীয়াই থাকিবলৈ প্ৰেৰণা বিচাৰিছে। তাইৰপৰা যেন সঁহাৰি বিচাৰিছে। অনুৰাগৰ প্ৰতিটো কথাতেই তাৰেই উমান পালে মুনমীয়ে। অনুৰাগে জাঁজীত নামিবৰ আগমূহুৰ্তত এটা সৰু খাম তাইলৈ আগবঢ়াই দি ক'লে- মুনমী, সোনকালে উত্তৰ দিবা, মানে ফোন কৰিবা।' মুনমীয়ে ভাবি নাপালে অনুৰাগে কিহৰ উত্তৰৰ কথা কৈছে খামটোৰ ভিতৰতনো কি আছে, তাইৰ উচপিচ্ লাগিল। ঘৰলৈ আহি ল'ৰালৰিকৈ মুনমীয়ে খুলি ল'লে - নীলাখামৰ ভিতৰত বেদনাৰে থুপ খাই থকা আখৰৰ সমাহাৰ। 'মুনমী, প্ৰথম চিনাকীতে তোমাক মোৰ ভাল লাগি গ'ল। এই চাৰিটা দিন তোমাৰ কাষে কাষে থাকি তুমি যেন মোৰ আজন্মৰ লগৰী এনে অনুভৱ হৈছে। তোমাক মই কেতিয়াও হেৰুৱাব নোখোজো। বুকু জুৰাই ল'ব বিচাৰো তোমাক মোৰ হৃদয়ৰ পঁজাত। পৃথিৱীৰ সমস্ত ৰং তোমাৰ ভিতৰত বিচাৰিব খোজোঁ। মোৰ প্ৰসাৰিত দুহাতে তোমাক আদৰি ল'ব বিচাৰো চিৰ জীৱন। মই আচলতে তোমাৰ নিচিনা এজনী ছোৱালী বিচাৰি ফুৰিছিলো আৰু তোমাৰ মাজতেই সেইজনী ছোৱালী বিচাৰি পালো। তোমাৰ কথা মই ঘৰৰ সকলোকে কৈছোঁ। মোৰ পছন্দই ঘৰৰ পছন্দ। সেয়ে মই তোমাক বিয়া কৰাব বিচাৰো। দুই তিনিদিনৰ পাছতেই মই আৰু ভণ্টি তোমালোকৰ ঘৰলৈ যাম। তুমি ফোন কৰি কেতিয়া যাম জনাবা।" মুনমীয়ে চিঠিখনৰ পাছৰখিনি আৰু পঢ়ি নোৱাৰিলে। তাই বাকৰুদ্ধ হৈ পৰিল। বিচনাখনৰ ওপৰত অনুৰাগৰ চিঠিখন লৈ কান্দি কান্দি কৈ উঠিল- "অনুৰাগ, তুমি নাহিবা- কেতিয়াও। মই কেতিয়াও তোমাৰ হ'ব নোৱাৰিম।' ❐❐

# প্ৰীতিভোজ

**বিদ্যুৎ কুমাৰ বাইলুং**
ডি.এল. এড. চতুৰ্থ ষাণ্মাসিক

অনিচ্ছা সত্বেও ফোন কলটো ৰিচিভ কৰিলে অনিমাই।

ঃ হেল্ল

ঃ নাহিলা যে. . .

ঃ এনেই আৰু। খুউব এনজয় কৰিলা ন?

ঃ আৰু কি. . . . বাকী বাৰ খবৰ ভালনে.....

এনেদৰেই অনিমাই কথা হৈ ফোনটো ৰাখিলে। এইবাৰ অনিচ্ছাৰ মাজতে ইচ্ছা কৰি দিনৰ মুহূৰ্তবোৰ মনত পেলালে। জানুৱাৰী মাহৰ প্ৰথম দিনটো লগৰ সকলৰ লগত কটোৱাৰ ইচ্ছা আছিল যদিও নোৱাৰিলে। মনত পেলালে প্ৰত্যেক বছৰেই জানুৱাৰী তথা নৱবৰ্ষৰ উদ্‌যাপন কৰা পথাৰখনৰ প্ৰতি খং কিয় উঠি আহিল। লগে লগেই খং উঠি আহিল বায়েকৰ ওপৰত।

প্ৰথম ষাণ্মাযিকৰ পৰীক্ষা শেষ হোৱাৰ পিছদিনাই কমন গ্ৰুপত মেছেজ আহিল-প্ৰতি বছৰৰ দৰেই এইবাৰো আমাৰ বিভাগে নৱবৰ্ষৰ উদযাপন কৰিব উলাইছে। উদযাপনস্থলী ঠাইৰ সিদ্ধান্ত লবৰ বাবে এইবাৰু প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক দায়িত্ব দিয়া হৈছে। সকলোৱে অংশগ্ৰহণ কামনা কৰিলো..... অলপ নাচিয়ে দিছিল অনিমাই। বিভাগৰ দাদা-বাইদেৱে তথা বন্ধুসকলৰ লগত এসাঁজ ভাবিয়ে ভাল লাগিল। লগে-লগে মেছেজৰ ঢৌ উঠিল। কিছু সময়ৰ পিছতে হোৱাইছ-এপৰ ষ্টেটাছ অপডেটেৰে ভৰি আহিল। এতিয়া এটাই কাম, মেছেজৰ ৰিপ্লাই দিয়া। অনিমায়েও ৰিপ্লাই দিছে... পুনৰ ৰিপ্লাই আহিছে....। সকলোৱে যেন এখন অঘোষিত টাইপিং কম্পিটিছনৰ প্ৰতিযোগী। ..... ঘনকৈ অহা মেছেজৰ শব্দ অনিমাৰ বায়েকৰ কাণতো পৰিলগৈ... কি হৈছে... বিভাগীয় ভোজ নৱবৰ্ষৰ বাবে.... নোৱাৰ যাৰ.... কিয়......

একো উত্তৰ নিদি গুচি আহিল তাই। অহাৰ আগতে কৈ আহিল অনিমাক... অহা চানদে আমি দুইজনী ঘৰলৈ গৈ আছো। বায়েকৰ ওপৰত খং উঠিল যদিও একো নকলে তাই। মোড অফ। এনেতে গাঁৱৰ পৰা অনিমাৰ বান্ধৱী ৰীমাই কল কৰিলে। খবৰ আহিল যে এইবাৰ গাঁৱৰ যুৱক-যুৱতীসকলে বিলৰ পাৰত খানা খাব। ভাল-বেয়া খবৰ লৈ লগ পোৱাৰ আশাৰে ফোন ৰাখিলে। মনটো উৰা মাৰিলে বিলৰ পাৰলৈ..... এজাৰ গছবোৰলৈ... কাষতে থকা সেউজীয়া পাহাৰটোলৈ। সম্পূৰ্ণ এক সুন্দৰ পৰিৱেশ, নিজান, ধূলি-মুক্ত।

ধূলিময় ৰাস্তাৰে গাড়ীখন আহি আছে। সিহঁত দুয়োজনীয়ে লক্ষ্য কৰিলে নগৰৰ সেউজীয়াক ঢাকি ধৰিছে শুকান ধূলিয়ে। বাছখনতে লগপালে চকুৰ চিনাকি একে কলেজৰে কিছুমানক। কথা আৰম্ভ কৰিলে অনিমাই।

ঃ তুমি বটনি বিভাগৰ.... জয়প্ৰকাশ হয়নে....

ঃ হয়... তুমি... হাঁহিয়ে ক'লে সি

ঃ মই ফ্ৰি.... তোমালোকৰ বিভাগে কিবা পাৰ্টিৰ আয়োজন কৰা নাই নেকি...

ঃ কৰিছে... মই নাযাওঁ... তুমি...

ঃ নাযাওঁ....

কথা শেষ কৰি তাই বায়েকলৈ চালে... তাইৰ চিল-মিলকৈ টোপনি আহিছে। তাই কাণত ইয়েৰফোন লগাই গান শুনিব ধৰিলে। ইতিমধ্যে বাছখন মূল ৰাস্তাৰ পৰা ফালৰি কাটিছে। এতিয়া গাড়ীৰ শব্দ নাই। বুলিও কম। তাই খিৰিকিখন খুলি দিলে। ফিৰ-ফিৰীয়া বতাহ-জাকে চকুলৈ পাতল টোপনি নমাই দিলে। গাড়ীৰ হৰ্ণ বজাত দুয়োজনী সাৰ পালে। গাঁৱৰ আলিমূৰলৈ বেছি দূৰ নাই। দুয়োজনীয়ে সাৰেই থাকিল।



তিনিআলিৰ মূৰত আহি বাছখন পালেহি। বাছৰ পৰা নামি দুয়োজনীয়ে ঘৰলৈ গ'ল। এসময়ত দুয়োজনীয়ে আহি ঘৰ পালেহি। ঘৰ পাই দুয়োজনীৰ ব্যস্ততা বাঢ়িল। গা-পা ধুই আজৰি হৈ দুয়োজনীয়ে আবেলিৰ কোমল সূৰ্যৰ তাপেৰে তাপিত হৈছে। মাকে দিয়া চাহ কাপ খাই উঠি দুয়োজনী গাঁৱৰ এল পি স্কুলৰ খেলপথাৰ পালেগৈ। ইতিমধ্যে আলোচনা প্ৰায় শেষ হ'বৰ হৈছিল যদিও পুনৰাবৃত্তি কৰিলে। খানা খাবৰ বাবে এটা ডি জে, বস্তু নিবৰ বাবে এখন ঠেলা আৰু প্ৰতিজনৰ বাবে ২০০ টকাকৈ। সকলো গৈ বিলৰ পাৰ পালেগৈ। সকলো নিজা নিজা কামত ব্যস্ত। প্ৰায়সকলেই নাচিছে, অনিমায়েও নাচিছে। সংগীতৰ তালে-তালে নাই নচা যদিও, নৃত্যৰ মান ৰাখিছে। সকলোৱে আনন্দ মনেৰে নাচিছে। গাঁৱতে থকা সমনীয়াসকলক মুকলি মূৰীয়াকৈ লগ পাইছে। তাতে আকৌ নৱবৰ্ষ। আনন্দৰ সীমা নাইকীয়া হৈছে সকলোৰে। ইফালে আকৌ বিলত মাছ ধৰাৰ আনন্দ। কেতিয়াবা ডাঙৰ মাছ উঠিছে। সকলোৱে চিঞৰিছে আনন্দত। এক বিশাল আনন্দৰ বাসিন্দা যেন সকলোবোৰ। যেন দুখৰ ঠিকনাবিহীন এদল যুদ্ধ-বিজয়ী সৈনিকহে।

এনেদৰে নাচি-বাগি এটা সময়ত খোৱাৰ পৰ্ব আৰম্ভ হ'ল। সকলোৱে আনন্দেৰে খাই আছে। তেনেতে...

ঃ (খগেনে চিঞৰিলে) ঐ বৰালিৰ মাথাটো মোক দিবি। ... তৰালিয়ে তাৰ পাতত দিলেহি....

ঃ মুজে তুমছে ইয়ে উন্মীদ নহী থী... আকাশে ক'লে। লগে লগে হাঁহিৰ ঢৌ উঠিল।

ঃ মে কিয়া কৰ চকতা... হাঁহিয়ে কলে তৰালিয়ে। খন্তেকলৈ হাঁহিৰ ৰোল উঠিল।

বেলি ডুবিবলৈ বেছি সময় নাই। সকলোবোৰ ঘৰলৈ ঘূৰিব লৈছে। আনন্দেৰে-হাঁহিৰে। কথাৰ কোনো উৰাদিহ নাই। কোনোবাই যদি খানাৰ কথা পাতিছে কোনোবাই আকৌ যুৰীয়া কপৌবোৰৰ কথা কৈয়ে হাঁহিছে. প্ৰতিজনেই যেন এক নতুন পৃথিৱীৰ বাসিন্দা। যুৱকসকলক বেছ আনন্দিত দেখা গৈছিল। সিহঁতে সমগ্ৰ বাটতো নাচিয়েই আহিল।

ঘৰলৈ আহি অনিমাই ভাগৰ অনুভৱ কৰিলে। সেয়েহে সোনকালে শুৱলৈ ওলাল। শুৱাৰ আগত ম'বাইল টিপা অভ্যাস আছে তাইৰ। হোৱাইচ-এপৰ ষ্টেটাছ চাই তাই নিজৰ বিভাগৰ নৱবৰ্ষৰ সোৱাদ ল'লে। হুইস্কি আৰু এলকহলেই প্ৰধান। মাজে মাজে নাচ। মাজতে বাৰ্থদে উইচ। খোৱাৰ আগত এপাক বিহু নাচ। বিহু নাচ আকৌ ইংৰাজী গানত। কামটো ইমান আজৰ নহয় যদিও কিছু মজাৰ। ইতিমধ্যে তাইৰ বায়েক আহি পাইছিল। ... কমন গ্ৰুপত ইতিমধ্যে বহুতো ভিডিঅ আহি পাইছিল... তাইৰ মনটো সেমেকি আহিল... দিনৰ মাদকতাই যেন তাইক সুখী কৰিব নোৱাৰিলে... বাৰে বাৰে মনত পৰিল কেৱল ভিডিও সমূহলৈ....

এনেতে তাইৰ ফোনটো বাজি উঠিল....... ❐❐

# জীপাল ধৰণী

**অঞ্জনা দত্ত**
বি.এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী

সাধনা আজি বহুদিনৰ মূৰত গাঁৱৰ আলিটোৰেদি ওলাই আহিছে। তাইৰ অসুখ হোৱাৰ পিছৰে পৰা ঘৰতে আবদ্ধ হৈ আছে। ডাক্তৰৰ ওচৰলৈ যাওঁতে গাড়ীৰ ভিতৰত সোমাই গ'ল বাবে কবই নোৱাৰিলে গাঁৱখনৰ প্ৰকৃতি কেনেকুৱা হৈ আছে। তাইৰ দেহত থিতাপি লৈছিল ডেংগু মহৰ ভাইৰাছে. এক্সৰে পাছত ওলোৱা ৰিপৰ্টটোৱে তাইক মানসিকভাৱে ভাৰাক্ৰান্ত কৰি তুলিছিল। ক'ত কেনেকৈ, কেতিয়া, তাইক ডেংগু ম'হে কামুৰিছিল বাৰু সিহঁতৰ গাঁৱৰ নৰেন খুড়াৰ পুতেক মুনকো হেনো এইবিধ ম'হে কামুৰিছিল। বিশ দিন মানৰ পিছত মৃত্যুৰ স'তে যুঁজি যুঁজি মুন হাৰ মানিছিল। আৰু এদিন তাৰ মৃত্যু হ'ল।

সিদিনা তাই স্কুলৰ পৰা ঘৰলৈ আহোতে ভৰি কেইটা খোজ কাঢ়িবলৈ মন নোযোৱা যেন লাগিছে। কোনো মতে ঘৰলৈ আহি হাত-ভৰি কেইটা ধুই বিচনাত বাগৰ দিলে। তাৰ পাছত আৰু তাইৰ মনত নাই। মাকে ওচৰৰে শান্তি খুড়ীৰ ঘৰলৈ গৈছিল। ঘৰত আছিল আইতাক আৰু ভায়েক। তাৰ পাছত যেতিয়া ডাক্তৰ সন্দীপন আহি থেটিচকোপডাল লৈ তাইৰ বুকুত দি চাইছিল; তেতিয়াহে তাই চক্মক কৈ সাৰ পাইছিল। ডাক্তৰে মাক-দেউতাকক কোৱা শুনিছিল - দাদা আপোনালোকে চিন্তা নকৰিব, তাইক হস্পিতালৈ নি পৰীক্ষা কেইটামান কৰাব লাগিব। মই লিখি দিছো আপোনালোকে দেৰি নকৰিব। "ভাগৰতী ড্ৰাগ হাউচ" লৈ নি পৰীক্ষা কেইটা সোনকালে কৰাওঁক। সাধনাৰ তেজৰ পৰিমাণ কম হৈছে। আপোনালোকে দেৰি নকৰিব। সেই দিনাই মাক-দেউতাকে সিহঁতৰ অঞ্চলৰ "ভাগৰতী ড্ৰাগ হাউচ" লেবটৰী প্ৰতিষ্ঠানটোলৈ নি পৰীক্ষা কৰালে। পৰীক্ষাৰ কৰাৰ পাছত সাধনাৰ দেহত ডেংগু মহৰ ভাইৰাছ ওলালে। পৰীক্ষা কৰা কাগজ কেইখন লৈ পুনৰ ডাক্তৰ সন্দীপনৰ ওচৰলৈ নি দেখুৱালে। ডাক্তৰে চিকিৎসাৰ যাৱতীয় ঔষধ, বেজি, চেলাইন আদি লিখি দিলে।

সাধনাৰ দেহত তেজৰ পৰিমান কম আছিল। হিমগ্লবিনৰ মাত্ৰা মাত্ৰ ৫.৬। তাই খাবলৈ মন নাযায়, মাক আৰু আইতাকৰ অনুনয় বিনয়ত কেইগৰাহমান খাই ঔষধপাতি খাই পুনৰ বিছনাত পৰি থাকে। তাইৰ আশ্ৰয়ৰ থল কেৱল বিছনাখন। আজি কেইদিন মানৰ পৰা ঘৰৰ বাৰান্দালৈ ওলাই আহি অলপ সময় বহে, খুব বেছি দহ মিনিট মান। পুনৰ বিচনাত শুই পৰে। কেতিয়াবা তাইৰ এনেকুৱা লাগে পৃথিৱীখন ধূসঁৰ হৈ পৰিছে। চাৰিওফালে যেন ধুঁৱলী-কুঁৱলী। গছবোৰৰ পাতবোৰ যেন হালধীয়া হৈ পৰিছে। পৃথিৱীখন যেন এজাক বৰযুণৰ অপক্ষোত ছট্‌ফট্‌াইছে ঠিক তাই দৰে। তাইয়ো সকলো আশা-ভৰসা এৰি দিছিল। স্কুললৈ যে আৰু যাব পাৰিব সেই কথাটো তাই ভাবিবই নোৱাৰা হৈছিল। সেই দিনটোৰ আগৰ (যিদিনা তাই বিদ্যালয়লৈ গৈছিল, তাৰ পাছত আৰু যোৱা নাই) পৰা তাইৰ গাতো খুব দুৰ্বল অনুভৱ হৈছিল যদিও তাই ঘৰত কোৱা নাছিল। কাৰণ সেইদিনকেইটা আছিল সিহঁতৰ ঘৰৰ বাবে আশা ভংগৰ দিন। কাৰণ বিশ বছৰৰ আগতে ২০০৪ চনৰ ১৫ আগষ্টৰ দিনা ধেমাজিত হোৱা বোমা বিস্ফোৰণত তাইৰ একমাত্ৰ খুড়াক সীমান্তই স্বাধীনতা দিৱসত

ভাগ লবলৈ গৈ ঘৰলৈ ঘূৰি অহা নাছিল। আন ১৪ জনৰ লগতে সীমান্তও বলি হৈছিল উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত। সেই পাশৱিক কাণ্ডত জড়িত থকা পশুকেইটাক আইনৰ সুৰুঙাৰে জেলৰ পৰা মুকলি আকাশৰ তললৈ ওলাই আহিল। সাধনাৰ ককাক-আইতাক, মাক-দেউতাক, মিতিৰ-কুটুম, শুভাকাংক্ষী সকলৰ শেষ আশা কণো নাইকীয়া কৰা আইন বিশেষজ্ঞৰ দ্বাৰা প্ৰস্তুত হোৱা আইনে যি ভেকো ভাওনা কৰিলে অৱশেষত তেওঁলোকৰ ঘৰখনে ভগৱানৰ ইচ্ছাৰ ওপৰত সকলো এৰি দিলে।

সাধনাই নিজৰ শৰীৰৰ কথা একেবাৰে পাহৰি ঘৰখনৰ কথাহে ভাবিবলৈ লৈছিল। আজি তাই ওলাই গৈছে গাঁৱৰ আলিটোৰেদি। আহি আহি দূৰৰ পৰাই দেখিছে জীয়াঢলৰ মৰা সুঁতিৰ কাষত গজি থকা বগা বগা কহুৱা ফুলবোৰ। তাৰ পাছত গাঁৱৰ এটা কাষে থকা সেইজীয়া ঠনধৰি থকা পথাৰখন। এটা সময়ত তাই আহি আহি গাঁৱখনৰ সিটোমূৰ পালেহি। হঠাতে তাইৰ মনটো কিবা জীপাল হৈ উঠা যেন আকৰ্ষিত হৈছে। পৃথিৱীখনৰ সৌন্দৰ্যই তাইক যেন আকৰ্ষিত কৰিছে। তাই অনুভৱ জীপাল পৃথিৱীখনৰ দৰে জীৱনটো জীপাল হৈ উঠিছে। তাই মুখৰ পৰা অস্ফুত স্বৰত ওলাই আহিল - জীপাল ধৰণী। হঠাতে তাইৰ কিবা এটা মনত পৰাৰ দৰে বেলিটোলৈ চালে আৰু অহা বাটেৰে ঘূৰি যাবলৈ ধৰিলে। ❐❐



# ক'ৰোণাই ধোৱা মৰম

**মিনু দত্ত**
বি.এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী

মল্লিকা ঘৰখনৰ সৰু ছোৱালী, সকলোৰে বৰ মৰম কৰিছিল। তাতে তাই বিয়া হৈছে নলবাৰীলৈ বৰ্তমান স-পৰিয়ালে গুৱাহাটীত থাকে। সময়-সুবিধা উলিয়াই মল্লিকাই জন্মস্থান লক্ষীমপুৰলৈ মাজে মাজে আহে কাৰণ মাক-দেউতাকৰ বাবে নিজৰ সমস্ত ব্যস্ততাকো আওকান কৰে তাই। লকডাউনৰ আগলৈকে সকলো ঠিকেই আছিল, পিছে ক'ৰোণা মহামাৰীটো গুৱাহাটীখনত কেন্দ্ৰস্থল হোৱাৰ বাবে সকলোবোৰ ওলট-পালট যেন হৈ গ'ল।

সেইদিনা মল্লিকাই জন্মদাত্ৰী মাকৰ বিয়োগৰ বাতৰি পাই শিলপৰা কপৌজনীৰ দৰে একে ঠাইতে বহি থাকিল। ফোনকৰা ভায়েকক দুনাই আৰু এটা কথাও সুধিবলৈ তাইৰ জিভাখন ঘুৰি নাহিল। বেছি দুখত সকলো মানুহেই বোবা হয়। অলপ পৰৰ পাছতে মল্লিকাৰ চিন্তাৰ সুঁতি সোঁৰে-বাওঁৰে ববলৈ আৰম্ভ কৰিলে। সিহঁতৰ ঘৰখন চহকী নাছিল অথচ খেতি-বাতি কৰিয়েই ককায়েক-ভায়েকহঁতে মাক-দেউতাকক বৰ আদৰত ৰাখিছিল। মাক-দেউতাক তেনেই সহজ-সৰল মানুহ আছিল, ওচৰ-চুবুৰীয়াৰে সৈতে সমিল-মিলেৰে বৰ আনন্দৰ দিনবোৰ অতিবাহিত কৰিছিল। বছৰটোত এবাৰ হলেও মল্লিকা যেতিয়া ল'ৰা-ছোৱালী দুটিৰে সৈতে ঘৰলৈ গৈছিল সেই কেইদিন আনন্দতে যেন আগতীয়া পূজা-বিহু উৎসৱ উদ্‌যাপন হৈছিল। ল'ৰা-ছোৱালীহাল মোমায়েকৰ ঘৰলৈ ওলাবলৈ পালে আনন্দতে ক'ব নোৱাৰা হৈছিল।

সেইদিনাও লকডাউনৰ কেইদিনমান আগতে ককায়েক-বৌৱেকহঁতে মাকক নাইটচুপাৰত ভালদৰে তুলি দিছে মল্লিকাৰ ওচৰত কেইদিনমান থাকি আহিবলৈ বুলি। এমাহ মানৰ পাছত ক'ৰোণা ভাইৰাচ মহামাৰী, লকডাউন আদি হৃদযন্ত্ৰৰ স্পন্দন বেছি কৰা সমস্যাবোৰ আহি পৰিলে। মল্লিকাৰ উপায় নাইকীয়া হ'ল মাকৰ ঘৰলৈ আহিবলৈ মাথো মন, দিনে ৰাতিয়ে ঘৰখনৰ কথা, পুতেক-বোৱাৰী-নাতিহঁতৰ কথা কৈ কৈ! আনকি খাবলৈও মন নকৰা হ'ল। ইফালে ক'ৰোণা সংক্ৰামণ বন্ধ কৰাৰ অভিকৰণ লকডাউন দি দিলে। মল্লিকাৰ মাকে লকডাউনৰ কথা কি বুজিব, মল্লিকাই একো বুজাব পৰা নাই। টিভিৰ বাতৰি দেখাই দেখাই মাকক যেনেতেনে আৰু এমাহ পৰা কৰালে। অলপ শিথিল হোৱাত টকাৰ কথা চিন্তা নকৰি গুৱাহাটীৰ পৰা গাড়ী এখন ভাড়াত লৈ ল'ৰা-ছোৱালীদুটাকো লগত লৈ মাকক ঘৰত থবলৈ বুলি আহিল। মল্লিকাৰ মানুহজনেও জমাথকা টকাকেইটা খৰচ কৰি হলেও শাহুয়েকক থোৱাৰ বন্দৰস্ত কৰি দিলে। শাহুয়েকে খোৱা-বোৱা নকৰাই হ'ল, মাথো ঘৰলৈ যোৱাৰ কথা, বয়সীয়াল মানুহ, লকডাউনৰ অৰ্থ কি বুজিব।

ৰাতি-ৰাতি আহি মল্লিকা ল'ৰা-ছোৱালীদুটাৰে সৈতে মাকক লৈ মৰমৰ গাঁওখনৰ মৰমৰ চুবুৰীটোৰ দীঘলীয়া বাটেদি আহি পালেহি। গাড়ীখন ড্ৰাইভাৰক ৰখাবলৈ কৈ মল্লিকা নামিল। তেতিয়াহে মল্লিকা আচৰিত হ'ল, ওচৰৰ খুড়াক আৰু খুড়ীয়েক ঘৰৰ বাহিৰত থকা কেইজনে তাইক দেখি ভিতৰলৈ গ'ল। গোটেই

চুবুৰীটোত যেন মানুহেই নাই, কাঁহপৰি জীন যোৱাৰ দৰে হ'ল। আগতে মল্লিকা পদূলিমুখ পালেহি গোটেই চুবুৰীটোৰ মানুহে নধৰা হয়। ঘৰৰ ভিতৰ পাবলৈ বহুত সময় লাগে, ওচৰৰ মানুহখিনিক মাত এষাৰ নিদিয়াকৈ কেনেকৈ পাৰ হয়। কিন্তু আজি দেখুন সম্পূৰ্ণ বেলেগে মৰমৰ ভায়েক হঠাতে আহি কলেহি - মাক ৰাখিব নোৱাৰো, ওচৰৰ কোৱেইনটইন চেষ্টাৰত থৈ আহ! মল্লিকাৰ কাণত পৰিছে কোনোৱা এজনীয়ে ভিতৰত কৈ আছে মাকক একেবাৰে ৰাখি থ'ব পাৰে, কিয় লৈ আহিব লাগে? মল্লিকাই ভায়েকক কৈছে মাকৰ অৱস্থাৰ কথা, আৰু ৰাস্তাত বহুবাৰ টেষ্ট কৰিছে নিগেটিভ ওলাইছে, চিন্তা কৰিবলগীয়া একো নাই। নাই! কোনেও নুশুনে। সঁচাকৈ এই মহামাৰীৰ সময়ত কোনে বুজিব এইবোৰ কথা। মল্লিকাই ল'ৰা-ছোৱালীহালৰ মুখলৈ চাব পৰা নাই। গাড়ী চলাই অহা ল'ৰাটোৰ আগত তাইযে মৰি যোৱাৰ সমান লাজ লাগিছে। ঘৰখনৰ মানুহবিলাকৰ এজনৰো বিজ্ঞানমস্কতা নাইনে? সাঁচতীয়া টকা কেইটাৰে ভায়েকলৈ কেইটামান মৰমতে মাহে মাহে পঠিয়াই, অজিযে ভায়েকৰ সেই আপোনপটীয়া স্বাভাৱত মল্লিকা হতভম্ব হ'ল। দুখে-ভাগৰে মল্লিকাই বিকল্প সমাধানৰ বাবে চিন্তা কৰিলে........।

মল্লিকাই মাকক পুনৰ গাড়ীখনত উঠাই আনি ওচৰৰ স্কুলখনত থকা কোৱেন্টাইন চেন্টাৰতে থৈ অহাৰ সিদ্ধান্ত কৰিলে। মাকৰ বাবে লাগতীয়াল বস্তু কেইপদমান কিনি মাকক বুজাই-বঢ়াই ঘৰটোলৈ লৈ গ'ল। অন্তৰত খুন্দামাৰি ধৰা আঘাত আৰু ল'ৰা-ছোৱালীহালৰে সৈতে সুদাপেটে কিযে অবৰ্ণনীয় পৰিৱেশত মল্লিকাই নিজকে বিলীন কৰিছে অন্য এজনে উপলব্ধি কৰিব পাৰিবনে? হলেও ককায়েক-ভায়েকক ফোনকৰি ক'লে মাকৰ খবৰ ৰাখিবৰ বাবে। অৱশেষত মল্লিকাই কলে ক'ৰোণাৰ বাবে মানুহৰ এনেকুৱা অৱস্থা হৈছে বুলি নিজকে চম্ভালি গুৱাহাটী পালেহি।

যোৱাটো লকডাউনৰ পাছতে পুনৰ এইবাৰৰ লকডাউনলৈকে মল্লিকা মাক-দেউতাকলৈ বহুত চিন্তা লাগি থাকে। ফোনতে খবৰ-বাতৰি লয়। বুঢ়া হৈ অহা মাক-দেউতাকৰ খবৰ এটা কেনেদৰে নোলোৱাকৈ থাকে! হঠাতে কিবা এটা হলে কিমান আঘাট থাকি যাব! সেইদিনা ভায়েক ফোনত মাকৰ জ্বৰ কাঁহৰ কথা কৈছিল। ক'ৰোণা পজিটিভ ওলাইছে হেনু! বয়সীয়াল মানুহবোৰৰ বাবে বৰ চিন্তাৰ বিষয় হ'ল। ক'ৰোণাৰ পৰা সুস্থ হলেও পিছত না না আনুষঙ্গিক দুৰ্বলতাৰে গা কৰি উঠে। সেয়েহে তাই পুৱা-গধূলি ধূপ জ্বলাওতে ঈশ্বৰকে মিনতি কৰে। অৱশেষত মাক সুস্থ হৈ উঠা খবৰটো পালে। মনতে মল্লিকাই ভাৱিলে লকডাউন অন্ত পৰিলে মাক-দেউতাৰ খবৰ এটা লবলৈ যাব লাগিব।

হঠাতে পুনৰ ভায়েকে অপ্ৰত্যাশিতভাৱে মনে নিবিচৰা খবৰটোকে দিলে, মাতৃৰ বিয়োগৰ খবৰ আজি তিনিদিনৰ মূৰত মল্লিকা ঘৰলৈ যাবলৈ ওলাইছে মানুহজনে সকলোকে বুজাইছে, তাইহে নিজে বৰ দ্বিধাগ্ৰস্তত পৰিছে। ল'ৰা-ছোৱালীহালকো সেৱা এটা কৰাবৰ বাবে নিব লাগিব। তাই ভাৱিলে! কিন্তু তাইবাৰু মৰমৰ মানুহবোৰৰ আগত সেই আগৰ মল্লিকাজনী হৈ ওলাবনে? সঁচাকৈ ক'ৰোণা, লকডাউন, কোৱেনটাইন আদি শব্দবিলাকৰ ওচৰত হৃদয়ৰ মৰমৰ আকুলতাবোৰ শুকাই গ'ল। হলেও তাই যাবই, মাক দেউতাৰ সমান এই পৃথিৱীত আৰু কোন ওলাব। ❒❒

# কাব্য কানন

কলেৰিজৰ ভাষাত — " উৎকৃষ্টতম্ শব্দপুঞ্জৰ উৎকৃষ্টতম্ বিন্যাসেই কৱিতা।"

# নাৰী

**পৰিলিনা বৰুৱা**
প্ৰৱক্তা
ডায়েট, ধেমাজি



নাৰী,
শব্দটোৰ সমানেই যদি সহজ হ'ল হয়
তাৰ অৰ্থৰ সমাসাৰ ।
হয়তো কোনেও কৰিব লগা নহ'ল হয়
নিজৰ সপোনৰ পৰিহাৰ।

দেউতাৰ মৰমৰ মাজনী
আইৰ কোলা শুৱনি
থুনুক থানাক খোজেৰেই তাই হ'লগৈ
আনৰ ঘৰৰ লখিমী।

জনা নাছিল তাই, এইয়া  কিহৰ আৰম্ভণি
কিন্তু দিব লগা হ'ল তাইৰ চঞ্চল কোলাহলৰ সমাধি।
এতিয়া আৰু নুশুনে দেউতাকে তাইৰ অভিমানৰ গাঁথা
কিয়নো সলনি যে হৈ গল তাইৰ ঠিকনা।

কোনোৱে কয় তাই আনৰ জীয়ৰী
কোনোৱে আকৌ কয় তাই আনৰ ঘৰৰ বোৱাৰী
ক'ত যাব তাই? নিজৰ ঠিকনা বিচাৰি।

যুদ্ধ কৰি ভাগৰি পৰে তাই  সন্মান ৰক্ষাৰ
প্ৰতিটো খোজতে কৰিব লগা হয় স্বাভিমানৰ সৎকাৰ।
সময়ৰ চক্ৰবেহুত খোজে প্ৰতি সলনি হয় তাইৰ পৰিচয়
এতিয়া তাই নিজক প্ৰশ্ন কৰে
কোন মই?
কোন মই? ❒❒

# ফাগুনৰ উন্মাদনা

**পূবালিমা বড়া**
প্ৰৱক্তা
ডায়েট, ধেমাজি

ধূলিয়ৰী বাটেৰে পলাশৰ ৰং চটিয়াই
ধৰালৈ নামিছে বাউলী ফাগুণ।
পচোৱা বতাহ চাটিৰ বা লাগি,
বুকুত সৰিব বিৰিখৰ হালধীয়া পাত।
লঠঙা হৃদয়ত বাজি উঠিব
ফাগুণৰ ৰিঙাগান।
সৰাপাতৰ খচ্‌মচ্‌নিত সাৰ পাব,
এৰি অহা দিনৰ সুবাস।
অ' আকাশ ........
তই লৈ আন মোৰ বাবে
ফাগুণ ফাগুণ লগা এটা জীয়া কবিতা।
শিমলু ৰঙবোৰ দুগালত সানি
চ'ত বাগৰি অহা ব'হাগৰ দিনবোৰত ....
আবেগে আনি দিব মোক
জেতুকাবুলীয়া ৰঙৰ উন্মাদনা....। ❒❒

# নিসংগতা

**দিব্য দ্যুতি গগৈ**
প্ৰৱক্তা
ডায়েট, ধেমাজি

Íò1 ÎüÂÃÎ ßÁ÷ù U÷ÅûþýÃßÂÂ
ÎýÃÂÏûþáÏî ÂÛ¿Â&? ¿1 ÆÂÕ±ËåÃòÏ1Ë»,
›¶±Ľ™w¿÷ ÎÂ¿ù ¿ÂËûþÝ ýÂÂ¿ù
ðÃ1 Â±ýÃ1 ßÁg î ÂäÂ¥ò ýÂ¿òËåÃ,
öÂá1ŋ±Â±àÏË1 Â±1 ù±¿áËåÃ
òÎÂËßÁßÁ±™òÝà¿ò¼

¥¡ò ÆýÃÂ1±ŽÂí ÎÂ±ýÃ1 åÂûþ Â,
ÎäÂÂ±Âî ÂËýÃßÁ¡ÂûþýÃÕò±¦ ó¿u î Â,
à¿Gî ÃÎýÃæÃ1 ›¶ Ãõ¿ò,
òÏ1Ë» ÎðÂù±¿ðÃÕ±ËåÃÎýÃæÃ1 ¦ öÂ¼

òÏ¿ù÷ Õ±ßÁúßÁÎýÃÂÏûþüÓÂË1
ÎæÃ1±ýÃÕ±ýÃËåÃâ1÷Ó±ÂŽÂ,
¿úà1î Âq ýÃÂ¿1ù ú±™ÎÂ¿ù
ÆËà¿òËûþ¿Â Õ±¿åÃ Îü± ±ùÏ 1±áÏ,
Îî ÃËòËî Âü ¿gûþýÃ¿òüÑáî Â1 Õ±¿Â1 ü±¿ò,
Ûg±1 ¿üÂ¡ Â¿Â1±ýÃ ßÁÕ±ßÁú ëÂýÃ1 ¿ðËu¼
Û¿ Âûþ ÎìÂî Â¿ò¦™t ¿òú±1 ¿æÂu1 áÏî Â
ús ýÃò ÕÏ äÂü¥óÓÇ¿Âø±M ÕÏ äÂÎ÷±¿ýÃÂ¼❐❐



# কোলাহ'ল

**কমলা কছাৰী**
বি.এড. চতুৰ্থ যাণ্মাসিক

ধুসৰ ধৰণী, চাৰিওফালে কোলাহ'ল
এই কোলাহ'লত বিচাৰি ফুৰো
তোমাৰ প্ৰতিচ্ছবি কিজানিবা তুমি
আকৌ ধৰা দিয়া মোৰ সন্মুখত
মই বিচাৰি ফুৰিছো
তোমাক শেষ কৰা সেই নৰপিশাচহঁতক
হাই নাই সিহঁতক ধৰিবলৈ গ'লে
মইও ঠিক....।
কিন্তু কিয় জানা সভ্যতাৰ মুখা পিন্ধা
এইজাক নৰপিশাচক মই হত্যা নকৰো।
সিঁহতৰ দাবানল নিজেই সাজিব
যি দাবানলত নিশেষ হ'ব
সিঁহতৰ আশা....
বাঃ কি সুন্দৰ...!
হয়তো সিহঁত মৰিব দহি দহি জ্বলি জ্বলি
তোমাৰ প্ৰতিচ্ছবি বুকুত বান্ধি
এই কোলাহ'লত হেৰাই যাব
সিঁহতৰ ভোকাতুৰ জিজ্ঞাসা।
মৃত্যুৰ দুৱাৰ দলিত চিঞৰিব
মোক এৰি দিয়া নামাৰিবা নামাৰিবা।
কোলাহ'লত হেৰাই যাব সিঁহতৰ অস্তিত্ব। ❐❐

# ব'হাগৰ ঠিকনা বিচাৰি

**নিজৰা বৰগোহাঞি**
বি. এড. চতুৰ্থ ষাণ্মাসিক



লিনেই ......
ম'হ ঘুলি চাপৰিৰ এজাৰ ফুলিলেই
তোলৈ মনত পৰে......
সেইযে কৈছিলি বিহুত ঘৰলৈ যাবিনে?
চাৰিকড়ীয়াই মাতেনে?
কথাবোৰ মনলৈ আহিলেই
সৰিয়হৰ হালধীয়া বৰষুণ এজাক নামি আহে
হালধীয়া হৈ পৰা এজাৰৰ পাতত
বিদায় পৰত লিখিছিলি
ৰামধেনু সপোনৰ কথা....
আজি চাৰিকড়ীয়া ৰূপালী বালিচৰত
ভগা সপোনৰ কোলাহল।
তুলবুলীয়া ধুমুহাজাকে
মোহাৰি থৈ গ'ল বহাগৰ ঠিকনা
বহাগৰ ঠিকনা বিচাৰি মই ঢাপলি মেলো
চাৰিকড়ীয়াৰ পাৰলৈ.......।
এতিয়া মহঘুলি আৰু চাৰিকড়ীয়াৰ স'তে
মোৰ বিশ্বস্ত আলাপ। ❒❒

# তাই আকৌ গাভৰু হৈছে

**গিৰিণ কছাৰী**
ডি.এল.এড. প্ৰথম ষাণ্মাসিক
ডায়েট, ধেমাজি

তাই গাভৰু হৈছিল সেইদিনা
যিদিনা তাই হাইস্কুলৰ দেওনা পাৰ হৈ কলেজ
কেম্পাচত খোজ পেলাইছিল,
তাই গাভৰু হৈছিল সেইদিনা
যিদিনা তাই কলেজ এৰি জীৱন যুজঁৰ অস্ত্ৰ
ধৰিছিল,
তাই গাভৰু হৈছিল সেইদিনা
যিদিনা তাই
যুগ্ম জীৱনৰ পাতনি মেলি নতুন জীৱনৰ
সংকল্প লৈছিল,
তাই এতিয়া আকৌ গাভৰু হৈছে,
î ÂýÃÛ¿ ÂþÄýÃö¿ÏËåÃäÂ ù ...... ❒❒

# ফাগুন যেন এক উৎসৱ

**নিৰঞ্জন গগৈ**
বি.এড. চতুৰ্থ ষাণ্মাসিক
ডায়েট, ধেমাজি

পছোৱা বতাহজাকে কৈ যায়
এক উৎসৱ অহাৰ আগমণি
আৰু সেই আনন্দতে পলাশ, শিমলু
ৰঙীণ সাজেৰে সজ্জিত হৈ
ফাগুনক ল'লৈ সাৰটি কিয়নো
ফাগুণ যেন এটা উৎসৱ।
লিগাঙৰ উল্লাস ধ্বনি কঢ়িয়াই আনে
এই ফাগুনৰ পছোৱা জাকে
আৰু লৈ আনে এক সম্প্ৰীতিৰ বতৰা
আৰু একতাৰ দৃঢ়তা।
ফাগুনেই হৈছে মাঘৰ ভোগালী আৰু
ব'হাগৰ ৰঙালীৰ সংযোগী সেতু
সকলোৰে প্ৰিয় এটি মাহ
এই ফাগুন যেন এক উৎসৱ।
প্ৰিয়তমাও মৰমৰ টোপোলা লৈ
প্ৰিয়জনৰ ওচৰলৈ মাৰিছে ধাপলি
ফাগুন মানেই এটি মতলীয়া মন
এক অবুজ আনন্দৰ ৰং।
ফাগুনেই হৈছে সংগীতৰ এক উৎস
কবিৰ অতিকৈ ভাল লগা মাতৃ
সাহিত্য, কলা আৰু সংস্কৃতিৰ সমাহৰ
এই ফাগুন যেন এক উৎসৱ। ❐❐

# প্ৰহেলিকা

**চেনীৰাম গগৈ**
বি.এড. চতুৰ্থ ষাণ্মাসিক
ডায়েট, ধেমাজি

সপোনৰ সৰাপাতত তুমি
মৌসনা ধেমাজি
তুমি প্ৰেম আৰু প্ৰেৰণা
অনন্য ৰাণী।
তোমাৰ পৰশত প্ৰাণ পায় উঠে
মোৰ ল'ৰালিৰ ধেমালি
ভালপোৱাৰ দিক্‌চৌ বনত
সৰাপাতৰ সুহুৰি বজাই
ইজনে সিজনক সুধিম
সৰগীয় ঠিকনা,
তোমাৰ আঁচলত বিচাৰিম শান্তি,
প্ৰেমৰ অমিয়া সুৰত বিচাৰিম সপোনৰ
আখৰেৰে আঁকা বুদ্ধিদ্ৰুম ছাঁ
হে প্ৰিয়তম ধেমাজি!
তোমাৰ আকুল দুহাতে
উজ্বলাই তোলা আমাৰ ভৱিষ্যত
দিনৰ সেউজী পৃথিৱী
হয়তো ইও চাগে
প্ৰহেলিকাময়ী পুৱাৰ ৰ'দালি। ❐❐

# সমন্বয়ৰ ধেমাজি

**জগন্নাথ হাজৰিকা**
বি.এড. চতুৰ্থ যান্মাসিক

জাতি উপ-জাতি সমন্বয়ৰ চানেকি ধেমাজি
সৰলতাৰে ভৰা জনমানসৰ ধৰণী,
বাৰে-বাৰে জীয়াধলৰ মৰমৰ বোলনি।

তাৰে ভিতৰত আছে বৰদলনি,
বহু পিতনিৰে ভৰা ন'ল-খাগৰি
জীয়াধলে কৰিলে ডাঙৰ চাপৰি।

ধাৰণাহে মাঁথো পানী ধেমাজি,
বহু শিক্ষিত ব্যক্তিৰে ভৰা আমাৰ মৰমী।
সগৌৰৱে জনাইছো অসম বাসীক।

পাঁচআলি পাৰ হৈ আছে ডায়েট, ধেমাজি
বহু লোকৰ প্ৰশিক্ষণৰ থলি।
শিক্ষাৰ্থী গঢ়াৰ প্ৰতিশ্ৰুতি।

নাহাঁহিবা অসমী, ধেমাজি বুলি
বহু ঐতিহ্যৰে ভৰা আমাৰ জননী।
সুখ-আনন্দৰে কটাইছো আমি
ধেমাজিবাসী। ❐❐

# 'নাৰী'

**সোণিত দলে**
বি. এড. চতুৰ্থ যান্মাসিক

আজিৰ এই পৃথিৱীত
চাৰিও ফালে শুনো মাথোন
নাৰী জীৱনৰ কান্দোনৰ ৰোল।
ধৰ্ষিতা, ধৰ্ষিতা কেৱল ধৰ্ষিতা
বাতৰি কাকত, টেলিভিছনৰ
দৈনন্দিন খবৰ
নাৰী ধৰ্ষিতা।
নাই কোনো সতী
নাই কোনো সাবিত্ৰী
সকলো হৈ পৰিছে
চিকাৰীৰ আগত চিকাৰ।
ন্যায় বিচাৰিছে
কোনোৰে আদালতত
কোনোৰে বিচাৰে আন্ধাৰত
ঈশ্বৰক দোহাৰি উচুপিছে
হে মানৱ জাতি
এই নাৰী সমাজে মুক্তি পাবনে? ❐❐

# ক্ৰমশঃ

**বকুল গগৈ**
বি. এড. প্ৰথম ষান্মাসিক

জয় তুমি সৃষ্টি কৰোঁতা
সত্য চিৰন্তন সত্য
তুমি সুন্দৰ, সত্য শিৱ
সাতোৰঙী ৰঙৰ সমাহাৰ তুমি
তুমি অবিনশ্বৰ, আশীষেৰে পালিত
নশ্বৰ জীৱ জগত।
পল, অনুপল, ঋতুৱে ঋতুৱে
তুমি প্ৰকাশিত, প্ৰসাৰিত
সন্ধানৰ সমিধান তুমি
নদী, সাগৰ, গিৰিমালাৰ শক্তি তুমি
বিশ্বব্যাপি গৰাকী তুমি
এৰি যোৱাৰ মন নাই
বিনন্দীয়া বিশ্বৰ খেলা
নিয়তিৰ মিঠা প্ৰৱাহে
মুচি দিয়ে আয়ুস ৰেখা।
নাচি-বাগি এৰিলো আশা। ❐❐



# অনুভৱ

**লখেশ্বৰ ফুকন**
বি. এড. চতুৰ্থ ষান্মাসিক

মোৰ কবিতাত নাই ছন্দ, নাই ভাষা নাই অৰ্থ
মোৰ কবিতাত নাই মূল্যহীন সূৰ।
আছেও যদি মোৰ কবিতাৰ অতীত
আছে মাথোঁ বৰ্তমানৰ জল্পনা কল্পনা।
মোৰ কবিতাত নাই প্ৰকৃতিত থকা বস্তু
আৰু নাই মোৰ কবিতাত ভৱিষ্যৎ,
মোৰ কবিতাত আছে মাথোঁ শ্ৰদ্ধা ভক্তি
ডায়েটৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু
আৰু মোৰ দাদা বাইদেউসকল।
মোৰ কবিতাত নাই নাই একো নাই আছে মাথোঁ
ধেমাজি ডায়েট প্ৰশিক্ষণৰ অৰ্থ।
মোৰ কবিতাত নাই সাহিত্য আৰু নাই মূল্যহীন অৰ্থ,
মোৰ কবিতাত নাই ৰোমান্তিক ভাষাৰ শব্দ
আৰু নাই বৰ্তমানৰ অৰ্থ। ❐❐

# স্বদেশ সুৰক্ষা

**বাবুল গগৈ**
বি. এড. দ্বিতীয় ষাণ্মাসিক

মই নতুন যুগৰ ৰণুৱা
আৰু সুযোগ্য বনুৱা,
হ'ব খোজো নিৰিহ জনতাৰ হকে
এডাল উন্নতিৰ জখলা
আৰু হ'ব খোজো জনতাৰ
সু-পথ প্ৰদৰ্শক,
হিয়াৰ আমঠু হৈ এজন
সুযোগ্য সমাজ সংস্কাৰক।
নলওঁ মই হাতত চোকা তৰোৱাল
আৰু নলওঁ মাৰণাস্ত্ৰ বন্দুক বাৰুদ
আলোক সন্ধানী মনে
সমাজৰ অস্পৃশ্যতা ভেদি
অহিংসা নীতিৰে কৰিম
স্বদেশ সুৰক্ষা।
মোৰ তেজত
জাতি সত্তা ৰক্ষাৰ শিহৰণ জাগে
প্ৰাণৰ কোঁহে কোঁহে
আই অসমীৰ হকে
স্বাভিমান ৰক্ষাৰ হুমুনিয়াহ জাগে
এয়াই মোৰ জীৱন স্বদেশক লৈ
দেশ মাতৃৰ সতে মোৰ প্ৰেম.... ❐❐

# "অনুনয়"

**বীৰেণ পেগু**
বি. এড. চতুৰ্থ ষাণ্মাসিক

কিনো ৰস দি কিনো ভাষা সিঁচি,
কবিতা ৰচো,
অনুগ্ৰহ কৰি দয়া ময় আজি মোক
তোমাৰ ভাষাৰ চৰ্চা শিকোৱা।
কবিতা লিখিয়েই কবি হ'ব খোজো মই
ধৰাৰ সকলো কথাকে বুজাওঁ,
কবিতাৰ কানন বিচাৰি ফুৰিলেও
হয়তুবা বুটলিকে নাপাওঁ।
সাধনা নামৰ মাথোঁ আছে
এটি ৰসিক ভাষা,
তাৰেই কৰিছো সাফল্যৰ
অজস্ৰ আশা। ❐❐

# কনজীটিভীত এপৰ

**পল্লৱী গগৈ**
বি. এড. দ্বিতীয় ষান্মাসিক

তোমাৰ এচামুচ নীলাৰ গভীৰতাত
মোৰ ডুবাৰুৰ অভিযান 'ভাইট্ৰাচ হিউমাৰ'
ঠিক দোকমোকালিতেই ....
তোমাৰ পদুলিৰ সৰা কৰবী গছকি আৰম্ভ হ'ব
মোৰ যাত্ৰা .....
প্ৰথমেই কৈছো তোমাক
মোৰ মেচিনৰ কৰ্কশ মাতত
কষ্ট পালে তুমি ক'বা
ক্ষন্তেক জিৰণি ল'ম হোটেল 'আইৰিছ'ত ...
পুনৰ আৰম্ভ হ'ব যাত্ৰাৰ ...
তুমি ভুল বুজিছা নেকি?
লক্ষ্য মোৰ নহয় 'অক্ষিপট'
দুঃসাহসিক পুৰষ্কাৰ লোৱাৰ
লক্ষ্য মোৰ ....
নিষ্প্ৰাণ জেকৰ সুদক্ষ তুলিকাৰ সন্ধান
পাৰোৱেই বা কিজানি তাৰে
সৃষ্টি কৰিব 'ৰ'জ'ক
ৰাখিবলৈ হিমালয়ৰ সেউজীয়া চূড়াত
পাৰোৱেই বা কিজানি
আঁকি উলিয়াব তাৰে
বন নহৰু পাতৰ এখনি নিকা ফুলশয্যা
কটাবলৈ কন্‌জাংটিভাত এপৰ। ❐❐

# "গৌৰৱ"

**কৃষ্ণ কান্ত বৰা**
বি.এড. দ্বিতীয় ষান্মাসিক

ইতিহাসে চুই যোৱা, অসমৰ পূব প্ৰান্তৰ
তুমি বোলে বানে গৰকা।
শস্য শ্যামলা ভোগজৰা তুমি
এবাৰ চালে, চকু আঁতৰাব নোৱাৰা
তুমি বোলে মনোমোহা।
জাতি, জনজাতি মিলনৰ
পূণ্য ভূমি, অপূৰ্ব চানেকি।
বড়ো, মিচিং, দেউৰী, আহোম, চুতীয়া
আৰু যে, ক'ত জাতি মিলি
বুকুৰ কুতুম্ব হৈ থাকে মিলি জুলি।
নাই কোনো অহংকাৰ
নাই কোনো ভেদভাৱ
সৰ্ব ধৰ্ম, সৰ্ব বৰ্ণ সমভাৱ,
অপূৰ্ব সমাহাৰ।
মাছখোৱা, বৰদলনি, ধেমাজি
জোনাই, চিচিবৰগাঁও সহোদৰ আজি।
উৰ্বৰা মাটিত তোমাৰ সন্তানে
সেউজ সপোন ৰচে নাঙলৰ মুঠিত।
ভাল পাওঁ, সপোন দেখোঁ, গীত গাওঁ
তোমাৰ কোলাতে শুই সুখ পাওঁ।
ধেমাজি তুমি অনন্য, তৰুণ তুমি
স্ব-গৰীমাৰে উজ্বলি মহীয়ান আজি। ❐❐

# কোনে জানে?

**লিলাম্বৰ পাইত**
ডি. এল. এড. তৃতীয় ষান্মাসিক

সাৰ পানী দি ৰুৱা
হেঁপাহৰ গোলাপ জুপী
অকালতে মৰহিব বুলি
কোনে জানে;

আজি বহু বছৰ হ'ল
তুমি থকা মোৰ হৃদয়ত
তুমি যে নাই, জানা...

তুমি গুচি যোৱাৰ পাছত
তোমাৰ মৰমবোৰ
মোৰ হৃদয়ৰ অন্তকোণত
ধাৰাল বজ্ৰ শেলৰ দৰে
অনুভৱ কৰিছিলো।
এতিয়া তুমি অকলে বাস কৰা
দুখৰ চকুলোৰে হৃদয়খন তিয়াওঁ
হয়তো তুমি জীপাল হৈ উঠিবা
এজোপা ৰঙা গোলাপ হৈ।
তুমি জানো আহিবা দুনাই!
মোৰ হৃদয়ত গজা গোলাপ জুপি

তোমাৰ দৰে হ'বনে?
নহয় -
তুমি এৰি যোৱা বহুত দিন হ'ল
তুমি হয়তো
হৃদয়লৈ ওভতনি পথ
পাহৰি পেলালা
তেন্তে শুনা -
যি পথেৰে খোজ দিছিলা
সেই পথেৰে উভতি আহা।

আজিও আছো ৰৈ
তুমি আহিবা আৰু কবা
তোমাক বহুত ভাল পাওঁ
আৰু মই ক'ম
তোমাৰ বাবে মোৰ হৃদয়খন
সদায় খোলা আছে।
কিন্তু নাই
আজিও কিয় তুমি ঘূৰি অহা নাই?
নামাতিবা জানো এবাৰ
Îî Â÷±ï Î÷Ìüò±÷±ï Â¼❒❒

# বাইদেউ

**মেদিনী মোহন মিলি**
প্ৰাক্তন ডি.এল.এড. প্ৰশিক্ষাৰ্থী

তেওঁ,
মেদিনীৰ সুন্দৰতম নাৰী গৰাকী
কৰ্তব্য দায়িত্ব আদিবোৰ
নিষ্ঠাৰে পালন কৰা মহিলা গৰাকী
সমস্যা অসুবিধাৰ সময়ত সহায় কৰা
অপেশ্বৰী তুল্য নাৰী।
তেওঁ মোৰ জননী
ন পৰো ন পৰো বুলিও
পৰিলো জ্ঞানৰ প্ৰেমত
যিহে তোমাৰ শিক্ষণি
ডেউকা মেলি আৰুৰে তেওঁ
আকাশৰ দৰে উদাৰ
সাগৰৰ দৰে বিশাল
মেদিনীৰ দৰেই সহনশীল তেওঁ
কাচৰ দৰে ঠুনুকা তেওঁৰ হৃদয়
প্ৰয়োজনত শিলৰ দৰে কঠিন
নিজৰ ভাল লগাবোৰক জলাঞ্জলি দি
ছাত্ৰ-ছাত্ৰীৰ ভালৰ বাবে জীয়াই থাকে তেওঁ
তেওঁ মোৰ সুন্দৰতম নাৰী
তেওঁ মোৰ জ্ঞানপূৰ্ণ শিক্ষা গুৰু
শিকাই মোৰ লক্ষ্য। ❒❒

# এৰি অহা দিনবোৰ

**মায়াশ্ৰী দত্ত**
প্ৰাক্তন ডি. এল. এড. প্ৰশিক্ষাৰ্থী

কিমান যে ভাল লগা দিন আছিল
আগৰ দৰেই সেই সুমধুৰ স্মৃতিবোৰ
এতিয়া হয়তো বিচাৰি নাপাওঁ
বিচাৰি নাপাওঁ সেই স্মৃতিবোৰ
সেই সময় আৰু এই সময়ৰ
মাজত বহু পাৰ্থক্য
তেতিয়া, এযাৰি মাততে
সকলোকে পাইছিলো।
কিন্তু এতিয়া, ব্যস্ততাৰে ভৰা জীৱনত
কাৰো যেন আহৰি নাই
নিজক লৈয়ে ব্যস্ত সকলো
ভাই-ভনী, লগৰ সমনীয়াৰ লগত
হাঁহি-ধেমালিৰে পাৰ কৰা সময়খিনি
বৰ ভাল লগা আছিল।
সোনকালে চকু পলকতে হেৰুৱালো
সেই সুমধুৰ দিনবোৰ
মাথোঁ চাই ৰম
Õ±ËÃÀ âǵ ÕýÃÂÈëÉ1¼❒❒

# নিস্তব্ধতাৰ শেষত

**বন্দনা দত্ত**
ডি.এল.এড., তৃতীয় ষান্মাসিক

বৰ্ণিল ব্যস্ত চহৰৰ সুখত
পাহৰিব নোৱাৰো,
তুমি বিহীনতাক,
সময়বোৰক শূণ্যতাৰে মেৰিয়াই
উদযাপন কৰিব পাৰো, এইবেলিৰ ফাগুনক।
সাম্প্ৰতিক তমশাচন্ন হৃদয়ত
অবিষাদৰ উশাহবোৰে
জোনাকৰ তন্দ্ৰাচাপ তৰিছে
গলি যোৱা যাতনা বাটে বাটে শিপাইছে
তুমি নামৰ এটি প্ৰাণ সূৰ্য আৰু
এমুঠি মৰমৰ বাসনা।
তুমি মোৰ দুচকুত নিবিচাৰিবা
দুপাখি মেলি উৰিব পৰাকৈ
বিশালতাৰ নীলা প্ৰান্তৰ।
অকলশৰীয়া সপোন এটাক সাৰটি
নৈশব্দ প্ৰতিটো নিশাতে
সংগোপনে সৰি থাকে বিষণ্ণতাৰ
মৰহা নিয়ৰ।
আপাহৰ হৃদয়ত
তুমি শৰতৰ দৰে আহি
শেৱালিৰ জোনাক সিঁচি থৈ যাবাহি
দুবৰি গচকি নিয়ৰত
দুভৰি তিয়াবাহি পদুলিত
বিচ্ছুৰিত হ'ব জীৱনৰ বৰ্ণালী। ❐❐



# কলিজাৰ উচুপনি

**বন্তি বৰুৱা**
ডি.এল.এড., তৃতীয় ষান্মাসিক

এতিয়া মোক নুসুধিবা তোমাৰ ভালনে?
দুখ বেদনাৰে ভৰা ভঙা কলিজাটো
এতিয়া মই সযতনে ৰাখিছোঁ।
তোমাৰ হাতত তুলি দিয়া কলিজাৰ তেজ বোলোৱা
হিয়া ফুলৰ সুদুল পাহিবোৰ গছকি তুমি
অসীমলৈ হেৰাই গ'লা
মোৰ সপোনৰ দুৱাৰ ভেদি
বাস্তৱতাৰ নিষ্ঠুৰ আঘাতত
সৰাপাতৰ দৰে ঠিকনাবিহীন মই
তোমাৰ সোঁৱৰণীৰ বোকোচাত
তাৰেই সুগন্ধিৰে আছোঁ
বিষাদৰ অটল গহ্বৰত
মন মোৰ সীমাহীন বিষণ্ণতা
চকু পানী মুকুতা নহয় কেতিয়াও
মৌনতাৰ প্ৰেমৰ স্মৃতিহে
দিশহাৰা হৈ তোমাক বিচাৰি চলাথ
তোমাৰ খং অভিমান বিচ্ছেদ আঁতৰাই
তোমাক এবাৰ চাবলৈ
মাথোঁ মই তোমাৰ বাবে... ❐❐

# ক্ষোভ

**অনিল দত্ত**
বি. এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী



á1Ï» ÎðÃî Â¿ýÃÂ±ñßÁ±1Ï
ßÁ1 1 ÎÂô±æÃ ÂæÃî Â±1 ßÁßÁÂôßÁ¿
æÃî Â±1 ßÁË1Ë1 1±æÃöÂÒ±ù æÏÃô±ù ýÃËùýÃ
ëÂæÃô ÂôË1 ¿ýÃÂ±ñßÁ±1Ï Õ±1ņÕ±ÈÂò
¿ßÁ¥±Õ›¶Ëùþ±æÃÏûþÂËþÂÙù ¿Ãù±üÏ ëÂËü», ÕòÂÂò
ùŽÃ¸ ùŽÃúî ÂÑú1 òÂÂæÃÕÑßÁ
ùŽÃòýÃþæÃî Â¸ ¿ßÁ¥±Îðà1 ›¶¿Â
ùŽÃ÷±Ëî ±úî ÂÑú1, ùŽÃ÷±Ëî ÒŽÂî Â±
›¶¿Â ÕL™1±ýÃýÃÂ±ñßÁ±1Ï1 ÎÂô±ËßÁåÃ ÂëÂ¿Â
ùŽÃ¸ ÷±Ëî ÒŽÂî Â±1¼
¿òÂõ±ëÂÇ Û¿ Âþ
æÃî ÂßÁüËÂ±ò ÎðÃÁ»±ÛéÂÂ±ÒÂÂåÃÏûþÎà¿Â
ò±ýÃ ßÁËò±÷ÅËÂ±ñ, Õ±Ëå÷±Ëî Òü¿Ãñ±ÂôðÃ
Â±ÒÂÂåÃ1 ÕL™ ÂÛéÂÎöÂéÂ±ñßÁ±1
ýÃýÃò±Îû±áË Â±¿ýÃÂ±ñßÁ±1Ï1¼
Û¿Âþáíî ÂâÂ¿ò÷±Ç ýÃþù±à, ù±à ¿-¿ÂÑÎéÂËùî Â
÷ËðÃ Â±1 Â±ÒÃÂ±ÂåÃ¼
›¶ËŽÃ ßÁË1 ëÂæÃà¿1 ¿ò^±

প্ৰক্ষেপ কৰে সপোন বিহীন নিদ্ৰা
সেয়াই বহু মুলীয়া ভোটাৰ নাম তাৰ হিতাধিকাৰী।
হেৰৌ জাতিৰ পিতা মহাত্মা তুমি দেখা সপোন
এতিয়া মন্ত্ৰী, এম. এল. এ. ৰ এটা পাঁচ বছৰীয়া খেতি
আঁচনি নামৰ সুৰুঙাৰেই সিহঁতৰ দুৰ্নীতি।
এতিয়া গণতন্ত্ৰত দুটা নতুন প্ৰজাতিৰ খেতি
নাম যাৰ আঁচনি আৰু হিতাধিকাৰী।
এই প্ৰজাতিৰ খেতিতে বাঢ়ে
মন্ত্ৰী, এম. এল. এ ৰ সম্পতিৰ পাহাৰ
কিম্বা কেইৰা পুৰুষৰ বাবে বেংক বেলেঞ্চ।
এই প্ৰজাতিৰ খেতিতে বাঢ়ে এটাৰ পাছত
আনটো কাৰ্য্যকাল।
হেৰৌ আঁচনি আৰু হিতাধিকাৰী
তহঁতৰ আলমতে গঢ়ে দুৰ্নীতি পাহাৰ আৰু কাৰ্যকালৰ বাহাৰ।

❒❒

# মা

**মৌচুমী বৰা হাজৰীকা**
প্ৰাক্তন বি.এড. প্ৰশিক্ষাৰ্থী



সকলোবোৰ ইমান উগুল থুগুল
ক'ৰবাত যেন হেৰাই যায়
সকলো,
যেন বৈ যাব খোজে
মোৰ সকলো অস্থিৰতা
অগা-দেৱা কৰে সকলো
স্মৃতি মুখৰতা, মোৰ আনন্দ বিষাদ,
নিষ্প্ৰাণ কাতৰতা
তুমি আঁজলি পাতি লোৱা
মোৰ সকলো দুখ, মোৰ মৌনতা
এই যে ভাঁহি আহে ইপাৰত
তোমাৰ মাত,
দুখৰ এজাক বৰষুণত মই
তিতি থাকো অহোৰাত্ৰি
তোমাৰ কুশল বাৰ্তাৰ বাবে
বাট চাওঁ প্ৰতি নিয়ত
তোমাৰ কুশল
আই,

তোমাৰ অসুখৰ বতৰাই মোক
বাউল কৰে,
বৈ যায় এজাক বাউলী বতাহ,
এক মৌন মুখৰতাত
বিয়পি পৰে
মোৰ প্ৰাৰ্থনাৰ সুবাস
আই, বৈ যাওক
এই মুখৰতা তোমালৈ
প্ৰাৰ্থনাৰ সুবাসেৰে
তুমি বিয়পি থাকা মোৰ সৰ্বত্ৰত
মোৰ ছাঁ হৈ
আই,
তুমি বিয়পি থাকা মোৰ সৰ্বত্ৰত। ❒❒

# নাৰী মই স্ৰোতস্ৰিণী

**হিৰণময়ী দিহিঙ্গীয়া**
প্ৰাক্তন বি. এড. প্ৰশিক্ষাৰ্থী



নাৰী মই স্ৰোতস্ৰিণী
আন্ধাৰৰ প্ৰাচীৰ ভাঙি
বৈ যাওঁ নিৰৱধি

মোৰ অস্তিত্বৰ শূন্যতাত
বসুন্ধৰা নহয় শ্যামলীমা
তথাপি মোৰ বাবে অসুৰৰ বিভীষিকা

পাযান শিলৰ হাতোৰাত মই
নিষ্পেষিতা ধৰ্ষিতা, লাঞ্চিতা
অথচ, মোৰ সত্বাত অলেখ তৰাৰ উজ্জ্বলতা

জানিবা, মোৰ আঁচলত ধৰি খোজ কঢ়া
মোৰ মমতাৰে প্ৰাণ পোৱা
প্ৰাণত মই অবলা

অৱশ্যেই হওঁ মই ....
পাযণ্ড নাশৰ বেলিকা
নতুন ৰূপেৰে সবলা
নাভাবিবা মোক নিছলা বুলি
লক্ষ্যস্থান মোৰ সাগৰলৈ গতি
ইতিহাসে গাব মোৰ জয়গান
ÎüËûpÆÂû±ÝÒò1»ƒñ ....¼❐❐

# A Moonlit Night by the Abanari

**Lakhi Nath Pegu**
B. Ed. 2nd Sem.

A bright moonlit night,
Spread out by the Abanari,
With wild sugarcane and thatch grass blooming by.
The turbulent water flows making ripples,
Providing a murmen,
Wind blows, the flowers sway,
Singing an eternal song,
A boat man rows his boat,
Looking for his lost calf and,
In search of his fate across the 'Subansiri'
Singing his heart out to his own tune,
The river bank get mesmerised,
Stars twinkle and blue deep water shine,
In the moon light a mystic, beauty is born
A orphaned calf belows in deep of the pasture,
At a distance birds shrieks,
Making the air ghostly silent,
On a bright moonlit night,
Spread out by the Abanari. ❐❐

# सोलोंसुला गोसो

जुली बसुमथारी

समायना नो बुहुम निखायाव
सुबुँ महरै दोनोम मोननाम जेला,
समायना बे जिओखौ
ओंचि गोनांसिन खालामनो,
गोसोआ जेलानो सोलोंसुला जागाँगोन।
अनसुलि, सहायसुलि आरो उदां गोसो
जेराव भैया गाज्रि सान्नाय आरो मुगौनाय
जेलानो थारथिखौ संदानगिरि
गोथौथिजों बुजिनो नाजागिरि
बै सुबुङा मोनफुंनो हागोन
थार आरो गोनो गियानखौ।
गोनांनिसिम गोसारगोन आरो नेरखांगोन
बेनि मावनाय हांनायनि गेजेरजों
सोरजि हागोन समायना संसार
जेराव जोनोम मोनगोन आरोबाब
सोलों सुला गोसो। ❒❒

# जीवन तत्व

समुद्र बरगोहाइ
बी. एड प्राक्तन प्रशिक्षार्थी

जनम तुमने है लिए, बंधे माया जंजीर,
पर जीवन वह नहीं कि शिर्फ जीना ही संसार।

ज्ञान का मालिक हो तुम, सबसे ऊंचा स्थान,
समझ न पाए ज्ञान को ही तो मिट जाएगा सम्मान।

ईश्वर ने दिए है हाथ, करने कार्य लगन के साथ,
यह रत्न रहते भी रोते हो पाने सुख का पाठ।

दो नयन हे देखने, पर सिर्फ सौंदर्य को नहीं,
देख समझ के सिद्धांत लो क्या गलत है क्या सही।

संसार के प्रगति है यह दो पाव हमारे
कदम कदम बढ़ाए जाओ खुद से ही लिए सहारे।

एक हृदय जो है हमारे मोटी से भी मूल्यावान
उसे भी खो दोगे तो हमारा क्या रहेगा मान।

यह जीना भी क्या जीनाहै। शरीर में रक्त का क्या काम?
अरे। पृथ्वी वासी खुन हो या पसीना चुकाओ हर बुंद का दाम।

❒❒

# ৰঙা স্কাৰ্ট

**কাকলি পেগু**
প্ৰৱক্তা, ডায়েট, ধেমাজি

দুলুৰ আজি বৰ স্ফুৰ্তি কাৰণ ইমান দিনৰ পৰা মাক-দেউতাকক আমনি কৰি আছিল এটা ৰঙা স্কাৰ্টৰ কাৰণে। আজি সেই বিশেষ স্কাৰ্টটো দেউতাকে অনা বুলি জানি তাইক কোনে পায়।

তেৰ বছৰীয়া দুলুৰ বৰ মন লগৰ খিনিৰ নিচিনাকৈ স্কাৰ্ট পিন্ধি স্কুল যোৱাৰ। কিন্তু তাইক ৰঙা ৰঙৰ স্কাৰ্ট হে লাগে। দিন হাজিৰা কৰি খোৱা দুলুৰ মাক-দেউতাকৰ এটাই মাত্ৰ চিন্তা চাৰিজনী বাই-ভনীৰ আটাইতকৈ ডাঙৰ জী দুলুক কেনেদৰে বেলেগ এঘৰলৈ উলিয়াই দিব পাৰি।

দুলুৰ ঘৰখন অলপ সময়ৰ ভিতৰতে ওচৰৰ মানুহেৰে ভৰি পৰিল। তাই একো তত্‌কে নাপালে। তাই আঁচৰিত হৈ মাকলৈ চালে কাৰণ তাই ভাৰি থকা ৰঙা পেকেটটো এখন শাৰীহে আৰু মাকে ওচৰৰ এগৰাকী আত্মীয়ৰ লগত তাইক পিন্ধাই আছে। আত্মীয় গৰাকীয়ে হাঁহি হাঁহি ক'লে "আজিয়ে শিকি ল কেনেকৈ পিন্ধে, কাইলেৰ পৰা শহুৰৰ ঘৰত কোনে পিন্ধাব।" ❐❐

# নিয়ন্ত্ৰণ

**লিলি দেউৰী**
বি.এড. চতুৰ্থ ষান্মাসিক।

শাহুৰেক ঘৰত নাছিল। ময়ূৰীয়ে বিচনাকে বাগৰি কিতাপ এখন চাই আছিল। হঠাৎ কলিং বেলৰ শব্দ শুনি ময়ূৰী ওলাই গ'ল। দুৱাৰখন খুলিয়েই ময়ূৰীয়ে দেখিলে দুগৰাকী কম বয়সীয়া মহিলা বাৰণ্ডাত ৰৈ আছে। ময়ূৰীক দেখাৰ লগে লগে এগৰাকীয়ে সুধিলে, ঘৰত মানুহ নাই নেকি? ময়ূৰীয়ে থতমত খাই লাহেকৈ উত্তৰ দিলে, আছোঁ। মইয়েই মানুহ.... এই বুলি কৈ ময়ূৰীয়ে হাঁহি মাৰি মহিলা দুগৰাকীক ভিতৰলৈ মাতি বহিবলৈ দিলে।

আনগৰাকীয়ে সুধিলে, আণ্টি নাই নেকি। ময়ূৰীয়ে নাই বুলি কোৱাত মহিলা গৰাৰীয়ে হেণ্ডবেগৰ পৰা এখন কাৰ্ড উলিয়াই ময়ূৰীৰ ফালে চাই কলম এটা পাম নেকি সুধিলে। ময়ূৰীয়ে ওচৰৰ ড্ৰয়াৰতে থকা কলম এটা আগবঢ়াই দিলে। মহিলা গৰাকীয়ে সুধিলে, আণ্টিৰ নাম কি আছিল? (ময়ূৰীৰ শাহুৰেকৰ নাম) ময়ূৰীয়ে ক'লে... নন্দিতা, নন্দিতা বৰুৱা।

মহিলাগৰাকীয়ে কাৰ্ডখনৰ ওপৰত নামটো লিখি ময়ূৰীৰ ফালে আগবঢ়াই ক'লে, আণ্টিক ক'ব বিয়া মাতিছোঁ বুলি। এইবুলি কৈ মহিলা দুগৰাকী খৰ-খেদাকৈ ওলাই গ'ল। ময়ূৰীয়ে ভেবা লাগি মহিলা দুগৰাকী যোৱাৰ ফালে চাই থাকিল...।

ময়ূৰীয়ে বহু দেৰিলৈকে একো তত ধৰিবই নোৱাৰিলে। কাৰণ ময়ূৰীয়ে জীৱনত প্ৰথমবাৰ এইদৰে বিয়াৰ নিমন্ত্ৰণ দিবৰৈ অহা কাৰোবাক লগ পাইছে। কাৰ্ডখন আনিছে ঠিকেই....। লগত না কলম আনিছে, না বিয়া মাতিবলৈ অহা ঘৰৰ মানুহক চিনি পাই, অথবা কাক বিয়া মাতিব তেওঁৰ নাম জানে? আন্তৰিকতাতো দূৰৰে কথা....। ময়ূৰীয়ে মনতে ভোৰভোৰালে.....

এয়াই পৰিৱৰ্তন.....

যান্ত্ৰিক যুগৰ নিমন্ত্ৰণ। ❐❐

# বিবাহ

**সপোন কুমাৰ ফুকন**
ডি.এল.এড, তৃতীয় ষাণ্মাসিক

সেমেকা চকুজুৰিয়ে তাই দেউতাকৰ হাতখন খামুচমাৰি ধৰিলে। মানুহজনৰ হাতৰ কলা মলিৰ দাগবোৰ আজিও যোৱা নাই। অথচ সাঁচতিয়া গাথিৰ ধনকেইতাৰ আজি সকলো শেষ।

দেউতাকৰ কাষতে থকা তাইৰ লগত দিবলৈ থোৱা ডাঙৰ আইনাখনলৈ তাইৰ চকু গ'ল। কইনা সাজযোৰে তাইক বৰ ধুনীয়া লাগিছে। এতিয়া যে তাইৰ কন্যা দানৰ সময়। ❒❒

# অন্য এক পৃথিৱীলৈ

**ৰাহুল বৰবৰা**
বি.এড. চতুৰ্থ ষান্মাসিক।

ঘৰৰ সকলো মায়া-মোহ এৰি গুচি আহিল গীতাৰ্থ। মাকক এৰি আহিবলৈ মন নাছিল যদিও সমাজৰ বাস্তৱতাৰ ওচৰত বাৰে বাৰে হাৰ মানিবলগীয়া হয় সি। সি বেয়া পোৱাবোৰ কৰিবলৈ বাৰে বাৰে বাধ্য কৰোৱা হয়। কিন্তু সি! বেয়া প্ৰায় সি পুৰুষ নামৰ কঠিন শব্দটো। মাকৰ দৰে মমতাময়ী হৃদয়ৰ গৰাকী হ'ব বিচাৰে সি। কি ভুল তাত। সেইখিনিকে কৰিবলৈ যাওঁতে কিয় লাঞ্চিত হ'ব লগা হয়....! কিয় ধৰ্ষণৰ বলি হ'ব লগা হয়...?

নাই আৰু নোৱাৰে সি। পুৰুষ নামৰ এই শব্দটো নিজ জীৱনৰ পৰা আঁতৰাব লাগিব। কাৰণ তাৰ মনটোৱে কয় সি যে এগৰাকী নাৰী। সেয়ে সলনি কৰিব লাগিব দেহৰ বাহ্যিক গঠন। এইখিনি কৰিবলৈ যাওঁতে দৈহিক আৰু মানসিক ভাৱে কষ্ট হৈছে তাৰ। মাকৰ ৰঙা শাৰীৰ গাত মেৰিয়াই ৰঙা লিপিষ্টিক দুটা ওঁঠ ৰঙীন কৰি ঘৰৰ পৰা একেবাৰে ওলাই আহিল সি, নিজৰ পৰিচয় সলনি কৰিবলৈ...... গীতাৰ্থৰ পৰা গীতাৰ্থী হ'বলৈ। ❒❒

# অতীতৰ পৰা ভৱিষ্যতলৈ

**মামনী শইকীয়া**
বি.এড., চতুৰ্থ ষান্মাসিক

তেৰ' মে। মোৰ বাবে দিনটো আছিল বৰ বিষাদৰ, যদিও সেই দিনটো মোৰ কাৰণে বৰ আনন্দৰ আছিল। যিহেতু ভাল-বেয়া সুখ-দুখ এটা মুদ্ৰাৰেই ইপিঠি-সিপিঠি। বৰ্তমানত মই খুউব ব্যস্তঃ তথাপিও কেতিয়াবা সেই দিনটো কথা ভাবিলেই ছাঁই হৈ যাব খোজে বুকুখন।

ছুৰটৰ ভষ্মৰ দৰে পৰিব খোজে হামখুৰি খাই আলফুলে ধৰিও যাক নভঙাকৈ তুলি আনিব নোৱাৰি, সৰি পৰিছে সুখৰ ঋতু, দুখৰ ঋতু। সময় এনেদৰে হেলাৰঙে গুছি যায় বুকুত দি শিলৰ ভৰ। বৰ সোনকালে বাজি শেষ হ'ল এটা গান অজৰ-অমৰ।

ক্ষন্তেকীয়া মানৱ জীৱনটো হয়তো এনেকুৱাই, কোনোবাজনে জীৱনটোক সহজকৈ ল'ব পাৰে আৰু কোনোবাজনে জীৱনটোক কঠিন হিচাপে লয়, কিন্তু প্ৰত্যেকৰে জীৱনটো নদীখনিৰ দৰেই বৈ যাব বহু দূৰলৈ.... দূ...ৰ...লৈ...

মাঁথো কেতিয়াবা....!

স্মৃতিবোৰে সিঁচি দিব হাজাৰ হাজাৰ বাধাৰো নেওতি নেওচি....... ❐❐

# ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্যৰ বিশেষত্ব ঃ এক চমু আলোকপাত

**বসন্ত কুমাৰ ভৰালী**
বি.এড., প্ৰাক্তন প্ৰশিক্ষাৰ্থী

ভাৰতীয় সাহিত্যৰ জগতলৈ বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ অৱদান মন কৰিবলগীয়া। বাংলা সাহিত্যলৈ নৱ-জাগৰণ অনাৰ ক্ষেত্ৰত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ অৰিহণা উল্লেখযোগ্য। গল্প, নাটক, উপন্যাস আদি বিভিন্ন প্ৰকাৰৰ সাহিত্য ৰচনা কৰা বিশিষ্ট সাহিত্যিক ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্যই যি বিশ্বায়তন লাভ কৰিলে, তেখেতৰ সমকক্ষ আন এগৰাকী কবি আধুনিক যুগত আবিৰ্ভাৱ হোৱা নাই। এইগৰাকী কবিয়ে সংঘাতময় জীৱন অতিবাহিত কৰিও "গীতাঞ্জলী"ৰ দৰে মহান গ্ৰন্থ ৰচনা কৰি ১৯১৩ চনত নোবেল বঁটা লাভ কৰে।

বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ জন্ম হৈছিল ১৮৫১ চন ৭ মে'ত আৰু ১৯৪১ চনত মৃত্যুবৰণ কৰে। পিতৃৰ নাম দেবেন্দ্ৰ নাথ ঠাকুৰ আৰু মাতৃৰ নাম সাৰদা দেৱী। তেওঁৰ পত্নীৰ নাম আছিল মৃনালিনী দেৱী। মৃনালিনী দেৱী এগৰাকী শিক্ষিতা তথা ৰন্ধা-বঢ়া কাৰ্যত পাকৈত আছিল। কম বয়সতে পত্নী মৃনালিনী দেৱীৰ মৃত্যু হয়। ৰবীন্দ্ৰ নাথ ঠাকুৰে কনিষ্ঠ পুত্ৰ আৰু পত্নীৰ বিয়োগত মনোকষ্ট হয় আৰু এই সংঘাতময় পৰিস্থিতিৰ মাজেৰে কালজয়ী সাহিত্য সৃষ্টি কৰি বিশ্ব দৰবাৰত ভাৰতীয় সাহিত্যৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়।

ৰবীন্দ্ৰ নাথৰ কাব্য গ্ৰন্থৰ সংখ্যা ভালেকেইখন। ইয়াৰ ভিতৰত আখ্যান কাব্য, নাটকাব্য, ক্ষুদ্ৰ কবিতা, শিশু কবিতা আদি কেইবাটাও শ্ৰেণীত তেওঁৰ কাব্যসমূহ ভাগ কৰিব পাৰি। ৰবীন্দ্ৰ নাথৰ কেইখনমান কাব্যগ্ৰন্থ হ'ল — আখ্যান কাব্য কবি কাহিনী (১৮৭৮), বৰফুকন (১৮৮০), ৰুদ্ৰচন্দ (১৮৮১), নাট্যকাব্য — প্ৰকৃতিৰ প্ৰতিশোধ, ভগ্ন হৃদয়, ৰাজাগু ৰাণী, বিসৰ্জন, চিত্ৰাঙ্গদা, বিদায় অভিশাপ, মালিনী, লক্ষ্মী পৰীক্ষা ইত্যাদি।

শিশু কবিতা — ছেলেভোলানো ছড়া (১৮৯৬), খাপ দৃড় (১৯৩৭), দৃড়াৰ ছবি (১৯৩৭), ছড়া (১৯৪০), শিশু (১৯০১), শিশু ভোলানাথ (১৯২২)। ক্ষুদ্ৰ কবিতা — কনিকা (১৯৩০), লেখন (১৯২৭), স্ফুন্দিগ (১৯৪৫)। কাব্যগ্ৰন্থ — সন্ধ্যা সঙ্গীত (১৮৮২), প্ৰভাত সঙ্গীত (১৮৮৩) ছবি ও গান (১৮৮৩), কড়ি ও কোমল (১৮৮৬), পুৰবী (১৯২৫), মহুয়া (১৯২৯), আৰোগ্য (১৯৪০), জন্মদিনে (১৯১২) ইত্যাদি।

কৈশোৰতে অংকুৰণ ঘটা তেওঁৰ কাব্য প্ৰতিভাই পিছত সংগীত, মাননী, কড়ি ও কোমল, গীতাঞ্জলী, গীতিমালা, গীতালী আদি কাব্যগ্ৰন্থৰ মাজত পূৰ্ণতা ঘটিল। আয়তনৰ বিশালতা আৰু বিষয়ৰ বিচিত্ৰতা আৰু এইবোৰ মাজেদি প্ৰতিফলিত হোৱা ভাৰত গভীৰতা ৰবীন্দ্ৰ নাথৰ কবিতাত প্ৰধান বিশেষত্ব।

প্ৰকৃতি প্ৰীতি ৰবীন্দ্ৰ নাথৰ কবিতাৰ অন্যতম বিশেষত্ব। কিয়নো নৈসৰ্গিক প্ৰকৃতিৰ সকলো কেইটা দিশ, যেনে — প্ৰকৃতিৰ ৰূপ-ৰস গন্ধেৰে ঐশ্বৰ্যময় ৰূপ-সৌন্দৰ্য, প্ৰকৃতিৰ মাজত প্ৰিয়াৰ ৰূপ সন্ধান, প্ৰকৃতিৰ আত্মকৰণ আৰু প্ৰকৃতিৰ মাজত ঈশ্বৰৰ সন্ধান আদি প্ৰকৃতিৰ সমন্ধীয় প্ৰাৰম্ভিক দিশ ৰবীন্দ্ৰ নাথৰ কাব্যত দেখা যায়।

ৰবীন্দ্ৰ নাথৰ কবিতাত প্ৰতিফলিত আন এটা দিশ হৈছে প্ৰেমৰ বিচিত্ৰ স্বৰূপ। এই প্ৰেম পাৰ্থিৱ কামনা-বাসনাৰ পৰা আৰম্ভ কৰি অপাৰ্থিৱ সৌন্দৰ্যলৈকে গতি কৰা দেখা যায়। 'বন-ফুল'

সন্ধ্যা সংগীত, কড়ি ও কোমল আদি কাব্য গ্ৰন্থত প্ৰেমৰ বিচিত্ৰ স্বৰূপ উদ্ভাসিত হৈ উঠিছে।

মানৱীয় দৃষ্টিকোন ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কবিতাৰ বিষয়বস্তুত প্ৰতিফলিত মন কৰিব লগীয়া দিশ। মানুহৰ স্নেহ-মমতা মানৱীয় কল্যাণ, পীড়িত মানুহৰ দুখ-বেদনা, সাধাৰণ মানুহক মানৱীয় গুণ, আদি তেওঁৰ কবিতাত প্ৰতিফলিত হৈ কড়ি ও কোমল মহুৱা আদি কাব্য গ্ৰন্থত মানৱতাবাদী দৃষ্টিভঙ্গীয়ে বাস্তৱবাদী ৰূপ গ্ৰহণ কৰিছে।

গীতি ধৰ্মিতা ৰবীন্দ্ৰ নাথৰ কবিতাৰ আন এটা দিশ। তেওঁৰ দৃষ্টিত গীত আৰু কবিতাৰ মাজত বিশেষ পাৰ্থক্য নাই। সুকুমাৰ সেনৰ মতে — ব্যাকুলতা আৰু আবেগৰ তীব্ৰতা টনা সুৰৰ বিস্তাৰে ৰবীন্দ্ৰ নাথৰ গীতসমূহৰ পৰিচয় আৰু নিৰুতাপ আৰু নিৰুদ্বিগ্নভাৱে অন্তৰৰ কনাটি প্ৰকাশ কৰাই তেওঁৰ কবিতাৰ পৰিচয়। ৰবীন্দ্ৰ নাথৰ গীত আৰু কবিতা একে পথেৰেই আগবাঢ়িছে। গীতি কবিতাসমূহ প্ৰথম দৃষ্টিত মাত আৰু ধীৰগম্ভীৰ যেন লাগে, পিছত গীতৰ দৰে ঢিলা হৈ পৰে।

সৌন্দৰ্য চেতনা আৰু মৃত্যু চেতনা ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কবিতাৰ এটা উল্লেখযোগ্য বিযেশত্ব প্ৰাচ্য আৰু পাশ্চাত্য দৰ্শনৰ আধাৰত অৰ্থাৎ ভাৰতীয় উপনিষদৰ আধ্যাত্মিক চিন্তাৰ লগত পশ্চিমীয়া সৌন্দৰ্য চেতনাক একেলগে কৰি সত্য শিৱ, সুন্দৰৰ স্বৰূপ দাঙি ধৰে।

কাব্যিক সৌন্দৰ্য তথা আঙ্গিক বিশেষত্বলৈ মন কৰিলে দেখা যায় ৰবীন্দ্ৰ নাথৰ কবিতাৰ ভাষাৰ প্ৰাঞ্জল আৰু ব্যঞ্জনাময়। কোমল শব্দৰ প্ৰয়োগে তেওঁৰ কবিতাৰ মন কৰিবলগীয়া দিশ। আকৰ্ষণীয় চিত্ৰকল্পৰ প্ৰয়োগে ৰবীন্দ্ৰ নাথৰ কবিতাত কাব্যিক সৌন্দৰ্যৰ সৃষ্টি কৰিছে। মুঠতে অৰ্থবহ চিত্ৰকল্প, উৎকৃষ্ট শব্দ, সাংগীতিৰ ভাষা, অন্তৰ স্পৰ্শ কৰা চন্দবোধ আদি ৰবীন্দ্ৰ নাথৰ কবিতাৰ আংগিকগত বিশেষত্ব।

মুঠতে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্যৰ বিশালতা, বিষয়বস্তুৰ বিচিত্ৰতা, ভাৱ-গভীৰতা, গীতি ধৰ্মিতা গুণ আৰু ভাষাৰ লালিত্য ভাৰতীয় সাহিত্যৰ বাবে গৌৰৱ বুলিব পাৰি। এনে সীমাহীন গুণৰ সমাহাৰত বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কাব্য প্ৰতিভাই বিশ্বজনীয়তা ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। ❐❐

"ধুমুহা পাৰ হৈ যাবলৈ অপেক্ষা কৰাটো জীৱন নহয়, বৰষুণৰ মাজতো নৃত্য কৰিবলৈ শিকাটোহে জীৱন।"

— ভিভিয়ান গ্ৰীন

# খাদ্যৰ প্ৰয়োজনীয়তা

**অঞ্জু শইকীয়া**
বি.এড., প্ৰাক্তন প্ৰশিক্ষাৰ্থী

পুৱা শুই উঠাৰে পৰা ৰাতি শুবলৈ যোৱালৈকে আমি নিতৌ কেইবাবাৰো খাওঁ। সেই বাবে আমি খোৱা খাদ্যত কি উপাদান থাকে আৰু সেইবোৰ আমাৰ শৰীৰৰ বাবে কিমান প্ৰয়োজনীয়তা আছে এইবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল —

**শক্তি যোগোৱা খাদ্য ঃ**

খাদ্যয়ে আমাৰ দেহত শক্তি যোগায়। যেনেকৈ এখন মটৰ গাড়ী চলাবলৈ ডিজেল, পেট্ৰল প্ৰয়োজন হয়, ঠিক সেইদৰে আমাৰ দেহে শক্তি পাবলৈ খাদ্য ব্যৱহাৰ কৰা হয়। এই কথাটো এনেদৰে ক'ব পাৰো যে শক্তি পাবৰ বাবে শৰীৰে খাদ্য দহন ঘটায়। আমি টোপনি গৈ থাকিলেও দেহৰ কিছুমান অংগই কাম চলায় গৈ থাকে। যেনেদৰে বুকু ধপধপনি - চলি থাকে, হাওঁফাওঁ উশাহ-নিশাহ লয় আৰু পাচনতন্ত্ৰই তাৰ কাম কৰি থাকে। যিমানেই শাৰীৰিক পৰিশ্ৰম হয় সিমানেই শক্তি পাবলৈ আমাক খাদ্যৰ প্ৰয়োজন। শক্তি পাবৰ বাবে শক্তি দায়ক খাদ্য - কাৰ্ব-হাইড্ৰেট আৰু স্নেহ পদাৰ্থ। ঘেহু, চাউল, গম, মিঠা আলু, কুঁহিয়াৰ, অমিতা, তৰমুচ, আম, মাকৈ, এই উপাদানবোৰৰ পৰা কাৰ্ব-হাইড্ৰেট পোৱা যায়। মাছ, মাংস, কণী ঘি, গাখীৰ, বাটাৰ, ক্ৰিম, তিল, বাদাম, সঁৰিয়হৰ তেল, সূৰ্যমুখী ফুল আদিৰ পৰা স্নেহ পদাৰ্থ পোৱা যায়।

**শৰীৰ বৰ্দ্ধক খাদ্য ঃ**

শৰীৰৰ বৃদ্ধি আৰু পুনৰ গঠনৰ বাবে প্ৰটিন থকা খাদ্য — মাছ, মাংস, কণী, গাখীৰ, পনীৰ, মটৰ মাহ, বুট, মগু, ৰহৰ দাইল, বীন আৰু ছয়াবিন আদি।

**শৰীৰ ৰোগমুক্ত খাদ্য ঃ**

আমাৰ শৰীৰটো বিভিন্ন ধৰণৰ ৰোগে দেখা দিয়ে। গতিকে ৰোগৰ পৰা মুক্ত হ'বৰ বাবে বিভিন্ন ধৰণৰ ভিটামিন যেনে — ভিটামিন A, ভিটামিন B, ভিটামিন C, ভিটামিন D, ভিটামিন E আৰু ভিটামিন K আদি থাকে। কেইবিধমান ভিটামিন যুক্ত খাদ্য হ'ল —

ফছফৰাচ যুক্ত খাদ্য — গাখীৰ, কল, জলকীয়া, তিল আদি।

আয়দিন যুক্ত খাদ্য — মাছ, গাখীৰ, সেউজীয়া শাক-পাচলি, আদা আদি।

লো যুক্ত খাদ্য — আপেল, অমিতা, সেউজীয়া পাচলি আদি।

কেলছিয়াম যুক্ত খাদ্য — গাখীৰ, কণী আদি।

**আয়তন বৃদ্ধি খাদ্য ঃ**

আমাৰ শৰীৰটো ভালে ৰাখিবলৈ উপৰোক্ত উপাদানৰ উপৰিও আঁহযুক্ত খাদ্য নিতান্ত প্ৰয়োজন। গোটা শস্য, মাহজাতীয় শস্য, আলু, সতেজ ফলমূল আৰু শাক-পাচলি এইবোৰত আঁহজাতীয় পদাৰ্থ পোৱা যায়।

এই কেইবিধ খাদ্যয়ে আমাৰ শৰীৰৰ পৰিপোষক যোগান নধৰে কিন্তু ইয়ে আমাৰ খাদ্যৰ আয়তন বঢ়ায়।

**উষ্ণতাৰ নিয়ন্ত্ৰণ ঃ**

আমাৰ শৰীৰটোক উষ্ণতা নিয়ন্ত্ৰণৰ বাবে পানীৰ প্ৰয়োজন। Õ±Ë ú1Ï1î Å/ ভাগেই পানী থাকে। এই পানীভাগ শৰীৰত জমা হয় পিখোৱা পানী আৰু খাদ্যবস্তুত থকা পানীৰ পৰা। গাখীৰত ৭০ ভাগ, মাছ, মাংস, কণী আৰু আলুত ৭০ ভাগ থাকে। আটাইতকৈ বেছি পৰিমাণে ফল-মূলত, শাক-পাচলিত পানী থাকে। ❑❑

# আধুনিক ভাৰতীয় শিক্ষা ব্যৱস্থাত ইংৰাজসকলৰ অৱদান

**বলেন পেগু**
বি.এড. প্ৰাক্তন প্ৰশিক্ষাৰ্থী

ভাৰতবৰ্ষ ঋষিমুনিৰ দেশ। ইয়াত অসংখ্য ঋষিমুনিয়ে জন্ম লাভ কৰিছে। বিশ্বৰ প্ৰাচীন শিক্ষা তথা জ্ঞান-ভাণ্ডাৰৰ পীঠস্থান হ'ল ভাৰতবৰ্ষ। ইয়াৰ পৰাই সমগ্ৰ বিশ্বলৈ জ্ঞানৰ জ্যোতি সিঁচৰিত হৈছিল। তথ্যশীলা, নালন্দা, বিক্ৰমশীলা পুষ্পাগিৰি উদান্তপুৰ ইত্যাদি বিশ্ববিদ্যালয়বোৰেই ইয়াৰ প্ৰমাণ।

ভাৰতবৰ্ষৰ এই শিক্ষা ব্যৱস্থা বিশ্বব্যাপি আছিল যদিও সকলো ভাৰতীয়ৰ বাবে শিক্ষা সম্ভৱপৰ নহৈছিল। ইয়াৰ মূলতে হ'ল জাতিভেদ প্ৰথা। সেই সময়ত আজিৰ তুলনাত জাতিভেদ প্ৰথা অতি প্ৰকট আছিল। ভাৰতীয় সমাজ ব্যৱস্থা মূলত চাৰিটা ভাগত বিভক্ত আছিল। এইবোৰ হ'ল — ক) ব্ৰাহ্মণ, খ) ক্ষত্ৰিয়, গ) শূদ্ৰ আৰু ঘ) বৈশ্য। এই চাৰিটা ভাগক পৃথক পৃথক বৃত্তি আছিল। ব্ৰাহ্মণসকলেই উচ্চ জাতৰ খ্যাতি অৰ্জন কৰিছিল আৰু সমাজত ইহঁতৰ প্ৰভূত্বই প্ৰাধান্য লাভ কৰিছিল। শিক্ষাৰ ক্ষেত্ৰটো ব্ৰাহ্মণসকলৰ বাবেই সদায় দুৱাৰ খোলা আছিল। অন্য জাতিৰ বাবে শিক্ষা গ্ৰহণত বাধা আছিল। ইয়াৰ উপৰিও বৌদ্ধ শিক্ষা, মুছলমান আদি নানা ভাগত বহুধাবিভক্ত আছিল। ইয়াত কোনোধৰণৰ অনুষ্ঠানৰ বা সামাজিক শিক্ষাৰ ধাৰণা নাছিল।

ঠিক তেনে সময়তে ভাৰতলৈ অন্যান্য আগমনকাৰী সকলৰ দৰেই ইংৰাজসকলেও পৰ্দাপন কৰিছিল। তেওঁলোকৰ মূল উদ্দেশ্য আছিল বেপাৰ-বাণিজ্য কৰি ইয়াৰ লাভাংশখিনি নিজৰ দেশলৈ প্ৰেৰণ কৰা। কিন্তু ইংৰাজসকল কালক্ৰমত গোজেই গজালিত পৰিণত হৈ ভাৰতৰ সৰ্তাকৰ্তা হৈ পৰিল। ইহঁতৰ অন্যায়, অত্যাচাৰ, অবিচাৰ, শোষণ, নিষ্পেষণ আৰু বাঞ্চনাত সৰ্বসাধাৰণ ভাৰতীয় জনগণৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হ'ল। বিশাল ভূখণ্ডৰ ভাৰতবৰ্ষক এমুঠিমান ইংৰাজ বিষয়াই চম্ভালিব পৰা নহৈছিল।

এনে প্ৰেক্ষাপটত ভাৰতীয় সকলক শিক্ষিত কৰি ইংৰাজ প্ৰশাসনৰ নিম্নখাপৰ কামকাজবোৰ চোৰা-চিতা কৰোৱাৰ থল আহি পৰিলে। অৱশ্যেই ইংৰাজসকলৰ মাজতো ভাৰতীয় সকলৰ প্ৰতি সুহৃদয়ৱান লোক আছিল। এনে ব্যক্তিৰ দ্বাৰাই ভাৰতবৰ্ষত প্ৰথম শিক্ষাৰ বীজ ৰোপণ হৈছিল। উল্লেখ্য যে শিক্ষাৰ প্ৰথম খোজতে বিবাদৰ সূত্ৰপাত হৈছিল। এই বিবাদ শিক্ষাৰ মাধ্যম, ভাষা ভাৰতীয় সাহিত্য-সংস্কৃতি, জ্ঞান-বিজ্ঞান, পাশ্চাত্য ইংৰাজী ভাষা সাহিত্য, শিক্ষা পদ্ধতি আৰু শিক্ষাৰ দায়িত্বক লৈ আৰম্ভ হৈছিল আৰু এই বিবাদ প্ৰায় ২২ বছৰ ধৰি চলিছিল। যাক ভাৰতীয় শিক্ষা ইতিহাসত প্ৰাচ্য-পাশ্চ্যতাৰ বিবাদ হিচাপে জনা যায়। এই বিবাদৰ অন্যতম কাৰক হ'ল সুখ্যাত/কুখ্যাত নিম্ন পৰিশ্ৰাৱন নীতি।

পৰৱৰ্তী সময়ত লৰ্ড সকলেই ১৮৩৫ চনত বিবাদ প্ৰশমিত কৰিবলৈ সক্ষম হৈছিল আৰু ভাৰতীয় শিক্ষা ব্যৱস্থাত নতুন যুগৰ সুচনা কৰি আনুষ্ঠানিক শিক্ষাৰ এক মাইলৰ খুঁটি স্থাপন কৰিছিল। তেওঁ প্ৰথমে নিম্ন পৰিশ্ৰাৱণ নীতিৰেই শিক্ষা ব্যৱস্থাৰ পাতনি মেলিছিল আৰু পিছলৈ ই জনশিক্ষকলৈ ৰূপান্তৰ হৈছিল।

ইতিমধ্যে মিছনেৰীসকলে শিক্ষাক ঢাল হিচাপে লৈ ধৰ্ম প্ৰচাৰৰ/ ধৰ্মান্তকৰণৰ কাম আৰম্ভ কৰিছিল। দূৰদৃষ্টি সম্পন্ন মেক্‌লে চাহাবে ইচ্ছাকৃতভাৱেই শিক্ষাৰ দায়িত্ব মিছনেৰীসকলক নিদি চৰকাৰৰ হাতত ৰাখিছিল।

মেকলেৰ পিছত অন্য এজন ইংৰাজ চাহাব উচে ১৮৫৪ চনত এমুঠিমান শিক্ষানীতি লৈ ভাৰতত উপস্থিত হৈছিল। ইয়াৰ উপৰিও ইংৰাজসকলে হাণ্টাৰ কমিচন ১৮৮২ চনত, লৰ্ডকাজনৰ ছিমলা শিক্ষা সন্মিলন (১৯০১) আদিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাক সুদৃঢ় কৰি তুলিছিল। শিক্ষিত ভাৰতীয় লোকসকলক ইংৰাজ প্ৰশাসনৰ কেৰাণী, মহৰি পদত নিযুক্তি দি নগৰলৈ জনপ্ৰবজনৰ সোঁত সৃষ্টি কৰি নগৰীকৰণ প্ৰক্ৰিয়া দ্ৰুততৰ কৰিছিল যিটো বৰ্তমান সময়তো চলি আছে।

ইংৰাজসকলে ভাৰতীয় শিক্ষা ব্যৱস্থাক প্ৰচাৰ, প্ৰসাৰ আৰু সবলীকৰণৰ বাবে তলত লিখা ধৰণে ক'ব পাৰি।

১। সকলো নাগৰিকৰ বাবে জনশিক্ষা।
২। শিক্ষানুষ্ঠান নিৰ্মাণ।
৩। জ্ঞান-বিজ্ঞানৰ শিক্ষা প্ৰদান।
৪। শিক্ষিত লোকক মকৰল।
৫। স্ত্ৰী-শিক্ষা আৰু ধৰ্মীয় শিক্ষা প্ৰচলন।
৬। বৃত্তিমূলক শিক্ষা প্ৰদান।
৭। শিক্ষক নিযুক্তি আৰু প্ৰশিক্ষণ ইত্যাদি।

ইংৰাজসকলৰ শিক্ষাৰ প্ৰতি থকা ধাউতিয়ে এফালে ভাৰতীয় সকলক শিক্ষিত কৰাৰ বিপৰীতে ভাৰতবৰ্ষত ইংৰাজৰ শাসন চমুৱাই আনিলে বুলি ক'ব পাৰি। অৰ্থাৎ ইংৰাজসকলে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ উত্তৰণ নকৰা হ'লে হয়তো ভাৰতৰ স্বাধীনতা প্ৰাপ্তি দেৰি হোৱাৰ থল আছিল।

স্বাধীনতাৰ পৰবৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে ইংৰাজ শিক্ষা-নীতিৰ আধাৰতেই বিভিন্ন নীতি আনি ভাৰতীয় শিক্ষা ব্যৱস্থাক সংস্কাৰমুখী কৰি আহিছে যদিও তাত্বিক আৰু ব্যৱহাৰিক দিশত থকা দূৰত্ব শূন্য কৰাত সম্পূৰ্ণ সফল হ'ব পৰা নাই। ❐❐

(সহায় লৈ)

"ডাঙৰ আৰু যথেষ্ট সংখ্যক ভুলৰ মাজেদি নহাকৈ কোনো এজন মানুহেই মহান তথা সফল হ'ব নোৱাৰে।"
— উইলিয়াম শ্বেক্সপীয়েৰ।

# हर व्यक्ति को अपनी समस्या बड़ी लगती हैं

**कल्पना छेत्री**
बी. एड तृतीय सेमेस्टर

कई बार जब हमारी जिंदगी में कोई समस्या आती है, तो हमें लगता है कि भगवान ने सबसे बड़ी समस्या हमें ही दी है, बाकी लोग सुखी हैं, लेकिन ऐसा है नहीं, दुनिया में हर व्यक्ति की कोई न कोई समस्या है, जिसकी जो समस्या है, वही उसे हल कर सकता है।

एक गाँव में एक संत आये वे किसी की भी समस्या दुर कर सकते थे, सभी लोग जल्दी से जल्दी अपनी समस्या संत को बता कर उपाय जानना चाहते थे, नतीजा यह हुआ कि हर कोई बोलने लगा, अचानक संत चिल्लाये, 'खामोश', सब चुप हे गये। संत ने कहा, 'मै सबकी समस्या दुर कर दुंगा एक साथ बोलने के बजाय सब लोग एक एक कागज पर अपनी समस्या लिख लायें और मुझे दें।' कुछ ही देर में संत के सामने कागजों का ढेर लग गया। संत ने कागजों को एक टोकरी में रखा और सभी को गोला बना कर बैठ जाने को कहा। गोले के बीच टोकरी रख दी गयी।

एक आदमी की करफ से एक एक कागज उठा लेंगें लेकिन अपना कागज उठाना मना था। संत ने कहा, 'अब इस कागज में लिखी किसी दुसरे की समस्या पढ़ो, अगर तुम चाहोगे, तो मैं तुम्हारी समस्या दुर कर दुँगा पर उसके बदले में कागज में लिखी समस्या तुम्हारी हो गाएगी। तुम्हें लगता हैं कि तुम्हारी समस्या बड़ी हैं तो उसे दूर करवा कर कागज पर लिखी दूसरे की छोटी-सी समस्या लोगे तब मेरे पास आ जाना।'

लोगों ने जब कागज पर लिखी समस्या पढ़ी वे घबरा गये। लोग एक दूसरे के कागज बदल-बदलकर पढ़ते और बार-बार उन्हें लगता कि उनकी समस्या तो जैसी हैं वैसी हैं, पर इस नयी समस्या का सामना वे कैसे कर पायेंगे। कुछ देर में हर किसी को समझ में आ गया कि उनकी समस्या जैसी भी है, उनके जीवन का हिस्सा हैं और वे ही उसका सामना कर सकते है।

**अच्छी सीख :**

समस्याएँ तो जीवन का हिस्सा हैं, इनसे घबराने के बजाय इनका सामना करना चाहिए। जो समस्याओं से घबराता नही ãþßãéaâ Èü ãë õãÞ❒❒

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশ আৰু স্বজাতিৰ হকে যিসকলে মহান ত্যাগৰ আদৰ্শ দেখুৱাই জাতিক মহীয়ান কৰি গৈছে — সেই মহান সকললৈ আমাৰ ভক্তিভৰা প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি যাচিছোঁ। এই শুভক্ষণত সেইসকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ - যি সকলৰ অশেষ শ্ৰম আৰু ত্যাগৰ বিনিময়ত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিয়ে প্ৰাণ পায় উঠিছিল — যাৰ প্ৰকাশিত, বিকশিত, প্ৰসাৰিত গৌৰৱত আজি আমি গৌৰৱান্বিত।

সময় গতিশীল, সময়ে বহু কথা কৈ যায়, সময়ে অনিচ্ছাকৃতভাৱে মানৱ জীৱনলৈ কঢ়িয়াই আনে দায়িত্ব, কৰ্তব্য সুযোগ, সুবিধা সেৱাৰ মাদকতা ভৰা সঁফুৰা। সময়ে দি যায় অভিজ্ঞতা, দি যায় বাট বুলাৰ সাহস আৰু সমৃদ্ধি। সময় ৰৈ যায় - সেয়া মাথোঁ 'স্মৃতি' হৃদয় কোণত। সময় বোকোচাত উঠি যৌৱন বাগৰি যায় ডায়েট ধেমাজিৰ বুকুৰেদি, তীমিৰৰ তমসা নাশি জ্ঞানৰ পোহৰ খেদি।

**কাৰ্যভাৰ গ্ৰহণ ঃ**

ডায়েট, ধেমাজিৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে এই অভাজনক ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ বিকাশ মঞ্চ, ডায়েট ধেমাজিৰ সাধাৰণ সম্পাদক হিচাপে বাছনি কৰে। গত ২২ মে', ২০২৪ তাৰিখত কাৰ্যভাৰ গ্ৰহণ কৰি সদৌটিৰ দিহা-পৰামৰ্শক মুখ্য সমল আৰু সাহস হিচাপে লৈ ডায়েট, ধেমাজিৰ হকে কাৰ্য সম্পাদনৰ প্ৰয়াস কৰিছিলোঁ।

**বিদায় সভা ঃ**

ক) কাৰ্যভাৰ গ্ৰহণ কৰিয়ে অতি তাৎক্ষাণিকভাৱে ২৮ মে', ২০২৪ তাৰিখত ২০২২-২৪ বৰ্ষৰ বি.এড. প্ৰশিক্ষাৰ্থী সকলৰ বিদায় সম্বৰ্ধনা সভাখনি অনুষ্ঠিত কৰোঁ। কাৰ্যকালৰ প্ৰথমটো অনুষ্ঠানত সকলোৰে পূৰ্ণ সহযোগিতাই মনত সাহস আৰু প্ৰেৰণা যোগালে।

খ) ২৯ জুলাই, ২৪ তাৰিখত অধ্যক্ষ শ্ৰদ্ধাৰ শ্ৰীযুত হৰিনাথ বৰা ছাৰৰ অৱসৰ বিদায় সম্বৰ্ধনা সভাখন অনুষ্ঠিত কৰা হয়।

গ) ৩১ জুলাই, ২৪ তাৰিখত প্ৰতিষ্ঠানৰ জ্যেষ্ঠ শিক্ষাগুৰু শ্ৰদ্ধাৰ শ্ৰীযুত দুলেন গোহাঁই ছাৰৰ অৱসৰী বিদায় সম্বৰ্ধনা সভাখনি অনুষ্ঠিত কৰা হয়।

ঘ) ৩০ ডিচেম্বৰ, ২৪ তাৰিখত ২০২২-২৪ বৰ্ষৰ ডি.এল.এড. প্ৰশিক্ষাৰ্থী সকলৰ বিদায় সম্বৰ্ধনা সভাখনি অনুষ্ঠিত কৰা হয়।

**শিক্ষক দিৱস ঃ**

পোনপ্ৰথমবাৰৰ বাবে ছাত্ৰ বিকাশ মঞ্চৰ পুঁজি ব্যয়ৰে উলহ-মালহেৰে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়।

**সৰস্বতী পূজা ঃ**

শৈক্ষিক প্ৰতিষ্ঠানৰ পৰম্পৰা ৰক্ষা কৰি শিক্ষক, কৰ্মচাৰী প্ৰশিক্ষাৰ্থী সকলোৰে সহযোগত সৰস্বতী পূজাভাগ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

ইয়াৰ উপৰিও আমাৰ কাৰ্যকালত ডায়েট ধেমাজিত বিভিন্ন ধৰণৰ অনুষ্ঠান আৰু দিৱস সমূহ পালন কৰা হৈছিল। সেইবোৰৰ ভিতৰত পৰিৱেশ দিৱস, শিক্ষা সপ্তাহ কাৰ্যসূচী, অমৃত বৃক্ষ, নিচাযুক্ত ভাৰত, প্ৰাক্ স্বাধীনতা কাৰ্যসূচী (৭৭ সংখ্যক স্বাধীনতা

দিৱস), ৰাষ্ট্ৰীয় মহাকাশ দিৱস, সুধাকণ্ঠ দিৱস, ৰাষ্ট্ৰীয় শিক্ষা দিৱস, শিশু দিৱস, শিল্পী দিৱস, (৭৬ সংখ্যক) গণতন্ত্ৰ দিৱস ইত্যাদি।

**নৱাগত আদৰণী সভা ঃ**

গত ১২ নৱেম্বৰ ২৪ তাৰিখত ২০২৪-২৬ বৰ্ষৰ নৱাগত বি.এড. আৰু ডি.এল.এড. প্ৰশিক্ষাৰ্থী সকলক অনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়।

**ডায়েট সপ্তাহ ঃ**

"ক্ৰীড়া, সংস্কৃতি আৰু সাহিত্যৰ জৰিয়তে সমন্বয়ৰ উদ্‌যাপন শীৰ্ষক বিষয়বস্তু আধাৰত ১০-১৫ ফেব্ৰুৱাৰী, ২০২৫ বৰ্ষৰ ডায়েট সপ্তাহ পালন কৰা হয়।

**আমাৰ কাৰ্যকালত ডায়েট ধেমাজিৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান**

১। ২৭ জুলাই, ২০২৪ তাৰিখত বৃত্তিমুখী শিক্ষা আৰু দক্ষতা বিকাশ কাৰ্যক্ৰমৰ আৰম্ভ।

২। Wifi ইণ্টাৰনেট সেৱাৰ সৰলীকৰণ।

৩। বালা বাটিকা কক্ষ স্থাপন।

৪। ১০-১২ জানুৱাৰী, ২০২৫ লৈ অনুষ্ঠিত "আত্মনিৰ্ভৰ ধেমাজি" শীৰ্ষক বিপনন মেলাত প্ৰথমবাৰৰ বাবে Vocational Education & skill development DIET, Dhemaji-ৰ অধীনত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিপনন কৰা হয়।

৫। ফুলনি বাগিছা স্থাপন।

৬। সেউজ গৃহৰ নিৰ্মাণ।

৭। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ধেমাজিৰ, পকী স্থায়ী তোৰণৰ নিৰ্মাণ সম্পন্ন।

৮। কেঁচুৰ সাৰ উৎপাদন কক্ষৰ নিৰ্মাণ।

৯। ডায়েট কেণ্টিনৰ কক্ষ সম্প্ৰসাৰণ, নিৰ্মাণ।

১০। অনাময় আৰু নিয়মীয়া বিশুদ্ধ পানী যোগানৰ ক্ষেত্ৰৰ আংশিক উন্নয়ন আৰু সঁজুলি (ফিল্টাৰ) যোগান।

১১। খেল-পথাৰৰ আংশিক (স্থায়ী) উন্নয়ন।

১২। ছাত্ৰী নিৱাসৰ নিয়মীয়া মেচৰ ব্যৱস্থা।

১৩। সমাজ বিজ্ঞান আৰু মনোবৈজ্ঞানিক বিষয়ৰ পৰীক্ষাগাৰ ব্যৱস্থাৰ আৰম্ভণি।

১৪। তাৎক্ষনিক প্ৰাথমিক চিকিৎসাৰ বাবে দুখন বিছনা, অক্সিজেন চিলিভাৰ আদি সামগ্ৰীৰ ব্যৱস্থা।

১৫। বাতৰি কাকত পঢ়া দুটা (কাঠ আৰু লৌ) ষ্টেণ্ড তৈয়াৰ

১৬। 'Vocational stall' নিৰ্মাণ য'ত বৃত্তিমুখী শিক্ষাৰ অধীনত উৎপাদিত সামগ্ৰী সমূহৰ বিক্ৰীৰ ব্যৱস্থাপনাৰে নেয্য নিৰ্মাণ কৰা হৈছে। অনাগত দিনত এই সম্ভাৱনাময় ব্যৱস্থাপনাই গতিশীলতা লাভ কৰিব বুলি বিশ্বাস কৰা হৈছে।

১৭। ডায়েটৰ বাৰ্ষিক আলোচনী "দিগ্‌দৰ্শন" প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।

১৮। বি.এড খণ্ডৰ নামভৰ্তিৰ মাচুল হ্ৰাস।

১৯। বি.এড. খণ্ডৰ পৰীক্ষাৰ কেন্দ্ৰৰ বাবে প্ৰস্তাৱ দাখিল। (বিবেচনাধীন)

২০। গ্ৰীন অডিট ৰিপৰ্ট সম্পন্ন।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

সৰ্বপ্ৰথমে আমাৰ কাৰ্যকালৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰা শ্ৰদ্ধাৰ অধ্যক্ষ - শ্ৰীযুত হৰিনাথ বৰা ছাৰ, শ্ৰীযুতা মায়াৰাণী পাৱে বাইদেউ আৰু নৱনিযুক্ত অধ্যক্ষা শ্ৰীযুতা মৌচুমী বৰুৱা বৰদলৈ বাইদেউলৈ তেখেতলোকৰ কৰ্মৰাজি, আদৰ্শ আৰু দিহা-পৰামৰ্শৰ বাবে মোৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শিষ্যৰ প্ৰতি গুৰুদৃষ্টি যেনেকৈ সমান, শিষ্যৰ বাবেও সকলো শিক্ষাগুৰু সমান, সমশ্ৰদ্ধাৰ - সেয়ে ডায়েট ধেমাজিৰ সমূহ শিক্ষাগুৰুলৈ তেখেতলোকৰ আদৰ্শ আৰু দিহা-পৰামৰ্শৰে অভাজনক যি উৎসাহ, অনুপ্ৰেৰণা আৰু সাহস যোগালে তাৰ বাবে সশ্ৰদ্ধ প্ৰনিপাত জনায় চিৰকৃতজ্ঞ হৈ ৰ'লোঁ।

ডায়েট ধেমাজিৰ সমূহ কৰ্মচাৰী, বন্ধু-বান্ধৱী, প্ৰশিক্ষাৰ্থী তথা ছাত্ৰ বিকাশ মঞ্চৰ উপ-সভাপতি বলীন বৰশইকীয়া ছাৰৰ লগতে সমূহ বিষয়ববীয়া সদস্য-সদস্যালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আপোনাসৰক যৎপৰোনাস্তি সেৱা কৰিবলৈ এই অভাজনক যি সুবিধা দিলে তাৰ বাবে সকলোৰে শ্ৰীচৰণত প্ৰণিপাত জনালোঁ।

অনিচ্ছাকৃত - অজানিত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগিছোঁ। ❐❐

(প্ৰশান্ত কুমাৰ চুতীয়া)
সাধাৰণ সম্পাদক

# ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) ধেমাজিৰ সন্মানীয় অধ্যক্ষা মহোদয়া প্ৰমুখ্যে শিক্ষাগুৰুসকল তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰিয় প্ৰশিক্ষাৰ্থীসকললৈ হিয়াভৰা মৰম যাচিছোঁ। ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মই কিমানদূৰ কৃতকাৰ্যতা লাভ কৰিলো তাৰ বিচাৰ আপোনালোকৰ।

ডায়েট (DIET) ধেমাজিৰ 'ছাত্ৰ বিকাশ মঞ্চৰ' ক্ৰীড়া সম্পাদক হিচাপে দায়িত্বভাৰ হাতত লৈয়ে প্ৰতিষ্ঠানখনৰ ক্ৰীড়া ক্ষেত্ৰৰ সমস্যাসমূহ শিক্ষাগুৰুসকলৰ সহায় লৈ সমাধা কৰিবলৈ চেষ্টা চলাইছিলো আৰু পঞ্চমতম্ বাৰ্ষিক ডায়েট সপ্তাহ সুকলমে চলাই নিবলৈ আগবাঢ়ি আহিছিলো। সেইমৰ্মে ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখৰ পৰা ১৫ ফেব্ৰুৱাৰী তাৰিখলৈ আনুষ্ঠানিকভাৱে ডায়েট সপ্তাহ পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰতিষ্ঠানখনত অনুষ্ঠিত হোৱা ডায়েট সপ্তাহৰ প্ৰথম দিনটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ধেমাজি জিলা ক্ৰীড়া সন্থাৰ সম্পাদক শ্ৰীযুত যতীন বুঢ়াগোহাঁই ডাঙৰীয়া, PMSHRI জৱাহৰ নৱোদয় বিদ্যালয়, ধেমাজিৰ অধ্যক্ষ মিচ. অঞ্জনা আৰু PMSHRI জৱাহৰ নৱোদয় বিদ্যালয়ৰ শাৰীৰিক শিক্ষাৰ শিক্ষক শ্ৰীযুত প্ৰদ্যুৎ বুঢ়াগোহাঁই ডাঙৰীয়া। তেখেতসকলে প্ৰদান কৰা মূল্যৱান ভাষণে প্ৰশিক্ষাৰ্থীসকলৰ উৎসাহ দুগুণে বৃদ্ধি পাইছিল। প্ৰতিষ্ঠান খনৰ 'বাৰ্ষিক ডায়েট সপ্তাহত' বাহ্যিক আৰু আভ্যন্তৰীণ হিচাপে মুঠ ১৪ বিধ খেল খেলোৱা হৈছিল। একতা, উদ্যম আৰু সহযোগিতাৰে আগবাঢ়ি আহি প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবৰ বাবে প্ৰশিক্ষাৰ্থীসকলক ৰঙা, নীলা, হালধীয়া আৰু সেউজীয়া নামেৰে নামকৰণ কৰি চাৰিটা ভাগ বা আলয়ত ভাগ কৰা হয়। প্ৰতিকূল বতৰ আৰু সময়ৰ নাটনিৰ বাবে দুই-এটা খেল খেলাব পৰা নগ'ল। এয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়।

প্ৰতিষ্ঠানখনৰ শিক্ষক সমাজ আৰু প্ৰশিক্ষাৰ্থীসকলৰ মাজত একতা আৰু সু-সম্পৰ্ক বজাই ৰাখিবলৈ শিক্ষাগুৰু আৰু ছাত্ৰ বিকাশ মঞ্চৰ সকলো সম্পাদক-সম্পাদিকাৰ মাজত এখনি প্ৰীতিমূলক ক্ৰিকেট খেল অনুষ্ঠিত কৰা হয়।

বাৰ্ষিক ডায়েট সপ্তাহৰ সামৰণি দিনটোত প্ৰথম কাৰ্যসূচী হিচাপে 'সাংস্কৃতিক শোভাযাত্ৰা' কৰা হয় আৰু সেই দিনাখনে শিক্ষাগুৰুসকলৰ ঘোষণামৰ্মে নীলা হাউচ বা আলয়ে সৰ্বোচ্চ পইণ্ট অৰ্জন কৰি শ্ৰেষ্ঠ হাউচ বা আলয় হিচাপে স্বীকৃতি লাভ কৰে। ডায়েট সপ্তাহটোৰ সামৰণি অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে ধেমাজি জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়োক্ত বিষয়া ড° সঞ্জীৱ কুমাৰ ফুকন ডাঙৰীয়া। তেখেতৰ বহুমূলীয়া ভাষণে প্ৰতিষ্ঠানখনৰ সকলোকে সংসাহিত কৰিলে।

মোৰ এই কাৰ্যকালত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা প্ৰতিষ্ঠানখনৰ প্ৰবক্তা শ্ৰীমতী জুৰিষ্মিতা শ্যাম বাইদেউ, কাকলি পেগু বাইদেউ, ড° টনুজ টায়েং ছাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰোপৰি যিসকল লগৰ প্ৰশিক্ষাৰ্থীয়ে মোক সহায়-সহযোগিতা আগবঢ়ালে তেখেতসকললৈ আন্তৰিক মৰম আৰু ধন্যবাদ যাচিছোঁ।

সদৌ শেষত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ধেমাজিৰ সন্মানীয় শিক্ষাগুৰু আৰু প্ৰশিক্ষাৰ্থীলৈ ধন্যবাদ জনাই মোৰ কাৰ্যকালৰ সময়ছোৱাত হোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি প্ৰতিষ্ঠানখনৰ এক সুন্দৰ আৰু মধুৰ ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ। ❐❐

জয়তু ডায়েট ধেমাজি
জয়তু ডায়েট ধেমাজি ছাত্ৰ বিকাশ মঞ্চ

ধন্যবাদেৰে
হৰিকান্ত টায়েং
ক্ৰীড়া সম্পাদক
ছাত্ৰ বিকাশ মঞ্চ, ২০২৩-২৫ বৰ্ষ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন....

প্ৰতিবেদনৰ আৰম্ভণিতে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যিসকল দূৰদৰ্শী ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমৰ ফলত আমাৰ অতিকৈ আপোন ধেমাজি জিলাৰ শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান প্ৰতিষ্ঠা হৈ আজিৰ পৰ্যায় পাইছেহি, সেই মহান ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে "দিগ্‌দৰ্শন" আলোচনী সম্পাদিকা তথা সমূহ সদস্য-সদস্যা সকললৈ আন্তৰিক অভিনন্দন যাচিলোঁ।

DIET ধেমাজিৰ সাংস্কৃতিক সম্পাদক হিচাপে দায়িত্ব পালন কৰিব পোৱাটো মোৰ বাবে এক সুখ তথা গৌৰৱৰ বিষয়। ইয়াৰ বাবে প্ৰশিক্ষণৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে অধ্যক্ষা মহোদয়া সমন্বিতে সমূহ অধ্যাপক, অধ্যাপিকা, কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সন্মান নিবেদিছো। ধেমাজিৰ প্ৰশিক্ষাৰ্থীসকলৰ বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে ২০২৪-২৫ বৰ্ষৰ ছাত্ৰ বিকাশ মঞ্চ সাংস্কৃতিক সম্পাদিকা হিচাপে বাচনি হোৱাৰ লগতে গত ২২ মে, ২০২৪ তাৰিখত কাৰ্যভাৰ গ্ৰহণ কৰো।

কাৰ্যভাৰ গ্ৰহণৰ পিছত বিভিন্ন ধৰণৰ অনুষ্ঠানৰ লগত জড়িত হৈ পৰো আৰু অনুষ্ঠানসমূহ সাফল্যমণ্ডিত কৰাওঁ।

১। বি.এড চতুৰ্থ যান্মাসিকৰ প্ৰশিক্ষাথী সকলৰ বিদায় অনুষ্ঠান।

২। শিক্ষাগুৰু দুলেন গোহাঁই ছাৰৰ বিদায় অনুষ্ঠান।

৩। ডি.এল.এড.-ৰ ২০২২ আৰু ২০২৪ প্ৰশিক্ষাৰ্থীসকলৰ বিদায় অনুষ্ঠান, ইয়াৰ উপৰিও শিক্ষক দিৱস, সৰস্বতী পুজা, নৱাগত আদৰণি সভা, শিল্পী দিৱস, ৰাভা দিৱস আদি অনুষ্ঠিত কৰাত আমাৰ ছাত্ৰ একতা সভাই আগভাগ লৈছিল।

বিগত বছৰৰ দৰে এই বছৰো ডায়েটত ছাত্ৰ বিকাশ মঞ্চ তথা ধেমাজি জিলাৰ শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰিয়ালবৰ্গই ডায়েট সপ্তাহৰ আয়োজন কৰে। সপ্তাহৰ সাংস্কৃতিক কাৰ্যসূচীসমূহ হৈছে - ভেশচন, ৰংগুলী, ভূপেন্দ্ৰ সংগীত, জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্ৱতী প্ৰসাদ বৰুৱা গীত, বৰগীত, আধুনিক গীত, বিয়ানাম, একক নৃত্য, একক অভিনয়, দলীয় নৃত্য আৰু পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতা। এই সমূহ আকৰ্ষণীয় অনুষ্ঠান সমূহৰ উপৰিও অন্য এক ব্যতিক্ৰমী অনুষ্ঠান সাংস্কৃতিক শোভাযাত্ৰা প্ৰদৰ্শন কৰা হৈছিল - অসমীয়া কথাছবিৰ সোণালী যাত্ৰা, ইতিহাসৰ জোলোঙাত অসমীয়া মহীয়সী, শংকৰদেৱৰ সৃষ্টিৰাজি আৰু বৰ্তমান শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰভাৱ, অসমীয়া সমাজৰ এক অন্ধবিশ্বাস 'অপদেৱতা' আদি ওপৰত সুন্দৰভাৱে শোভাযাত্ৰাত প্ৰদৰ্শন কৰা হৈছিল।

অনাগত দিনত ভৱিষ্যত পৰিকল্পনা হিচাপে বিভিন্ন ধৰণৰ পৰিৱেশন, প্ৰদৰ্শনী, কৰ্মশালা, অনুষ্ঠিত কৰি সাংস্কৃতিক সজাগতা আৰু শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত অধিক অগ্ৰগামী হৈ যোৱাৰ প্ৰচেষ্টা হাতত লোৱা হ'ব। এই ক্ষেত্ৰত সঠিক মাগদৰ্শন আৰু ধেমাজি জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সমূহ পৰিয়ালবৰ্গৰ সু-দিহা পৰামৰ্শ একান্তই কামনা কৰি আপোনাসৱৰ ওচৰত আৰ্শীষ মাগিছো।

ধন্যবাদেৰে -

সংগীতা পাত্ৰ
সাংস্কৃতিক সম্পাদিকা
DIET ধেমাজি

# সাহিত্য শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন...

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাই ডায়েট ধেমাজি প্ৰাণ পাই উঠাত অৰিহণা যোগাইছিল সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে ডায়েট ধেমাজিৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ সশ্ৰদ্ধ প্ৰণাম যাঁচিলো।

ডায়েট ধেমাজিৰ ২০২৪-২৫ বৰ্ষত ছাত্ৰ একতা সভাৰ সাহিত্য শাখাৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়োৱাৰ যি সুযোগ দিলে তাৰবাবে ডায়েট ধেমাজিৰ সমূহ শিক্ষাগুৰু আৰু শিক্ষক প্ৰশিক্ষাৰ্থীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সাহিত্য শাখাৰ দায়িত্ব লোৱাৰ পাছৰ পৰাই কেতবোৰ যোগাত্মক আৰু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰি ডায়েট ধেমাজিক আগবঢ়াই নিবৰ বাবে সংকল্পবদ্ধ হৈ কাৰ্যপন্থা হাতত লৈছিলো। মোৰ কাৰ্যকালৰ শুভাৰম্ভণী হয় ডায়েট সপ্তাহৰ মাজেদি। ইংৰাজী ১০ ফেব্ৰুৱাৰী তাৰিখৰ পৰা ১৫ তাৰিখলৈকে ৫ দিনীয়া কাৰ্যসূচীৰে ডায়েট সপ্তাহ অনুষ্ঠিত হৈছিল। ডায়েটৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ সংজ্ঞানাত্মক অনুভূতিক আৰু সক্ৰিয়াত্মক দিশৰ বিকাশ সাধনৰ উদ্দেশ্যেই বিভিন্ন ধৰণৰ প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হৈছিল। সেই প্ৰতিযোগিতাসমূহ হ'ল — কবিতা আবৃত্তি প্ৰতিযোগিতা, ঠাইতে লিখা কবিতা প্ৰতিযোগিতা, অনুগল্প লিখন, চিত্ৰাংকন প্ৰতিযোগিতা, স্মৃতি শক্তি পৰীক্ষা, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা ইত্যাদি। বিভিন্ন প্ৰতিযোগিতাসমূহ চলাই নিয়াৰ ক্ষেত্ৰত মোক বিশেষভাৱে সহায়-সহযোগ আগবঢ়াইছিল মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু মায়াশ্ৰী চেতিয়া ফুকন বাইদেৱে। তাৰ লগতে মাননীয়া অধ্যক্ষা মহোদয়া মৌচুমী বৰুৱা বৰদলৈকে ধৰি সকলো শিক্ষাগুৰুৱে মোৰ বিভিন্ন ক্ষেত্ৰত সহায় অৰিহণা আগবঢ়োৱাৰ বাবে তেখেতসকললৈ সশ্ৰদ্ধ প্ৰমাণ জনাইছোঁ।

এবছৰীয়া কাৰ্যকালত কি কৰিব পাৰিলো বা কি কৰিব নোৱাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। শেষত আমাৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌশেষত ডায়েট ধেমাজিৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

শ্ৰদ্ধা সহকাৰে -<br>
হিৰণ কুমাৰী শইকীয়া<br>
সাহিত্য শাখাৰ সম্পাদিকা<br>
২০২৪-২৫ বৰ্ষ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

পোনপ্ৰথমে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট), ধেমাজিত স্থাপন কৰাত যিসকল মহান ব্যক্তিয়ে বিভিন্ন ধৰণে অৱদান আগবঢ়াই গ'ল সেইসকল ব্যক্তিলৈ শত সহস্ৰ প্ৰণিপাত জনালোঁ। দ্বিতীয়তে ডায়েট, ধেমাজিত শিক্ষক প্ৰশিক্ষণ লোৱা প্ৰশিক্ষাৰ্থীসকলে নিজৰ বিবেচনাৰে মোক ডায়েট, ধেমাজিৰ ছাত্ৰ বিকাশ মঞ্চৰ 'সমাজ সেৱা' বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

২০২৪-২৫ বৰ্ষৰ ডায়েট, ধেমাজিৰ ছাত্ৰ বিকাশ মঞ্চৰ সদস্য হিচাপে সমাজ সেৱা বিভাগৰ কাৰ্য পৰিচালনা কৰিবলৈ পাই আৰু ডায়েটখনলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকন পাই সঁচাকৈ মই অতি আনন্দিত।

মোৰ কাৰ্যকালত সমাজ সেৱা বিভাগৰ কাম-কাজসমূহ চলাই নিয়াত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি সহায় কৰা বিভাগীয় তত্ত্বাৱধায়ক সন্মানীয় ড° টনুজ টায়েং ছাৰ, কাকলি পেগু বাইদেউ আৰু দিব্যজ্যোতি গগৈ ছাৰ, ইন্দ্ৰজিৎ গাম ছাৰ, ডায়েটৰ সকলো শিক্ষাগুৰুলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু বিভিন্ন দিশত নিস্বাৰ্থভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱীসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মোৰ অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি আৰু ডায়েট, ধেমাজিৰ উজ্জ্বল ভৱিষ্যৎ আৰু সৰ্বাংগীন বিকাশ কামনা কৰি মোৰ চমু প্ৰতিবেদন ইমানতেই সামৰিলোঁ।

জয় আই অসম

জয়তু ডায়েট, ধেমাজি

জয়তু ডায়েট ছাত্ৰ বিকাশ মঞ্চ

লিলাম্বৰ পাইত
সম্পাদক, সমাজ সেৱা বিভাগ
ডায়েট, ধেমাজি ছাত্ৰ বিকাশ মঞ্চ
২০২৪-২৫ বৰ্ষ

# ছবিয়ে কথা কয়...
























আত্মনির্ভৰ ডায়েট ধেমাজি






USE ME








DISTRICT LEVEL BAL VAIGYANIK
PRADARSHANI - 2024
THEME - "SCIENCE AND TECHNOLOGY FOR SOCIETY"


CELEBRATION
OF
SHIKSHA SAPTAH- 2024
ORGANISED BY
DIET, DHEMAJI
VENUE : MULTIPURPOSE HALL, DHEMAJI
DATE : 22nd JULY 2024 TO 28th JULY 2024


ORIENTATION ON INTEGRATING DRAMA
IN THE TEACHING - LEARNING PROCESS






WORLD ENVIRONMENT DAY
2024


SPORTS INTEGRATED PEDAGOGY








NIJUT MOINA



# ডায়েটৰ কিছু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী





















# জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষণৰত শিক্ষক-শিক্ষয়িত্ৰীসকল



























# ডায়েটৰ কিছু কাৰ্যক্ৰমণিকা
























শিক্ষক-কৰ্মচাৰীবৃন্দ



শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সঞ্চালক ড° নিৰদা দেৱী আৰু শিক্ষক-কৰ্মচাৰীবৃন্দ



ছাত্ৰ বিকাশ মঞ্চ আৰু তত্ত্বাৱধায়কসকল



বি.এড. চতুৰ্থ ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকল



বি.এড. দ্বিতীয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকল



ডি.এল.এড. তৃতীয় ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকল




ডি.এল.এড. প্ৰথম ষাণ্মাসিকৰ প্ৰশিক্ষাৰ্থীসকল

## ২০২৪-২৫ বৰ্ষৰ ডায়েট সপ্তাহ













